# এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

## প্ৰথম বছৰ ঃঃ ঋতুৰাজ সংখ্যা


**সম্পাদনা সমিতি**

বিৰাজ জ্যোতি গোস্বামী

পঙ্কজ কুমাৰ নেওগ

জোনা মহন্ত

তপোধন দাস

শৰৎ বৰকাকতি

কস্তুৰী নিভা গগৈ

সম্পাদক

**মদন চন্দ্ৰ ডেকা**

এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

***EJAK PRAKTON COTTONIANOR KALARAV :*** A souvenir of the 1975-77 batch of Cottonians.

প্ৰকাশক ঃ  ১৯৭৫-৭৭ বৰ্ষৰ প্ৰাক-বিশ্ববিদ্যালয় শ্ৰেণীৰ কটনিয়ান

প্ৰকাশ কাল ঃ মে’, ২০২০

গ্ৰন্থস্বত্ব ঃ প্ৰকাশক

মূল্য ঃ ৩০০.০০ টকা

বেটুপাত ঃ ৰঞ্জনা দত্ত
অলঙ্কৰণ ঃ বিৰাজ জ্যোতি গোস্বামী

মুদ্ৰণ ঃ
শ্ৰীগণেশ প্ৰিণ্টাৰ্ছ, নুনমাটি, গুৱাহাটী -২০

এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

# অশ্ৰু অঞ্জলি





আমাক অকালতে এৰি থৈ নেদেখা ধামলৈ গতি কৰা আমাৰ সহপাঠী বন্ধুসকললৈ একাঁজলি ফুল

এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

# সূচীপত্ৰ


- সম্পাদকীয় ৯
- কটন বন্দনা ১৩-১৫

  শৰৎ বৰকাকতি, অগস্ত্য বৰুৱা, ৰত্ন কান্ত শৰ্ম্মা, কঙ্কন শৰ্ম্মা
- প্ৰতিবেদন

  প্ৰতিবেদন-১ ১৬

  প্ৰতিবেদন-২ ৫৫

  প্ৰতিবেদন-৩ ৯৬

  প্ৰতিবেদন-৪ ১২৩
- কবিতাৰ ক'লাজ ১ ২১-২৬

  শৰৎ বৰকাকতি, কঙ্কন শৰ্ম্মা, অমল শইকীয়া, জয়ন্ত চৌধুৰী, ৰুমিমা দাস, ৰঞ্জনা দত্ত, পঙ্কজ কুমাৰ বৰুৱা, ৰত্ন কান্ত শৰ্ম্মা, কস্তুৰী নিভা গগৈ, জোনা মহন্ত, তপোধন দাস, মদন চন্দ্ৰ ডেকা, ফাইজুৰ ৰহমান
- প্ৰবন্ধ

| | | |
|---|---|---|
| চন্দ্ৰবিন্দুৰ ব্যৱহাৰ | মীনাক্ষি ৰায় ডাকুৱা (সং) | ২৭ |
| এজন অভিযন্তাৰ প্ৰয়োজন | পঙ্কজ কুমাৰ বৰুৱা | ৩০ |
| বীৰ চিলাৰায় | কৃষ্ণা শৰ্ম্মা | ৪২ |
| দেশৰ এজন দায়িত্বশীল নাগৰিক হিচাপে মই বৰ চিন্তিত | ডাঃ অমল শইকীয়া... | ৫৭ |
| চিকিৎসা বিজ্ঞানৰ ইটো-সিটো | ডাঃ অমল শইকীয়া... | ৭০ |
| ৰাসলীলা, ৰাধা ইত্যাদি প্ৰেমৰ অনবাদ্য সংজ্ঞা | বিৰাজ জ্যোতি গোস্বামী... | ৮৭ |
| চিকিৎসা বিজ্ঞানৰ ইটো-সিটো | ডাঃ অমল শইকীয়া... | ১০৮ |
| খিলঞ্জীয়া অসমীয়া সন্দৰ্ভত | কৃষ্ণা শৰ্ম্মা.... | ১১৮ |
| অসমীয়া ভাষাৰ সঙ্কট | মদন চন্দ্ৰ ডেকা... | ১৮৬ |

- অনুগল্প

| | | |
|---|---|---|
| ফুলচোৰ | ৰঞ্জনা দত্ত.... | ২৮ |
| গদ্যেশ্বৰৰ কবিতা | শৰৎ বৰকাকতি... | ২৯ |
| জন্মদিন | কঙ্কন শৰ্ম্মা.... | ১৩৮ |
| অমনোযোগী | মদন চন্দ্ৰ ডেকা... | ১৫৮ |
| টাঙাৰ মাকৰ অভিমান | ৰত্ন কান্ত শৰ্ম্মা... | ১৬০ |
| স্বস্তিৰ নিশ্বাস | শৰৎ বৰকাকতি... | ১৬৫ |
| মনৰ ভয় | জোনা মহন্ত... | ১৭৩ |
| গল্প নহয় | মদন চন্দ্ৰ ডেকা... | ১৮০ |

- ভালপাওঁ সহপাঠী তোমাক

| | | |
|---|---|---|
| অৰ্থী | মীনাক্ষি ৰায় ডাকুৱা.... | ৩১ |
| একেটা সুৰত গাঁথা | মদন চন্দ্ৰ ডেকা.... | ৩৩ |

এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ


● লঘু ৰচনা

| | | |
|---|---|---|
| দেওবৰীয়া মুখৰোচক | ডাঃ অমল শইকীয়া.... | ৩৬ |
| চিকিৎসকৰ ডায়েৰী | ডাঃ অগস্ত্য বৰুৱা... | ৪৭ |
| সাপ অ' সাপ !! কামুৰিলে | ডাঃ অমল শইকীয়া.... | ১২৯ |
| দেওবৰীয়া বুলেটিন | ডাঃ অমল শইকীয়া... | ১৭১ |

● ভ্ৰমণ-বিলাস

| | | |
|---|---|---|
| আমাৰ তিনিদিনীয়া ভ্ৰমণ ঃ ধলা, শদিয়া, ৰয়িং, নামচাই, ডুলিয়াজান অভিমুখে | ফাইজুৰ ৰহমান.... | ৩৮ |
| বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰৰ আংশিক দৰ্শন | ফাইজুৰ ৰহমান... | ৮২ |
| মোৰ বাংলাদেশ ভ্ৰমণৰ কথাৰে | মদন চন্দ্ৰ ডেকা.... | ১৩২ |

● জীৱন জীৱন বৰ অনুপম ৪৩-৪৫

অগস্ত্য বৰুৱা, অমল শইকীয়া, বিৰাজ জ্যোতি গোস্বামী, মদন চন্দ্ৰ ডেকা, তপোধন দাস

● মৰণ ৰে তুহু মম শ্যাম সমান... ৪৬

পঙ্কজ কুমাৰ বৰুৱা, কঙ্কন শৰ্ম্মা

● অতীত মাধুৰী ঃ ঐতিহ্য চেতনা ৪৯-৫৩

পঙ্কজ কুমাৰ নেওগ, পঙ্কজ কুমাৰ বৰুৱা, মদন চন্দ্ৰ ডেকা, জোনা মহন্ত, কস্তুৰী নিভা গগৈ, ৰঞ্জনা দত্ত

● গল্প

| | | |
|---|---|---|
| বিব্ৰত ফাগুন | শৰৎ বৰকাকতি.... | ৫৩ |
| কোলাহল | মদন চন্দ্ৰ ডেকা... | ৯৪ |
| উৰণীয়া মন উদঙীয়া লৰ | শৰৎ বৰকাকতি.... | ১১৪ |
| স্মৃতি | মদন চন্দ্ৰ ডেকা... | ১২৭ |
| সোণতৰা পেহী | পঙ্কজ কুমাৰ নেওগ... | ১৩৬ |
| ৰেম্প-ৰাক্ | পঙ্কজ কুমাৰ নেওগ .... | ১৭৪ |
| কওঁ নে নকওঁ | শৰৎ বৰকাকতি... | ১৮৪ |

● অভিজ্ঞতা ঃ অনুভৱৰ জোলোঙা

| | | |
|---|---|---|
| Christian Medical College ত মোৰ প্ৰথম ২৪ ঘণ্টাৰ অভিজ্ঞতা | বিৰাজ জ্যোতি গোস্বামী..... | ৫৯ |
| শিক্ষক দিৱস উপলক্ষে | জোনা মহন্ত.... | ১৩০ |
| অনুভৱৰ এপৃষ্ঠা | পঙ্কজ কুমাৰ বৰুৱা... | ১৫০ |
| অথন্তৰৰ উপাচাৰ | শৰৎ বৰকাকতি.... | ১৫১ |
| নিৰীক্ষকৰ অভিজ্ঞতা | জোনা মহন্ত... | ১৫৯ |
| বাংলাদেশৰ ক্ৰিকেটাৰৰ অনুভৱ | জয়ন্ত চৌধুৰী... | ১৭২ |
| শিক্ষকতাৰ অনিৰ্বচনীয় আনন্দ | পঙ্কজ কুমাৰ বৰুৱা .... | ৬০ |
| এটি অনুৰোধ | ফাইজুৰ ৰহমান ... | ১৬৬ |

● বিশেষ ৰচনা

| | | |
|---|---|---|
| ডিমেনচিয়া | ৰঞ্জনা দত্ত ... | ১১৯ |

## এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ


- বাৰিষাৰ গান — ৬১-৬৩
  ৰত্ন কান্ত শৰ্ম্মা, কস্তুৰী নিভা গগৈ, ৰুমিমা দাস, ৰঞ্জনা দত্ত
- চিঠিৰ টোপোলা
  ব্ৰহ্মপুত্ৰ ও বান ব্যৱস্থাপনা — তপোধন দাস.... — ৬৪
  বঙ্গবন্ধু সম্পৰ্কে — মদন চন্দ্ৰ ডেকা... — ৬৬
- শ্ৰদ্ধাঞ্জলি
  A renowned son of Assam — Utpal Ranjan das... — ৬৭
  ৰূপকোঁৱৰলৈ শ্ৰদ্ধাঞ্জলি — জগদীশ বসুমতাৰী.... — ৬৮
  শ্ৰদ্ধাঞ্জলি — কৃষ্ণা শৰ্ম্মা.... — ৬৯
- কবিতাৰ ক'লাজ ২ — ৭১-৭৭
  অগস্ত্য বৰুৱা, কঙ্কন শৰ্ম্মা, জোনা মহন্ত, তপোধন দাস, ৰঞ্জনা দত্ত, পূৰ্ণেন্দু শৰ্ম্মা, বিৰাজ জ্যোতি গোস্বামী, অমল শইকীয়া, ৰত্ন কান্ত শৰ্ম্মা, ৰুমিমা দাস, কস্তুৰী নিভা গগৈ
- স্নেপশ্বট — মদন চন্দ্ৰ ডেকা... — ৭৮

- সোঁৱৰণীৰ কুঁৱলী
  বাছ! বাছ!! ৰঙা বাছ!!! — অমল শইকীয়া .... — ৮৩
  অশান্ত শ্বিলং — ৰঞ্জনা দত্ত... — ৮৮
  বৰমৌৰ কথা আৰু দেওপাহাৰ — পঙ্কজ কুমাৰ বৰুৱা .... — ৮৯
  নেখেলা ক্ৰিকেট মেচৰ সোঁৱৰণী — ফাইজুৰ ৰহমান... — ৯৩
  প্ৰথম সুৰাপান — বিপুল কুমাৰ খাটনিয়াৰ — ৪৮
  ধৃষ্টদ্যুম্ন — পঙ্কজ কুমাৰ নেওগ.... — ৯৯
  কঙ্কনৰ অনুগল্প 'জন্মদিন'পঢ়ি প্ৰতিক্ৰিয়া — পঙ্কজ কুমাৰ বৰুৱা... — ১৪০
  মোৰ শিশুকালৰ পূজাথলী গমন ও পূজা দৰ্শন — ফাইজুৰ ৰহমান... — ১৫৩
- শৈশৱ ঃ সোণোৱালী অনুভৱ — ৯০-৯২
  ফাইজুৰ ৰহমান, কস্তুৰী নিভা গগৈ, ৰুমিমা দাস, ৰঞ্জনা দত্ত, কঙ্কন শৰ্ম্মা, পঙ্কজ কুমাৰ বৰুৱা
- অৱসৰ ঃ অৱসৰ — ১০০-১০৬
  ৰুমিমা দাস, শৰৎ বৰকাকতি, ৰঞ্জনা দত্ত, মদন চন্দ্ৰ ডেকা, পঙ্কজ কুমাৰ বৰুৱা, কস্তুৰী নিভা গগৈ, কঙ্কন শৰ্ম্মা
- লিমাৰিক ৰচনাত ব্ৰতী কেইগৰাকীমান প্ৰাক্তন কটনিয়ান.... — ১২১-১২২
  বিৰাজ জ্যোতি গোস্বামী, তপোধন দাস, ফাইজুৰ ৰহমান, শৰৎ বৰকাকতি
- শেৱালি ফুলাৰ বতৰৰ পৰা আঘোণৰ কুৰঁলীলৈ.... — ১২৪-১২৬
  ৰত্ন কান্ত শৰ্ম্মা, কঙ্কন শৰ্ম্মা, শৰৎ বৰকাকতি, অমল শইকীয়া, বিৰাজ জ্যোতি গোস্বামী, কৃষ্ণা শৰ্ম্মা
- অসমীয়া গজল ঃ মদিৰ মায়াত — শৰৎ বৰকাকতি...... — ৯৫
- হাইকু ঃ — মীনাক্ষি ৰায় ডাকুৱা, কস্তুৰী নিভা গগৈ — ১২৮

## এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ


- বিশেষ ৰচনা
  চিকিৎসকৰ ডায়েৰী ডাঃ জগদীশ বসুমতাৰী .... ১৩৩
  ভাল কাম এটা কৰা যেন লাগিল ডাঃ জগদীশ বসুমতাৰী .... ১৯১
- সময় ঃ স্মৃতি ১৩৪-১৩৬
  পূৰ্ণেন্দু শৰ্ম্মা, ৰত্ন কান্ত শৰ্ম্মা, কৃষ্ণ শৰ্ম্মা
- আহাঁ গাওঁ ফুৰোঁ ১৪১-১৪৪
  জোনা মহন্ত, ফাইজুৰ ৰহমান, শৰৎ বৰকাকতি
- কবিতাৰ ক'লাজ ৩ ১৪৫-১৪৯
  পূৰ্ণেন্দু শৰ্ম্মা, জোনা মহন্ত, বিৰাজ জ্যোতি গোস্বামী, কঙ্কন শৰ্ম্মা, ৰঞ্জনা দত্ত, পঙ্কজ কুমাৰ বৰুৱা, ৰত্ন কান্ত শৰ্ম্মা
- অতীত-পীড়া ১৫৪-১৫৫
  মদন চন্দ্ৰ ডেকা, ৰঞ্জনা দত্ত, কঙ্কন শৰ্ম্মা, পঙ্কজ কুমাৰ বৰুৱা।
- বিশেষ নিবন্ধ ঃ
  প্ৰহসন ডাঃ অমল শইকীয়া ১৬১
- প্ৰশস্তি ১৬৩-১৬৪
  কস্তুৰী নিভা গগৈ, মদন চন্দ্ৰ ডেকা, কঙ্কন শৰ্ম্মা,
- শিশু কবিতা ১৬৭-১৭০
  পঙ্কজ কুমাৰ নেওগ, কস্তুৰী নিভা গগৈ, পঙ্কজ কুমাৰ বৰুৱা
- ফাগুন ১৭৫-১৭৮
  জোনা মহন্ত, কস্তুৰী নিভা গগৈ, ৰত্ন কান্ত শৰ্ম্মা, ৰুমিমা দাস, অমল শইকীয়া, পঙ্কজ কুমাৰ নেওগ, শৰৎ বৰকাকতি
- পেন্সন ঃ পেন্সনৰ ধন ১৮১-১৮৩
  পঙ্কজ কুমাৰ বৰুৱা, কস্তুৰী নিভা গগৈ, মদন চন্দ্ৰ ডেকা
- নদী ঃ নাৰী ঃ বাগদেৱী বন্দনা ১৮৯-১৯০
  কস্তুৰী নিভা গগৈ, ৰুমিমা দাস, পঙ্কজ কুমাৰ নেওগ
- বসন্ত ঃ ব'হাগ ১৯২-১৯৪
  পঙ্কজ কুমাৰ নেওগ, ৰত্ন কান্ত শৰ্ম্মা, কস্তুৰী নিভা গগৈ, জোনা মহন্ত
- কৰ'না যুগৰ সাহিত্য ১৯৬-২০৪
  ফাইজুৰ ৰহমান, তপোধন দাস, ৰঞ্জনা দত্ত, কস্তুৰী নিভা গগৈ, মদন চন্দ্ৰ ডেকা, জোনা মহন্ত, বিৰাজ জ্যোতি গোস্বামী, ৰুমিমা দাস, পঙ্কজ কুমাৰ নেওগ, শৰৎ বৰকাকতি
- Memorandum of Association..... ২০৫
- ছবিত আস্থাৰ জনকল্যাণমূলক কাৰ্য্যাৱলী/সহপাঠীৰ পুনৰ্মিলন ১০৯-১১২
- Our Classmates who left for heavenly abode..... ৮৬
- Directory containing name, photograph and address of our classmates.... ২১৭
- ছবিয়ে কথা কয় ২৪২

# সম্পাদকীয়



কিমান দ্ৰুতগতিত পৃথিৱী আগুৱাইছে গমকেই পোৱা নাছিলোঁ। আজি কেইদিনমান আগলৈকে ভাব হৈছিল যেন দিনটো চৌবিশ ঘণ্টাতকৈ আৰু অলপমান দীঘল হ'লে ভাল। অহৰ্নিশে কাম কৰিও কাম শেষ কৰিব নোৱাৰি। কেৱল কামৰ পিছত দৌৰা। তাৰ লগতে আছে প্ৰতিযোগিতা। নিগনি দৌৰ। কাৰো কথা শুনিবলৈ সময় নাই। কাৰো বাবে ৰ'বলৈ সময় নাই। কেৱল গতি কৰিব লাগে। অবিৰত গতি। গতিৰ শেষ নাই। কাৰণ গতিৰ শেষেই যে যতি!

কিন্তু হঠাতে পৃথিৱী স্তব্ধ হ'ল। তলাবন্ধ হ'ল পৃথিৱী। আমাৰ দেশ, আমাৰ ৰাজ্য, আমাৰ প্ৰিয় চহৰখন, গাঁওখন। অতিমাৰী কৰ'না(আমি CORONA ক অসমীয়াত কৰ'না বুলি লিখিম। এই শব্দটো অসমীয়া ভাষাৰ নহয়, আনহাতে ভাষাবিদসকলেও এই বানানটো সম্পৰ্কত কোনো অভিমত আগবঢ়োৱা নাই)ই সমগ্ৰ পৃথিৱী গ্ৰাস কৰিলে। চীন দেশৰ য়ুহানত উৎপত্তি হোৱা বুলি কোৱা কৰ'নাই প্ৰায় আচম্বিতে মহামাৰীৰ ৰূপ ধাৰণ কৰিলে। প্ৰথমে এজন দুজনকৈ, পিছত শই শই আৰু তাৰ পৰৱৰ্ত্তী সময়ত হাজাৰৰ হিচাপত পৃথিৱীৰ মানুহ দৈনিক মৃত্যুমুখত পৰিবলৈ ধৰিলে। এতিয়ালৈকে কৰ'নাৰ কোনো প্ৰতিষেধক আৱিষ্কাৰ হোৱা নাই। ভাৰতকে ধৰি বিভিন্ন দেশৰ গৱেষক, বিজ্ঞানী তথা প্ৰতিষ্ঠানে ইয়াৰ প্ৰতিষেধক আৱিষ্কাৰৰ বাবে অহৰহ চেষ্টা চলাই আছে।

পিছে কৰ'নাই কৰিলে অসাধ্য সাধন। কেতিয়াবা খোৱাৰ মেজতো লগ হ'ব নোৱৰা পৰিয়াল একোটা দিনৰ পিছত দিন একেটা ঘৰতে বন্দী হৈ একেলগে থাকিবলগীয়া হ'ল। পৰিয়ালৰ সদস্যসকলে পৰস্পৰৰ সুখ-দুখ, সুবিধা-অসুবিধাৰ প্ৰতি লক্ষ্য কৰিবলৈ সময় পোৱা হ'ল। বহুদিনৰ পৰা পঢ়িবলৈ গোটাই থোৱা অথচ সময়ৰ অভাৱত পঢ়িব নোৱৰা কিতাপবোৰ পঢ়িবলৈ সময় ওলাল। এলাহত অ'ত ত'ত পেলাই থোৱা ৰং তুলিকা গোটাই ঘণ্টাৰ পিছত ঘণ্টা ইজেলত ব্যস্ত হ'ব পৰা হ'ল। ৰচনা হ'ল গীত-কবিতা-গল্প-নিবন্ধ-প্ৰবন্ধ। মানৱ জীৱনৰ ক্ষণভঙ্গুৰতা তথা মৃত্যুৰ চিৰন্তন সত্যক লৈ সৃষ্টি হ'ল অসংখ্য সাহিত্যকৃতিৰ।

আটাইতকৈ ডাঙৰ কথা, পৰিয়ালৰ প্ৰয়োজনীয় কামবিলাক হাতে হাতে ধৰি লগে ভাগে কৰাৰ অভ্যাস হ'ল। কোনোবাই ক'বৰ নিচিনাকৈ 'ঘৰ সাৰোঁতে আগুৱাই যাব লাগে, ঘৰ মচোঁতে পিছুৱাই আহিব লাগে'- শিকাও সম্ভৱ হ'ল। তলাবন্ধই আনি দিলে আত্মবিশ্লেষণৰ আৰু আত্মশুদ্ধিৰ বিৰল সুযোগ।

আৰু পৃথিৱীয়ে ল'লে উশাহ। গাড়ী-মটৰ, ৰে'ল-উৰাজাহাজ, কল-কাৰখানা সকলো বন্ধ হৈ পৰাৰ ফলত প্ৰদূষণৰ মাত্ৰা লক্ষণীয়ভাৱে কমি আহিল। চৰাই-চিৰিকতি, পশু-পক্ষী নিৰ্বিঘ্নে মুকলিলৈ ওলাব পৰা হ'ল। আকাশত উৰি ফুৰিব পৰা হ'ল। জান-জুৰি-নদী-জলাশয়ৰ পানী পৰিষ্কাৰ হ'ল। পথলৈ ওলাই আহিল বনৰীয়া জন্তু। পৰিভ্ৰমী চৰাইৰ কাকলিত মুখৰিত হ'ল উদ্যান-জলাশয়ৰ বুকু। অত্যুৎসাহী কিছুমানে আনকি কোৱা-কুই কৰিবলৈ ল'লে যে, বছৰত অন্ততঃ এসপ্তাহৰ বাবে হ'লেও 'লক ডাউন' লাগে।

ইয়াৰ বিপৰীতে কিন্তু নিম্ন আয়ৰ লোকসকলৰ অৰ্থনৈতিক অৱস্থা অত্যন্ত বেয়া হৈ পৰিল। দেশজোৰা বন্ধৰ ফলত উদ্যোগ, কল-কাৰখানা বন্ধ হোৱাৰ ফলশ্ৰুতিত শ্ৰমিকসকলে চাকৰি হেৰুৱাবলগীয়া হ'ল। প্ৰব্ৰজিত শ্ৰমিকৰ সমস্যাই বহুদিনলৈ দেশৰ (আমাৰ ৰাজ্যৰো) অৰ্থনীতিত এক প্ৰৱল নিম্নমুখী চাপ সৃষ্টি কৰি যে থাকিব, সি ধ্ৰুৱপ। আনহাতে কৃষকে উৎপাদিত ফচল বিক্ৰী কৰিব নোৱৰাত সাংঘাতিক লোকচানৰ সন্মুখীন হ'বলগীয়া হয়। আমাৰ ৰাজ্যত পৰ্য্যাপ্ত শীতলীকৰণ ভৰন নথকাই এই সময়ছোৱাত (২৪ মাৰ্চ, ২০২০ পৰা) উৎপাদিত শাক-পাচলি পথাৰতে নষ্ট হ'বলগীয়া হয়।

আমাৰ ১৯৭৫-৭৭ বৰ্ষৰ পি.ইউ. কটনিয়ানৰ মঞ্চত এই সমস্যা লৈ আলোচনা কৰা হৈছে আৰু ফলপ্ৰসূ আঁচনি যুগুতোৱাৰ চিন্তা-চৰ্চ্চা কৰা হৈছে। ইতিমধ্যে 'আস্থা' (AASTHA) ৰ উদ্যোগত ৰঙিয়াৰ ওচৰৰ বিছেন্নালা গাঁৱত এক সংহত কৃষি প্ৰকল্প (Integrated Agriculture Project) ৰ কাম হাতত লোৱা হৈছে।

এইবাৰ ব'হাগ নাছিল মনত। বসন্ত আহিছিল। আন আন বছৰৰ তুলনাত প্ৰকৃতিৰ উছাহ আছিল অধিক। শিমলু-মদাৰ-পলাশ ফুলিছিল। কমোৱা তুলা উৰিছিল। তগৰ-মালতী-নাহৰ ফুলিছিল। কুলিয়ে মাতিছিল, কেতেকীয়ে বিনাইছিল। বৰদৈচিলা আহিছিল। কিন্তু পৃথিৱীৰ অসুখ দেখি মনলৈ ব'হাগ নাহিল। সামাজিক দূৰীকৰণ মানি ঘৰতে বাপতিসাহোন ৰঙালী বিহুটি উদ্‌যাপন কৰা হ'ল।

২০১৮ চনৰ জানুৱাৰি মাহৰ ২০ তাৰিখে যেতিয়া আমাৰ বৰ্ষৰ কটনিয়ানসকলৰ পুনৰ্মিলন সমাৰোহ পতা হয়, তাৰ আগতে লগৰ মানুহখিনিৰ (আমি আৰু ল'ৰা-ছোৱালী হৈ থকা নাই) সৈতে যোগাযোগৰ উদ্দেশ্যে WhatsApp গ্ৰুপটো খোলা হয়। নাম দিয়া হয় "1975-77 Cottonians PU" প্ৰথমে পুৰণা মানুহবিলাক/একালৰ সহপাঠী বন্ধুবিলাকক লগ পোৱাৰ উল্লাসত উছাহতে সাধাৰণ বা-বাতৰি লোৱাৰ মেছেজ পঠোৱাৰ কছৰৎ কৰা হয় যদিও লাহে লাহে এটা অতি উৎসাহজনক খেল আৰম্ভ হয়। সেয়া হ'ল কবিতা লিখা আৰু 'কবিতা কবিতা' খেলা। ক্ৰমে ক্ৰমে কবিতাৰ উপৰিও সাহিত্যৰ অন্যান্য ভাগৰ চৰ্চ্চা WhatsApp ৰ মাধ্যমত এই মঞ্চতে হ'বলৈ আৰম্ভ কৰে। ইয়াৰে ২০১৮ চনৰ পৰা ২০১৯ চনৰ জুন মাহলৈ ৰচনা হোৱা কবিতাসমূহৰ কিছু সংখ্যক গোটাই 'কাব্য ভাবনা' নাম দি ২০১৯ চনৰ জুলাই মাহত ছপাই উলিওৱা হয়। ডিজিটেল মাধ্যমত কাব্য বা সাহিত্য চৰ্চ্চা নতুন কথা নহয় যদিও ডিজিটেল কবিতাৰ ছপা ৰূপ বোধকৰোঁ বিৰল।

## এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

আমাৰ মঞ্চত সাহিত্য চৰ্চ্চা নিৰলসভাৱে চলি থকাৰ পৰিপ্ৰেক্ষিতত আমি এটা সিদ্ধান্ত ললোঁ যে আমি মুখপত্ৰ আকাৰত বছৰত দুটা সংখ্যা ছপা কৰি উলিয়াম - এটা 'ঋতুৰাজ' মানে বসন্ত সংখ্যা আৰু আনটো 'ঋতুৰাণী' অৰ্থাৎ শাৰদীয় সংখ্যা। 'কাব্য ভাবনা'ও থাকিব, বছৰত এটাকৈ খণ্ড ওলাব।

এই সিদ্ধান্ত লোৱা হয় মানে শাৰদীয় সংখ্যা উলিওৱাৰ সময় পাৰ হৈ গৈছিল। অথাপি চেষ্টা অব্যাহত আছিল। কিন্তু ডিচেম্বৰ মাহৰ পৰা আৰম্ভ হোৱা C(A)A বিৰোধী আন্দোলনে 'ঋতুৰাণী' সংখ্যা উলিওৱাৰ সম্ভাৱনা একেবাৰেই নাইকিয়া কৰিলে। ভবা হ'ল যে, ব'হাগ বিহুৰ আগে আগে 'ঋতুৰাজ' সংখ্যাটোকেই উলিওৱা হওক। কিন্তু মাৰ্চ/২০২০ মাহৰ পৰা প্ৰাদুৰ্ভাৱ ঘটা অতিমাৰী কৰ'নাৰ বাবে সেই আশাতো চেঁচাপানী পৰে। বহু পলম হ'ল যদিও 'ঋতুৰাজ' সংখ্যা ছপা কৰি উলিওৱাৰ প্ৰচেষ্টা অব্যাহত থাকিল আৰু তাৰেই ফলস্বৰূপে আজি ই পোহৰৰ মুখ দেখিলে।

সহপাঠী পঙ্কজ কুমাৰ নেওগে মুখপত্ৰখনৰ নামটো দিয়ে- 'এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ'। আমি জানো যে আমাৰ সহপাঠীসকলৰ ভিতৰত কেইবাজনো প্ৰতিষ্ঠিত কবি-সাহিত্যিক, নিবন্ধকাৰ, গৱেষক আছে। কিন্তু বহুতেই এই মঞ্চত ডিজিটেল সাহিত্য চৰ্চ্চা কৰা নাই। গতিকে পাঠক সমাজ তেওঁলোকৰ সৃষ্টিৰ সোৱাদ লোৱাৰ পৰা বঞ্চিত হ'ল। আনহাতে ছপা কৰোঁতে পলম হোৱাৰ বাবে এই বসন্তৰ শেষৰ দিনটোৰ সাহিত্যিক সৃষ্টিও এই সংখ্যাত অন্তৰ্ভুক্ত কৰিবলগীয়া হোৱাত কলেৱৰ ডাঙৰ হ'ল।

'এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ'ৰ 'ঋতুৰাজ' সংখ্যাত প্ৰকাশ পোৱা লেখাবোৰ যেনে প্ৰবন্ধ, চিন্তামূলক প্ৰবন্ধ, গল্প আদি ডিজিটেল সাহিত্য চৰ্চ্চাৰ ফচল হোৱা হেতুকে স্বয়ংসম্পূৰ্ণ বুলি ধৰি লোৱা হৈছে যদিও সেই সেই লেখাসমূহৰ সম্পূৰ্ণ বিস্তাৰ হয়তো সম্ভৱ হ'লহেঁতেন যদিহে কাগজৰ বুকুত কলমেৰে লিখা হ'লহেঁতেন। গতিকে এই লেখাসমূহৰ সাহিত্যিক মূল্য নিৰূপণ কৰাৰ ক্ষেত্ৰত উক্ত ভাবধাৰা মনত ৰাখিলেহে সমুচিত মূল্যায়ন কৰা হ'ব।

আমাৰ সহপাঠীসকলৰ ১৯৭৫ চনত কটন কলেজ (বৰ্ত্তমান বিশ্ববিদ্যালয়)ত নামভৰ্ত্তি কৰাৰ সময়ৰ ফটো, বৰ্ত্তমানৰ ফটো (পৰিয়াল সহ) আৰু স্থায়ী ঠিকনাৰ এখন Directory প্ৰস্তুত কৰাৰ বাবেও যত্ন কৰা হৈছিল। কিন্তু সকলোৰে সঁহাৰি নোপোৱাৰ বাবে ডাইৰেক্টৰীখন অসম্পূৰ্ণ হৈ ৰ'ল। আমি আশা কৰিম যে, 'এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ'ৰ 'ঋতুৰাণী' সংখ্যাত পূৰ্ণাঙ্গ ডাইৰেক্টৰী এখন ছপা কৰিব পৰা হ'ব।

আমি আশাবাদী তিতিক্ষাৰ অন্তত ফেঁহুজালিৰ পোহৰে পূবাকাশত আশাৰ কঠীয়া সিঁচিবই।

২০ মে', ২০২০ — মদন চন্দ্ৰ ডেকা

*"তুমি অসমৰ দীপ্ত প্ৰাণৰ প্ৰদীপ্ত মেজি-জুই,*
*তোমাৰ নাচৰ ছেৱে ছেৱে ফুলে আশাৰ পাপৰিবোৰ-*
*উঠি অহা ডেকাদলৰ চকুত ফিৰিঙতি সানি দিয়া,*
*লুইতপাৰৰ চিৰযৌৱনা কটন কলেজ মোৰ!"*

- অমলেন্দু গুহ

# আমাৰ কটন

(১৯৭৫-৭৭ কটনিয়ান পি.ইউ. গোটৰ ৭ জুলাই, ২০১৯ তাৰিখৰ বাৰ্ষিক সমাৰোহত
সমবেত সঙ্গীত হিচাপে গোৱা)

**কথা ঃ শৰৎ বৰকাকতি**

**সুৰ ঃ শৰৎ বৰকাকতি**

সোঁৱৰণীৰ
সোণালী সূতাই
গাঁথি দিলে
আমাৰ হেঙুলীয়া মন
লগে ভাগে আমি
বুটলিছোঁ
বৰণীয়া সেই ক্ষণ
প্ৰাণে প্ৰাণে
গৌৰৱ
এটি গুঞ্জন
কটন, কটন
আমাৰ কটন।

আকোঁৱালি লওঁ
এজনে আনক
সমভাগী হওঁ
আনৰ দুখত
বন্ধুত্বৰ গানে গানে
ভেদাভেদ পাহৰি
এনেকৈয়ে কৰোঁ আহাঁ
জীৱন উদ্‌যাপন।

অভিজ্ঞতাৰ আছে
সমাজত প্ৰয়োজন
বিলাই দিয়াৰ
সময় এয়া
আজিৰ নৱ প্ৰজন্মক
আহাঁ সেয়ে মিলিজুলি
ত্যাগৰ দিশত বাট বুলি
মহাজীৱনৰ
আচল সুখৰ
নীৰৱে কৰোঁ অন্বেষণ।

# কটন কলেজ

**অগস্ত্য বৰুৱা**

কটন কলেজ
আঁচলৰ গোন্ধে
আকৌ এবাৰ টানি নিলে তোমাৰ কাষলৈ

পদুলিমুখত ৰৈ দেখিলোঁ
সেই একেই যৌৱনোচ্ছল
তোমাৰ হাঁহি
চাদৰৰ আঁচলত জিৰাই
বজাইছে যেন এক সুৰীয়া বাঁহী

সাজ সলনি হ'ল
আধুনিকা ৰূপতো তুমি অনন্যা

এপলক ৰৈ
উভতি গ'লোঁ মোৰ যৌৱনলৈ

অলেখ সপোন বুকুত বান্ধি
তোমাৰ ওচৰত ৰোৱাৰ দিনা
আদৰি লৈছিলা মোৰ হৃদয়
পাৰ হৈছিল
জীৱন গঢ়াৰ সময়

তোমাৰ দলিচাত ল'গ পালোঁ
সুদক্ষ গুৰু, খ্যাতিমান কবি
ভৱিষ্যতৰ স্বপ্নদ্ৰষ্টা

তোমাৰ উমাল পৰশত
নতুনকৈ আৱিষ্কাৰ কৰিলোঁ
আপোন লোপামুদ্ৰাক

মনত পৰেনে সেই কথা লোপামুদ্ৰা

আবেলি ফুৰিবলৈ যাওঁতে
বজাৰৰ মাজত
নদীৰ পাৰত
বুটলি লৈছিলোঁ একো একোটা মিঠা শব্দ
আৰু গাঁঠি লৈছিলোঁ
মধুৰৰ পৰা মধুৰতম সপোন

বহুতো সপোন হেৰাই গ'ল

তথাপিও তোমাক দেখি
আজিও বিচাৰিছোঁ

সপোন বুকুত বন্ধা
এজাক সদ্য যৌৱনপ্ৰাপ্তক

যাৰ চকুৰ আভাত উজলি উঠক
মোৰ নিজৰ চকু

# কটন কলেজ

## ৰত্ন কান্ত শৰ্ম্মা

ৰৌদ্ৰোজ্জ্বল ৰাতিপুৱা
ৰৌদ্ৰস্নান
জীৱনৰ সোণালী স্বপ্ন লৈ
জাক জাক তৰুণৰ যাত্ৰা
লক্ষ্যস্থান
প্ৰাগজ্যোতিষৰ বিদ্যাস্থান
জ্ঞানৰ বিস্ফোৰণ
আমাৰ প্ৰাণৰ কটন
কটন কলেজ মহান
বাল্মীকি ব্যাস বশিষ্ঠ সম
জ্ঞানীগণৰ যেন এয়া আবাসস্থান
পৰশুৰাম দ্ৰোণাচাৰ্য্যৰ বীৰ্য্য প্ৰৱহমান
জন্ম নিতে নৱ প্ৰজন্ম
অৰ্জ্জুন একলব্য কৰ্ণ
শিষ্য সুৰ সূৰ্য্য
প্ৰতিদিন জ্ঞান বিজ্ঞানৰ গৱেষণা
কলা সংস্কৃতিৰ আৰাধনা
ৰাজনীতি অৰ্থনীতি সমাজনীতিৰ আখৰা
জাক জাক তৰুণৰ যাত্ৰা
জ্ঞান সমুদ্ৰত মহাস্নান
জ্ঞানৰ সোঁত
লুইতৰে ভটিয়াই
জগত সভা কৰে জ্যোতিষ্মান
জ্ঞানৰ বিস্ফোৰণ
মহাসিন্ধুৰ মহামন্থন
কত যে ৰোমন্থন
জীৱনৰ নৱজাগৰণ
আমাৰ প্ৰাণৰ কটন
কটন কলেজ মহান।

# প্ৰথম কটনলৈ

## কঙ্কন শৰ্ম্মা

কাহানিও সেই কথা ভবা নাছিলোঁ
এদিন যেতিয়া ওলাই আহিছিলোঁ
সৰু লেম্পটো বেৰত ওলোমাই থৈ
সৰু পঢ়া টেবুলখন একাষৰীয়া কৰি
নিজৰ বাবে প্ৰথম কিনিছিলোঁ বিজুলী বাল্ব
আখৰে প্ৰতি দহ পইচাকৈ লিখোৱা ট্ৰাঙ্কত মোৰ
নাম
উচুপি উঠিছিল চুবুৰিটো,
গাওঁখন।
সেমেকা ৰাতিপুৱা ডাৰৰীয়া বাবে নেদেখিলোঁ
আই-পিতাইৰ চকুলো।
কিহবাই হেঁচি ধৰিছিল বুকুখন।

# প্ৰতিবেদন-১

## REPORT ON ACTIVITIES OF COTTONIAN 1975-77 ALUMNI BATCH

### INTRODUCTION

The Alumni of 1975-77 batch of Cottonians have been meeting informally off and on since last 10 years. The first get-together was held in Greenwood Resort Hotel, Guwahati on 7th Nov, 2010 and was attended by around 80 alumni. The second get-together was held on 20th January, 2018 at Hotel Lily, Guwahati. More than 150 alumni attended the get together.

During these informal meetings, discussions were held to have a registered body, to carry out social, cultural, literary, academic and other activities and to organise regular get-togethers.

Towards this end, a General Body meeting of the Alumni of Cotton PU 1975-77 Batch was held on 7th July, 2019 at Alumni Bhawan, Cotton University. The meeting was chaired by Dr Santanu Kr Baishya. In the meeting the following resolutions were adopted unanimously:

1. To register a society of the alumni of Cotton College belonging to the Pre-University class of 1975-77 (both Science and Arts) batch under the law with the name ALUMNI ASSOCIATION FOR SOCIAL TRANSFORMATION AND HARMONY IN ASSAM (AASTHA): Cottonian PU 1975-77.
2. To hold scrupulous discussion with the alumni as well as experts in the field while executing the clause 1 above.
3. An Executive (Ad-hoc) Committee, comprising of the following members will manage the formation and registration of the society, besides undertaking some relevant activities of the group in the interim.

   The Ad-hoc Executive Committee will comprise of:

   1. Dr Santanu Kumar Baishya: President
   2. Er Pankaj Kumar Barua: Vice-President
   3. Kasturi Niva Gogoi: Vice-President
   4. Col Lutfur Rahman: General Secretary

5. Er Sarat Barkakati: Member i/c Socio-cultural events
6. Dr Biraj Jyoti Goswami: Member i/c Literary etc. events
7. Dr Nirmal Beriya: Treasurer
8. Jona Mahanta: Member
9. Er Faizur Rahman: Member
10. Er Topodhan Das: Member
11. Rumima Das: Member
12. Ratul Barua: Member
13. Dr Shantanu Barua: Member
14. Purnendu Sarma: Member
15. Jayanta Chowdhary: Member

4. To authorise the treasurer designate of the Executive Committee (Ad-hoc) to collect the annual membership fee in cash from the members, meet the expenses of events therefrom and to maintain the accounts.
5. To organise any socio-cultural, literary, educational etc. events commensurate with the stature of the Association in the interim.
6. To organise any get-together /re-union meeting of the Association in the interim.

**PROGRESS ON REGISTRATION OF THE SOCIETY**

The Government of Assam has changed the registration procedure, w.e.f. 2018 and has made it online. Due to the complicated procedure, a lawyer has been engaged to complete the registration process. Necessary documents have been submitted to the Registrar of Societies, Government of Assam. Hopefully, the registration process should be completed after the lockdown.

**LITERARY/ CULTURAL ACTIVITIES**

A large number of our alumni had hidden literary talents, which got exposed by their posting of various composition of poems/articles/short stories in our WhatsApp group. Dr. Alpana Sarkar Deka, wife of Mr Madan Chandra Deka took the initiative to publish these compositions (Poems) in a book form, to preserve it for posterity. The book "Kabya Bhabana" was released on 7th July, 2019 during the GB meeting of the group. All alumni of our batch highly appreciated this noble gesture of Dr. Alpana Sarkar Deka.

A Gala Musical evening on the theme of Assamese Folk songs were held on 10th

August, 2019 at Alumni Bhawan, Cotton College. Another Musical evening was held in Oct, 2019 at Hotel Cygnett Inn Repose, Guwahati. Detailed report will be given by the Cultural Secretary.

**SOCIAL ACTIVITIES**

During discussions amongst the alumni, on the nature of social activities to be carried out, consensus was on adopting a village to help in their all-round upliftment. It was decided in a meeting held on 10th August, 2019 at Alumni Bhawan, Cotton University to extend our support to Mahabishnu Alok Sandhan Society (MASS), Bishennala, Rangia to the extent possible. The Mahabishnu Alok Sandhan Society has been formed by a group of locals for the betterment of their life and livelihood. Since then, many of us had visited this village on a number of occasions to guide them. Financial assistance, too, has been extended to this Society. Under the aegis of Surge-I Foundation, Pathori, Nagaon, training was also imparted to womenfolk of the village on production of various items from 'Pani-meteka' (Water Hyacinth ). Detailed report will be provided by the Secretary, Social Welfare.

**DISCUSSIONS/DECISIONS IN THE EXECUTIVE COMMITTEE MEETINGS**

The ad-hoc Executive Committee had assembled on the following dates: 19th Oct 2019, 10th Dec 2019 and 29th Feb 2020. The resolutions are as below:

**(a) 19th Oct 2019:**

(i) To engage a qualified lawyer to carry out the online registration of the proposed Society, namely- ALUMNI ASSOCIATION FOR SOCIAL TRANSFORMATION AND HARMONY IN ASSAM (AASTHA) : Cottonian PU 1975-77.

(ii) To open a Savings Bank Account of the proposed society in a scheduled bank after completion of the registration process.

(iii) To collaborate with Mahabishnu Alok Sandhan Society (MASS), Village Bishennala, Kamrup in their pursuit for a better future.

**(b) 10th Dec 2019:**

(i) AASTHA would request the Surge-I Foundation, Pathori, Nagaon to provide training in preparing materials from water hyacinth to the womenfolk of the village Bishennala, District Kamrup in association with the local NGO, viz. Mahabishnu Alok Sandhan Society (MAAS).

(ii) AASTHA will bear the preparatory expenditure in connection with the training mentioned above from its corpus fund.

(iii) The logo of AASTHA, designed by Er Faizur Rahman and as depicted here has been adopted.

(iv) The 3 (three) seals for the President, General Secretary and Treasurer of AASTHA, COTTONIAN PU 1975-77 and a round seal ("ALUMNI ASSOCIATION FOR SOCIAL TRANSFORMATION AND HARMONY IN ASSAM (AASTHA): COTTONIAN PU 1975-77) have been approved.

**(c) 29 Feb 2020:-**

(i) The NGO, Mahabishnu Alok Sandhan Society (MAAS) had requested for financial help, in the form of loan, for implementation of their ongoing projects. The request was agreed for and members of the Executive Committee decided to contribute amongst themselves for the loan amount.

(ii) The President, Dr Santanu Kr Baishya gave an update on the various work being carried out by Mahabishnu Alok Sandhan Society (MAAS).

The Executive Committee conveys their best wishes to all members of the society for a happy, healthy and peaceful life. Stay home and stay safe for the time being. Looking forward to meet all friends again in the near future, as soon as this present calamity is over.

**Col. Lutfur Rahman**
General Secretary

*“কবিতা পঢ়ি পাহৰিব পাৰি*
*পাহৰিব পাৰি কিছু দুখ, আনকি গ্লানি।*

*কবিতা জীৱনৰ অন্য বিষয়-কুশল, অন্য-প্ৰত্যাশা;*
*শব্দ সংঘ ভাঙি তিৰ্‌বিৰ্‌*
*বন-তুলসীৰ উজাৰি লুকুৱা সুগন্ধি দীঘল উপত্যকা”*

- হীৰেন ভট্টাচাৰ্য

# সংক্ৰমণ

## শৰৎ বৰকাকতি

বিয়পি পৰিছে এক তীব্ৰ সংক্ৰমণ
প্ৰথমে লুইতৰ পাৰৰ এখন চহৰত
লাহে লাহে চুকে কোণে
অসমত, দেশত, বিদেশত...
লক্ষণ?
চিকুট মাৰি ধৰে
কলিজাৰ কোনোবা কোণত
উৰুঙা উৰুঙা
উশাহ নোপোৱা
উগুল-থুগুল লাগে
যেন 'গচকত ভাঙি যাওঁ যঁতৰ...'
উপচাৰ?
হাতৰ মুঠিত তুলি দিয়া
এটি সৰু যতন
য'ত ভাহি উঠে
জিলমিল সুৰীয়া আখৰ
একেই সংক্ৰমণত আক্ৰান্ত
ছটফটাই থকা কাৰোবাৰ
হিয়াৰ খবৰ
যন্ত্ৰণা মুক্তিৰ বাসনাত
উদ্বাউল হৃদয়েৰে সৰি পৰা
এটি এটি শব্দৰ বাখৰ...

বিয়পি পৰিছে এক তীব্ৰ সংক্ৰমণ
অসমত, দেশত, বিদেশত
কিছুমান হেঙুলীয়া মনৰ মাজত।

# অপৰাহ্নৰ ৰং

## কঙ্কন শৰ্ম্মা

বহি আছোঁ
উদাস ভাৱে
সমুখৰ মুকলি ঠাইখিনি
আইকলঙে ঢাকিলে!
অকণ অকণ ল'ৰাবোৰে
বল লৈ নাহে এতিয়া
লহিওৱা বেলিৰ
হেঙুল আকাশৰ তলেদি
পিঠিত বেগ লৈ টিউচনমুখী ছাতৰ
ভাৰাক্ৰান্ত মানুহবোৰৰ মগজুত
এখন গাড়ী, এটি ঘৰ
আৰু নিজা নিজা যন্ত্ৰণা!
আবেলিৰ চাহকাপ লগে ভাগে খাম বুলি
মোৰ সন্মুখত কোনেও
নবহে এতিয়া!
সময় নিৰ্ম্মম বুলি নকওঁ
সময়ৰ স'তে চলিব লাগিলে
সঙ্গ হ'ব কিজানি
কিতাপ, লিখনি, ফুলনি
অথবা মনৰ গানটি
সেয়ে উদাসীনতাক ঠেলি
হাতত ল'লোঁ নীলা কলমটি।

# চিঠি

(বিশ্ব ডাক দিৱসৰ লগত সঙ্গতি ৰাখি)

**অমল শইকীয়া**

চিঠিখন লিখিম বুলিও লিখিব পৰা নাই তোলৈ
বুকুৰ বিষাদে খুন্দিয়াই যাযাবৰী উশাহ
নৈৰ সোঁতে কাষৰীয়া শিলবোৰ খহাই নিয়ে
বতাহত মিহলি হয় আবেলিৰ গোন্ধ

শুকান পাতত সপোনৰ মৰ্মৰণি
দিচাঙৰ ঘাটত নাও আনি বান্ধিলোঁ আশাৰে
বগীতৰা, তোলৈ চিঠি এখন লিখিম বুলিও লিখিব পৰা নাই।
শোকত বুকুৰ আমঠু শুকায়
তই মোৰ উশাসত নাই
তই মোৰ সপোনত নাই
তই মোৰ জীৱনত নাই
তই দুপৰৰ বতাহজাক হৈ গুচি গলি।
তোলৈ চিঠি এখন লিখিম বুলিয়ো লিখিব পৰা নাই
বুকুৰ বিষাদে খুন্দিয়াই যাযাবৰী উশাহ
বগীতৰা
তই কুশলে আছনে?
ডাকোৱাল দেখিলে মেখেলাৰ পতা নিছিঙিবি দেই।

তোক গুণা গঁথা কৰিবলৈ নৈৰ পাৰেই মোৰ সুখৰ বৰঘৰ।

# গণতন্ত্ৰ

**জয়ন্ত চৌধুৰী**

ভোট যাৰ
মুলুক তাৰ
গণতন্ত্ৰ
তোক নমস্কাৰ

বলি দিবি
তই
অবোধ জনক
কোনেও নকৰে
তোক তিৰস্কাৰ

# মিলনৰ আমেজ

**ৰুমিমা দাস**

হয়তো আজি নিজৰ নিহালি লৈ
অকণমান শুব পাৰিছা
কৰ্ম্মব্যস্ত জীৱনে
নচুৱাইছে বাৰুকৈয়ে
অবিৰত ব্যস্ততাৰ স'তে
তথাপিও আমাৰ মিলনে
অমৃত পান কৰালে
দিলে সজীৱতা
দিলে মাদকতা
অতীতক ৰোমন্থন কৰি
এৰি অহা মধুৰ স্মৃতিবোৰ যেন
পুনৰাই সজীৱ হৈ
সজালে হিয়াৰ কোণত!
ব্যস্ততাৰ মহানগৰী এতিয়া কিছু নিলগত
মধুৰ স্মৃতিয়ে ডুবাই দিলে দেহ-মন
গভীৰ প্ৰশান্তিৰে
কিয় জানো
মাজ নিশা সাৰ পাই
উচপ খাই উঠিলোঁ
দিঠকবোৰ যেন সপোন হ'ল
আজি চাগৈ বিৰতিৰ পাছত
তুমি অকণমান হ'লেও
শুব পাৰিছা
প্ৰশান্তিৰ নিদ্ৰাৰে।

# সময়ৰ চিকাৰ

**ৰঞ্জনা দত্ত**

অন্তহীন কথাৰে হাঁহি হাঁহি
খোজত খোজ মিলাই
আগবাঢ়ি যোৱা খোজবোৰ
কেতিয়াযে নিমিলা হ'ল
গমেই নাপালোঁ।
সময়ৰ লগত খোজ মিলাই
বেগাই খোজ দি দি মই
মৰীচিকাৰ পিছত
দৌৰিবলৈ ল'লোঁ।
তুমি কৈছিলা "উজুটি খাবা,
পিছল খাবা, বেগাই নাযাবা"।
মোক লগ দিবলৈ
চেষ্টা কৰি কৰি তুমি
চাগৈ ভাগৰি পৰিলা...
সাফল্যৰ শিখৰত
থিয় হৈ অনুভৱ কৰিলোঁ
কিমান অকলশৰীয়া মই।
তিনি দশকৰ মূৰত
ঘূৰি আহি আকৌ
পুৰণা দুৱাৰদলিত টুকুৰিয়ালোঁ।
তুমি কঁপা কঁপা মাতেৰে সুধিলা
"আপোনাক আগতে ক'ৰবাত লগ পাইছিলোঁ
নেকি বাৰু"?

# কলম

**পঙ্কজ কুমাৰ বৰুৱা**

কবি কলম আৰু কবিতা
এক এৰাব নোৱৰা সম্পৰ্ক
কবিৰ হাতৰ কলমে
ধুমুহা আনিব পাৰে।
বৰ্ষাসিক্ত কৰিব পাৰে
জীৱনৰ জুইবোৰ।
জোৱাৰ তুলিব পাৰে
প্ৰেমৰ পৃথিৱীত
বিৰাজ কৰিব পাৰে
দিগন্ত অতিক্ৰমি
আকাশে বতাহে
বিশ্ব ব্ৰহ্মাণ্ডতো।

# শেষ নিশাৰ জোন

**ৰত্ন কান্ত শৰ্ম্মা**

নিশা দুপৰত
নামি আহিল
নীলা নিৰ্ম্মল আকাশ
উগুল থুগুল মন
ব্যাকুল বৃন্দাবন
প্ৰেমৰ যমুনাৰ
মিঠা অভিমান
মন দাপোণত
সেয়া বাৰু কোন
কদম ডালত ঢলি পৰিল
শেষ নিশাৰ জোন

# বিসম্বাদী

**কস্তুৰী নিভা গগৈ**

ৰাজনীতিত
    সমাজনীতিত
        সাহিত্যত
            সংস্কৃতিত
                সম্বন্ধত
                    বন্ধুত্বত
সকলোতেই বিসম্বাদৰ খলকনি
মূৰৰ ওপৰত বিসম্বাদীৰ টিঘিলঘিলনি
ক্ষমতাৰ খঁকে ধৰিছে মূৰত
পিছফালৰ পৰা কুঠাৰাঘাত
সুযোগৰ সন্ধানত
চুকত থাকি বুকুত কামোৰ,
ৰজা হোৱাৰ সহজ উপায়
ফোঁপোলা জয়ঢোল কোবায়
সাৱধান সাৱধান
বিসম্বাদীৰ নাই শৃঙ্খলা নীতি নিয়ম
নেগুৰকটা শিয়ালৰো ৰাজসভালৈ গমন।

# সংকল্প

### জোনা মহন্ত

এন্ধাৰ নিজান ৰাতি
যেতিয়াই দিশহাৰা হওঁ
এমুঠি পোহৰ বিচাৰি
কৰোঁ হাহাকাৰ
জোনটোৱে কৰে উপহাস
খেলি লুকাভাকু মেঘৰ স'তে
তাচ্ছিল্যৰ হাঁহি মাৰে তৰাবোৰেও
দূৰ আকাশৰ পৰা
তথাপিও আগুৱাই যাওঁ
এন্ধাৰ নেওচি
জোনাকী পৰুৱাৰ ক্ষীণ
ঢিমিক ঢামাক পোহৰত।

# খেদ

### তপোধন দাস

হাঁহি নুঠেনে প্ৰেম সুঁৱৰিলে
পানীপিয়াৰ ভোকেই পিয়াহ
তোমাৰ মোৰ ভোকত ভাত

জানিও নুসুধিলা দুপৰীয়া
আবেলি সুঁৱৰিছাহি ভোক

অন্ততঃ আদিপাঠ থাকে প্ৰেমত ত্যাগৰ
অন্ধ নহ'লে স্বাৰ্থৰো থাকে অনুকম্পা
পাহৰিলা চাগে' পুতৌ মিহলি প্ৰেম

এতিয়া একাকাৰ নকৰিবা
ত্যাগ আৰু স্বাৰ্থ
ভোক আৰু পিয়াহ
অনুভৱ অনুকম্পা
প্ৰেম প্ৰলাপ

অনেক সমল আছে
কবিতাৰ বাবে
জীৱনত

# অনুৰণন

**মদন চন্দ্ৰ ডেকা**

সুহুৰি এটা ময়ো শুনিছোঁ

দূৰৈৰ পাহাৰৰ গাত ঠেকা খাই
ইনাই-বিনাই ঢলি পৰিছে

হ'ব পাৰে
নৈখনে বতাহৰ সৈতে তাল মিলাই গোৱা
দ্বৈত সঙ্গীত
হ'ব পাৰে

বহল পথাৰখন
কুঁৱলীৰ চাদৰে ঢাকি ৰখাৰ
কোনো কথা নাছিল

মাঘী পূৰ্ণিমাৰ নিশা
বিলম্বিত লয়ত বাজি আছিল চেহনাই

ঝাও বনৰ মাজত
ভেলেঙীয়ে ৰৈ ৰৈ বিনাইছিল
প্ৰত্যাশিতভাৱেই
খৰালিৰ প্ৰথমজাক বৰষুণ পৰিছিল
আৰু
জিৰজিৰকৈ কঁপিছিল কুঁহিপাত

# মোৰ কবিতাৰ মালাধাৰি

**ফাইজুৰ ৰহমান**

মোৰ সহপাঠী বন্ধু বান্ধৱী!
প্ৰভাতী সূৰুযে দিলে পুৱাৰ বাতৰি।
হৃদয়ত ঘূৰিছে মোৰ আশাৰ চকৰি!
গাঁথিম বুলি ভাবি কবিতাৰ মালাধাৰি
ৰই আছো মই হাতত কলম ধৰি!
হবনে তোমাৰ কবিতা ভিন্নসুৰী?
বুকুৰ উমেৰে বন্ধু লিখি যাবা তুমি
প্ৰেম প্ৰীতি, সুখ দুখ, আশাৰ বাতৰি
গছ লতা, পশু পক্ষী সকলোকে ধৰি
সোণৰ শৈশৱৰ কালৰ কথা নাযাবা পহৰি।
কল্পনাৰ সাগৰত সাঁতুৰি নাদুৰি
হৃদয়ত সাঁচি থোৱা মনৰ বাতৰি
পঠাবা মোলৈ তুমি লম সাদৰি।
গাঁথিবলৈ দিয়া মোক কবিতাৰ মালাধাৰি।

# চন্দ্ৰবিন্দুৰ ব্যৱহাৰ

**মীনাক্ষি ৰায় ডাকুৱাৰ দ্বাৰা সংগৃহীত**

অসমীয়া ভাষাত চন্দ্ৰবিন্দুৰ ব্যৱহাৰ এটা মন কৰিবলগীয়া বিষয়। চন্দ্ৰবিন্দুৰ ব্যৱহাৰৰ ক্ষেত্ৰত ড° মহেশ্বৰ নেওগৰ 'নিকা অসমীয়া ভাষা' আৰু ড° গোলোকচন্দ্ৰ গোস্বামীৰ 'অসমীয়া ব্যাকৰণ -প্ৰৱেশ' নামৰ কিতাপ দুখনত উল্লেখ কৰা নিয়মসমূহ তলত আলোচনা কৰা হ'ল।

অসমীয়া নিত্য বৰ্ত্তমানৰ প্ৰথমাৰ সকলো ক্ৰিয়াতে ওঁ বিভক্তি যোগ হয়। সেয়ে ওঁ বিভক্তি থকা শব্দত চন্দ্ৰবিন্দু যোগ হয়। যেনে -মই কাম কৰোঁ, মই ভাত খাওঁ, আমি গান গাওঁ। এনেদৰে ধৰোঁ, বহোঁ, উঠোঁ ইত্যাদি।

মনকৰিবলগীয়া কথা যে, ওঁ থাকিলেই চন্দ্ৰবিন্দু নহয়। যেনে - মই মনে মনে গুণো, কাণ পাতি শুনো। ইয়াৰ কাৰণ হৈছে ঙ, ঞ, ণ, ন, ম আদি অনুনাসিক ব্যঞ্জন থাকিলে তাৰ ওপৰত চন্দ্ৰবিন্দু লিখা নহয়। এনেধৰণৰ ব্যঞ্জন বৰ্ণসমূহে নিজেই অনুনাসিক উচ্চাৰণ ধৰি ৰাখে।

কৰাঁ, যোৱাঁ, কৰিবাঁ, হ'বাঁ এইবোৰ অনুজ্ঞাৰ ক্ৰিয়া। এইবোৰত চন্দ্ৰবিন্দু প্ৰয়োগ হয়।

আহোঁতে, উঠোঁতে, বহোঁতে, খাওঁতে এইবোৰত 'ওঁতে' প্ৰত্যয় যোগ হোৱাৰ বাবে চন্দ্ৰবিন্দু ব্যৱহাৰ হয়। "সকলো কালত কোনো এটা ক্ৰিয়া কৰি থাকোঁতেই আন এটা ক্ৰিয়া হোৱা অৰ্থ বুজাবলৈ ধাতুৰ পিছত ওঁ-তে প্ৰত্যয় হৈ অসমাপিকা ক্ৰিয়া হয়।" এইবোৰত চন্দ্ৰবিন্দু ব্যৱহাৰ কৰিবলৈ পাহৰিব নালাগে।

আহোঁতা, নিওঁতা, দিওঁতা, খাওঁতা, কৰোঁতা আদিৰ পিছত ওঁ-তা কৃতপ্ৰত্যয় যোগ হৈছে। ইয়াত চন্দ্ৰবিন্দুৰ ব্যৱহাৰ হয়।

সংস্কৃতৰ পৰা ওলোৱা কিছুমান অসমীয়া শব্দৰ মূল শব্দটোত ং, ঙ,ঞ, ণ, ন, ম আদি থাকিলেই অসমীয়া শব্দত চন্দ্ৰবিন্দু ব্যৱহাৰ হয়। যেনে - গ্ৰাম > গাওঁ, কণ্টক > কাঁইট, অঙ্ক > আঁক, সঞ্চ > সাঁচ, বংশ > বাঁহ, পঞ্চ > পাঁচ ইত্যাদি।

কিন্তু কেতিয়াবা মূলৰ ং, ঙ, ঞ, ণ, ন, ম নথকাকৈয়ে অসমীয়া ভাষাত কিছুমান স্বতঃঅনুনাসিক(spontaneous nasalisation) হোৱা দেখা যায়। যেনে - সঁচা, ছাঁ, আঁহত, ঘোঁৰা, ফেঁচা ইত্যাদি। এইবোৰত অনুনাসিকতাই মূল কাৰণ।

'ও' থাকিলেই চন্দ্ৰবিন্দু বহুৱাৰ কোনো নিয়ম নাই। যেনে - নেওগ, নেওতা ইত্যাদি।

বহুবচন বুজোৱা - হঁত প্ৰত্যয়ত সদায় চন্দ্ৰবিন্দু দিব লাগে। যেনে - সিহঁত, তহঁত।

মনকৰিবলগীয়া কথা যে, অসমীয়া ভাষাত চন্দ্ৰবিন্দুৰ ব্যৱহাৰে শব্দৰ অৰ্থও পৃথক কৰিব পাৰে। যেনে-

কাঁহ (এবিধ ধাতু), কাহ (ডিঙিৰ খচখচনিত মুখেৰে কৰা শব্দ)

কাঁচ (দাপোণ), কাচ (সাজ পাৰ কৰা)

আঁহ (ফল-মূল, গছ আদিৰ ভিতৰত থকা সূতাৰ দৰে সূক্ষ্ম অংশ), আহ (আমন্ত্ৰণ কৰা)
বাঁহ (এবিধ গছ), বাহ (চৰাইৰ ঘৰ)
আঁহত (এবিধ গছ), আহত (আঘাত পোৱা)
ভাঁজ (কোণ, পাক), ভাজ (তেলত সিদ্ধ কৰা)
পাঁচ (সংখ্যা), পাচ (পাচত)
ধোঁৱা(জুইৰ পৰা উদ্ভৱ হোৱা বাষ্প), ধোৱা (নিকা কৰা)

●●●

# ফুলচোৰ

**ৰঞ্জনা দত্ত**

প্ৰাতঃভ্ৰমণৰ অভ্যাস মোৰ বহু দিনীয়া। পুৱাতে উঠি ৪-৫ কিঃমিঃ খোজ নাকাঢ়িলে মোৰ গাটো ভাল নালাগে। খোজ কাঢ়োঁতে প্ৰায়ে হাতত প্লাষ্টিকৰ মোনা আৰু দীঘল লাঠি একোডাল লৈ লোকৰ ফুলনিৰ পৰা ফুল সংগ্ৰহ কৰি ফুৰা লোক দুজনমান দেখা পাওঁ। আটাইকেইজন বেচ বয়সীয়া। মনে মনে খং উঠিলেও বয়সীয়া মানুহ বুলি অন্য ফালে চকু ঘূৰাই পাৰ হৈ যাওঁ। এদিন আকৌ একেবাৰে নতুন এজন ফুলচোৰৰ লগত দেখা হ'ল। একেবাৰে ভগৎ সিঙৰ দৰে মোচ, কাণত কাণফুলী, হাতত বালা, টি চাৰ্ট, হাফপেণ্ট। ২৭-২৮ মান বয়সৰ ফুলচোৰজনৰ কাণত ম'বাইলৰ গান শুনাডাল গুঁজি থোৱা আছে। হাতত আকৌ ফুল চুৰিৰ যাৱতীয় সৰঞ্জাম। অসহ্য! খঙৰ চাৰনি এটা নিক্ষেপ কৰি পাৰ হৈ গ'লোঁ। এদিন হাতে লোটে ধৰিব পাৰিলে মজা দিব লাগিব। আজি সুবৰ্ণ সুযোগ পালোঁ। আমাৰ কাষৰে এঘৰৰ পকীবেৰাৰ ওপৰেদি বাঁহৰ সৰঞ্জাম ডাল ভৰাই জবা ফুল ছিঙি আনোতেই ধৰা পেলালোঁ।

'হেৰা লোকৰ বাৰীৰ ফুল ছিঙিবলৈ লাজ লগা নাই?'

'মই ভগৱানক দিবলৈ ফুল ছিঙিছোঁ আপোনাৰ লোকচান হৈছে?'

আও কি কথাৰ পাক, মোকে ধৰে দেখোন! "ভগৱানে লোকৰ ঘৰৰ চুৰ কৰা ফুল ভাল নাপায় বুজিছা। নিজৰ ঘৰতে নয়নতৰা দুজোপামান লগাই লবা। খুব ফুল ফুলিব।" মোলৈ আচৰিত হৈ চাই কিছু খঙেৰে ক'লে 'মই ফুল ছিঙিমেই আপুনি কি কৰিব? ইমান বছৰে ছিঙি আহিছোঁ কোনেও তো একো কোৱা নাই। আপোনাৰ প্ৰব্লেম কি?"

খালে আৰু! কি উত্তৰ দিওঁ। মোৰ কিনো প্ৰব্লেম?

সৰুকৈ ক'লোঁ "বোপা ককাৰ বৃত্তিতো এৰিবানো কিয়"

"কি ক'লে?"

মিচিকিয়া হাঁহি মাৰি অলপ ডাঙৰকৈয়ে ক'লোঁ "বংশগত সংক্ৰমণ"

বুজি পালে নে নাপালে বা, তল মূৰ কৰিলে দেখোন।

# গদ্যেশ্বৰৰ কবিতা

**শৰৎ বৰকাকতি**

'তোমাৰ অফিচ আছে নে নাই  বিছনাত বাগৰি বাগৰি যে ম'বাইলটো পিটিকি আছা?  এবাৰ ঘড়ীটো চাইছানে?'

কবিতাই চিৰাচৰিত পুৱাৰ প্ৰথম বলকনিৰ গুলিজাঁই গদ্যেশ্বৰৰ পিনে এৰি দি, আঁঠুৱাখন ডাঙি ম'বাইলটো থাপ মাৰি চকুৰ আগত ধৰি বিৰবিৰাই পঢ়ি গ'ল-

'সুৰতীৰ্থৰ জোনাকী বাটৰ
আমি দুয়ো সহযাত্ৰী
সময় সোঁতত
ডিঙৰা মেলিলোঁ
তুমিয়ে গুৰিয়াল
তুমি জীৱনৰ ধাত্ৰী..'

কবিতা এবাৰ থমকি ৰ'ল... আঁঠুৱাৰ আঁৰেদি গদ্যেশ্বৰৰ মুখত মিলমিলাই থকা মিচিকিয়া হাঁহিটো দেখি গৰগৰাই উঠিল...

'প্ৰেমৰ কবিতা লিখে... সংসাৰখন কেনেকে চলিছে কিবা খবৰ আছেনে?' নিলাজী বনৰ দৰে হঠাতে কোঁচ খাই যোৱা গিৰিয়েকৰ মুখলৈ এবাৰ কেৰাহিকৈ চাই আকৌ পঢ়ি গ'ল-

'তুমি মোৰ জীৱনৰ উশাহ
গ্ৰীষ্মৰ মলয়া বতাহ
শীতৰ হাড়কঁপোৱা নিশা
জুহালৰ সাধুকথাৰ তুমি
মিঠা উত্তাপ
নিঃসঙ্গতাৰ কোলাহল
তুমি সপোনৰ সমদল'

কবিতাই ম'বাইলটো বিছনাৰ ওপৰত আলফুলে থৈ মৰমেৰে গদ্যেশ্বৰৰ মুখলৈ চালে। সি তেতিয়া চকু মুদি ধ্যানমগ্ন, সৃষ্টিৰ আনন্দ গালে মুখে বিৰিঙি আছে।

কবিতাই বিছনাৰ কাষতে থকা আলনাডালৰ পৰা গদ্যেশ্বৰৰ ধুবলগা চাৰ্ট দুটা সামৰি লৈ আকৌ ককৰ্থনা কৰিবলৈ ধৰিলে, এইবাৰ পিছে মৌসনা। 'ব্যাসৰ ম'বাইলত কাব্য ৰচনা, পিচে চাৰ্টৰ কলাৰ কি চাবা' ... এইবুলি কৈ কৈ তাই চাৰ্টৰ জেপৰ পৰা সৰি পৰা কাগজখন বুটলি পঢ়িবলৈ ধৰিলে। হঠাতে তাই কঁপি উঠিল... দুয়োখন হাতেৰে মুখখন ঢাকি ধৰিলে... তীব্ৰ জোকাৰ মাৰি তাই ফেঁকুৰি ফেঁকুৰি কোঠাৰ পৰা যেন পলাই গ'ল।

গদ্যেশ্বৰ ধহমহকৈ বিছনাতে উঠি বহিল আৰু খন্তেকৰ বাবে সৰগ পৰা মানুহৰ দৰে বহি থাকিল। তাৰ পিছত সি যেন সম্বিত ঘূৰাই পালে, ঢলং পলংকৈ, কি হ'ল, কি হ'ল বুলি গৈ ড্ৰয়িং ৰুমৰ চোফাত বহি থকা কবিতাক বিচাৰি উলিয়ালে।

তাই তেতিয়াও দুয়োহাতৰ কিলাকুটিৰ মাজত মূৰটো সুমুৱাই উচুপি আছিল। গদ্যেশ্বৰে তাইৰ কান্ধত হাতখন থওঁ বুলি লওঁতেই কাষতে চোফাখনত মেল খাই থকা কাগজখনত নিজৰ হাতৰ আখৰ দেখি চক খাই উঠিল-

'তুমি মোৰ জীৱনৰ উশাহ

গ্ৰীষ্মৰ মলয়া বতাহ

এবুকু মৰমেৰে পৰিণীতালৈ জন্মদিনৰ উপহাৰ।'

●●●

# এজন অভিযন্তাৰ প্ৰয়োজন

**পঙ্কজ কুমাৰ বৰুৱা**

আজি অভিযন্তা দিৱস বা Engineers Day ৰ শুভক্ষণত আমাক ছাৰ মোক্সাগুণ্ডম বিশ্বেশ্বৰাইয়াৰ দৰে এজন অভিযন্তাৰ প্ৰয়োজন সমস্যাৰে ভাৰাক্ৰান্ত অসমক উন্নতিৰ পথত আগুৱাই নিবলৈ।

এইজন মহান ভাৰত সন্তান, ১৯৫৫ চনতে ভাৰতৰত্নৰে বিভূষিত, ছাৰ মোক্সাগুণ্ডম বিশ্বেশ্বৰাইয়া ডাঙৰীয়াৰ জন্মদিনটোকে সদৌ ভাৰতবৰ্ষৰ লগতে শ্ৰীলঙ্কা আৰু টাঞ্জানিয়াত Engineers Day হিচাপে পালন কৰা হয়। তেখেতৰ বিষয়ে লিখি ইমান সহজে শেষ কৰিব নোৱাৰি। কিন্তু তাৰ মাজতে কিছু অতি উল্লেখনীয় কথা কেইটামানহে জনাবলৈ লিখিছোঁ। হয়তো অভিযন্তা বন্ধুসকলৰ অনেকেই জানে ড° বিশ্বেশ্বৰাইয়াৰ কথা। এয়া অতি গৌৰৱৰ কথা যে, Engineers Day হিচাপে ভাৰতবৰ্ষৰ এনে এজন মহান ব্যক্তিত্বৰ জন্মদিনটো বাছনি কৰা হৈছে, যিজন নিজেই এজন ভাৰতৰ মহান অভিযন্তা (Great Engineer) আছিল।

(শেষাংশ ৩৪ পৃষ্ঠাত)

# অৰ্থী

**মীনাক্ষি ৰায় ডাকুৱা**

আজি শুভবাৰ শুক্ৰবাৰ
গোটৰ সাহিত্য কৃতি সংৰক্ষণৰ
আজি পাল পৰিল কাৰ
আমাৰ - মই মীনাক্ষি আৰু জোনাৰ

আমাৰ মাজলৈ পুনৰাগমনৰ
নিশ্চিত প্ৰতিশ্ৰুতি লৈ সুপ্ৰতিষ্ঠিত কবি অগস্ত্য
হাস্য ব্যঙ্গাত্মক ৰচনাৰে গোস্বামী মানস আৰু
অমলৰ লিখনিৰ অমল স্নিগ্ধ জোৎস্নাই
আমাক সকলোকে নিশ্চয় কৰিব প্লাৱিত

'অনুৰাধাৰ দেশ'ৰ পৰা সুহৃদ বিজয়ে
কাৰোবাৰ 'লিহিৰি হাত'ৰ ৰসাল বৰ্ণনাৰে
পঠিয়াই সুখপাঠ্য এটি কবিতা / লিখনিৰে
ৰস-আস্বাদন কৰাব আমাক সকলোকে

আপোন নাভিপদ্মৰ বিলাই সুগন্ধি
আমাক নিমগ্ন কৰিব নিশ্চয়
সুসাহিত্যিক লেখনী ধাৰিণী
আমাৰ প্ৰিয়বান্ধৱী কস্তুৰী

বহুমুখী প্ৰতিভাধৰ বিৰাজৰ ফালে চাই
আমাৰ বিস্ময়ৰ সীমা নাই
নিজৰ প্ৰজ্ঞাৰ 'জ্যোতি'ৰে
আমাৰ আজিৰ সাহিত্য কাননত
অনুপম কাব্য ভাবনাৰে চোৱা
বিৰাজে বিৰাজ

**আমি**
**আমাৰ সহপাঠীসকলক লৈ কিমান গৰ্ব্ব কৰোঁ ! কিমান উদ্বিগ্ন হওঁ পৰস্পৰৰ অসুখ-অশান্তি হ'লে ! কিমান আকুলতাৰে প্ৰাৰ্থনা কৰোঁ অসুস্থজনৰ সুস্থতাৰ বাবে ! কিমান আনন্দিত হওঁ সহপাঠী আৰু তেওঁলোকৰ পৰিয়ালৰ সকলোৰে**
**কৃতিত্বত !**

## এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

ৰোমাণ্টিক কবি বন্ধু ফাইজুৰৰ
ৰোমাণ্টিকতাৰ ঢৌৱে আমাক নিব উটুৱাই
তাৰেই প্ৰত্যাশাত আজি সকলোৱেই
আগ্ৰহেৰে আছোঁ বাট চাই

সুগভীৰ আকৰৰ পৰা
অনায়াস প্ৰয়াসত উত্তোলিত হ'ব
প্ৰেমৰ কবি বন্ধু ৰত্নৰ
অমূল্য গীতিময় ছন্দোময় কবিতা

কোনো চিন্তা নকৰিবা প্ৰিয়বন্ধু তোমালোকে
মই দেখোন আছোঁৱেই
বহু শুনা বহু পৰিচিত সেই
সঞ্জীৱনী মন্ত্ৰেৰে আমাক
বৰাভয় দিব সু-আস্বাদিত
গদ্য সম্ভাৰেৰে ৰাতুল বৰুৱাই

ৰুণজুন ৰুণজুন শব্দেৰে
নে ৰজনজনাই ৰজনজনাই
কাৰ লিখনিয়ে মোহিত কৰিব
তেওঁ দেখোন আমাৰ সাদৰী বান্ধৱী
তেৰেঁই ৰঞ্জনা

বাৰুকৈয়ে কৰিছোঁ আশা
অনু বা চুটি গল্প এটি মনপৰশা
নিশ্চয় পঠিয়াব 'কক্ষ সহ-আৱাসী' বান্ধৱী
ৰঙিয়াৰ ৰাংঢালী দীপালি ডেকাই
আমাৰ সাহিত্য কাননৰ জেউতি চৰাই
প্ৰিয়সখা তপোধনৰ প্ৰাণ শাঁত কৰা
স্নিগ্ধ সেউজী তপোবন 'মধুমতী'ৰ পৰা
সুললিত ছন্দেৰে উচ্চাৰিত হ'ব
আজি কাৰ বন্দনা গান

আকাশৰ দীপ্তিমান সূৰ্য্যৰ ফালে
অনিমেষ দৃষ্টি মেলি দুয়োজনা পঙ্কজে
কৰ্ষিত মেধা আৰু সূক্ষ্ম প্ৰজ্ঞাৰে
আমাক কৰিব ধন্য কৰিব আপ্লুত

ৰূপহ কোঁৱৰ শৰতে ৰচিব গীতিকবিতা
নিজে সুৰ দিব নিজেই গাব
সকলোৰে দেহ-মন উন্মনা কৰি
সকলোকে লৈ যাব কোনোবা অময়াপুৰী

আশা কৰিছোঁ কবিতাৰ ফকৰা-যোজনা
হাবিলাষ কৰিছোঁ আৰতিৰ এটি গীত
গীতাৰ 'উকিল' অথবা 'হাকিম'ৰ ডায়েৰীৰ পৰা
এক সুন্দৰ আৰু মনোমোহা লিখনি
বৰ ভাল পাম কৃষ্ণা সন্ধ্যা কৃষ্ণাশ্ৰী
গৌৰী হেঙুলী আৰু হিৰন্ময়ী
প্ৰত্যেকেই দিয়া যদি লেখা একো একোটি

অতি আগ্ৰহেৰে আছোঁ বাট চাই
কাৰ কবিতাই বুকু হমহমাই যায়
কাৰ কবিতাই হিয়া ৰমৰমাই যায়
কলিজা নিগৰাই কবিতা লিখি
কোনে হৃদয় জুৰায়
প্ৰিয়বান্ধৱী ৰুমিমাই- ৰুমিমাই

সুউচ্চ পৰ্ব্বতশৃঙ্গ বিজয় অভিলাষী
ঈশ্বৰৰ দ্বিতীয় ৰূপ মানৱ সেৱাৰ প্ৰতিভূ
অথবা দুৰ্দ্দান্ত অভিনেতা প্ৰিয়বন্ধু
সুসাহিত্যিক জগদীশ বসুমতাৰীৰ পৰা
আশাৰে বাট চাই থাকিলোঁ
এটি সুন্দৰ মনোজ্ঞ লিখনিৰ

বৰ মননশীল কবিতাৰ উপচাৰেৰে তেওঁ
আজি আমাৰ সাহিত্যৰ বেদী সজাব
জনতাৰ স্বাস্থ্যৰ অহৰ্নিশ অতন্দ্ৰ প্ৰহৰী
আমাৰ গোটৰ কাব্য সাহিত্যত
বুৎপত্তি লাভ কৰা
এক সম্ভ্ৰান্ত নাম - কঙ্কন শৰ্ম্মা

বাখৰমণি আখৰ আৰু মায়াময় শব্দেৰে
ঋজু আৰু ভাব-ঋদ্ধ কবিতাৰে
কলা কলাকৈ বাঢ়ি আহি চোৰা
সগৰ্ব্বে জিলিকিছে আমাৰ
প্ৰিয় সুহৃদ পূৰ্ণেন্দু
আকাশৰ বিস্তৃতিত পূৰ্ণচন্দ্ৰ হৈ

যেন ফুলধনু ঈষৎ বঙ্কিম ভ্ৰূ-যুগল ৰেখা
নাসিকা নে ফুলশৰ
ৰাজকাৰ্য্যত অতি ব্যস্ত ব্যক্তিত্ব তেওঁ
ৰসোত্তীৰ্ণ নিৰ্মেদ কবিতা বৰ্ণাঢ্য লিখনিৰে
আমাক মননশীল উপহাৰৰ শৰাই আগবঢ়াই দিব
কোৰাচোন কোন সেইজন
আমাৰ সকলোৰে প্ৰিয় বন্ধুবৰ
তেওঁ 'অতনু' 'মনোজ' ডেকা, মদন।

# একেটা সুৰত গঁথা

**মদন চন্দ্ৰ ডেকা**

একেটি সুৰতে গঁথা
পুৰা সন্ধিয়া দুপৰীয়া

বৰষুণৰ কামনা কৰে
খাল দোং পানীৰে উপচি পৰে

এইটো নহয় যে
শদিয়াত আৰম্ভ হৈ ধুবুৰীত শেষ
ওলোটাটোও হ'ব পাৰে

প্ৰতিযোগিতা হয়
বৃহৎ প্ৰতিযোগিতা
কোন জিকিব এইবাৰ
চাহ বাগিচা নে জকাই চুকৰ গাওঁ

হিয়ালি জিয়ালিকৈ কান্দে
কান্দি গছৰ পাত সৰুৱায়
চকুপানীৰে নৈ বয়

শৰ দাহৰ বাবে শুকান খৰি নাই
কবৰ দিবলৈ ওখ ঠাই নাই

বানপানীয়েই ভৰষা

পুৰা দুপৰীয়া সন্ধিয়া
জগদীশ অগস্ত্য দুলেশ্বৰ
নিৰ্মল অজিত পঞ্চানন
ক্লান্তিহীন সেৱাত ৰত

একেটা সুৰত বন্ধা তেওঁলোক
প্ৰযত্নে
জাপানিজ এনকেফেলাইটিচ।

এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

৩০ পৃষ্ঠাৰ পৰা

মাতৃ ভেঙ্কটলক্ষ্যাম্মা আৰু পিতৃ শ্ৰীনিবাস শাস্ত্ৰীৰ পৰিয়ালত এই মহান ব্যক্তিত্বৰ জন্ম হৈছিল ১৮৬০ চনৰ ১৫ ছেপ্টেম্বৰত, তেতিয়াৰ মহীশূৰ, আজিৰ কৰ্ণাটক ৰাজ্যৰ বাঙ্গালোৰ চহৰৰ পৰা নিলগৰ শিলাময় অৰয়বৰ মাজৰ মাডেনহালী (Muddenhalli) নামৰ এখন গাঁৱত। দুখীয়া পৰিয়ালৰ বিশ্বেশ্বৰাইয়া সৰুতে ইমানেই ক্ষীণকায় আছিল যে কোনোবাই হেনো তেখেত বেছিদিন জীয়াই নাথাকিব বুলি কৈছিল। পিছে স্বাস্থ্য মানে যে মাথোঁ ওজন বেছি বা শকত-আৱত নহয় আৰু নিৰোগী শৰীৰকহে স্বাস্থ্য বোলে তাক প্ৰমাণ কৰি তেখেতে শত বছৰ গৰকি ১০২ বছৰলৈ মাথোঁ ৫ মাহ থাকোঁতেহে ইহ সংসাৰ ত্যাগ কৰিছিল।

সৰুতেই বহুদূৰ খোজকাঢ়ি গৈ প্ৰাথমিক তথা স্কুলীয়া শিক্ষা লৈছিল চিক্কাবালাপাৰা স্কুলত আৰু বাঙ্গালোৰত চেণ্ট্ৰেল কলেজৰ পৰা ১৮৮১ চনত আৰ্ট্চত স্নাতক পৰীক্ষা পাছ কৰিছিল। দুখীয়া বিশ্বেশ্বৰাইয়াই দুটি ল'ৰা-ছোৱালীক পঢ়োৱাৰ বিনিময়ত সেইটো ঘৰতে বিনামূলীয়াকৈ থকা-খোৱা কৰিছিল। স্নাতক পাছ কৰি মেধাৰ ভিত্তিত চৰকাৰী খৰচত College of Science, পুনা চহৰত Civil Engineering ত নাম ভৰ্ত্তি কৰি শীৰ্ষস্থান অধিকাৰ কৰি, পাছ কৰাৰ লগতে, PWD বিভাগত চাকৰিত যোগ দিছিল, বম্বে (মহাৰাষ্ট্ৰ) ৰাজ্যৰ নাসিকত। ইয়াৰ পৰা তেখেতে ৰাষ্ট্ৰীয় জলসিঞ্চন বিভাগত যোগ দি, বিভিন্ন সময়ত বিভিন্ন নদীত বান্ধ সাজি বা পানী যোগান আঁচনিৰ ডিজাইনৰ পৰা নিৰ্ম্মাণ আৰু প্ৰয়োগলৈকে সম্পূৰ্ণখিনি কৰিছিল। টানৰ টান সমাধান কৰিব নোৱৰা সমস্যাবোৰৰো, অতি সূক্ষ্মৰো সূক্ষ্ম পৰ্য্যবেক্ষণ কৰি সমাধান উলিয়াইছিল। সেয়েহে ইটোৰ পিছত সিটো অনুষ্ঠান, প্ৰতিষ্ঠান, চৰকাৰী বিভাগ বা তাহানিৰ ৰাজপৰিয়ালৰ পৰা কামৰ বাবে নিমন্ত্ৰণ পাইছিল। তেখেতৰ কেইটামান উল্লেখনীয় কাম আছিল, পুনা চহৰ আৰু সিন্ধু প্ৰদেশৰ, সুক্কুৰ নগৰৰ পানীযোগান আৰু নিষ্কাশন আঁচনি, বৰোডাকে ধৰি বহুকেইখন চহৰৰ পানীযোগান আঁচনি, কেইবাখনো নদীত বান্ধ সাজি পানী জলসিঞ্চন আঁচনিবোৰ তৈয়াৰ কৰাৰ লগতে নিৰ্ম্মাণ কৰিও শেষ কৰিছিল। তেখেতৰ প্ৰতিটো প্ৰকল্পই সফল হৈছিল, সেয়া আছিল তেখেতৰ বিশেষ কৃতিত্ব।

২৫ বছৰ চাকৰিৰ পিছত তেখেতে স্বেচ্ছামূলক অৱসৰ লয় আৰু উন্নত দেশ কিছুমান ভ্ৰমণ কৰিবলৈ যায় জ্ঞান আহৰণৰ বাবে আৰু সেইবোৰ উন্নত ঠাইৰ পানী যোগান, যাতায়তকে ধৰি, বান্ধ আদিৰ ওপৰত প্ৰকৃত তথ্য সংগ্ৰহ কৰে।

১৯০৯ চনত তেখেত মহীশূৰ ৰাজ্যৰ মুখ্য অভিযন্তা হৈছিল আৰু ১৯১২ চনত ৰজাৰ সৌজন্যত মহীশূৰৰ দেৱান হৈছিল। তেখেত ডক্টৰেট আছিল যদিও সকলোতে তেখেত ছাৰ এম বিশ্বেশ্বৰাইয়া বুলিয়েই বেছি খ্যাত আছিল। তেখেত আছিল আধুনিক ভাৰতৰ এজন সপ্নদ্ৰষ্টা (Visionary) আৰু ৰাষ্ট্ৰ নিৰ্ম্মাতা (Nation Builder)। ১৯১৫ চনত তেখেতক ইংৰাজ চৰকাৰে "নাইট কমাণ্ডাৰ অব ইণ্ডিয়া" উপাধি দিছিল। কাৱেৰী নদীৰ ওপৰত নিৰ্ম্মাণ কৰা বৃহৎ "কৃষ্ণ ৰাজাসাগৰ" আছিল তেখেতৰ বিশেষ কৃতিত্ব।

তেখেত আছিল ভাৰতৰ প্ৰকৃত নিৰ্ম্মাণকৰ্ত্তা। তেখেতে বিচৰাৰ দৰে, মহীশূৰৰ দেৱান হৈ থাকোঁতে, ১৯১২ৰ পৰা ১৯১৮ চনৰ ভিতৰত মহীশূৰত (আজিৰ কৰ্ণাটক) ত ৭০০০ ৰো অধিক শিক্ষানুষ্ঠান গঢ়ি তুলিছিল।

**হাইদ্ৰাবাদৰ বানপানী সমস্যাৰ সমাধান ঃ**

১৯০৮ চনত ধাৰাষাৰ বৰষুণৰ বাবে মুচী নৈ আৰু ইয়াৰ উপনৈ এচি নৈৰ বানপানীয়ে হাইদ্ৰাবাদ চহৰত বিস্তৰ ক্ষতি কৰাৰ লগতে প্ৰায় ২২০০০ পৰিয়ালক গৃহহীন কৰিছিল আৰু প্ৰায় ১৫০০০ লোকৰ মৃত্যু হৈছিল, যদিও প্ৰায় ৮ বছৰ মানৰ পৰাই এই বানপানীৰ সমস্যাত ভুগি আছিল হাইদ্ৰাবাদে। হাইদ্ৰাবাদৰ নিজামে, ইংৰাজৰ উপদেশ অনুযায়ী বিদেশী ইঞ্জিনিয়াৰ অনাৰ আগতে, ড° বিশ্বেশ্বৰাইয়াক সমস্যাটো সমাধানৰ সূত্ৰ বিচাৰি পৰামৰ্শ বা সমাধান কৰাৰ বাবে অনুৰোধ জনাইছিল আৰু ইংলেণ্ডৰ ইঞ্জিনিয়াৰক যি মাননি দিব, একেই মাননি আৰু সুবিধা তেখেতকো দিব বুলি কৈছিল। ছাৰ বিশ্বেশ্বৰাইয়াই কামটো গ্ৰহণ কৰি, অধ্যয়ন আৰম্ভ কৰিলে। প্ৰথমে তেখেতে হাইদ্ৰাবাদৰ পৰিৱেশ আৰু জলবায়ুৰ অধ্যয়নৰ লগতে বাৰিষাৰ প্ৰভাৱ আৰু নদ-নদী সমূহক অধ্যয়ন কৰি, সমাধানৰ ৰূপত বৰ্ত্তমানে থকা ওচমান সাগৰ আৰু হিমায়ৎ সাগৰ হ্ৰদ দুটা খান্দি উলিয়ালে মুচি আৰু এচি নৈৰ বানৰ অতিৰিক্ত পানী ৰখাৰ জলাধাৰ হিচাপে। বান্ধভেটাৰ কাষেৰে সুন্দৰ পথ নিৰ্ম্মাণ কৰিলে। ১৯২০ চনত, ওচমান সাগৰৰ কাম আৰু ১৯২৭ চনত হিমায়ৎ সাগৰৰ কাম সম্পূৰ্ণ হয়। তেতিয়াৰ পৰা ২০০৫ চনলৈ হাইদ্ৰাবাদ চহৰত বানপানী নাছিল। কিন্তু এই বান্ধবোৰৰ, ইমান বছৰ ধৰি কোনো মেৰামতি নোহোৱা আৰু জনবিস্ফোৰণৰ বাবে, আকৌ এই বানপানী আৰম্ভ হৈছে যদিও, ১৯০৮ চনৰ দৰে ভয়ানক বিভীষিকা আৰু কাহানিও হোৱা নাই। ৫০ ৰ দশকত প্ৰধান মন্ত্ৰী নেহৰুৱে তেখেতক নিমন্ত্ৰণ কৰি, গঙ্গাৰ ওপৰত, বিহাৰত সেঁতু নিৰ্ম্মাণৰ কামতো তেখেতক নিয়োগ কৰিছিল।

ছাৰ বিশ্বেশ্বৰাইয়াৰ আন এটা অতি গৌৰৱ কৰিব লগা কৃতিত্ব উল্লেখ কৰা হ'ল। মহীশূৰৰ (আজিৰ কৰ্ণাটক) ভদ্ৰাৱতী আইৰণ আৰু তীখা কোম্পানীটো লোকচানত পৰি বন্ধ হবৰ উপক্ৰম হৈছিল। তেতিয়া ছাৰ বিশ্বেশ্বৰাইয়াক এই কোম্পানীটোৰ অধ্যক্ষ নিযুক্তি দিছিল। তেখেতে দায়িত্ব লৈ এই মৃতপ্ৰায় উদ্যোগটোক পুনৰুজ্জীৱিত কৰি তুলিছিল আৰু যেতিয়া তাৰ পৰা অৱসৰ লৈছিল, কোম্পানীটোৱে তেখেতে পাব লগা এক বৃহৎ পুঁজি তেখেতলৈ আগবঢ়াইছিল। কিন্তু ছাৰ বিশ্বেশ্বৰাইয়াই সেই ধন নিজে গ্ৰহণ নকৰি, সেই টকাৰে এখন ইঞ্জিনিয়াৰিং প্ৰতিষ্ঠান (Polytechnic) খুলিলে।

আধুনিক মহীশূৰৰ জনক বুলি খ্যাতি পোৱা ছাৰ বিশ্বেশ্বৰাইয়াৰ নামত বৰ্ত্তমানৰ কৰ্ণাটকত বহুকেইখন শিক্ষানুষ্ঠান, ইঞ্জিনিয়াৰিং কলেজ, বিশ্ববিদ্যালয় আৰু উদ্যোগৰ নামকৰণ কৰা হৈছে।

ছাৰ বিশ্বেশ্বৰাইয়াই নিজৰ ভাষা কানাড়াক বৰ ভাল পাইছিল, সেয়েহে 'কানাড়া সাহিত্য পৰিষদ' গঠন কৰিছিল (অসম সাহিত্য সভাৰ দৰে)।

তেখেতৰ জন্মস্থান মাড়েনহালীত, তেখেতৰ সোঁৱৰণত বিশ্বেশ্বৰাইয়া মেম'ৰিয়েল নিৰ্ম্মাণ কৰা হৈছে, য'ত তেখেতৰ বঁটা বাহনকে ধৰি ব্যৱহাৰ কৰা সামগ্ৰী আদিৰ সংৰক্ষণ কৰা হৈছে।

এজন সৎ নিষ্ঠাৱান অক্লান্ত পৰিশ্ৰমী ব্যৱহাৰিক অভিযন্তা তথা আধুনিক মহীশূৰৰ নিৰ্ম্মাতা, স্বপ্নদ্ৰষ্টা আৰু ৰাষ্ট্ৰ নিৰ্ম্মাতা ছাৰ মোক্সাগুণ্ডম বিশ্বেশ্বৰাইয়া অমৰ হৈ ৰ'ব বুৰঞ্জীত চিৰকালৰ বাবে।

হয়। বানপানী, শ শ মৃত বা মৃতপ্ৰায় উদ্যোগক লৈ ককবকাই থকা অৱস্থা, নিবনুৱাকে ধৰি এশ এবুৰি সমস্যাৰে জৰ্জ্জৰিত অসমত আজি আমাক ছাৰ বিশ্বেশ্বৰাইয়াৰ দৰে এজন অভিযন্তাৰ প্ৰয়োজন।

●●●

# দেওবৰীয়া মুখৰোচক

**ডাঃ অমল শইকীয়া**

**দৃশ্যপট -১**

চিকিৎসকৰ ৰোগী চোৱা কোঠালৈ ৰোগী এজন সোমাই আহে।

"ছাৰ! কিনো কম দুখৰ কথা। পেটডাল চাওকচোন, গঙ্গাটোপটোৰ দৰে যেতিয়াই তেতিয়াই ওফন্দি থাকে। বজাৰৰ পৰা অনা ফুলকবি, বন্ধাকবি, মূলাশাকসোপা খাই পেটত হাজাৰটা সমস্যা। গেছেই গেছ ছাৰ। পেটৰ ভিতৰতে একেবাৰে খুন্দিয়াখুন্দি। ফাৰ্ম্মাচিৰ ঔষধ মোনা হিচাপত খালোঁ। সাপ্তাহিক বজাৰত বেলবেলাই থকা কবিৰাজী দেৱাই আনি খায়ো চালোঁ। গাঁৱৰ খেনোৰ কথা মতে চূণৰ পানী, কলাখাৰ, ভেদাই লতা, মাটিকাদুৰী, মাণিমুনিৰ জোল কত যে কি খালোঁ। চব নেচেলচেল হ'ল অ' ছাৰ। পাইপ এডাল ভৰাই গেছসোপা একেবাৰে উলিয়াই দিব নোৱাৰিনে?'

'হেই! ক'তনো পেটত গেছসোপা জমা হৈ থাকে অ'। পেটৰ ভিতৰত কিবা গেছৰ চিলিণ্ডাৰ ফিটহৈ থাকে নেকি যে পাইপ খুলি গেছ উলিয়াই দিম। বিছনাত শুই দিয়ক, পৰীক্ষা কৰি চাওঁ।'

ৰোগী বিছনাত শোৱে আৰু চিকিৎসকে পেটটো আঙুলিৰে টুকুৰিয়াই চায়।

'ই এইয়া দেখোন ব'হাগৰ বিহুৰ আবতৰীয়া ঢেপা ঢোলৰ শব্দ!'

'সেইয়া মই কি কৈছিলোঁ নহয় ছাৰ! মানে গেছ অ' ছাৰ। গেছ। একেবাৰে মৰি গৈছোঁ। বৰ সমস্যাত পৰিছোঁ অ' ছাৰ! সভাই সমিতিয়ে ভাষণ দি থাকোঁতে কোন সময়ত টিপা ঠেলি গেছ ওলাই দৌৰ মাৰে টলকিবই নোৱাৰোঁ। টিপাৰ কাম নোহোৱা হৈ যায়। তাৰ পাছত ওচৰত বহি থকাজনে নাকত ৰুমালখন লোৱা দেখিলে বৰ লাজখন পাওঁ অ' ছাৰ। কিবা এটা সোনকালে হেষ্ট নেষ্ট কৰক।'

'আপোনাৰ লেট্ৰিন খোলোচা হয় নে নহয়!'

'ভাল কথা সুধিলে ছাৰ! সকলোকে কথাটো ক'বলৈ লাজেই লাগে। আপুনি যে ডাক্তৰ, গতিকে কিনো কথা লুকুৱাম। ভাঙিপাতি ক'বই লাগিব। পুৱা লেট্ৰিনত সোমাই যুঁজ বাগৰখন অ' ছাৰ। ঘণ্টাধৰি

যুজোঁতে যুজোঁতে ঘামি যাওঁগৈ। আঘোণমহীয়া পথাৰত ধানৰ দাঙৰি কঢ়িওৱা গাড়ীখন লিক নথকা আলিত আহি ফচি যোৱাৰ লেখীয়া অগা পিছা অগা পিছা। মানে এই ওলায় এই সোমায় ছাৰ। ৰামদেৱৰ ঔষধেও পাট্টা পোৱা নাই।'

'ইচ! হয়নেকি, এনেকুৱানে। পিছে তাৰ পিছত?'

'তাৰ পিছত ছাৰ। ব্ৰহ্মা অস্ত্ৰপাট ব্যৱহাৰ অ' ছাৰ।'

'সেইপাট বা কেনেকুৱা?'

'মধ্যমা আঙুলিটোৰ সদ্ব্যৱহাৰ ছাৰ। তাৰ পাছত যেনিবা ছাগলী লাডৰ লেখীয়া এটা টপঙকৈ তলত...।'

'ইচ! তাৰ মানে সাংঘাতিক কনষ্টিপেচন্। পানী সৰহকৈ খাব বুজিছে। নিতৌ আহাৰৰ লগত লাও, অমিতা, স্কোৱাচ, ফল-মূল, আহিঁয়া শাক-পাচলি আৰু পাৰিলে ফলৰ ভিতৰত এটা কল খোৱা অভ্যাস কৰক। শুবৰ সময়ত এগিলাচ গৰম গাখীৰ খোৱা অভ্যাস কৰক। মই বাৰু ঔষধ অলপমান লিখি দিছোঁ। খাই কেনে পালে এসপ্তাহৰ পাছত আহি জনাব।'

ৰোগীজনেও এসপ্তাহৰ পাছত আহি ৰোগসম্পৰ্কে বিতংকৈ জনোৱাৰ প্ৰতিশ্ৰুতি দি নিদানপত্ৰখন লৈ সেইদিনা গ'লগৈ।

**দৃশ্যপট -২**

পুৱা চিকিৎসকৰ ৰোগী চোৱা কোঠাত ৰোগী এজনৰ প্ৰৱেশ।

-'ইচ্! আপোনাৰ কথা ভাবি থাকোঁতেই আপুনি খোদ আহি উপস্থিত হ'লহি। পিছে মই দিয়া ঔষধে কামত দিছে নে নাই?'

'আপুনিয়ে কি বহুৰূপী ঔষধ দিলে অ' ছাৰ! হৰেক দিনা হৰেক খেলা। ঔষধৰ মহিমা অপাৰ।'

'হৰেক খেলা মানে, ঠিক কথাটো বুজি নেপালোঁ।'

'কি ক'ব আৰু। আপোনাৰ ঔষধ খাই প্ৰথম দুদিন লেট্ৰিনত সোমাই কাম ফেৰা আৰম্ভ কৰি বল অকণ দিওঁতেই কিবা এটাই ফাউচকৈ মাৰি পঠায় বুজিছেনে। ভৰ বাৰিষাৰ বিজুলী ঢেৰেকণিতকৈও ই কিন্তু কোনো গুণেই কম নহয়। বলফেৰা দিলেই প্ৰথম ভাগে ফাঁইছিতিকা দিয়ে। তাৰ পাছৰ ভাগ যেনিবা পানী দিয়া সুলসুলীয়া লুথুৰি পিঠাগুৰিৰ লেখীয়া, কোনোমতে অকণমান সৰি পৰে। শেষ কৃত্য কৰি ওলাই আহিবলৈ ঘটিটোৰ পানীৰে নোজোৰেগৈ। কুঁৱাৰ পৰা আৰু দুই তিনি বাল্টি পানী ঢলাৰ পাছতহে সেইখিনি এৰা খায়গৈ। কিবা বোলেনে জাঁজিমুখৰ আঠা দৈয়েই বুলিলোঁ দেই ছাৰ।'

'অ' হয়নেকি! তাৰমানে ঔষধে জেগাত গৈ প্ৰাৰম্ভিক কাম আৰম্ভ কৰি দিছে। বহু দিনৰ জমা সম্পত্তিয়ে! তাতে একে জেগাতে টেপা খাই খাই পকা মিঠৈৰ নিচিনা টান হৈ গৈছেগৈ। ভাঙিব ভাঙিব, লাহে লাহে ভাঙি থাকিব। পিছে তৃতীয় দিনাখন কি হ'ল, নকলেযে!'

'তৃতীয়া দিনাখনতো নহ'ব লগাটোকে হ'বলৈ পালে। ৰাইজে ভোট দি জিকোৱা পঞ্চায়তৰ মই সভাপতিয়ে! সেই দিনাখন পঞ্চায়তৰ জৰুৰী সভা এখন থকাত বোৱাৰী পুৱাতে শোৱাপাটি এৰি মুখখন

ধুইয়েই সেইফেৰা সোনকালে কৰি আজৰি হওঁ বুলি চিন্তি লেট্ৰিন পালোঁগৈ। তাৰ পাছত আকৌ সেই যুঁজ বাগৰখন নহয়। ইফালে সভাখনৰ চিন্তা। সময়ত সভাপতি গৈ উপস্থিত হ'ব লাগে। খৰধৰত না বিজুলী ঢেৰেকনি মাৰিলে না দেৱালীৰ ফটকা ফুটিলে। বৌটিয়ে সৰুতে কৈছিল বোলে চেষ্টাৰ অসাধ্য একোৱেই নাই। সেই কাৰণে চেষ্টা এটাও কৰি চালোঁ। পিছে সময়ৰ নাটনিত চেষ্টাটো সাময়িকভাৱে ইমানতে সামৰি গাটো সাউতকৈ ধুই পেটত কোমল চাউল গাখীৰেৰে ভৰাই চাইকেলখনত উঠি সভাস্থলী পালোঁগৈ। ইমানলৈকে ঠিকেই আছিল। সভা চলি থাকোঁতে চিঙৰা চাহ খাওঁতেই ধৰিলে নহয় পেটটো চিকুট মাৰি। ইয়াৰ পাছত গাড়ীৰ চকাত গেয়াৰটো যি লাগিল লাগিলেই। ইফালে গাড়ীৰ এক্সেলেটাৰো নিজে নিজে ডাবিবলৈ আৰম্ভ কৰিলে। চকীখনতে বহি টিকা নচুৰাই থাকিও ৰক্ষা নোপোৱা হলোঁ। এটা সময়ত পৰিস্থিতি বেয়ালৈ যোৱাত উপ সভাপতিক সভাৰ দায়িত্ব দি টিপাটো কোনোমতে ৰাখি পাতি চাইকেলখন লৈ টিকা বেঁকা কৰি টোপাকাঁড় যোৱাদি গৈ বুঢ়াডাঙৰীয়াৰ কৃপাত কোনোমতে ঘৰ পালোঁগৈ। ঘৰ পাইয়েই লেট্ৰিনত প্ৰৱেশ কৰি স্বৰ্গত উপস্থিত হোৱা যেন পালোঁ অ' ছাৰ। এইবাৰ জোৰ নিদিয়াকৈ প্ৰথমতে দাইলৰ পানীৰ লেখীয়া, তাৰ পাছত কুঁহিয়াৰ শালৰ গুৰ সদৃশ, পাছত গৈ মঙ্গলজী দোকানৰ মটৰ ঘূগনিৰ নিচিনা গোটা-পনীয়া এসোপা ব্ৰেক মাৰি মাৰি ব্ৰেক মাৰি মাৰি ওলাইয়েই থাকিল। বহু দিনৰ মূৰত কি যে স্বৰ্গসুখ অনুভৱ কৰিলোঁ। পেটটো একেবাৰে চেপেটা লাগি গ'ল নহয়। মোক কিন্তু আপুনি এইবাৰলৈ ভাল বচালে দেই ছাৰ। আপুনিয়েই মোৰ ভগৱান ছাৰ। পিছে ছাৰ। মোৰ এই লুথুৰী পিঠাগুৰিবোৰ চুঙা পিঠাৰ লেখীয়া কেতিয়া হ'বগৈ।'

'হ'ব, হ'ব হৈ যাব। ইমানখিনি হ'ল যেতিয়া এদিনাখন চুঙা পিঠাও হ'বগৈ। অলপ ধৈৰ্য্য ধৰক। সময় অলপ ল'ব। পুৰণি বেমাৰযে! খাই থাওকচোন ঔষধখিনি।'

ডাক্তৰৰ কথাত হয়ভৰ দি ৰোগীজনে সন্তুষ্টিৰ হাঁহি এটা মাৰি গ'লগৈ।

●●●

# আমাৰ তিনিদিনীয়া ভ্ৰমণ ঃ ধলা, শদিয়া, ৰয়িং, নামচাই, দুলিয়াজান অভিমুখে

**ফাইজুৰ ৰহমান**

আজি ঘৰখনত উখল-মাখল পৰিৱেশ। সৰুজনী ছোৱালী মানে ৰিমনৰ গাত তৎ নাইকিয়া হৈছে। কিয়নো তাইৰ হায়াৰচেকেণ্ডাৰি ফাইনেল পৰীক্ষা শেষ হোৱাৰ পিছত প্ৰথমবাৰৰ বাবে ধলা শদিয়া দলং (ড° ভূপেন হাজৰিকা সেঁতু) চাবলৈ যোৱাৰ কথা। আজি সেই দিনটো আহি পৰিছে। বহুদিনৰ পৰাই তাই খাটনি ধৰি আছিল যে তাইৰ লগৰ সৰেই যিহেতু ধলা শদিয়া দলঙলৈ গৈ আহিছে গতিকে তাইক

দেখুৱাই আনিব লাগে। ময়ো ভ্ৰমণ কাৰ্য্যসূচী বনাই ললোঁ।

মই, মোৰ সহধৰ্মিণী ৰেজিয়া, মাজু ছোৱালী চুমন আৰু সৰু ছোৱালী ৰিমনক লৈ বিমানযোগে যাত্ৰা আৰম্ভ কৰিলোঁ ডিব্ৰুগড়লৈ। ডাঙৰ ছোৱালী জুমন নগ'ল কাৰণ তাই আগতে চাই আহিছে।

যথা সময়ত আমি ডিব্ৰুগড় বিমান বন্দৰ পালোঁ। আগতে বুক কৰি থোৱা ইনোভা গাড়ীখন আহি পালে। আমাৰ তালি-টোপোলাবোৰ গাড়ীত তুলি লৈ আমিও গাড়ীত বহি ললোঁ। আমাৰ গাড়ী আগবাঢ়িল ডিব্ৰু চৈখোৱা অভিমুখে। আমাৰ এই ভ্ৰমণৰ প্ৰথম গাইড হ'ল চালক দীপ। গাৰ বৰণ ক'লা, খীণ এজন স্মাৰ্ট ডেকা ল'ৰা। ঘৰ তিনিচুকীয়াত। অনবৰত কিবাকিবি চুপাৰি জাতীয় বস্তু চোবাই তাকে। কথা বতৰা বেচ ভাল।

এটা সময়ত ডিব্ৰু চৈখোৱা ঘাট পালোঁ। নদীৰ পাৰৰ এয়া কি অপৰূপ দৃশ্য! তেতিয়া কিনকিনিয়া বৰষুণ। বৰষুণৰ মাজতো চুমন আৰু ৰিমনে চেলফি তুলিলে। দীপেও আমাৰ পৰিয়ালৰ সকলোৰে ফটো তুলি দিলে। পানী জাহাজত উঠি নদীৰ সৌন্দৰ্য্য উপভোগ কৰিলোঁ। নদীৰ বুকুত থকা সময়কণ আমাৰ বাবে বৰ আমোদজনক।

এটা সময়ত আমাৰ গাড়ীৰ চকা ঘূৰিল ধলা শদিয়া অভিমুখে। উগুল থুগুল মন, আটাইতকৈ দীৰ্ঘ দলং দেখা পাম। চুমন আৰু ৰিমনৰ মনত আনন্দৰ সীমা নাই।

দীপক সুধি আছে আৰু কিমান দূৰ আছে। দূৰৈৰ পৰা দলংখন দেখাৰ পিছত ইহঁত দুজনীয়ে চিঞৰ বাখৰ লগাই ইজনীয়ে সিজনীক দেখুৱাই দিলে। বাঃ কি সুন্দৰ! দীঘল S আকৃতিৰ ইমান সুন্দৰকৈ দলংখন নিৰ্ম্মাণ কৰা কোম্পানীৰ প্ৰতি শিৰ নত কৰি এটা নমস্কাৰ কৰিলোঁ। সঁচাই এই দলঙে অৰুণাচলৰ লগত অসমৰ যোগাযোগ ব্যৱস্থা সহজ কৰাৰ উপৰিও পৰ্য্যটকক আকৰ্ষিত কৰিব পৰাকৈ মনোমোহা ও মনোৰম কৰি তুলিছে। এইখিনিতে কাৰিকৰী তথা শিল্পীৰ কৃতিত্ব লুকাই থাকে। দলঙৰ বুকুত চাৰি-পাঁচ ঠাইত ৰৈ ৰৈ সৰেই ফটো তুলিলোঁ। চেলফিও বহুত লোৱা হ'ল। দলঙৰ পৰা তললৈ চাই বিশাল নদীৰ সৌন্দৰ্য্যও উপভোগ কৰিলোঁ। সময় বহুত হ'ল। ইয়াত বেছি সময় কটালে সিপালে ৰয়িং গৈ পাওঁতে ৰাতি হ'ব। গা মন শাঁত পৰি যোৱা ৰিব ৰিব বলি থকা চেঁচা বতাহৰ আমেজত মন যায় দলঙৰ বুকুত গোটেই দিনটো কটাম। নোৱাৰিলোঁ।

আকৌ যাত্ৰা আৰম্ভ কৰিলোঁ, শদিয়া অভিমুখে। সৰুকালতে শদিয়াক লৈ প্ৰয়াত খগেন মহন্তদেৱে ৰেডিঅ'ত শিকোৱা গানটোলৈ মনত পৰি মনটো ভাল লাগি গ'ল।

'মা আমি শদিয়ালৈ যামেই..' সৰুৰে পৰা মনত এটা হেঁপাহ আছিল যে এদিন শদিয়ালৈ যাম, হালি জালি থকা শতফুলৰ সৌন্দৰ্য্য উপভোগ কৰিম, জোনটো ওচৰতে পাম, আজি সেই আশা পূৰণ হোৱাৰ পথত। ধলা শদিয়া দলং নিৰ্ম্মাণ হোৱাৰ পিছত সঁচাকৈ শদিয়া ৰিং এটাৰ বাট হ'ল। এইবোৰ ভাবি থাকোঁতে শদিয়া পালোঁ। মোৰ কল্পনাৰ শদিয়া ভাল লাগিল।

ইয়াত দলং হোৱাৰ আগতে ইয়াৰে ওচৰতে ছৈখোৱাঘাট আছিল। ঘাটেৰেই সকলোৱে নাও বা পানী জাহাজত উঠি নদী পাৰ হৈ শদিয়া পাইছিল। আজি সেয়া অতীত হ'ল।

এইবাৰ আমি মন মেলিলোঁ অৰুণাচলৰ ৰয়িঙলৈ যাম। সৰুজনী ছোৱালীয়ে ড্ৰাইভাৰ দীপক সুধিলে 'ৰয়িং কেনেকুৱা আৰু কি আছে তাত'। সি ঘপহকৈ উত্তৰ দিলে যে তাত চাবলগীয়া একো নাই, তাত মদ সস্তা বাবে মানুহে মদ খাবলৈহে যায়। আমাৰ মনবোৰ বেয়া লাগি গ'ল। বন্ধুবোৰে দেখোন ভাল বুলিহে কৈছিল। তথাপি আমাৰ গাড়ীৰ চকা ঘূৰিল ৰয়িং অভিমুখে।

অসম আৰু অৰুণাচলৰ গেটত গেট পাছ লবলৈ ক্ষন্তেক ৰলোঁ। ইয়াত সামান্য বজাৰ। সৰু সৰু দোকান। অৰুণাচলীবোৰে দুই এবিধ শাক পাচলি লৈ পথৰ দাঁতিত বহি আছে। পুনৰ যাত্ৰা আৰম্ভ কৰাৰ সময়ত দীপৰ কিবা হেৰোৱা যেন লাগিল। তাৰ খুব টেনচন। সি কিবা বিচাৰি ফুৰিছে। তাৰ হেনো ড্ৰাইভিং লাইচেঞ্চখন নাই। গাড়ীৰ ভিতৰ বাহিৰ, পাণ দোকান, অহাযোৱা পথ আদি বিচাৰি চলাথ কৰিলে। আমাৰো টেনচন। অৱশেষত গেট পাছ লোৱা ৰুমত পালে। এটা স্বস্তিৰ নিশ্বাস পৰিল। আমি আগবাঢ়িলোঁ। ৰয়িঙৰ ফালে যিমানেই আগুৱাই গৈছোঁ সিমানেই আমাৰ গাত ঠাণ্ডা লাগি আহি আছে। পাহাৰীয়া ঠাই, দুয়োফালেই সেউজীয়া মনোমোহা প্ৰাকৃতিক দৃশ্য। ৰয়িঙত থকা মোৰ বন্ধু চামিম আহমেদক আমাৰ থকাৰ বন্দৱস্ত কৰি থ'বলৈ কোৱা হৈছিল। সেইমতে আমাৰ বাবে ৰয়িং আৰৰ্ত্ত ভৱনত দুটা কোঠা ঠিক কৰি থোৱা আছে। আৰৰ্ত্ত ভৱন পালোঁহি। পাহাৰীয়া আৰ্হিত বনোৱা এটি সুন্দৰ আৰু আটক ধুনীয়া দুমহলীয়া ঘৰ। আহল বহল ডাঙৰ কেম্পাছ। পাকঘৰটো অলপ দূৰৈত। ওচৰতে আৰু এটা আৰৰ্ত্ত ভৱনৰ আৰ চি চি বিল্ডিঙো আছে। তাত আলহীৰে ভৰি আছে।

বন্ধুবোৰে ঠিকেই কৈছিল ৰয়িং সঁচাকৈ প্ৰকৃতিৰ ৰম্যভূমি। ইয়ালৈ নাহিলে অনুভৱ কৰিব নোৱাৰি। আমি ৰাতিটো নতুন আৰৰ্ত্ত ভৱনত থাকিলোঁ।

আবেলি মিছিমি ঘৰৰ আৰ্হিত বনোৱা সেই মিছিমি হিল ৰিজৰ্টখন ভালকৈ চালোঁ। পকাৰে বনোৱা পদ পথেৰে নগৈ আমি দূবৰি জাতীয় বনৰ ওপৰেদি কোজ কাঢ়ি গৈ ৰিজৰ্টৰ চৌহদ পালোঁ। এটাৰ পিছত এটাকৈ যেনে শোৱনি কোঠা, পাকঘৰ, ভাত খোৱা কোঠা, জিৰণি চ'ৰা ইত্যাদি চালোঁ। তাৰ পৰাই দেখিলোঁ ইঝে আৰু ইমে জুৰিৰ সঙ্গম স্থল। পিছত দুয়োটা মিলি দেওপানী নদী হৈছে।

চিপচিপিয়া বৰষুণৰ মাজেৰে লুংলুঙীয়া একা বেঁকা পাহাৰীয়া পথেৰে Sally Lake লৈ গ'লোঁ। থিয় গড়া চিৰিৰে উঠা নমা কৰি Lake ৰ চাৰিওফালে থকা পদ পথেৰে কিছু খোজ কাঢ়িলোঁ Selfee ও তুলিলোঁ। পিছত দেওপানী দলঙৰ ওপৰৰ পৰা নদী আৰু পাহাৰৰ দৃশ্য উপভোগ কৰিলোঁ। এই সকলোবোৰতে চামিম আহমেদ চাহাবে গাইড কৰিছে। সুন্দৰ ও মনোমোহা দৃশ্যত আপোনপাহৰা হৈ মাজতে আমাৰ মাজু ছোৱালীজনীয়ে কৈ পেলালে যে তাই ৰয়িঙত থাকি যাব। আহমেদ চাহাবক তাইৰ বাবে চাকৰি এটা জোগাৰ কৰি দিব লাগে বুলি খাটনি ধৰি আছে (কাৰণ তাইও চিভিল ইঞ্জিনীয়াৰ)। ইয়াত থাকি কোনোবা অৰুণাচলী মিছিমি ডেকাৰ লগত বিয়া হৈ ঘৰ সংসাৰ কৰাৰ ভয়তে মাকে কথাটো

পোনচাটেই নাকচ কৰিলে। যিয়েই নহওক ৰাতিটো মাজে মাজে চলি থকা কিনকিনিয়া বৰষুণৰ শব্দত ভাল টোপনি হ'ল।

১৫/৪/২০১৮ঃ আজি দেওপানীৰ বুকুত থকা শিলাময় পাৰত আৰু পানীত খোজ কাঢ়িলোঁ। চিয়াঙলৈ যাব পৰাকৈ ইফাপানী নদীৰ ওপৰত নতুনকৈ দলং এখন সম্পূৰ্ণ হৈছে। তালৈকে গলোঁ। তাৰে ওচৰত থকা দাম্বুক গাৱঁৰ দৃশ্যও উপভোগ কৰিলোঁ। পিছত তেজু হৈ Golden Pegoda লৈ গৈ তাৰে Golden Pegoda Eco Resort ত আছোঁহি। ৰাতিৰ দৃশ্য উপভোগ কৰিম। Golden Pegoda ৰ ৰাতিৰ দৃশ্য খুব ভাল বুলি শুনিছোঁ। সঁচাকৈয়ে Golden Pegoda আৰু Resort খনৰ ৰাতিৰ দৃশ্য অতি মনোৰম। শাৰী শাৰী জ্বলি থকা বিজুলী বাতিৰ পোহৰত আমি নিজকে বিলীন কৰি দিলোঁ। আনন্দত আত্মহাৰা হলোঁ। বহুত ফটো তুলিলোঁ। সোণবোলোৰা কাঁহী এখন Golden Pegoda ৰ চিন স্বৰূপে কিনি ললোঁ। ভাল লাগিল। এয়া স্মৃতি হৈ ৰ'ব। আজি ৰাতিটো থাকি কাইলৈ তিনিচুকীয়ালৈ যাত্ৰা কৰিম।

১৬/৪/২০১৮ঃ আজি আমাৰ ওভতনি যাত্ৰা। Golden Pegoda Eco Resort ৰ কোঠাৰ সন্মুখৰ বাৰাণ্ডাত বহি কিছুমান গানৰ কলি মনলৈ আহিল। 'অ' চিয়াঙৰে আলং। লুইতৰে খামতি। টিৰাপৰে ৰাংচিয়ে মোক কিয় মাতিছে। আপাতানি ভনীটি ধৰিলে সাবটি। দেশৰ হকে নিলে মোক আথে বেথে মাতি। আই তোৰ কপালত আঁকি দিম... জেউতিৰ তিলক পিন্ধাই দিম। অৰুণাচলতে বৰ ঘৰ সাজি দিম কৃষ্টি জীয়াই... আই তোৰ চৰণ ধুৱাই দিম। টিৰাপৰ শিখৰত মনিকূট গঢ়ি দিম হিয়াতে সজায়..." আজিৰ যাত্ৰা আৰম্ভ হ'ল। Golden Pegoda Eco Resort এৰি আহি নামচাইত সোমালোঁ। পিছে অৰুণাচলীসকলৰ যোৰাকালিৰ পৰা ফাকুৱাজাতীয় এটা উৎসৱ চলি থকা বাবে সকলোবোৰ দোকান পোহাৰ বন্ধ। এই উৎসৱত ইটোৱে সিটোৰ গালৈ অকল পানীহে ছটিয়ায়। তাৰ পিছত অসম আৰু অৰুণাচলৰ সীমা দিৰক গেট পাৰ হলোঁ। কাকজানৰ বিষয়ে বহু কথাই শুনিছিলোঁ। ইয়াত হেনো আলফাৰ মুখ্য ঘাটি। সুকলমে পাৰ হলোঁ। ৰূপাই, ডুমডুমাৰ পিছত এইবাৰ তিনিচুকীয়াত সোমালোঁ। ইয়াৰে ৰঙাগড়া ৰোডত Aroma Residency ত সোমালোঁ। ইয়াত ৰাতিটো থাকি কাইলৈ ডিব্ৰুগড়হৈ বিমানযোগে গুৱাহাটীলৈ যাম। আবেলি ডুলিয়াজানলৈ বুলি যাত্ৰা আৰম্ভ কৰিলোঁ। চাহ বাগানৰ মাজে মাজে আমাৰ গাড়ী আগবাঢ়িল। বাটত চিৰ সেউজীয়া এটি কলিৰ দুটি পাতৰ ৰাৰেণ চাহ বাগিচা, বৰদুবি চাহ বাগিচা আৰু মধুবন চাহ বাগিচা পাৰ হ'লোঁ।

বাগিচাৰ সৌন্দৰ্য্য উপভোগ কৰি গ্ৰুপ ফটোও তুলিলোঁ। BCPL Gas Cracker Company পাৰ হৈ আমাৰ লক্ষ্যস্থান Oil India Ltd. পালোঁ। ইয়াতে কৰ্ম্মৰত মোৰ লগৰ ইঞ্জিনিয়াৰ বন্ধু বিমল দত্তৰ তালৈ আহিছোঁ। আৰু কটনিয়ান ৭৫-৭৭ বন্ধু প্ৰাণজিত ডেকাকো লগ পালোঁ। ফুলনি আৰু শাক-পাচলিৰ খেতিৰে ভৰা কেম্পাচৰ মাজত এটা আতকধুনীয়া Oil India Ltd. ৰ আবাস। মিচেছ দত্তই খুব আটোমটোকাৰি আৰু পৰিষ্কাৰ ও পৰিপাটিকৈ ৰাখিছে। মিচেছ দত্তই বনাই দিয়া পুৰিৰ লগত সুস্বাদু তৰকাৰী আচাৰ, মিঠাই ইত্যাদিৰে আমি আটাইয়ে বৰ তৃপ্তিৰে খালোঁ। Oil India Ltd ৰ বৃহৎ চৌহদটো ঘূৰি পকি চালোঁ। Recreation Club ত সোমাই তাত থকা গোটেই সুবিধাখিনি প্ৰাণজিতে দেখুৱাই

দিলে। ভাল লাগিল। ইমান ডাঙৰ ক্লাব, আচৰিত লাগিল। কোম্পানীয়ে বহুত সুবিধা কৰি দিছে। ঘূৰি আহোঁতে টিলিঙা মন্দিৰ দৰ্শন কৰিলোঁ। ভাল পালোঁ।

১৭/৪/২০১৮ ঃ ৰাতিটো তিনিচুকীয়াত থকা Aroma Residency ত থাকি ডিব্ৰুগড়ৰ পৰা বিমানযোগে গুৱাহাটী অভিমুখে ৰাওনা হলোঁ। আমি ভ্ৰমণ সূচী শেষ কৰি সকলোৰে আশীৰ্ব্বাদত ভালে ভালে গুৱাহাটী পালোঁহি। আমাৰ এই ভ্ৰমণৰ সময়খিনিত বহুকেইজন সতীৰ্থই অনুপ্ৰেৰণা তথা শুভকামনা যোগাইছিল। আটাইলৈ অশেষ ধন্যবাদ জনালোঁ। আমাৰ উত্তৰ-পূৰ্বাঞ্চলত পৰ্য্যটকক আকৰ্ষণ কৰিব পৰাকৈ বহুত Tourist place আছে।

●●●

# বীৰ চিলাৰায়

**কৃষ্ণা শৰ্ম্মা**

আজি বীৰ চিলাৰায় দিৱসত বীৰ চিলাৰায়লৈ সশ্ৰদ্ধ প্ৰণিপাত জনালোঁ।

১৫১০ চনৰ মাঘী পূৰ্ণিমা তিথিত বীৰ চিলাৰায়ে জন্মলাভ কৰিছিল। তেওঁৰ পিতৃ আছিল কোচ ৰাজ্যৰ ৰজা বিশ্বসিংহ। মাতৃ আছিল গৌড়কন্যা ৰাণী পদ্মাৱতী।

বীৰ চিলাৰায়ৰ নাম আছিল শুক্লধ্বজ। ৰজা বিশ্বসিংহৰ বহুকেইজন পুত্ৰৰ মাজৰে দ্বিতীয় পুত্ৰ আছিল মল্লদেৱ ওৰফে ৰজা নৰনাৰায়ণ আৰু তৃতীয় পুত্ৰ শুক্লধ্বজ ওৰফে চিলাৰায়।

অতি বিচক্ষণ আৰু দূৰদৰ্শী পিতৃ মহাৰাজ বিশ্বসিংহই তেওঁৰ পুত্ৰদ্বয় নৰনাৰায়ণ আৰু চিলাৰায়ক উচ্চ শিক্ষাৰ বাবে বাৰানসীলৈ প্ৰেৰণ কৰিছিল। পৰৱৰ্ত্তী কালত দ্বিতীয় পুত্ৰ নৰনাৰায়ণ ৰাজপাটত বহে আৰু শুক্লধ্বজ যুৱৰাজ পদত অধিষ্ঠিত হয়। যুৱৰাজ শুক্লধ্বজে ৰাজশক্তিৰ প্ৰধান কৰ্ম্ম-কৰ্ত্তা হোৱাৰ ফলত হাতত খোলা তৰোৱাল ধাৰণ কৰি পক্ষীৰাজ নামৰ অতি বেগী ঘোঁৰাৰ পিঠিত উঠি চুবুৰীয়া ৰাজ্যবোৰক ইখনৰ পিছত সিখনকৈ নিজ বাহুবল আৰু ৰণকৌশলেৰে চিলনীৰ গতিত জয় কৰিব পাৰিছিল বাবেই শত্ৰু-মিত্ৰ সকলোৰে পৰাই চিলাৰায় উপাধি পাইছিল। ভয়াবহ যুদ্ধৰ ব্যস্ততাৰ মাজতেই তেওঁ অৱসৰ পালেই হেনো ধৰ্ম্ম, সাহিত্য, সঙ্গীত চৰ্চা কৰিছিল লগতে চিকিৎসাবিদ্যা আৰু তন্ত্ৰ-মন্ত্ৰৰ জ্ঞান আহৰণ কৰিছিল। প্ৰগাঢ় ৰাজনৈতিক প্ৰজ্ঞাৰে বিজিত ৰাজ্যবোৰৰ জাতি-বৰ্ণ আৰু মতবাদ নিৰ্ব্বিশেষে এক প্ৰেৰণাৰ চালিকা শক্তিৰূপে যি প্ৰতিভাৰ দৃষ্টান্ত দাঙি ধৰিছিল সি ইতিহাসত বিৰল আৰু অতুলনীয়। ১৫৭১ চনৰ ফাকুৱা উৎসৱ ফাগুনী পূৰ্ণিমা তিথিত গৌড় ৰাজ্য বিজয়ৰ উৎসৱ পালনৰ সময়তে গঙ্গাৰ তীৰৰ শিবিৰতে ইহলীলা সম্বৰণ কৰে। অতি কম সময়ৰ জীৱন কালতে তেওঁ অদম্য সাহসৰ প্ৰতীক হিচাপে অমৰ কীৰ্ত্তি ৰাখি গ'ল।

প্ৰণাম বীৰ চিলাৰায়।

*"আহিছোঁ বৰাগী এন্ধাৰ বাটত জীৱনৰ জোঁৰ লৈ,*
*চিৰ-অভেদ্য মহা-ৰহস্য সমুখত আছে ৰৈ"*

- পাৰ্বতি প্ৰসাদ বৰুৱা

# জীৱনৰ সুৰ

**অগস্ত্য বৰুৱা**

নৈৰ পাৰত পানীলৈ চাই বহি থকা নাছিলোঁ
বহা নাছিলোঁ কোনো কেফেটৰিয়াত

দীঘল বাৰাণ্ডাৰ দুখন চকীত বহি আছিলোঁ দুয়ো

তেওঁ কৈছিল বাৰীখনৰ চৌহদৰ পকীবেৰখন দিয়া নহ'ল
মই কলোঁ - এতিয়াতো তাতেই বহি আছোঁ

তেওঁ বেঙ্কৰ লকাৰত থোৱা অলঙ্কাৰখিনিৰ কথা কৈছিল
মই শব্দৰ অলঙ্কাৰৰ কথা কলোঁ

বেঙ্কৰ ফিক্সড ডিপজিট নতুন কৰাৰ কথা কৈছিল
ৰিণিউ কৰিব নোৱৰা জীৱনটোৰ কথা মই কলোঁ

মোলৈ চাই তেওঁ ক'লে - এনেকৈয়ে বছৰৰ পাছত বছৰ পাৰ হৈ গ'ল
হাঁহি মাৰি ক'লোঁ - পাৰ হ'বলৈনো কেইটা বছৰ বাকী!

# বকুল ফুলৰ দৰে

## অমল শইকীয়া

বকুল ফুলৰ দৰে এটা সুগন্ধই হঠাতে
জীৱনটো বেৰি ধৰিলে
ক'ৰবাৰ পৰা এজাক খিলখিলিয়া হাঁহি
উৰি আহি আঁজুৰি নিলে জীৱনৰ সমগ্ৰ উদাসীনতা
ঊষা লগ্ন সময়বোৰে সাঙ্গীতিক ধ্বনিত
মিচিকিয়াই হাঁহিলে
উজ্জীৱিত হ'ল কামিনী প্ৰহৰ

আকাশৰ বকুলী চাৱনিত আবেলিবোৰ
ভৰ দুপৰীয়া হ'ল

কিয় জানো মই নজনাকৈয়ে
আবতৰীয়া বসন্তই লাজুক চুমুক দিলে
প্ৰকৃতিৰ গালত
গোলাপৰ পাহিবোৰ উজলি উঠিল স্বৰূপ
গুণেৰে

প্ৰকৃতি ৰঙে ৰূপে উজলি উঠিল
তাই আকউ এবাৰ গাভৰু হ'ল
ন নদীত মাছ বঢ়াৰ দৰে
বাঢ়িল শৰীৰ

বকুল ফুলৰ দৰে গোন্ধোৱা মোৰ জীৱনটোত
এতিয়া কেৱল পোহৰেই পোহৰ
সেই পোহৰৰ তলত শব্দৰ মেলা
যেন কবিতাৰ এবুকু আকাশত অনুভৱৰ
দৰদী খেলা।

# বিজয়ী মই

## বিৰাজ জ্যোতি গোস্বামী

মনে বিচাৰিলেও চোন
উভতিব নোৱাৰি শৈশৱলৈ
মোৰ শৈশৱ
মৰমৰ উমনিত...
মোৰ যৌৱন
হেঁপাহৰ দলিচাত ...
জীৱনৰ বিয়লি বেলাত
ভেঙুচালি কৰিব খোজে
হেজাৰ চাবুকৰ কোবত
পিঠি বেঁকা পৰিলেও
ভাঙিব দিয়া নাই ৰাজহাড়
জীৱন ছবিখনত ৰং সানি
ৰাঙলী কৰিব খুজিও
এছোৱা যেন উকা হৈ ৰ'ল
আজিও যেন আছে বহু
আধৰুৱা হৈ
বিফল হৈও বাৰে বাৰে
ভাগৰি পৰিও
ভাগৰি নপৰা সৈনিক মই
মোৰ জীৱন চকৰিত
শত-সহস্ৰ বাধা বিঘিনি অতিক্ৰম কৰি
উচ্চতম শিখৰত
বিজয়ৰ ধ্বজা উৰুৱাই
সগৌৰৱেৰে কব খোজোঁ
বিজয়ী মই।।

# সংজ্ঞা

**মদন চন্দ্ৰ ডেকা**

মৰণ বিজয়ী সাধনা
ইয়েই কি জীৱনৰ সংজ্ঞা!

আলোকৰ অগণিত পথ নেওচি
ভৰি থওঁ আন্ধাৰৰ একেটি গলিত
হাজাৰ প্ৰলোভন
আন্ধাৰৰ একেটি মাত্ৰ গলিত

আসমুদ্ৰ হিমালয়
হিৰন্ময় ঊষাৰ জ্যোতি
পোহৰ নপৰে পিছে
নিৰন্ধ্ৰ সুৰঙ্গত
য'ত বাস কৰে নৰকৰ কীট
মাথোঁ নৰকৰ কীট

জীৱন অসুন্দৰ হয়

মৃত্যু শিল্প নহয়

মৃত্যু শিল্প
জীৱনমুখী মৰণ সুন্দৰৰ অন্য নাম

মৰণ অকলে নাহে
মৰণে মাতি আনে সহমৰণ
আওমৰণ
তেন্তে জীৱন ক'ত?
আৰু জীৱনৰ সংজ্ঞা??

ক'ৰবাত হ'ব নেকি
এক প্ৰাচীন মহীৰূহৰ জন্ম
বোধিসত্ত্বই কৰিব য'ত
জীৱনৰ সংজ্ঞা নিৰূপণ!

আহাঁ আমি তাৰেই প্ৰতীক্ষা কৰোঁ।

# জীৱন

**তপোধন দাস**

ভুল কৰোঁ আবেলি অৱসাদগ্ৰস্ত বুলি
সন্ধ্যা এন্ধাৰেদি অশেষ যাত্ৰা বুলি
আলস্যক এৰি দিওঁ সময়
যেন পোহৰ যিমান সিমানেই জীৱন
সিমানেই হাঁহি সিমানেই ক্ৰন্দন
নিশাও সময় জোনাক এন্ধাৰৰ
জোনাক জোনাকী নিশাৰ জ্যোতি
সজায় সন্ধ্যা সজায় নিশা
একেই পল্লৱ একেই মূৰ্চ্ছনা
নিজস্ব মাধুৰ্য্যত সংপৃক্ত সময়
জীৱনে কি জানে কি আবেলি কি সন্ধ্যা
কি অৱসাদ অথবা নিশাৰ তন্দ্ৰা
জীৱন মানে আৱৰ্ত্তন শ্বাস আৰু প্ৰশ্বাসৰ
বিৱৰ্ত্তন পোহৰ আৰু আন্ধাৰৰ
তৃপ্তি আৰু অতৃপ্তিৰ
প্ৰাপ্তি অপ্ৰাপ্তিৰ।

# মৃত্যুৰ বিষয়ে

**পঙ্কজ কুমাৰ বৰুৱা**

কোনোবাই কয় মৃত্যু এটা শিল্প
কোনোবাই কয় মৃত্যু এক কলা
যিয়েই যি বুলি নকওক
মৃত্যু এক সত্য,
কোনোবাই বেয়া পালেও
মৃত্যু অনিবাৰ্য্য
আওকাণ কৰিব পাৰি
কিন্তু উলাই কৰিব নোৱাৰি
মৃত্যুত বিজ্ঞান আছে।
প্ৰকৃতিৰ নিয়ম সবাতো উত্তম
সেয়েহে মৃত্যুৰ প্ৰয়োজনো আছে।
ই ভাৰসাম্য ৰক্ষা কৰে।
কবিৰ কল্পনাৰ পৰিধি নাই
মৃত্যুলৈ ভয় কৰি লাভ নাই
কল্পনাত সকলো সম্ভৱ।
কোনোবাই মাদকতা
বিচাৰি পাব পাৰে,
কোনোবাই মৃত্যু ভয়ত
ছটফটাব পাৰে, কিন্তু
মৃত্যুক কোনেও এৰাব নোৱাৰে
কিন্তু পৰিকল্পনাৰে
নিজক প্ৰস্তুত কৰিব পাৰে।।
সিদ্ধাৰ্থই ৰোগ বাৰ্দ্ধক্য আৰু
মৃত্যু দেখি ৰাজপাট ত্যজিলে
সিদ্ধাৰ্থ বুদ্ধ হ'ল
আমাৰো চিন্তিবৰ হ'ল।।

"মৰণ-সিও যে মোৰ পুৰণি চিনাকি
সি যে মোৰ জীৱনৰ শেষ হ'লে
আন্ধাৰত আলোকৰ চাকি..."

-চৈয়দ আব্দুল মালিক

# মৃত্যুৰ বিষয়ে

**কঙ্কন শৰ্ম্মা**

মৃত্যু সাৰসুৰ
নোহোৱাকৈ আহে।
জীৱনৰ এটি অতিবাস্তৱ
কীৰ্ত্তি হৈ আহে।
মৃত্যু উশাহৰ সিটো পাৰে
থাকে সংগোপনে।
লাগে লাগে আৰু লাগেবোৰ
মুহূৰ্ত্ততে শূন্য কৰে।
মৃত্যু কাষত বুলি জানিও
মানুহে আকাংক্ষা কৰে।
মৃত্যুই কটাক্ষ কৰি
এটি ধৰিব নোৱৰা
শক্তি হৈ বিচৰণ কৰে।
কোনো শক্তিধৰৰ
শক্তি নাই
তাক ৰুধিবলৈ।
মৃত্যু এক পৰম সত্য
সেই কথা জানিও মানুহে
মৃত্যুৰ কথা নাভাবে।।

# চিকিৎসকৰ ডায়েৰী

**ডাঃ অগস্ত্য বৰুৱা**

## (১)

বহুবছৰৰ আগৰ কথা, তেতিয়া মেডিকেল কলেজৰ পৰা ওলাই প্ৰেকটিচ আৰম্ভ কৰিছিলোঁহে। এজন মানুহৰ জ্বৰ হৈ কেইবাদিনো বিছনাত পৰি আছিল, চিনাকি মানুহ, ঘৰতে চাই দিব লাগে বোলে। গ'লোঁ। বিহুৰ সময়। মানুহজন কেইবাদিনো বিছনাত পৰি আছে। ৰোগী চাই ঔষধ লিখি আহিবলৈ ওলালোঁ। চাহ খাই যাব লাগে বোলে, বিহুৰ সময়। বহিলোঁ।

তেওঁলোকৰ একমাত্ৰ কণমাণি জীয়ৰীয়ে চাহ আৰু পিঠা-পনা আনি দিলেহি। ঘৰত তিনিজনেই মানুহ। পিঠা, লাৰু আৰু চাহ খাই আহিবলৈ ওলালোঁ।

মানুহগৰাকী ওলাই আহি বঁটা এটাত মাননি দি ক'লে 'মোৰো বেমাৰ এটা দেখুৱাবলগীয়া আছিল, বেয়া পাব নেকি?' নাপাওঁ বুলি কোৱাত, সোঁহাতৰ বুঢ়া আঙুলিটো দেখুৱালে, নখৰ চুকটো পকিছে, পুঁজ ওলাই আছে। ঔষধ লিখি বিদায় ল'লোঁ। আহোঁতে মনলৈ আহিল, মানুহজন কেইবাদিনো বিছনাত, ছোৱালীজনী সৰু, পিঠা-পনা সেইটো আঙুলিৰেই...

আৰু ভাবিব নোৱাৰিলোঁ, পেটটোৱে দেখোন কিবাখন কৰিবলৈ ধৰিলে।

## (২)

ৰোগী চোৱা কাম শেষ কৰোঁতে সেইদিনা পলম হ'ল, প্ৰায় চাৰে আঠ বাজিল। ভাবিলোঁ মিঠাই কেইটামানকে লৈ যাওঁ।

বাটৰ কাষতে থকা চাহ-মিঠাইৰ দোকানখনত সোমালোঁ। গ্ৰাহক নাই, মজিয়াত পানী মাৰি পৰিষ্কাৰ কৰি আছে, এটা টেঙা-মিঠা গোন্ধে গোটেইখন আমোলমোলাই আছে। কাউণ্টাৰত বহি থকাজন সোঁহাতৰ তৰ্জ্জনী আঙুলিৰে নাক পৰিষ্কাৰ কৰাত ব্যস্ত। মোক দেখি প্ৰশ্নবোধক চাৱনি এটা দি যেন সুধিলে 'কি লাগিব?'

মই অনিচ্ছাস্বত্বেও ক'লোঁ 'মিঠাই'।

তেখেতে চিঞৰিলে ৰামুক। ৰামু তেতিয়া চুকৰ চকী এখনত বহি কৰঙনৰ চুকৰ খৰ খজুওৱাত ব্যস্ত। মালিকৰ মাতত খপজপকৈ উঠি হাত নোধোৱাকৈয়ে মিঠাই দিবলৈ আহিল।

হিন্দী চিনেমাত ভগৱান ওলাই আশীৰ্ব্বাদ দি নাইকিয়া হোৱাৰ দৰে ময়ো অদৃশ্য হৈ গ'লোঁ।

## (৩)

ৰাতিপুৱা বাছত যাবলগীয়া আছিল, সোনকালে ওলালোঁ। কিছুদূৰ খোজকাঢ়ি গ'লোঁ। পথটোৰ দুয়ো কাষে বিভিন্ন দোকান, হোটেল আদি, কিন্তু দোকানবোৰ খোলা নাই। টিউবৱেল এটাৰ কাষত দুজন মানুহে বোধহয় গা ধুই আছে। ওচৰ পাওঁ মানে মানুহ এজনে লুচী ভজা জেজেৰা (নামটো শুদ্ধ হৈছেনে) খনেৰে পানী যোৱা নলাটোত জমা হৈ থকা জাৰৰবোৰ আঁতৰাই দিছে আৰু আনজনে প্ৰকাণ্ড বটুৱা এটাত জিন্চ পেণ্ট আৰু লুঙি আওদালি আছে। মই ক'লত উত্তৰ দিলে, এইবোৰ ব্যৱহাৰ কৰা নহয়। দুয়োজন হোটেলৰ কৰ্ম্মচাৰী। লাগি থাকিলে বাছ হেৰুৱাম, গুচি গ'লো আৰু দিনটো কল খায়েই পাৰ কৰিলোঁ।

●●●

# প্ৰথম সুৰাপান

**বিপুল কুমাৰ খাটনিয়াৰ**

১৯৮৩ ৰ কথা। মই এটা বেঙ্কত প্ৰবেচনাৰী। পোষ্টিং বিহাৰৰ মুজফ্‌ৰপুৰত। মেনেজাৰ আছিল ৰাঁচীৰ বেচ ৰঙীন মেজাজৰ।

এদিন শনিবাৰে মোক ক'লে- আজি তোমাৰ ঘৰত খানা খাম। মাংস বনাই থ'বা। গধূলি ডাঙৰ হুইস্কীৰ বটল এটা লৈ ওলালহি। মনে মনে ভয় খালোঁ দেই। কাৰণ তেতিয়ালৈকে সেইবিধ মুখত দি পোৱা নাই যদিও বিয়েৰ খোৱাৰ অভ্যাস আছিল। মাংসৰ প্লেট লৈ তেখেত বহিল আৰু বটলটো খুলি মোকো খাবলৈ ক'লে। মই কলোঁ - ছাৰ, মই নাখাওঁ নেকি ! একেবাৰে অভ্যাস নাই। তেখেত নাচোৰবান্দা। ক'লে খাবই লাগিব। নহলে তেওঁ গুচি যাব। ৰুটিও নাখায়।

উপায় নাপাই লগত বহিলোঁ। পাতলকৈ লৈ। পিছে মাজে মাজে মই উঠি যাওঁতে তেওঁ ৰং চাবলৈ বুলিয়ে নেকি আৰু ঢালি থাকিল। নতুন নিচাত গম নাপাই ময়ো খাই থাকিলোঁ। ইতিমধ্যে দেৰিও হৈ যোৱাত সুৰা চলি থাকোঁতেই আমি খোৱাও আৰম্ভ কৰি দিলোঁ। অলপ সময় ঠিকেই চলি আছিল। হঠাতে মোৰ কি হ'ল জানো ওৱাক ! ওৱাক !! ওৱাক !!! দেখিলোঁ খোৱা বস্তু আৰু গিলাচতো বাদেই তেখেতৰ শ্বাৰ্ট, পেণ্ট সকলো হালধীয়া। দুৰ্গন্ধতো বেলেগেই। বেচেৰাৰ ঘৰো মোৰ ঘৰৰ পৰা দুই কিলোমিটাৰমান নিলগত। বহুত ভাবি-চিন্তি শেষত মোৰ নাইট চুট এযোৰকে (মোৰ পেণ্ট শ্বাৰ্ট তেওঁৰ বাবে সৰু) পিন্ধি গ'লগৈ। এই কথা অৱশ্যে তেওঁ কেতিয়াও আনৰ আগত নুলিয়ালে।

*"আমাৰ কাৰণে যদি শান্তি আছে*
*আশা আছে –*
*চিৰশিশু মানুহৰ মহা মূঢ়তাত;*
*তামোলৰ পিক সনা আইতাৰ জধলা চুমাত।"*

- নৱকান্ত বৰুৱা

# মনে মোৰ বিচাৰে

**পঙ্কজ কুমাৰ নেওগ**

সৰুতে কাঠ পেঞ্চিল ঘূৰাই ঘূৰাই
ভূগোলৰ মানচিত্ৰত আঁকিছিলোঁ
কজলা পাহাৰবোৰ,
হিমালয়, কাৰাকোৰম, বিন্ধ্য আৰু কত যে পাহাৰ
বৰ ভাল লাগিছিল তেতিয়া!
এতিয়া কজলা, লঠঙা পাহাৰৰ মাজত নিমজ্জিত মই,
কেৱল হামৰাও কাঢ়োঁ শ্যামলী ৰঙৰ
হে ঈশ্বৰ, মোৰ মানচিত্ৰখনৰ পাহাৰবোৰ
এতিয়া মাত্ৰ বুৰুজ মাৰি সেউজী কৰি তোলা!!

# মনে মোৰ বিচাৰে

**পঙ্কজ কুমাৰ বৰুৱা**

তুমি লৈ গ'লা, প্ৰাথমিক বিদ্যালয়ৰ সেই দিনবোৰলৈ। ভূগোলৰ বিষয়টোলৈ। ভূ মানে পৃথিৱী, গোল মানে ঘূৰণীয়া। পেঞ্চিল পকাই পকাই মানচিত্ৰত পাহাৰ/পৰ্বত বহোৱা তাহানিৰ শৈলীটোও কিন্তু আছিল একক। পিছে প্ৰাথমিক বিদ্যালয়ৰ সেই অসমৰ মানচিত্ৰখন যে আৰু একে হৈ নৰ'ল। বহু বদলি হৈ গ'ল। হয়তো আৰু হ'ব। পাঁচখন পাহাৰীয়া জিলা আৰু সাতখন ভৈয়ামৰ জিলাৰে গঠিত হৈছিল তাহানিৰ সোণৰ অসম। এতিয়া থান-বান হ'ল। মনত আছেনে,

লক্ষীমপুৰ
শিৱসাগৰ
দৰং
নগাঁও
কামৰূপ
গোৱালপাৰা
কাছাৰ
সংযুক্ত উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰ
গাৰো পাহাৰ
সংযুক্ত খাচিয়া আৰু জয়ন্তীয়া পাহাৰ
লুচাই পাহাৰ আৰু
নগা পাহাৰ জিলা।
এতিয়া?
আমাৰ মাজত কাজিয়া
সীমা বিবাদ...
উত্তৰ-পূৱ সীমান্ত ভূভাগো আমাৰেই ভনী আছিল।
এতিয়া সেইবোৰ অতীত হ'ল।
আমাৰ ভাই-ভনীবোৰ
আমাৰ পৰা আঁতৰি গ'ল।

# কফি হাউচের সেই আড্ডাটা আজ আর নেই

(মান্না দেৰ প্ৰতি ঋণ স্বীকাৰ কৰি)

**মদন চন্দ্ৰ ডেকা**

ক'ত হেৰাল সেই সোণোৱালী সময়
যৌৱনৰ তেজীঘোঁৰাৰ কদম
আত্মাৰ খোৰাক আড্ডা
ধূমায়িত চাহৰ পিয়লা
ধূম্ৰদণ্ডত তৃপ্তিৰ এহোঁপা

জীৱনৰ কষতিশালত অথবা
কেঁকোৰাচেপাত
আড্ডাবাজ কুৰিৰ বসন্ত
অজানিতে লীণ জনতাৰ মিছিলত
হয়তো কেতিয়াবা ভীৰৰ মাজত
'ভালে আছানে, কি কৰি আছা'
ইমানেই যোগাযোগ।

কিন্তু নাই, আড্ডা শেষ হোৱা নাই
'প্ৰাক্তন শিক্ষাৰ্থী ভৱন'ত 'হোটেল লিলি'ত
কাৰোবাৰ পিতৃৰ বিয়োগ বা
কন্যাৰ বিবাহত
বিনামূলীয়া চিকিৎসা শিবিৰত
আৰু থলুৱা গীত-মাতৰ অনুষ্ঠানত
এই যে লগ হোৱা লগ পোৱা
আকৌ ঘন হৈ উঠিছে আড্ডা
আড্ডা
চিৰন্তন আড্ডা।

# হৃদয় মোৰ চিৰযৌৱনা

**জোনা মহন্ত**

সৌ সিদিনাৰ কথা যেন লাগে
লাহী কঁকালেৰে দুফালে দুডাল
বেণীৰে ভয়ে ভয়ে
কলেজলৈ যোৱা প্ৰথম দিনটোৰ কথা
সময়বোৰ ইমান সোনকালে পাৰ হৈ গ'ল
কলেজৰ শেষত বিশ্ববিদ্যালয়ৰ দেওনা
আজিও মনৰ মাজত সজীৱ সেই দিনবোৰ
সময় যে নাই ৰবলৈ, ঘৰত থাকিলে
ক'ব ছোৱালী হ'ল বুঢ়ী ঘৰতেই
ওলাই আহিলোঁ নিজৰ ঘৰৰ পৰা
সকলোৰে মৰম নেওচি
আন এখন ঘৰ শুৱনি কৰিবলৈ
বহু আশা আকাংক্ষা লৈ
সময়বোৰ পাৰ হৈ গ'ল বৰ বেগেৰে
কেতিয়ানো আহি অৱসৰী জীৱনৰ
দুৱাৰ দলিত থিয় দিলোঁ গমেই নাপালোঁ
পোৱা নোপোৱাৰ হিচাপৰ বাবেও নহ'ল আহৰি
আয়নাই নকয় মিছা কথা
চুলিও বৰণ সলাই ললে ৰূপালী বৰণ
চকুৰ তলতো বয়সৰ চাপ দৃশ্যমান
কঁকালো নহয় খামুচিয়া
কিন্তু হৃদয় চিৰযৌৱনা
সময়বোৰ বৰ সোনকালে পাৰ হৈ গ'ল
ৰৈ গ'ল মাথোঁ বহু স্মৃতি
তিনিকুৰি বসন্তৰ বাটত
লগ পোৱা সকলোলৈকে
মোৰ হিয়া ভৰা মৰম।

# পিতাইৰ বৌটি

**ৰঞ্জনা দত্ত**

উজ্জ্বল বৰণ আৰু
তিলফুলিয়া নাক
কেচঁ বছা ৰিহা মেখেলাৰে
দেউতাৰ আপোন বৌটি
সেয়া আমাৰ আইতা।

কুমলীয়া তামোল পাণ
চূণ আৰু ধপাত
খুন্দনাত খুন্দি খুন্দি
কৈ যায় তাহানিৰ কথা।

বাপুজীৰ আহ্বান,
ৰেচম পাটৰ চোলা আৰু
সকলো বিলাতী বস্ত্ৰ
অগ্নিত আহুতি
কাণৰ থুৰিয়া আৰু
জোনবিৰি মণিধাৰ
জননীৰ দানপাত্ৰত।

লগুৱাই যতনাই দিয়া
নাৰিকলৰ কোৰোকাৰ হোকা
পকা অঙঠা, ধপাতৰে সৈতে
কোৰোক্ কোৰোক্ শব্দ তুলি
কৈ যায়, স্বাধীনতা বলিয়া
লৰাহঁতৰ কথা।

এজন গান্ধীবাদী যদি
আনজনে ৰেলআলি
কিম্বা দলং উৰুৱায়।
আহৰি নোপোৱা আখল
দেশ বলিয়াহঁত আহে আৰু যায়।
কোনে খায় হিচাপেই নাই।

লেমৰ ক্ষীণ পোহৰত
দেউতাৰ বৌটিয়ে কৈ যায়...

বাৰীৰ পিছফালে থকা
ৰজাৰ মৈদামটোৰ ভিতৰত
সোমাই থকা ৰাজকুমাৰীৰ সমগ্ৰ ঐশ্বৰ্য্য সম্ভাৰ
আৰু বাছকবনীয়া লিগিৰীৰ দল।
মৈদামটোৰ চাৰিওফালৰ পিতনিত ধনগুলৈবোৰ
ঘূৰি ফুৰে গুপ্তধনৰ প্ৰহৰী হৈ।

মই পেঁপুৱা লাগি থাকোঁ

আইতাৰ শুকান হাতৰ পৰশ
আলফুলে মোৰ গায়ে মূৰে
টোপনিয়ে মোক হেঁচা মাৰি ধৰে।

# জোনবিল মেলা

**কস্তুৰী নিভা গগৈ**

অতীজৰ সেই বস্তু সাল-সলনি কৰা
নীতি নিয়ম আৰু পৰিক্ৰমা
আজিও জিলিকি আছে জোনবিল মেলাত
পাহাৰৰ পৰা নামি আহে মামা-মামী
পিঠিত হোৰা লৈ জোনবিল মেলালৈ
ভৈয়ামত জোনবিলৰ পাৰ ৰমকে জমকে
কতযে বস্তু-বাহানি
মানুহৰো পাৰ ভঙা উছাহ,
তিৱা ৰজা গোভা ৰজাৰ ৰাজদৰবাৰ
দেওশালত সেৱা জনাই
জোনবিল মেলালৈ আগবাঢ়ি যায়,
পাহাৰ ভৈয়াম নানাজাতি উপজাতিৰ
মহামিলনৰ ভূমি
জোনবিল মেলাখনি,
সমূহীয়া মাছমৰাৰ কিয়ে উৎসাহ আনন্দ
কণ কণহঁতৰো মহানন্দ
জাকৰুৱা গাভৰু বাখৰুৱা মন
দলে দলে ডেকা তেজ
সদলবলে পৰিয়াল পৰিজন
সকলোৰে জোনবিল মেলালৈ বুলি
মেলাত যে পাৰ ভঙা উছাহেৰে উদুলি মুদুলি
ৰাজদৰবাৰ গীত মাত লোকসংস্কৃতিৰ
পবিত্ৰ বান্ধোনেৰে সদায়ে থাকিব উজ্জ্বলি
মহামিলনৰ পুন্যতীৰ্থ
হেঁপাহৰ জোনবিল মেলাখনি।

●●●

# বিব্ৰত ফাগুন

**শৰৎ বৰকাকতি**

"ভোক লাগিছে, চাহৰ লগত খাবলৈ ব্ৰেড জাতীয় কিবা আনি থোৱা আছেনে তোমালোকৰ পাকঘৰত" - বন্ধু ভৰেশে সেই মুহূৰ্ত্তত মোৰ সন্মুখৰ হাৰমনিয়ামখনৰ সিপাৰে বিছনাখনত বহি থকা ছোৱালীজনীক সুধিলে। তাই লাজ লাজকৈ নাই বুলি কোৱাত ভৰেশ ঘপহকৈ চকীখনৰ পৰা উঠিল আৰু 'মই এতিয়াই দোকানৰ পৰা লৈ আহিছোঁ' বুলি কৈ মোৰ উত্তৰলৈ বাট নেচাই ওলাই গ'ল।

ছোৱালীজনী ভৰেশৰ দূৰ সম্পৰ্কীয় পেহীয়েকৰ একমাত্ৰ জীয়েক। মই আগতে পেহীয়েকৰ কথা শুনাই নাছিলোঁ ভৰেশৰ মুখত। আচলতে সেইদিনা আমি অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ কিবা কাৰ্য্যসূচীত যোগ দিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়লৈ গৈছিলোঁ। তেতিয়া আমাৰ যোৰহাট ইঞ্জিনিয়াৰিং কলেজ প্ৰায় এবছৰ কাল বন্ধ বাবে মই গুৱাহাটীতে আছিলোঁ আৰু ভৰেশ আহি গুৱাহাটী ওলোৱাত দুয়ো গৈ কাৰ্য্যসূচীত ভাগ ল'লোঁ। ফাগুন মাহ, অলপ অলপ গৰম পৰিছে, বিশ্ববিদ্যালয়ৰ পৰা অহা বাছখন মাছখোৱাতে

বেয়া হ'ল। মাছখোৰাৰ পৰা খোজকাঢ়ি আহি মালিগাওঁ পোৱালৈ ভোক পিয়াহত আমাৰ অণ্ঠ-কণ্ঠ ফাগুনৰ সৰাপাত হৈছেগৈ। ভৰেশৰ হঠাৎ মনত পৰিল মালিগাৱঁত থকা সেই পেহীয়েকজনীৰ কথা... প্ৰস্তাৱ দিওঁতে মই হেহোনেহো কৰাত সি লগে লগে আন এটা আকৰ্ষণো সংযোগ কৰিলে... পেহীৰ ছোৱালীজনীয়ে হেনো ভাটখাণ্ডেত শাস্ত্ৰীয় সঙ্গীতো শিকি আছে, গান গায়। মোৰ মুখৰ ভাবান্তৰ সাৱধানে নিৰ্লিপ্তিৰ আৱেশেৰে ঢাকি সন্মতি দিলোঁ।

মালিগাঁৱৰ ৰেলৱে কোৱাৰ্টাৰৰ কলিং বেল বজাওঁতে পেহীয়েকৰ ছোৱালীজনীয়েই দুৱাৰ খুলি দিলে। ভৰেশক দেখি আমাক মাতি ড্ৰয়িং ৰুমত বহিবলৈ দিলে। আমি দুয়ো দুগিলাচ পানী খোৱাৰ পিছতেই ভৰেশে পেহী-পেহাকৰ খবৰ ল'লে। পেহীয়েক হেনো দুদিনৰ বাবে মাকৰ ঘৰলৈ গৈছে আৰু পেহাক মালিগাঁৱৰ কাৰোবাৰ ঘৰলৈ ওলাই গৈছে বাবে তাই অকলে আলোচনী এখন পঢ়ি আছে। ভৰেশে বুজিলে যে লুচি তৰকাৰিৰ আশা মিছা হ'ল, গতিকে মোক ভাল গায়ক বুলি চিনাকি দি হাৰমনিয়ামখন উলিয়াবলৈ ক'লে। মই হাৰমনিয়াম বজাই এটা গান গাই শেষ কৰিছোঁহে ভৰেশৰ ভোকটোৱে উক দিলে চাগে', সেয়ে খোৱা বস্তু আনিবলৈ ওলাই গ'ল।

এতিয়া ছোৱালীজনী আৰু মই কোঠাটোত অকলে। 'ববী' চিনেমাৰ গানটো মনত পৰিল... হাৰমনিয়ামত 'হম তুম এক কমড়ে মে বন্ধ হো...' সুৰটো বজোৱাৰ ইচ্ছাটো জোৰকৈ দমন কৰিলোঁ। তাইক এটা গান গাই শুনাবলৈ অনুৰোধ কৰিলোঁ। তাই হেনো বেলেগ গান নেগায়... শাস্ত্ৰীয় সঙ্গীতৰ খেয়াল এটা আৰম্ভ কৰিলে। ড্ৰয়িং ৰুমৰ খিড়িকীৰ ফাঁকেৰে দেখা শিমলুজোপাৰ ফুলবোৰে মোলৈ চাই ফিচিঙা-ফিচিঙি কৰা যেন লাগিল। ফাগুনৰ সেই দুপৰীয়া ভৈৰৱ ৰাগ বাৰু শুনিব পাৰিনে তাকো অপৈণত বেসুৰা সুৰত!

দুৱাৰৰ ফালে শব্দ শুনি মোৰ সকাহ পোৱা যেন লাগিল, ফাগুনৰ জুই গাত নেলাগিলেও অন্ততঃ পেটৰ জুই নিৰাময়ৰ বাবে ভৰেশ সোনকালে উভতি আহিল। পৰম আগ্ৰহেৰে চালোঁ, দুৱাৰখন খুলি ভিতৰ সোমাই এজন আদহীয়া মানুহে বিস্ফাৰিত চকুৰে মোলৈ চাই আছে। হাৰমনিয়ামত মোৰ বুলনি ৰৈ গ'ল, ভৈৰৱৰ খেয়াল স্তব্ধ হ'ল। লগে লগে বুজিলোঁ সেয়া ভৰেশৰ পেহাক আৰু অচিনাকি ডেকা এজনে ঘৰত সোমাই একমাত্ৰ গাভৰু জীয়েকৰ সৈতে গানৰ আচৰ পাতিছে - সেই কেইটামান মুহূৰ্তত তেওঁৰ চকুত ক্ৰমে তীব্ৰতৰ হৈ অহা সন্দেহ, আক্ৰোশ আৰু ঘৃণাৰ চাৱনিয়ে মোক বুজাই দিলে যে 'মই সিন্ধি খানি ভিতৰ সোমাওঁতে ধৰা পৰা এটা জঘন্য চোৰ।' বিছনাৰ পৰা নামি কোনোমতে সেপ ঢুকি মই ভৰেশৰ ইঞ্জিনিয়াৰিং কলেজৰ বন্ধু বুলি পৰিচয় প্ৰদান কৰিলোঁ, সামান্য সৌজন্যতাকণো নেদেখুৱাই তেওঁ জীয়েকৰ ফালে চাই 'ভৰেশ ক'ত' বুলি প্ৰশ্ন কৰিলে। 'হে ঈশ্বৰ, এই মুহূৰ্ত্তে ভৰেশ কিয় নাহে'- মই মৌনভাৱে প্ৰাৰ্থনা জনালোঁ।

ভৰেশ আহিল দহ মিনিটমান পিছত খোৱাবস্তুৰ টোপোলা এটা লৈ। কিন্তু সেই দহ মিনিট মোৰ বাবে আছিল অপমানৰ বিৰুদ্ধে এক তুমুল ৰণ। পেহাক মই বহা চকীৰ সন্মুখৰ চকীত বহি চকুৰ চাৰ্চ লাইট

মাৰি মাৰি মোৰ বিষয়ে দুই এটা প্ৰশ্ন সুধিছিল আৰু মই কাঠগড়াৰ পৰা যেন উত্তৰ দি গৈছিলোঁ। মোৰ মনটোৱে ভিতৰি ভিতৰি গুজৰি উঠিছিল- 'তোমাৰ মুখত মই পঞ্চাশটা বন্ধু আৰু গাৱঁৰ মানুহৰ পৰা কেৰেক্টাৰ চাৰ্টিফিকেট আনি দলিয়াই দিব পাৰোঁ।'

ভৱেশৰ লগত পেহাকে কথা পাতি থাকোঁতে ভাগ্যে মই সন্মুখতে পোৱা আলোচনীখনৰ পাত লুটিয়াই থাকিলোঁ। ভৱেশে হয়তো কিবা বুজিছিল... মোৰ প্ৰশংসাত পঞ্চমুখ হৈ পেহাকক কিবা-কিবি কৈছিল। মই কোনো ভাবান্তৰ নেদেখুৱাই আলোচনীৰ পাতত চকু নিবদ্ধ কৰি ৰাখিলোঁ। খোৱাবস্তু আহিল, মই নোখোৱা দেখি পেহাকে আদৰেৰে খাবলৈ ক'লে... মই দ্বিতীয়বাৰ সুধিবলৈ সাহস নকৰে যাতে, সেই দৃঢ়তাৰে ক'লোঁ... 'মই ভজা বস্তু নেখাওঁ।' ভৱেশেও সাহস নকৰিলে। সেই সময়ত মোৰ সন্মুখত অপমানৰ জুইকুৰা প্ৰশমিত কৰাৰ সেয়াই একমাত্ৰ উপায় আছিল।

●●●

# প্ৰতিবেদন-২

## সংস্কৃতি আৰু সাহিত্য ঃ

আমাৰ গোটৰ প্ৰথম সাংস্কৃতিক অনুষ্ঠানটো আছিল জুলাই (২০১৯) মাহৰ ৭ তাৰিখে আগৰ মাহত প্ৰয়াত হোৱা আমাৰ সুহৃদ অৰূপ দাস আৰু বলীন ডেকাৰ সোঁৱৰণীত প্ৰাক্তন কটনিয়ানৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এখন স্মৃতিচাৰণ সভাৰে। বিৰাজ জ্যোতি গোস্বামীৰ কণ্ঠত এটি মঙ্গলাচৰণম্ আৰু শৰৎ বৰকাকতিৰ দ্বাৰা ৰচিত আৰু সুৰাৰোপিত এটি সমবেত সঙ্গীতেৰে আৰম্ভ হোৱা এই সন্ধিয়াটো তিনিটা ভাগত পৰিচালনা হৈছিল। প্ৰথম সঙ্গীতৰ ভাগটোত আমাৰ সদস্যসকলৰ বছা বছা কেইটামান গীত-মাতৰ পাছতেই অনুষ্ঠিত হয় অৰূপ আৰু বলীনৰ পৰিয়ালৰ সদস্যসকলৰ উপস্থিতিত এক গাম্ভীৰ্য্যপূৰ্ণ স্মৃতিচাৰণ অনুষ্ঠান। অৰূপক সুঁৱৰি শৰতে ৰচা এটি গীত, বলীনৰ সোঁৱৰণত তেওঁৰ পত্নীয়ে এটি স্বৰচিত কবিতা পাঠ আৰু বিভিন্ন সদস্যৰ স্মৃতিৰ সঁফুৰাই অনুষ্ঠানটিৰ সৌষ্ঠৱ বঢ়াই স্মৰণীয় কৰি তুলিলে। জলযোগৰ পাছত আৰম্ভ হয় তৃতীয় ভাগটো য'ত সাংগঠনিক প্ৰক্ৰিয়া আৰু পৰিকল্পনাৰ কেইবাটাও উল্লেখনীয় সিদ্ধান্ত লোৱা হয়।

এই মধু সন্ধিয়াৰ দ্বিতীয় ভাগত উন্মোচিত হয় মদন চন্দ্ৰ ডেকা আৰু তেওঁৰ সহধৰ্মিণী ড° আল্পনাৰ স্বকীয় উদ্যোগত প্ৰকাশ পোৱা আমাৰ সদস্যসমূহৰ হোৱাটচএপত বিনিময় হোৱা কবিতাৰ এটি সঙ্কলন 'কাব্য ভাবনা'। মদন-আল্পনাৰ দ্বাৰা সম্পাদিত এই সঙ্কলনে আমাক সাময়িক মনোৰঞ্জনৰ ঊৰ্দ্ধত ভাষাৰ পূজাত ব্ৰতী হোৱাৰ বাবে উদ্বুদ্ধ কৰি তুলিলে। একে সন্ধিয়াতে পুনৰ উন্মোচিত হ'ল আমাৰ সদস্যসকলৰ

বয়সে মোলান পেলাব নোৱৰা এক সাংস্কৃতিক আৰু সৃজনী প্ৰতিভা আৰু সেয়ে এক মাহেকীয়া বা দুমহীয়া জলসা বা সাংস্কৃতিক সন্ধিয়াৰ সিদ্ধান্ত লোৱা হয়। উদ্দেশ্য আছিল সাংস্কৃতিক অনুষ্ঠানৰ পাছতেই এই চালুকীয়া চালিকাগোটৰ কাৰ্য্যৰ পৰ্য্যালোচনা আৰু আঁচনি। সাংস্কৃতিক আৰু সৃজনীশীল লিখনিৰ দায়িত্ব দিয়া হয় বিৰাজ প্ৰমুখ্যে দুটা উপসমিতিক।

এই সিদ্ধান্তমৰ্ম্মে ১০ আগষ্টত একে প্ৰেক্ষাগৃহতে আয়োজিত হয় Flavours of Assam শীৰ্ষক অসমৰ থলুৱা গীত-মাতৰ এক অতি আকৰ্ষণীয় সন্ধিয়াৰ। বৰগীত আৰু কীৰ্ত্তনৰ ঘোষাৰে আৰম্ভ হৈ সদস্যসমূহৰ দ্বাৰা পৰিৱেশিত জিকিৰ, জাৰি, কামৰূপীয়া-গোৱালপৰীয়া লোকগীত, বনগীত, আইনাম, বিয়ানামেৰে এক যেন মায়াজাল গুঁঠি গ'ল সূত্ৰধাৰদ্বয় আৰতি দাস আৰু বিৰাজ জ্যোতি গোস্বামীয়ে কৰ্ম্মশালাৰ আৰ্হিত এখন আলেখ্যৰ মাজেৰে। আমাৰ পৰম শ্ৰদ্ধাৰ শিক্ষক ড° সত্যেন চৌধুৰী ছাৰৰ উপস্থিতি আৰু তেখেতৰ সমালোচনা তথা বেহেলাত লোকগীতৰ সুৰে অনুষ্ঠানটিৰ সৌষ্ঠৱ বঢ়াই তুলিলে। মধুৰেণ সমাপয়েৎ এই সন্ধ্যাৰ সমাপ্তি হয় বিহুগীত আৰু বিহু নাচেৰে। তাৰ পাছত সাংগঠনিক দিশৰ পৰ্য্যালোচনা চলিল এঘণ্টাৰ বাবে আৰু ৰঙিয়াৰ বিছেন্নালা গাৱঁৰ প্ৰতিনিধিৰ সন্মুখত তেওঁলোকৰ সমস্যাৰ অৱলোকন কৰি এই গাওঁখনৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে আমাৰ গোটৰ সৰ্ব্বাত্মক সাহায্যৰ প্ৰতিশ্ৰুতি দিয়া হয়। এই Flavors of Assam ৰ বিশেষ আকৰ্ষণ আছিল অনুষ্ঠানৰ লগত সঙ্গতি ৰাখি আয়োজন কৰা পাঁচবিধ পিঠা, দুবিধ লাৰু আৰু দৈ-কোমল চাউল-ক্ৰীম-চুড়াগুৰৰ জলপান।

ইয়াৰ পাছৰ মাহৰ দ্বিতীয় শনিবাৰে আয়োজিত হয় আমাৰ তৃতীয়খন সাংস্কৃতিক সন্ধিয়া শাম-এ-মেহফিলৰ। বিষয়বস্তুৰ লগত সঙ্গতি ৰাখি এই গজলৰ সন্ধিয়া পতা হ'ল চিগনেট ৰিপ'জ হোটেলত। এক স্নিগ্ধভাৱে আলোকিত ৰোমাণ্টিক পৰিৱেশত দুজন অতিথিশিল্পীৰ সহযোগত গজল, চুফী, নগমাৰ এখন মায়ালোক যেন গঢ় লৈ উঠিল হোটেল চিগনেটৰ সেই সৰু হলটোত। একোখন সুখভৰা অন্তৰেৰে বিদায় লোৱাৰ সময়ত ঠিক কৰা হ'ল যে পৰৱৰ্ত্তী অনুষ্ঠান হ'ব ডিচেম্বৰৰ ২য় শনিবাৰে। পৰিতাপৰ বিষয় যে সেই ডিচেম্বৰৰ পৰা আজিকোপতি বিভিন্ন সামাজিক বাধাৰ বাবে সেই অনুষ্ঠান হৈ উঠাগৈ নাই।

**সাহিত্য শিতান ঃ**

৭ জুলাইত "কাব্য ভাবনা"ই যি অঙ্কুৰ সিঁচিলে তাৰ কঠীয়া পৰা হ'ল জুলাইৰ ১০ তাৰিখে এক অভিনৱ প্ৰক্ৰিয়াৰে। ইমান দিনে সংৰক্ষিত নোহোৱা আমাৰ গোটৰ সদস্যসকলৰ সকলোবোৰ সৃজনশীল কৰ্ম্মৰাজিক এক প্ৰণালীবদ্ধ সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ল প্ৰথমতে হোৱাটচএপত আৰু তাৰ পাছত কম্পিউটাৰত। ইয়াৰ বাবে সপ্তাহৰ প্ৰতিদিনৰ বাবে এজন বা ততোধিক সদস্যক দায়িত্ব দিয়া হ'ল। তেওঁলোক হ'ল শৰৎ বৰকাকতি, তপোধন দাস, ফাইজুৰ ৰহমান, কস্তুৰীনিভা গগৈ, জোনা মহন্ত, মদন চন্দ্ৰ ডেকা আৰু পঙ্কজ নেওগ। আজিকোপতি প্ৰত্যেকজন archiver এ ইমান নিয়াৰিকৈ এই সংৰক্ষণৰ দায়িত্ব পালন কৰি আছে যে নেদেখিলে অনুমান কৰা কঠিন।

এই সংৰক্ষিত সৃষ্টিৰ পৰা বাছনি কৰাটো অতি দুৰূহ কাম, কিন্তু পংকজ নেওগ, জোনা মহন্ত আৰু তপোধন দাসৰ দ্বাৰা এই কাম সম্ভৱ হৈ উঠিছে। এই কামখিনিৰ বাবে সংযোগৰক্ষীৰূপে দায়িত্ব দিয়া শৰতৰ ভূমিকাও প্ৰশংসাৰ যোগ্য। চূড়ান্ত বাছনি আৰু সম্পাদনাৰ দায়িত্ব মদনৰ ওপৰত দি সিদ্ধান্ত লোৱা হৈছে যে ঋতুৰাজ আৰু ঋতুৰাণীৰ নামত বাৎসৰিক দুটা সঙ্কলন আলোচনীৰূপে প্ৰকাশ কৰা হ'ব। তদুপৰি বছা বছা কবিতাৰ একোটাকৈ সঙ্কলন 'কাব্য ভাবনা' ৰূপে বছৰি প্ৰকাশ কৰা হ'ব।

কটনিয়ান ৭৫-৭৭ ৰ সাংস্কৃতিক আৰু সাহিত্য প্ৰয়াস

**বিৰাজ জ্যোতি গোস্বামী**

সাংস্কৃতিক আৰু সাহিত্য সম্পাদক

●●●

# দেশৰ এজন দায়িত্বশীল নাগৰিক হিচাপে মই বৰ চিন্তিত

**ডাঃ অমল শইকীয়া**

আজি মোৰ চিকিৎসালয়লৈ ওচৰৰে কেইখনমান চাহবাগিচাৰ কেইগৰাকীমান গৰ্ভৱতী মহিলা আহিছিল আল্‌ট্ৰাচাউণ্ড কৰিবৰ কাৰণে। কথাৰ মাজতে এগৰাকীক সুধিলোঁ -

-'তহঁতৰ বাগানে ডাইনী আছে নেকি?

-'আছেতো।' তপৰাই তাই উত্তৰটো দিলে।

-'কেইজনী আছে?'

-'আমাদেৰ বাগানে তিনিটা ডাইন আছে।'

-'কি কৰে সিহঁতে? পূজা পাতল কৰে নেকি? নে বেমাৰৰ ঔষধ দিয়ে?'

-'কাহা দাৰাই দিব। ফুৰসত পালে মানুষকে মৰাই দিয়ে?'

কথাটো শুনাৰ লগে লগে মোৰ গাৰ নোম শিয়ৰি উঠিল। কাৰণ কিছুদিন আগতে এইখন বাগিচাতে এজন কৰ্ম্মচাৰীক নৃশংসভাৱে চাহবাগিচাৰ বনুৱাই হত্যা কৰিছিল।

এতিয়া এজন মানৱদৰদী অৱসৰপ্ৰাপ্ত চিকিৎসকে সেইখন বাগিচাতে চিকিৎসা সেৱা আগবঢ়াই আছে। কিন্তু ডাইনী বিশ্বাস কৰা মানসিকতাৰ মানুহখিনিৰ ওচৰত সেইজন চিকিৎসক কিমান নিৰাপদ?

অন্য এগৰাকীক ডাইনীৰ কথা সোধোঁতে তেৰোঁ একেই প্ৰত্যুত্তৰ দিলে। সিহঁতৰ বাগিচাতো হেনো ডাইন আছে। এইখন বাগিচাতেই কেইবছৰমান আগতে ঘটি যোৱা ডাইনী কাণ্ডই বাতৰিৰ শিৰোনাম দখল কৰি ৰাইজক সঙ্কিত কৰি তুলিছিল। এইয়া বিশ্বনাথ চাৰিআলিৰ আশে পাশে থকা শিক্ষা-দীক্ষা, সভ্যতাৰ কিছু আভাৰে আলোকিত হোৱা দুখনমান চাহবাগিচাৰ প্ৰতিচ্ছবিহে মাত্ৰ। কিন্তু অসমৰ চুকে-কোণে, ভিতৰ অঞ্চলত থকা সভ্যতাৰ পোহৰে ঢুকি নোপোৱা চাহবাগিচাসমূহৰ ছবিখন অঙ্কন কৰিব খুজিলে, সেই বাগিচাসমূহত কৰ্ম্মৰত প্ৰত্যেকজন কৰ্ম্মচাৰীৰ নিৰাপত্তাৰ কথা ভাবিলে বুকুখন দুৰু দুৰুকৈ কঁপি উঠে।

বিশ্বায়নৰ কোবাল সোঁতত গতি কৰি মানুহ জাতিটোৰ এচাম যিমানেই উন্নতিৰ দিশে ধাৱিত হৈছে আন এচাম বক্ৰ দিশত গতি কৰি আদিম পথৰ পথিক হৈ পৰিছে।

আজি যি ঘটি আছে সেইয়া ইয়াতকৈয়ো ভয়ানক ঘটনা সংঘটিত হোৱাৰ আগজাননী বুলিব লাগিব। গতিকে এনে ঘটনাৰ সমাপ্তি কৰাৰ আশু সময় আহি পৰিছে ।

বাগিচাৰ বনুৱাসকলৰ মানসিকতাৰ পৰিৱৰ্ত্তন আনিবলৈ চৰকাৰে নতুন আঁচনি প্ৰস্তুত কৰাৰ চিন্তা কৰিব লাগিব। তাৰ বাবে স্বেচ্ছাসেৱী সংগঠনসমূহ আগবাঢ়ি আহিব লাগিব। টেলিভিছনৰ আলোচনা চক্ৰত ভাগ লোৱা সন্মানীয় ব্যক্তিসকলে অকল কথাতে সমস্যা সমাধান কৰিবলৈ চেষ্টা নকৰি হাতে কামে কৰি দেখুৱাব লাগিব।

এই ক্ষেত্ৰত চাহ জনজাতিৰ বিভিন্ন সংগঠনসমূহে, নেতাসমূহে, কবি-সাহিত্যিকসকলে নিৰৱে নাথাকি মুখ্য ভূমিকা ল'ব লাগিব। কাৰণ চাহবাগিচাৰ বনুৱাসকলৰ মাজত তেওঁলোক সোমাই যাবলৈ অতি সহজ হ'ব। ইয়াৰ বাবে তেওঁলোকে সুপৰিকল্পিত আঁচনি প্ৰস্তুত কৰি ল'ব লাগিব। ডেকা বা বয়োজ্যেষ্ঠসকলৰ মানসিকতা সলনি কৰা ইমান উজু কাম নহ'ব যদিও চেষ্টা অব্যাহত ৰাখিব লাগিব। কিন্তু নৱ প্ৰজন্মক উদ্দেশ্যি আঁচনি প্ৰস্তুত কৰি অঙ্কুৰৰ পৰা মানসিকতাক সাঁচ দিব পাৰিলে এই আঁচনি ফলপ্ৰসূ হ'ব যেন মনে ধৰে। অৱশ্যে ইয়াৰ বাবে ত্যাগ, নিষ্ঠা, নিস্বাৰ্থতা আৰু দীঘলীয়া সময়ৰ প্ৰয়োজন হ'ব। স্মৰ্ত্তব্য যে ভয় ভীতিৰে বা কঠোৰ আইন প্ৰণয়ন কৰি এইচাম মানুহৰ মানসিকতা সলনি কৰিব নোৱাৰি। সেই কাৰণেই হয়তো আইন যিমানেই কঠোৰ হৈছে এনেধৰণৰ অমানৱীয় ঘটনাবোৰৰ পুনৰাবৃত্তি ঘটিয়েই আছে।

-'হে চাহ জনজাতিক প্ৰতিনিধিত্ব কৰা সন্মানীয় ব্যক্তিসকল, আপোনালোক নিঃপালি নিদিব। আপোনালোক জাগক। কাৰণ আপোনালোকৰ গুৰুভাৰ সমাগত। অন্ধকাৰত আৱদ্ধ হৈ থকা চাহবাগিচাৰ আমাৰ ককা, আইতা, বাই-ভনী, ভাইহঁতক পোহৰৰ আভাৰে আলোকিত কৰি সচেতনতা অনাত মুখ্য ভূমিকা লওক। এইয়া মোৰ আপোনাসকলৰ ওচৰত কাতৰ অনুৰোধ।'

# Christian Medical College **ত মোৰ প্ৰথম** ২৪ **ঘণ্টাৰ অভিজ্ঞতা**

**বিৰাজ জ্যোতি গোস্বামী**

প্ৰথম দৃষ্টিত চিকিৎসালয়খন একেবাৰে আপচু লাগিল। পৰহি যেতিয়া মই শ্ৰীমতীক হোটেলত থৈ সকলো যোগাৰ দি ইয়ালৈ আহোঁ, তেতিয়া সন্ধিয়া ৭১/২ বাজি গ'ল। প্ৰায় দুহেজাৰমান ৰোগী তেতিয়াও বিভিন্ন বিভাগত বহি বা লাইন ধৰি আছে, কিন্তু এপইণ্টমেণ্টৰ খিড়িকী বন্ধ। মোৰ মনটো কোঁচ খাই গ'ল দুটা কাৰণত। প্ৰথমটো হ'ল তুলিকাৰ online apptt 14 Feb 2020 তহে আছে। নিৰ্দ্দিষ্ট কোনো চিকিৎসকৰ লগত বিচাৰিলে তিনিমাহ পৰ্য্যন্ত লাগে আৰু মই বাছনি কৰাজন এজন সৰ্ব্বাধিক ৰোগীৰ পছন্দৰ চিকিৎসক। কিন্তু মই আওপকীয়া বাটেৰে তাক ৩ ডিচেম্বৰৰ কৰি লৈছোঁ। কথা হ'ল যে এপইণ্টমেণ্টৰ কাগজখন নহ'লে মই সোমাবই নোৱাৰোঁ আৰু সেই খিড়িকী খুলিব পুৱা ৮ বজাত, গতিকে অনিশ্চয়তাত ৰাতিটো কটাব লাগিব।

২য় কাৰণ মোৰ পাঁচতাৰকা মানসিকতা। এতিয়ালৈকে মই তিনিখন এপ'ল', মেডাণ্টা (২বাৰ) বা লীলাৱতী আদি পাঁচ বা সাত তাৰকাৰ চিকিৎসালয়ত অভিজ্ঞ। কিন্তু এইখন দেখোন একেবাৰেই বেলেগ। কোনো নান্দনিক অলঙ্কাৰ নাই, অসংখ্য সাধাৰণ জনতাৰ পুৰণা আৰ্হিত বনোৱা ঘৰবোৰেৰে এখন মেডিকেল কলেজৰ চিকিৎসালয়, য'ত বেৰবোৰৰো ঠায়ে ঠায়ে ওপৰৰ প্লাষ্টাৰ খহি গৈছে বা মানুহৰ হাতৰ বা মূৰৰ চাপপুষ্ট হৈ কলপতীয়া হৈছে। গুচিয়েই যাওঁ নেকি কাইলৈকে... মনে মনে ভাবিছোঁ।

ৰাতিৰ অনিশ্চয়তা গুচাবলৈ কিন্তু বৰ বেছি অপেক্ষা কৰিব লগা নহ'ল। পুৱা ৭ বজাতেই লাইন ধৰি ৮ বজাৰ পাছতে ৩ ডিচেম্বৰৰ কাগজ পাই গ'লোঁ। চিকিৎসকক লগ পোৱা সময় ১১.৩০। তেতিয়াই লক্ষ্য কৰিলোঁ যে পুৱা ৭ বজাতেই প্ৰায় ৫০০০মানুহৰ সমাগম। মানে অতি কমেও ১৫০০বেমাৰী। যি নহওক, হোটেললৈ আহি শ্ৰীমতীক উলিয়াই পুৱাৰ জলপান কৰি ১০ বজাতেই আকৌ CMC পালোঁহি। আৰম্ভ হ'ল এলানি বিয়াগোম শাৰীত থিয় হোৱা। তেওঁক বহাই থৈ মই এটাৰ পাছত এটাকৈ তিনিটা তেনে শাৰী অতিক্ৰম কৰিলোঁ। এইখিনিতে মন কৰিলোঁ যে দেখি ভয় লগা একোটা শাৰীত ১২০-১৫০ মানুহৰ পিছত থাকিও মোক পাৰ হ'বলৈ মাত্ৰ ১০-১৪ মিনিট মানহে লাগিছিল। একমাত্ৰ কাৰণ অধিক কৰ্ম্মচাৰীৰ মকৰল আৰু শৃংখলাবদ্ধতা। প্ৰতিটো সৰু কামৰ বাবে দুজন-তিনিজন নিৰ্দ্দিষ্ট প্ৰশিক্ষণৰ সহায়ক। এটা ঘড়ীৰ কাঁটাৰ দৰে সকলো ঘূৰি থাকে। উদাহৰণস্বৰূপে যিজনে ওজন আৰু উচ্চতা জোখে তেওঁ ৰক্তচাপ চাব নেজানে। খুউব ভাল কৰিলোঁ যে এলাহ নকৰি ১০ বজাতে আহিলোঁ কাৰণ সেই

শাৰীবোৰ পাৰ হৈ আমাৰ চিকিৎসকৰ কোঠাৰ সন্মুখ পাওঁতে ১১-২৭ বাজিছে, মানে কাণে কাণ মাৰি সময়ত উপস্থিতি দিব পাৰিলোঁ। আগতেই উনুকিয়াই অহাৰ দৰে ডাঃ আনন্দ জাছাৰিয়াৰ চাহিদা অধিক, গতিকে গিজগিজিয়া।

কোনোমতে এওঁক বহুৱাই ভিতৰত জনালোঁ আৰু আধাঘণ্টামান পাছত আমাক মাতিলে। আমাক আচৰিত কৰি ডাº আনন্দ নিজে উঠি আহি কৰমৰ্দ্দন কৰি ক'লে যে মোৰ সম্পৰ্কে তেওঁ অবিদিত নহয় আৰু আমাক লগ পাই বৰ সুখী। তাৰ পাছত ৩৭ মিনিট সময় আমাৰ সমস্যা বিশদভাৱে জানি, পুংখানুপুংখভাৱে পৰীক্ষা কৰি আৰু নিজেই যোগাযোগ কৰি তুলিকাক ভৰ্ত্তি কৰোৱাৰ পাছত যেতিয়া তেওঁ আমাক বিদায় দিলে, আমি মুগ্ধ হৈ গ'লোঁ আৰু প্ৰথমবাৰৰ বাবে গম পালোঁ ইমান পাঁচতাৰকাৰ প্ৰতিযোগিতাত কিয় আজিও এখন সাধাৰণ অনালংকৃত চিকিৎসালয় সকলো ৰোগীৰ তীৰ্থস্থান সদৃশ হৈ আছে।

●●●

# শিক্ষকতাৰ অনিৰ্ব্বচনীয় আনন্দ

**পঙ্কজ কুমাৰ বৰুৱা**

এইখন মই পঙ্কাৰ ৰাইজৰ লগ হৈ জন্ম দিয়া পঙ্কা গাৰ্লচ হাইস্কুল, ২০০৫ চনত। স্কুলখনৰ মই সভাপতি আছিলোঁ ২০০৫ ৰ পৰা ২০১৮ লৈ।

শিক্ষকতাও কৰিলোঁ তাত অহাৰ আগলৈ। প্ৰতি বছৰে, তাত পতা শিক্ষক দিৱসত আৰু সৰস্বতী পূজাত ভাগ লৈছিলোঁ। এই শিক্ষয়িত্ৰীসকলক, সাক্ষাৎকাৰ লৈ, নিযুক্তিও ময়ে দিছিলোঁ। কেইবছৰ মানলৈ অতি সামান্য হ'লেও, মাননি ময়ে দিছিলোঁ, পিছলৈ, এন আৰ এল অফিচাৰ ক্লাবৰ Secretary ক মই স্কুলখন adopt কৰি ল'বলৈ অনুৰোধ জনাই পত্ৰ দিছিলোঁ। Secretary জন মোৰ বিভাগৰে আছিল বাবে সুবিধা হ'ল। Adopt কৰাৰ পিছত প্ৰথমে মাহিলি ৫০০০ টকাৰ পৰা আৰম্ভ কৰি যোৱা বছৰ ১৮০০০ হাজাৰ হ'ল। এতিয়া হয়তো আৰু বাঢ়িছে। অন্ততঃ কিবা এটা পায়, ভেঞ্চাৰ স্কুল হ'লেও। স্কুলঘৰ, প্ৰস্ৰাৱঘৰ, পাইখানা, খোৱাপানী, বিদ্যুৎ সংযোজক আৰু বাউণ্ডেৰী, গেট আদি ভালকৈ সাজি দিয়া হ'ল শোধনাগাৰৰ সাহায্য লৈ। ব্যক্তিগতভাৱে ১ বিঘা ১ কঠা ম্যাদি মাটি কিনি, স্কুলৰ নামত দি দিলোঁ। সময়ে সময়ে কিতাপ-পত্ৰ দিওঁ। ডেস্ক-বেঞ্চ-টেবুল, আলমাৰী বুকচেল্‌ফ আদিও দিয়া হ'ল।

এইবাৰ সৰস্বতী পূজা আৰু শিক্ষক দিৱস দুয়োটা হেৰুৱাইছোঁ।

ইমান বছৰ পঢ়ুৱাই অনুভৱ কৰিছোঁ শিক্ষকতা এক অনুপম আৰু মাদকতাপূৰ্ণ জীৱিকা। শিক্ষাদান কৰাত এক অনন্য শিহৰণ আছে। It is a challenging profession.

*"বৰ্ষা ঋতু ভাল পাওঁ মই*
*প্ৰতিশ্ৰুতি আছে তাতে..."*

# অতীতৰ স্মৃতি

## ৰত্ন কান্ত শৰ্ম্মা

চকা মকা মনত পৰে
নদীখনে পলকতে
খহাই নিছিল গাওঁখনি
চকুৰ নিমিষতে
গৈছিল ঘৰ বাৰী উটি
ৰাতিয়েই লৈ আহিছিল
পিতাই গৰু গাড়ীত তুলি
মানুহবোৰ যেনি তেনি গ'ল
বৈ গ'ল পাৰে পাৰে
কৰুণ ক্ৰন্দন
ছিগি গ'ল নৈৰ স'তে প্ৰেমৰ বন্ধন
বিশেষ একো বুজা নাছিলোঁ
মা পেহীয়ে আইতাৰ স'তে
বৰকৈ কান্দিছিল
আহিছিলোঁ এখন নতুন ঘৰলৈ
ঘৰ মানে কি
উলুৱনীৰ মাজত
এখনি খেৰৰ চালি
বহু বছৰ পাৰ হ'ল
পিতা ঢুকোৱাৰ
আমিও বুঢ়াই হ'লোঁ
মনত পৰি পুৰণি স্মৃতি
নদীখন চাবলৈ গ'লোঁ
এইবেলি নদীয়ে ঘূৰাই দিছে
কাঢ়ি লোৱা গাওঁখনি
ৰূপালী বালিৰে সাজি
কঁহুৱা আৰু ঝাওবনত
নতুন নতুন ঘৰ কপৌ শৰালিৰ
আকৌ দেখোন
ডঁৰিয়লিৰ অৰিয়লি চৰাইলৈ
বৈ আছে সখী বালিমাহী
এদিন হয়তো ইয়াত
পৰিব মানুহৰ পদচিহ্ন
গঢ়ি উঠিব গাওঁ
গঢ়ি উঠিব বিশাল চহৰ
সৰু বৰ জাহাজে
পেলাব লঙ্গৰ
পৰিব্ৰাজকক কৈ যাব নৈয়ে
দূৰ অতীতৰ
ভগ্ন হৃদয়ৰ
প্ৰতিটো পৃষ্ঠা নদী আৰু মানুহৰ।

# বানপানী

## কস্তুৰী নিভা গগৈ

চৌদিশে কেৱল পানীয়েই পানী
ঘৰবাৰী খেতিপথাৰ
সকলো উছন হ'ল
চৌপাশে পানী কেৱল পানী
খাবলৈও একো নাই
পিন্ধিবলৈ একো নাই
খোৱাপানীটুপিৰো নাটনি,
মানুহ দুনুহ জীৱ জন্তু
সকলোবোৰ প্ৰাণৰ মায়াত
পৰিত্ৰাণ পাবলৈ
ওখ ঠাই বিচাৰি খাইছে হাবাথুৰি
ভয়ঙ্কৰ বানপানী
পোহনীয়া জীৱ জন্তু
উটি ভাহি গ'ল যেনিতেনি,
সকলোৰে চকুত কেৱল
আতঙ্ক আৰু দুৰ্য্যোগৰ চকুপানী
ভুক্তভোগীৰ দুৰ্দ্দশা দেখি শুনি
নীৰৱে মাথো টুকিছে চকুপানী,
এতিয়া একাকাৰ হ'ল বানপানী আৰু চকুপানী
কোনে আনিব কেতিয়া পৰিত্ৰাণৰ উপায়
স্থায়ী সমাধানৰ
আশাৰ বাণী?

# শাওণৰ পথাৰত

## ৰুমিমা দাস

শাওণৰ পথাৰত
ময়ো সিঁচিছিলোঁ
হেঁপাহৰ কঠীয়াডৰা
অপৰিপক্ক শস্যডৰা
নিষ্ঠুৰ বিধাতাই
বুৰাই পেলালে
আজিও মোৰ মনত আছে
শাওণৰ পথাৰত বৰষুণত তিতি
প্ৰথমবাৰ কঠীয়া ৰোৱা
লহপহকৈ বাঢ়ি অহা খেতিডৰা চাই
আপোন বিভোৰ হোৱা
তোমাৰ মুখৰ হাঁহিটো
হেঁপাহৰ চকুযুৰি
পাহৰিব খুজিও পাহৰিব পৰা নাই
শাওণ ...
এটি মাথোঁ হুমুনিয়াহ
জুইৰ লেলিহান শিখাত
নিঃশেষ হৈ যোৱা তোমাৰ অৱয়ব।

# আকাশৰ নীলা

**ৰঞ্জনা দত্ত**

মা চোৱাচোন চোৱা
নীলা আকাশখন আজি
ধুনীয়াকৈ ওলাইছে সাজি কাচি
ওলাই আহিছে আজি বহুদিনৰ মূৰত
গুৰু পূৰ্ণিমাৰ শুৱনি জোনবাইজনী
পানীত মেলি দিয়া তাইৰ প্ৰতিচ্ছবি চাই
মঠাউৰিত বহি থকা তোমালোকে কৈছিলা
ৰ'দ ওলাব হেনো অহাকালি
বহুদিন চালোঁ মা
কলীয়া আৰু শুকুলা ডাৱৰৰ খেলা
কলীয়া ডাৱৰেহে দিয়ে মুষলধাৰ বৰষুণ
চৌদিশে আনি দিয়ে বানৰ প্লাৱন
শুকুলা ডাৱৰেই ভাল তাতোতকৈ
আকাশত উৰি ফুৰে কমোৱা তুলা হৈ
হেঁপাহত ল'ম যেন বুকুত সাবটি

এতিয়া বহুত পানী আকাশৰ তলত
ভয় লাগে দেখিলে
লোৱাচোন মা মোক বোকোচাত অলপ
আছেনে বাৰু গোহালিতে মাকৰ গাখীৰ খাই
কণমানি সেই পখিলীজনী
সিহঁতৰ বান্ধ খুলি দিবলে'

দেউতা চোন নায়েই যোৱা তিনি দিন ঘৰত
উভতি নাহিল আহিম বুলি কৈয়ো
যোৱাৰ পৰত
মোৰ কিতাপবোৰ আছেনে বাৰু ভালদৰে মা
গৰম-বন্ধৰ পিছতেইতো পৰীক্ষা
বাইদেৱে কৈছিল প্ৰথম হ'বলে' ভালকৈ পঢ়িবা
কোৱাচোন মা আৰু নাহিবা বুলি
কলীয়া ডাৱৰক
ঘূৰাই দিবলে' কোৱা আকাশৰ নীলা
পানী শুকাবলে'
আমি উভতি যাবলে' ঘৰলে'
ঘৰত কিমান যে পৰি আছে আমাৰ কাম
ৰৈ আছে আশা
দেউতাও চাগে' উভতিব ঘৰলৈকে
আমি হাঁহিম আকৌ একেলগে।

# ব্ৰহ্মপুত্ৰ ও বান ব্যৱস্থাপনা

মৰমৰ শৰৎ,

ব্ৰহ্মপুত্ৰৰ বানপানীৰ সৈতে সহবাসৰ অৱতাৰণা কেইবছৰমান আগতে IIT-Ghy ৰ কৰ্মশালা এখনত উঠোঁতে প্ৰশ্নোত্তৰ আহ্বান কৰা হৈছিল যে, প্ৰতি ছেকেণ্ডত মাজুলীৰ কাষেদি সৰ্ব্বোচ্চ ৫৫ হাজাৰ আৰু পাণ্ডুত ৬২ হাজাৰ ঘনমিটাৰ বান পৰিবহণ কৰিব লগা হয় বুলি তথ্য সম্বলিত নদ ব্ৰহ্মপুত্ৰৰ বানপানীৰ লগত মানুহ, জীৱকুলে সহবাস কৰে কেনেকৈ? তদুপৰি 'এই বিশাল জলৰাশি নদীখনে পৰিবহণ কৰিব পৰা ক্ষমতা বছৰি হ্ৰাস হৈ অদূৰ ভৱিষ্যতে সম্পূৰ্ণ অপৰিবাহী হৈ পৰাৰ সম্ভাৱনা প্ৰকট হৈ আহিছে', মথাউৰিবোৰ বানৰ বৰ্দ্ধিত হেঁচাত সঘনে ভাগিছে, ক'ৰবাত ওপৰেদি বাগৰি ভাগিছে, ক'ৰবাত খহনীয়াই ছিঙি নিছে আৰু এনেকৈয়ে জনবসতিক বানে বিধ্বস্ত কৰিছে। বছৰি গড়ে প্ৰায় ৬০০০ কোটি টকা এই নদীৰ বানত ক্ষয়ক্ষতি হয়, যোৱা বানত ৩৮ লাখ জনবসতি বিধ্বস্ত হৈছে, খুব সম্ভৱ কেইবছৰমান আগতে চৰকাৰী এক ভাষণৰ উদ্ধৃতিৰে সেই বছৰ উন্নয়নত ১২ হেজাৰ কোটি টকা খৰচৰ বিপৰীতে ১০ হেজাৰ কোটি টকা বানত ক্ষয়ক্ষতি হোৱাৰ পৰিসংখ্যা লিপিবদ্ধ হৈছে। 'গেদ-নিয়ন্ত্ৰণ অবিহনে বান ব্যৱস্থাপনাৰ যিকোনো প্ৰচলিত (conventional) কাৰ্য্যসূচীৰ স্থায়িত্ব (Sustainabiliy)আছে যদি জনসাধাৰণক পৰিষ্কাৰকৈ বুজাই দিয়াটো প্ৰয়োজন; কিয়নো ব্ৰহ্মপুত্ৰৰ পৰিবহণ ক্ষমতা বছৰি হ্ৰাস হোৱাৰ কাৰণ অতি ভয়ঙ্কৰ' যিটো ডেৰ বছৰমান আগেয়ে বিশ্ববেঙ্কৰ পুঁজিৰে কেন্দ্ৰীয় জলসম্পদৰ তত্বাৱধানত উত্তৰ-পূব জলসম্পদ ব্যৱস্থাপনা ও পৰিকল্পনা অধ্যয়নৰ বাবে গঠিত উচ্চস্তৰীয় বিশেষজ্ঞ সমিতিৰ প্ৰথম প্ৰতিবেদনত সন্নিবিষ্ট হোৱা দেখা গ'ল যে 'উপনদী সমূহে প্ৰতিবছৰে সৰ্বমুঠ ২০১৯০ মিলিয়ন টন গেদ ব্ৰহ্মপুত্ৰত ঢালি দিয়ে, তাৰে মাত্ৰ ৮০৪ মিলিয়ন টনহে সোঁতত বৈ যায়, বাকী সমস্ত গেদ নদীখনৰ বুকুত বছৰি জমা হৈ ৰৈ যায়।' ইফালে গেদ জমা হোৱা প্ৰক্ৰিয়া ১৯৫০ৰ বৰ ভূইকঁপৰ পিছৰ পৰাই চলি আছে বুলি আগতেই ঠাৱৰ হৈছে। তেন্তে নদীখনৰ গতিপথ আৰু কিমান বছৰৰ পিছত গেদে সম্পূৰ্ণ পুতি পেলাব, সেই পৰিস্থিতিত ছেকেণ্ডত ৫৫/৬০ হেজাৰ ঘনমিটাৰ বানপানী আহিলে কেনি বৈ যাব, তেনে সম্ভাৱনাৰ সন্ত্ৰাস বুকুত লৈ জনবসতি/পশুকুলক বানৰ সৈতে সহবাস কৰিবলৈ এৰি দিয়াটোও কিমান ন্যায়সঙ্গত হ'ব তাৰ বিবেচনা। উত্তৰো প্ৰয়োজন আছে।

উচ্চস্তৰীয় সমিতিখনে অৱশ্যে সহবাসৰ প্ৰসঙ্গলৈ নাহি যোৱাবছৰ প্ৰকাশিত দ্বিতীয় প্ৰতিবেদনত দিয়া উপদেশ সমূহৰ এঠাইত উল্লেখ কৰে যে নদীখনৰ বুকুত এই পৰ্য্যন্ত জমা হোৱা 'অতিৰিক্ত গেদ সমস্ত আঁতৰালেহে বান সমস্যা সমাধান হ'ব'। অন্য এঠাইত উল্লেখ কৰে যে 'নদীখনৰ গতিবিধি কি অৱস্থাত স্থিৰতাপ্ৰাপ্ত (stable) হয় তাৰ আৰ্হি অধ্যয়ন (Model Study) কৰিব লাগে।'

প্ৰথম উপদেশক্ৰমে ঃ অতিৰিক্ত গেদৰ অঙ্ক মানে বুজোঁ বৰ-ভূঁইকপৰ পিছত ব্ৰহ্মপুত্ৰৰ গতিশীলতা

অস্থিৰ হোৱাতহে যদি গেদ জমা হোৱা প্ৰক্ৰিয়া সৃষ্টি হ'ল, তেন্তে 'যোৱা ৬৯ বছৰত সম্ভাব্য জমা সৰ্ব্বমুঠ প্ৰায় ৬৯ X (২০১৯০-৮০৪) মিলিয়ন টনেই অতিৰিক্ত গেদ, যিখিনি নদীৰ বুকুৰ পৰা আঁতৰাবলৈ কোৱা মানেই পৰিকল্পিত ভাৱে শদিয়াৰ পৰা বাংলাদেশলৈকে বৃহৎ খনন (Massive dredging) ৰ জৰিয়তে উঠাই আনি' ক'ৰবাত জমা কৰা। ইয়াৰ বিপৰীতে কেইবছৰমান আগতে অসম চৰকাৰে গঠন কৰি দিয়া 'ৰাজ্যিক পৰ্য্যায়ৰ বিশেষজ্ঞ সমিতি এখনে খননৰ বিৰুদ্ধে প্ৰতিবেদন দিয়া আছে' যে খননৰ ফলত পানী ঘোলা হৈ মাছ-কাছ আদি জলচৰ প্ৰাণী সমূহ মৰিব, নদীৰ পানী প্ৰদূষিত হৈ নৈপৰীয়া বসবাসীসকল ক্ষতিগ্ৰস্ত হ'ব। ইত্যাদি; যদিওবা 'এই প্ৰতিবেদনত অধ্যয়ন ভিত্তিক তথ্যৰ উল্লেখ বা সন্নিবিষ্টি নাই'।

প্ৰসঙ্গক্ৰমে ক'ব পাৰি যে 'বিশ্বৰ অন্য দুই বৃহৎ নদী-খননৰ প্ৰতিবেদনত উল্লেখ থকা মতে খননপ্ৰাপ্ত গেদ সমূহ নদীৰ সোঁতত এৰি দিলেহে ঘোলা হোৱা পানীৰ ক্ষতিকাৰিতা খনন-স্থানৰ পৰা নামনিলৈ ২০০ মিটাৰমান পৰ্য্যন্তহে থাকে, ২ কিঃমিঃ মানৰ পিছত পানী ঘোলা হৈ নাথাকে আৰু দুয়োক্ষেত্ৰতে ক্ষতিকাৰিতাৰ পৰিমাণ জলচৰ প্ৰাণী আক্ৰান্ত হ'ব পৰা সম্ভাৱনাৰ পৰা যথেষ্ট তলত থাকে'। অন্যহাতে খনন হ'ব লগা সুদীৰ্ঘ সময় ধৰি ঔদ্যোগিক নিষ্কাশন মিহলি হৈ নাথাকিলে খননত নদীখন প্ৰদূষিত নহয়।

দ্বিতীয় উপদেশক্ৰমে ঃ ব্ৰহ্মপুত্ৰৰ স্থিৰতাপ্ৰাপ্ত গতিপথ অধ্যয়ন (geo fluvial-morphilogic stability study) কৰিব লাগে বুলি উচ্চস্তৰীয় বিশেষজ্ঞ সমিতিয়ে দিয়া উপদেশৰ অতি সম্ভাব্য কাৰণো এটাই হ'ব লাগিব যে গতিপথৰ এটা বিশেষ আয়তনত সীমাবদ্ধ থাকি নদীখনে বান পৰিবহণ কৰিবলৈ বাধ্য হ'লে 'গেদ জমা নোহোৱাকৈ নদীখনৰ গতিশীলতা (river dynamic) স্বয়ংক্ৰিয়ভাৱে নিয়ন্ত্ৰিত হৈ থাকিব'। অৰ্থাৎ সেই অধ্যয়নপ্ৰাপ্ত আকাৰটো নদীখনক স্থায়ীভাৱে কাৰিকৰী প্ৰযুক্তিৰ জৰিয়তে প্ৰদান কৰাটো সম্ভৱ, তেতিয়া বান-খহনীয়াৰ সমস্যাও চিৰদিনলৈ সমাধান হ'ব। যদি সেয়া সম্ভৱ অৰ্থাৎ 'স্থিৰতাপ্ৰাপ্ত নদীখন বৰ্ত্তমানৰ আকাৰতকৈ প্ৰযুক্তিৰ জৰিয়তে যদি সংকুচিত কৰা হয়, তেন্তে যি বৃহৎ পৰিমাণৰ মাটিকালি নদীৰ বুকুতে (reclaim) ৰাহি হ'ব', তাতেই বৃহৎ পৰিমাণৰ খননপ্ৰাপ্ত গেদসমূহ পৰিকল্পিতভাৱে জমা কৰিব পৰা যাব, ৰাহি হোৱা মাটিকালিখিনি বিভিন্ন উদ্দেশ্যে (যেনে উদ্যোগ, বনোন্নয়ন, পৰ্য্যটন, জলোৎসাৰণ, আনকি পৰিকল্পিত নদী বন্দৰ নিৰ্ম্মাণ আদি) ব্যৱহাৰ কৰিব পৰা যাব, দ হৈ পৰিলে নদীখন সাগৰীয় অত্যাধুনিক মাল/যাত্ৰীবাহী জাহাজেও জলপথ হিচাপে ব্যৱহাৰ কৰিব পাৰিব, নতুন দুপাৰেদি দুটা অত্যাধুনিক স্থলপথ (এক্সপ্ৰেছ ৱে) নিৰ্ম্মাণ হোৱাটো সম্ভৱ। আজিৰ অত্যাধুনিক কাৰিকৰী প্ৰযুক্তিৰ বাবে এয়া অসম্ভৱ বুলি কোনোৱে ক'লে গ্ৰহণযোগ্য নিশ্চয় নহয়।

[এনে এক বৃহৎ অভিলাষী প্ৰকল্পৰ কাৰিকৰী ধাৰণা (concept) এটা ২০১৮ ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ এখন ৰাষ্ট্ৰীয় কৰ্ম্মশালাত আগবঢ়াওঁতে উপস্থিত ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ বিশেষজ্ঞ কেইবাজনেও ভূয়সী প্ৰশংসা কৰি প্ৰকল্প-প্ৰস্তুতিৰ বাবে প্ৰয়োজনীয় আৰ্হিসমূহ অধ্যয়ন কৰিব লাগে বুলি মতামত লিপিবদ্ধ কৰি গৈছে।]

আৰ্হি অধ্যয়নৰ বাবে তথ্যৰ অভাৱ বুলি অনেক বিশেষজ্ঞই কৈ থাকিলেও (কিছুদিন আগতে

কলিকতাত থকা NE Centre for Technology Application & Research প্ৰতিষ্ঠানৰ সঞ্চালকে কৈ গৈছে) যি উপগ্ৰহপ্ৰাপ্ত তথ্য (Satellite data) ৰে উত্তৰ-পূবৰ নদী কেইখনমানত নিৰ্ম্মাণৰত জল-শক্তি প্ৰকল্প সমূহৰ আৰ্হি অধ্যয়ন কৰিলে তেনে তথ্যৰেই ব্ৰহ্মপুত্ৰ বান ব্যৱস্থাপনাৰ আৰ্হি অধ্যয়নো হাতত ল'ব পাৰে। Hydro-meteorology সম্পৰ্কীয় Real Time data যিখিনি আছে তাৰ লগত বাকী সমূহ তথ্য যেনে, River basin/ catchment/ flood plains topographic data/information, ইত্যাদি উপগ্ৰহ-প্ৰাপ্ত তথ্যৰ পৰা লৈও আৰ্হি অধ্যয়নৰ কামত আগবাঢ়িব পাৰে। কিন্তু সকলো ধৰণৰ তথ্য মজুত থকাহ'লেও ব্ৰহ্মপুত্ৰৰ গেদ সম্বলিত আৰ্হি অধ্যয়ন কৰিব পৰা উপযুক্ত বিশেষজ্ঞ স্বদেশত অভাৱ বুলিহে বিশ্ব-বেঙ্কৰ জলসম্পদ বিশেষজ্ঞৰ পৰা কেৰেলাত অনুষ্ঠিত এক কাৰিকৰী অনুষ্ঠানত জনা গৈছিল, সেয়ে নেডাৰলেণ্ডৰ পৰা পৰৱৰ্ত্তী সময়ত এজন গেদ-বিশেষজ্ঞ আহি সকলো কথা বুজি আশ্বাস দি গৈছিল যে ব্ৰহ্মপুত্ৰৰ বাবে গেদ সম্বলিত আৰ্হি অধ্যয়ন কৰিব পৰাকৈ তেওঁ সোনকালেই সঠিক sediment modeling software যুগুতাই তুলিব।

আশা কৰোঁ তোমাৰ কৌতুহল কিছু পৰিমাণে হ'লেও নিৰসন কৰিব পাৰিছোঁ। কুশলে থাকিবা বন্ধু। ইতি-

তপোধন দাস

(বানপানীৰ লগত সহবাসৰ প্ৰসঙ্গত শৰৎ বৰকাকতিলৈ ব্ৰহ্মপুত্ৰ বান ব্যৱস্থাপনাৰ বিষয়টিৰ ওপৰত লিখা এটি গুৰুত্বপূৰ্ণ তথ্য ভিত্তিক টোকা)

●●●

# বঙ্গবন্ধু সম্পৰ্কে

মৰমৰ জগদীশ,

কালি যেতিয়া বঙ্গবন্ধুৰ ধানমণ্ডিৰ বাসভৱন ঘূৰি ঘূৰি চালোঁ, অনুভৱ হ'ল ৰাজনৈতিক চক্ৰান্তৰ বলি নোহোৱা হ'লে তেওঁ হয়তো স্বাধীন বাংলাদেশলৈ আৰু অনেক অৱদান দি যাব পাৰিলেহেঁতেন। শিক্ষা, ক্ৰীড়া, অৰ্থনৈতিক উন্নয়ন, বৈদেশিক সম্পৰ্ক ৰক্ষা—সকলো দিশ সমানেই চকু দিছিল। নিজে ভাল খেলুৱৈ আছিল। দেশৰ পৰাধীনতা তথা দুৰ্দ্দশাৰ বাবে ছাত্ৰাৱস্থাতে ৰাজনীতিত নামিছিল, কাৰাবাস খাটিছিল। কিন্তু ভৱিষ্যৎ প্ৰজন্মৰ উন্নত শিক্ষাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল।

মুজিবৰ বাসভৱন বৰ্ত্তমান যাদুঘৰ হিচাপে সংৰক্ষণ কৰা হৈছে। ভিতৰৰ চিৰি বন্ধ কৰি দৰ্শকে চাব পৰাকৈ বাহিৰ ফালেদি চিৰি তৈয়াৰ কৰি দিয়া হৈছে। মোবাইল ফোন নিষিদ্ধ। শ্বেখ হাচিনা, বৰ্ত্তমানৰ প্ৰধানমন্ত্ৰী, সেই সময়ত ঢাকাত নাছিল বাবে ১৯৭৫ চনৰ ১৫ আগষ্টৰ যোৱা শতিকাটোৰ অন্যতম বৃহৎ ৰাজনৈতিক হত্যাকাণ্ডৰ পৰা তেওঁ সাৰি গ'ল। মুজিব আৰু তেওঁৰ সমস্ত পৰিয়াল হত্যা কৰি তেওঁৰ

বাসভৱন হত্যাকাৰীয়ে লণ্ডভণ্ড কৰিছিল, সকলো মূল্যৱান সামগ্ৰী লুটি নিছিল। হত্যাকাৰী ইমানেই নৃশংস আছিল যে বেৰত আঁৰি থোৱা ফটোবোৰতো মুজিবৰ মূৰত গুলিয়াইছিল। গুলিৰ প্ৰতিটো চিহ্ন সংৰক্ষণ কৰা হৈছে যেনেকৈ সংৰক্ষণ কৰা হৈছে মুজিবৰ বুকুৰ তেজ নিগৰি পৰা ঘৰৰ ভিতৰৰ চিৰিটো। গোলাপৰ পাহিৰে নিতৌ মুজিবৰ মৃত্যুস্থলী অৰ্চ্চনা কৰা হয়।

মুজিবৰ হত্যাৰ প্ৰথমখন ফটো তুলিছিল হত্যাকাৰী দলে, তিনিদিনৰ পিছত সেই ফটো ছপা হৈছিল বাতৰি কাকতত।

দেশ-বিদেশৰ অনেক লোক ধানমণ্ডিৰ মুজিবৰ বাসভৱন চাবলৈ আহে। বাংলাদেশৰ বিভিন্ন প্ৰান্তৰ পৰাও আহে। কবিৰ কবিতা আৰু শিল্পীৰ তুলিকাই মুজিবক জীয়াই ৰাখিছে। ধানমণ্ডিৰ যাদুঘৰৰ পৰা অশ্ৰুসিক্ত নয়নেৰে ওলাই যায় দৰ্শনাৰ্থী তেওঁলোকৰ জাতীয় নায়কৰ করুণ আৰু নৃশংস পৰিণতি দেখি।

ভাৰাক্ৰান্ত মন লৈ ওলাই আহিলোঁ ময়ো এইগৰাকী মহান নেতালৈ সশ্ৰদ্ধ প্ৰণিপাত জনাই। ইতি-

মদন চন্দ্ৰ ডেকা
২৩/১২/২০১৯
ঢাকা, বাংলাদেশ

●●●

# A renowned son of Assam

**Utpal Ranjan Das**

06/09/2019 : Today I attended the Aadya Sraddha of a renowned son of Assam, Late Dr. Bhumidhar Chaudhary. Many of the present generations may not know him. He was the Head of the Department of Physics Department of Gauhati University and also Dean, Faculty of Science. I came to his contact through his son, who was my classmate in Cotton Collgiate, Cotton College as well as in Gauhati Medical College. I have some familial connections with this family.

From his past students, I came to know that he was a great teacher, research guide for Ph.D. students and a stalwart of Physics.

My personal experience with him - he was ever inquisitive to know in details of every scientific event in details even after passing ninety! I still remember, he used to ask me some medical development, for which I had to study extra hours to explain him in my subsequent visit. Assam has lost a great son, for me a personal loss. I pray for eternal peace for my very very lovable Bordeuta.

# ৰূপকোঁৱৰলৈ শ্ৰদ্ধাঞ্জলি

**জগদীশ বসুমতাৰী**

'ৰূপকোঁৱৰলৈ শ্ৰদ্ধা জনাবলৈ লিখা এইটো এটা মোৰ পুৰণি লেখা। আজি তেখেতৰ মৃত্যুৰ পুন্য তিথিত শ্ৰদ্ধা জনাবলৈকে গ্ৰুপত এই লেখাটো পঠালোঁ।'

আমি চিকিৎসকসকল আজি কিছুদিনৰ পৰা ক্ষোভিত হৈ আছোঁ। কৰ্ম্মবিৰতিও পালন কৰিছোঁ। কাৰণসমূহ ৰাইজে গম পাইছেই। সংশ্লিষ্ট সকলো পক্ষৰে সদিচ্ছাত এই অচলাৱস্থা অচিৰে দূৰ হওক তাকেই কামনা কৰিছোঁ। কৰ্ম্মবিৰতি অব্যাহত আছে যদিও সঙ্কটজনক অৱস্থাত অহা ৰোগীক তাৎক্ষণিক চিকিৎসা সেৱা প্ৰদান কৰিবলৈ আমি চিকিৎসকৰ দল ভাগে ভাগে প্ৰস্তুত হৈ আছোঁ। কামৰ মাজতে নানা বেবেৰিবাং চিন্তাই মগজু ব্যতিব্যস্ত কৰি তুলিছে। অহেতুক চিন্তাৰ পৰা মুক্তি পাবলৈ মানুহে কেতিয়াবা জোৰজবৰ্দস্তি ভাল কথা যেনে নিজৰ প্ৰিয়জন অথবা নিজে ভালপোৱা বিষয় এটাত মনোসংযোগ কৰিবলৈ প্ৰয়াস কৰে। কেতিয়াবা আকৌ অতীতৰ কিছুমান মধুৰ স্মৃতিয়েও মহৌষধৰ কাম কৰে। মোৰো এই মুহূৰ্ত্তত এনেকুৱা অভিজ্ঞতাই হ'ল।

চেৰেংকৈ মনত পৰি গ'ল—আজি সোতৰ জুন। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ আজি জন্মদিন। এই মহান খনিকৰ শিল্পীগৰাকীৰ প্ৰতিটো সৃষ্টি - সঙ্গীত, কবিতা, নাট, বোলছবি আদিয়ে মোৰ হৃদয় মন এক সৰ্ব্বগ্ৰাসী পৰিতৃপ্তিৰে আজি কেবাদশক ধৰি আচ্ছন্ন কৰি ৰাখিছে। মোক সুন্দৰ আৰু সংস্কৃতি ভাল পোৱা এজন ব্যক্তি হিচাপে গঢ়ি তুলিছে।

ৰূপকোঁৱৰৰ সৃষ্টিৰাজিৰ ভিতৰত মই তেখেতৰ গীত সমূহকেই আটাইতকৈ ভাল পাওঁ। অৰণ্যত পৰুৱাই পোৱা ক্লান্ত আৰু তৃষ্ণাতুৰ পথিক এজনৰ হঠাতে জুৰিৰ পানীৰ কলকলনিৰ শব্দ শুনিলে যেনেকৈ প্ৰাণত আশাৰ সঞ্চাৰ হয় কেতিয়াবা মোৰ চিন্তাক্লিষ্ট মনটোও (পৰিস্থিতি সাপেক্ষে) ঠিক একেদৰে ৰূপকোঁৱৰৰ গীতৰ সুধা পান কৰিয়ে চিন্তা আৰু ক্লান্তিৰ বৈতৰণী পাৰ হ'বলৈ প্ৰয়াস কৰে। আজিও তাৰ ব্যতিক্ৰম নহ'ল। এঘণ্টা অকলশৰীয়াকৈ একপ্ৰকাৰ ধ্যানমগ্ন হৈ জ্যোতিসঙ্গীতৰ ৰসাস্বাদন কৰাৰ পিছতহে মনলৈ এক অনাবিল প্ৰশান্তি ঘূৰাই আনিব পাৰিছোঁ।

কেতিয়াবা অনিবাৰ্য্য হৈ পৰা একাকীত্বৰ দংশনৰ পৰা পৰিত্ৰাণ পাবলৈও আমি বহুতেই সঙ্গীত শুনো। সকলোৰে পছন্দ ভিন্ন হোৱাটো স্বাভাৱিক। নিজৰ ক্ষেত্ৰতো পৰিস্থিতি সাপেক্ষে ই সলনি হ'ব পাৰে। এনে পৰিস্থিতিতো মোৰ অৱচেতন মনে বাকীবিলাকৰ লগতে ৰূপকোঁৱৰকো পাবলৈ বিচাৰে। উদাহৰণ এটা দিবলৈ মন গৈছে।

অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়! নব্বৈৰ দশকৰ মাজভাগৰ কাহিনী। মই তেতিয়া হাউচ

চাৰ্জন। সঘনাই টনচিলাইটিচত ভুগি থাকোঁ। এদিন নবীন দত্ত ছাৰে অপাৰেচন কৰি টনচিল দুয়োটাকে উলিয়াই দিলে। ডিব্ৰুগড়লৈ ইমানদূৰ বাটকুৰি বাই অহাতো আই-পিতাৰ বাবে কষ্টকৰ হ'ব বুলিয়ে ঘৰত খবৰ নিদিলোঁ।

Sick room ত তিনিদিন থাকিবলগীয়া হৈছিল। সহপাঠী সকলেই মোৰ সকলো ধৰণৰ সেৱা-শুশ্ৰূষাৰ দায়িত্ব লৈছিল, মৰমিয়াল নাৰ্চ বাইদেউ সকল আছিলেই। সমস্যা হৈছিল এওঁলোক ডিউটিত থকা সময়খিনিত, মই একেবাৰে অকলশৰীয়া হৈ পৰিছিলোঁ। কিছু দেৰিকৈ হ'লেও মোৰ মূৰত শুভ বুদ্ধি এটা উদয় হৈছিল। মই হোষ্টেলৰ পৰা মোৰ চেপেটা মাৰ্ফিৰ কেছেট প্লেয়াৰটো অনাই ললোঁ, লগৰ এজনে টাউনৰ পৰা মোৰ পছন্দৰ কেছেট দুটামান কিনি আনি দিলে। তাৰে এটা আছিল নিউ আৰ্ট্চ প্লেয়াৰে নতুনকৈ উলিওৱা জ্যোতি সঙ্গীতৰ কেছেটটো। মই যেন মৰুভূমিত মৰূদ্যানহে বিচাৰি পালোঁ। দিন ৰাতি একাকাৰ কৰি ৰূপকোঁৱৰৰ গান শুনিলোঁ, ঘৰৰ পৰা আপোনজনৰ পৰা দূৰত থাকি চিকিৎসাধীন হৈ পৰি থকাৰ যি মনোকষ্ট সেয়া যেন সহিবলৈ অকস্মাৎ মনত বল পালোঁ। কিযে যাদু আছিল এই গীতবোৰত!

আজি এই লেখা লিখি থাকোঁতে যেন মই চাৰিদশক পূৰ্ব্বৰ হৃদয়ৰ সেই অনিৰ্ব্বচনীয় সুখানুভূতিৰ অবিকল শিহৰণ আকৌ এবাৰ অনুভৱ কৰিছোঁ।

ৰূপকোঁৱৰ তুমি মহান, তুমি নমস্য, তোমাক প্ৰণামোঁ...।

●●●

# শ্ৰদ্ধাঞ্জলি

**কৃষ্ণা শৰ্ম্মা**

ভাৰতৰত্ন সুধাকণ্ঠ মোৰ পিতৃতুল্য ড° ভূপেন হাজৰিকাদেৰলৈ তেখেতৰ ৯৩ তম জন্ম দিৱসত শ্ৰদ্ধাঞ্জলি জনালোঁ।

ড° ভূপেন হাজৰিকাদেৰ মোৰ পিতৃদেৰৰ তেজপুৰ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে সহপাঠী আছিল। পিছত কটন কলেজতো সহপাঠী আছিল। তাৰ পিছত এখন ফটো মাথোঁ দেখিছোঁ ভৰলুমুখৰ বিহুতলিত ডিঙিত ধৰাধৰিকৈ উঠা। আগৰ দিনৰ মানুহে নিজৰ কথা খুউব কমকৈ কৈছিলে বাবেই নেকি এইখিনিৰ বাহিৰে আৰু একোকেই নাজানো। তেখেতসকলৰ দুশ্ৰেণী ওপৰত পঢ়া মোৰ বৰদেউতাই কৈছিল যে সুন্দৰকৈ গান গাইছিল বাবে ভূপেন হাজৰিকাদেৰক তেখেতসকলে মাতি আনি লেজাৰৰ সময়ত গান গাবলৈ দিছিল।

সৰুতে মই তেজপুৰত মোৰ ককাৰ (মাৰ দেউতাক) ঘৰত যেতিয়া আছিলোঁ, তেতিয়া ভূপেন হাজৰিকাদেৰক প্ৰায়ে পাইছিলোঁ বলিনদা(নটসূৰ্য ফণী শৰ্মা) হঁতৰ ঘৰত। উজ্জ্বল ৰঙৰ চাৰ্ট আৰু ডিঙিত ৰুমাল আছিল। বলিনদাই বহি কিবা লিখি থাকে আৰু দুই জনে কিবা আলোচনা কৰি থাকে। পিছত হে

মোৰ মামাৰ পৰা গম পাইছোঁ বোলে চিৰাজৰ Script লিখিছিল। তেজপুৰত আমি বলিনদাহঁতৰ ঘৰতেই খেলি-ধুলি, নাচ-গান কৰি প্ৰায় বন্ধবাৰৰ পুৰা-গধূলি সময়খিনি কটাইছিলোঁ। গতিকে তেতিয়াৰ নাট্যজগতৰো মানুহসকলক দেখিছিলোঁ। বলিনদা ঢুকুৰাৰ দিনা কলিবাৰীত গাড়ীৰ পৰা নামিয়েই ভূপেন হাজৰিকাদেৱে হেনো মামাহঁতৰ আগত দুখেৰে কৈছিল "মই আৰু চিৰাজ নকৰোঁ।"

বলিনদা আছিল মোৰ ককাৰ ভতিজাক। মাৰ ককায়েক। তেজপুৰ কলিবাৰীত ওচৰা-ওচৰি ঘৰ। এবাৰ আবেলি হঠাতে হাজৰিকাদেৱ দুখন ঘৰৰ মাজৰ দেৱাল জাপ মাৰি পাৰ হৈ আহি মোৰ মামাক ক'লে লগোৰাচোন ৰেডিঅ'টো, আজি যুৱবাণীত মোৰ গান দিব আৰু তেখেতে বাৰাণ্ডাৰ বেঞ্চতে বহি গান শুনিছিল।

এইখিনি ১৯৬৬-৭০ চনৰ কথা।

কথাবিলাক মাজে মাজে মনলৈ আহি থাকে বাবে লিখিলোঁ।

●●●

# চিকিৎসা বিজ্ঞানৰ ইটো সিটো

**ডাঃ অমল শইকীয়া**

গেছ, শৌচকাঠিন্য, এমিবায়'চিছ থোৰতে...

শৌচ কাঠিন্য আৰু আঠাজাতীয় শৌচ(ক্ৰনিক এমিবায়'চিছ্)ৰ সমস্যাত ভোগা ৰোগীৰ সংখ্যা দিনক দিনে বৃদ্ধি পাইছে। ইয়াৰ মূলতে কেইবাটাও কাৰণ অন্তৰ্নিহিত হৈ আছে।

১) আমাৰ মাজত কৰ্ম্মসংস্কৃতিৰ অভাৱ ঘটিছে। আমি মানুহবোৰ এলেহুৱা হৈ পৰিছোঁ। এক কথাত খাওঁ আৰু শোঁ। ফলত আমাৰ শৰীৰৰ অঙ্গ প্ৰত্যঙ্গবোৰত তেজ চলাচল কৰি শৰীৰটো কাৰ্য্যক্ষম কৰি ৰখাত অসফল হৈছোঁ।

২) 'ফাষ্ট ফুড' নামৰ পশ্চিমীয়া খাদ্যসম্ভাৰে উঠি অহা প্ৰজন্মক বেয়াকৈ ক্ষতিগ্ৰস্ত কৰিছে। ফলত মানুহে হজম শক্তি হেৰুৱাই পেলাইছে। মেডবহুলতা, মধুমেহ, উচ্চৰক্তচাপ, শৌচ কাঠিন্য আৰু আঠা জাতীয় শৌচ আদিৰ ফলত 'গেছ' নামৰ আমাৰ অতি চিনাকি সমস্যা, পি চি অ' ডি, অলসতা, মহিলাৰ মাহেকীয়া অনিয়মীয়া হোৱা, সন্তানহীনতা আদি বিভিন্ন ৰোগ আৰু সমস্যাই গা কৰি উঠিছে। ফাষ্ট ফুড' সম্পৰ্কে অৱশ্যে আছুতীয়া আলোচনাৰ প্ৰয়োজন আছে।

শৌচ কাঠিন্য আৰু এমিবায়'চিছত ভোগাসকললৈ আৰু অভিভাৱকসকলক কেইটামান অনুৰোধ ঃ

(শেষাংশ ৭৭ পৃষ্ঠাত)

*“কবিতা জীৱনৰ সমালোচনা”*
- মেথিউ আৰ্ণল্ড

# পোহৰলৈ চাই গান গাই গাই...

**অমল শইকীয়া**

জাকি মাৰি আহিল
সিহঁত
ছন্দৰ সাৱলীল প্ৰবাহৰ দৰে
পোহৰলৈ চাই গান গাই গাই...

পোহৰ প্ৰয়াসীয়ে ভাল নাপায় আন্ধাৰৰ বিভৎস সংজ্ঞা
পোহৰৰ ঐকান্তিক অনুৰাগেৰে ৰঞ্জিত সিহঁত
উজলাই জীৱন জিজ্ঞাসা।

উদ্দীপ্ত শব্দশিল্পৰে উজ্জীৱিত হ'ল পথাৰ
পথৰ নিৰ্ভীক উশাহ
নগৰীয়া আৰু চহা মানুহৰ
সন্মিলিত প্ৰচেষ্টাত মুগ্ধ হ'ল
পোহৰ।

মাটিৰ অৱসাদৰ অনুভূতিত
পোহৰলৈ চাই চাই
গান গাই গাই
সিহঁত আহিল।
জাকি মাৰি আহিল
নিশ্চিত সিহঁতৰ জয়
কেঁচা মাটিৰ ফুৰফুৰীয়া গোন্ধত মানুহবোৰৰ বুকু ফুলিল
সাহস বাঢ়িল
সিহঁত জাকি মাৰি আহিল।

# আইৰ সুৰীয়া মাত

**অগস্ত্য বৰুৱা**

মুখৰ মাত
ভোকৰ ভাত

ভুলতো নেমেলিবা হাত

দুহাত ওপৰলৈ তুলি
প্ৰণাম কৰিছোঁ

মোৰ আইৰ সুৰীয়া মাত।।

# গ্ৰন্থৰ সুবাস

**কঙ্কন শৰ্ম্মা**

পঢ়াশলীয়া দিনতেই
তিনি গাৰঁৰ সিমূৰ ভেদি পঢ়িছিলোঁ
"ধীৰে বৈ যায় ডন"
বাকলিহীন মৰ্ম্মস্পৰ্শী !
বুকুখন বিষাই গ'ল দেখিলোঁ যেতিয়া
১ম খণ্ড অন্ত !

হাবাথুৰি খালোঁ
গাওঁ গাওঁ সৰু সৰু চহৰ
ক'ত পাওঁ ক'ত পাওঁ
পিছৰ আৰু খণ্ড ?

কটনে দিলে শান্তি
পুথিভঁড়ালত জিলিকি আছে
সুন্দৰ বকলাৰ খণ্ড দুটি !
নিদিয়ে আনিব
পঢ়াৰো সময় নাই
থিয়ৈ থিয়ৈ পঢ়ি
পালোঁ শান্তি !
প্ৰশান্তি তেতিয়া
'৮৪ ৰ গ্ৰন্থমেলা
"ভ'ষ্টক"ত উজলি আছে
"And quiet flows the Don"
সুন্দৰ বৃহৎ পাঁচটি খণ্ড! কিনি সাঁচতীয়া ধনেৰে
থলোঁ,
এতিয়াও শুৱনি কৰি আছে
মোৰ সৰু আলমাৰী।।

# কলম এটা আনিছোঁ

জোনা মহন্ত

কলম এটা আনিছোঁ তোমালৈ
তুমি লিখি থাকিবা
নেৰিবা লিখিবলৈ
তোমাৰ নিখনিত আছে
বিদ্ৰোহৰ ফিৰিঙতি
কোনেও নজনা
তোমাৰ গভীৰ অন্তৰৰ কোণত
লুকাই থকা দুখ বেদনা
মান অভিমান
ভালপোৱাৰ অনুভূতিবোৰ

তুমি ভ্ৰমি ফুৰা বিভিন্ন ঠাইৰ
ভিন্ন অভিজ্ঞতাবোৰ
আকাশ ডাৱৰৰ লুকা ভাকুৰ
বিনন্দীয়া ৰূপ
প্ৰকৃতিৰ সৌন্দৰ্য্য
সাগৰৰ গভীৰতা
আৰু বহুতো...
মাথোঁ লিখি যোৱা তুমি
তোমাৰ অনুভৱ
নেৰিবা তুমি লিখিবলৈ
এই লিখনিবোৰেই
এদিন হ'ব তোমাৰ
নিঃসঙ্গতাৰ লগ
সুখ দুখৰ লগৰী
এই কলমটোৱে হ'ব এদিন
তোমাৰ অকলশৰীয়া জীৱনৰ সঙ্গী
তোমাৰ প্ৰেমিক।

# স্বীকাৰোক্তি

তপোধন দাস

অতীতো সময়
দাপোণ হিয়া সাক্ষী সময়ৰ
অৱহেলিত বিশ্বাসৰ

এতিয়া অতীত তুমি
মুখত নপৰে ফুল চন্দন
হাঁহিত নোভোলে ভূৱন
খোজত নসৰে পদুম
নুশুনো নূপুৰৰ ৰুণজুন শব্দ

তোমাক দেখিলে ওভতে অভিমানী অতীত
সোঁৱৰো খহি পৰা বিশ্বাসৰ আদিমন্ত্ৰ
উমি উমি জ্বলে স্তৱীভূত বিষাদ
ৰিম ৰিমকৈ উকায় নীলা বেদনা

দূৰতে আছোঁ বিবেক সাবটি
মঞ্চ নহ'ল জীৱন অভিনয়ৰ
অন্যথা বুজিলোঁহেঁতেন
তোমাৰ সাৰ্থক কবিতাৰ আহ্বান

# হেৰাব খোজা স্বৰ্গখন

**ৰঞ্জনা দত্ত**

বাড়ি অহা মহানগৰীৰ
একোণত
এধানমানি মোৰ স্বৰ্গখন।
দম্ভেৰে হেঁচা মাৰি ধৰা কংক্ৰীটৰ অৰণ্যৰ মাজত
সৰুকৈ এটা পুখুৰী
আৰু ডাঠকৈ গজা
গছ গছনিৰে ভৰা
স্বৰ্গখন পুৰা গধূলি
হুইল চেয়াৰত বহি
তিনি তলাৰ খিড়িকীৰে
মই চাই থাকোঁ...
এয়া যেন এক তপোবন।
কিচিৰ্ মিচিৰ্ কোলাহলেৰে
ব্যস্ত নানাৰঙী চৰাইবোৰ
পুৰাতে ওলাই গৈ
সন্ধিয়া উভতি আহে।
কোনোবা ফাঁকেৰে
ঠেলা মাৰি সোমাই আহি কণমান পুখুৰীটোত
সূৰ্য্যোদয় হয় আৰু হেৰাই যায়
সন্ধিয়া জোনাকে নামি আহি
নৃত্যৰ আখৰা কৰে জোনাকী পৰুৱাৰ স'তে।
ভেকুলীৰ তবলা আৰু জিলিৰ বেহেলাই সন্ধিয়াৰ মাদকতা বঢ়ায়
কেতিয়াবা দুই এখন গাড়ী আহে,
কিনা বেচাৰ দৰদাম আৰু স্বৰ্গৰ হিচাপ চলে।
চকু মুদি মই প্ৰাৰ্থনা কৰোঁ
প্ৰভু! এধানমানি মোৰ স্বৰ্গখন
এনেকৈয়ে ৰাখাঁ।।

# ৰঙীন

**পূৰ্ণেন্দু শৰ্ম্মা**

আবেগ মোৰ
নিচেই চিনাকি
সুৰেৰে গঁথা
সপোন মালতী।।
কঢ়িয়াই লৈ যাওঁ
এখনি
দুখনি
সাতোখনি নৈ
বুকুত সাবটি
মই কবি
অচিন
নিলগত ভাহে
পাৰৰ চম্পাৰ
ৰেণুবলীয়া
নিৰিবিলি
ৰঙীন

# প্ৰজ্ঞাৰ সংজ্ঞা বিচাৰি

**বিৰাজ জ্যোতি গোস্বামী**

জীৱনৰ বাটবুলি বহুদূৰ আহিলোঁ
ভাব হয় যেন বহু আলোকবৰ্ষ
বাটৰুৱাবোৰে সোধে
তুমি সদায় স্ফূৰ্ত্তিত কেনেকৈ থাকা
প্ৰজ্ঞাওতো নাপালা
মই হাঁহি মাৰি কওঁ
মই পাৰ হৈ অহা বাটত
বহু মিঠা সোঁৱৰণি
বহু মিঠা বন্ধুত্ব
বহু মিঠা মৰম আছিল
গোলাপ তগৰ আৰু
খৰিকাজাঁই আছিল
আৰু আছিল প্ৰাণোচ্ছল
বহু ঘনচিৰিকা আৰু হৰিণ
সকলোবোৰ লগত লৈ
জীৱনৰ গাড়ীখনৰ
চাইদ্ মিৰ'ৰ খন খুলি থলোঁ
যাতে পাৰ হৈ যোৱা তিক্ততাই
মোক আমনি নকৰে
প্ৰজ্ঞাৰ সংজ্ঞা নাপালেও
পালোঁ বহু ৰ'দ আৰু অভিজ্ঞতা
যিয়ে মোক হাঁহিটো দিয়ে।

# ভাদ মাহ

**কস্তুৰী নিভা গগৈ**

নামঘৰে নামঘৰে
সত্ৰ সভাঘৰে
কৃষ্ণভক্তি ৰসত মুখৰিত
আয়তী নামতী সকল
বিনন্দীয়া সুৰধ্বনিৰে
হয় আপ্লুত
হয় মতলীয়া
ভকত বৈষ্ণৱ বান্ধৱ সকলো
হৰিনাম ৰসতে আপোন পাহৰা
মাহপ্ৰসাদ ধূপদীপ নৈবেদ্যৰ
সুগন্ধি সুবাসে কৰে মন প্ৰাণ আহ্লাদিত
আকাশে বতাহে
হৰিনামৰ ধ্বনিৰে উৰুলিকৃত
আহিল গুৰুজনাৰ তিথি
কৃষ্ণৰ জন্মোৎসৱ
আহিল ভক্তিৰ মাহ ভাদ।

# এইবেলি নহ'ল বৰ্ষা বন্দনা

**ৰত্ন কান্ত শৰ্ম্মা**

বৰ্ষা ঋতুৰে বৰণ সলালে
আবতৰীয়া শৰৎ বন্দনাত
ক্ৰুদ্ধ প্ৰকৃতি
আহত পৃথিৱী
ক্ষুব্ধ বৰ্ষা ঋতু বৰষা ৰাণী
উন্মাদ মেঘে বজালে
উদভ্ৰান্ত মাদল
আকাশ ছানিলে
কলীয়া ডাৱৰ
হুৰ হুৰ বৰষুণ আহিল নামি
আহিল নামি বিষাদৰ ৰাতি
ফেনে ফোটোকাৰে আহিল ঢল
ওফন্দি উঠিল নৈৰ বুকু
প্লাৱিত নগৰ চহৰ
উটুৱাই নিলে মোৰ
মৰমৰ ঘৰ
বৈ গ'ল অহঙ্কাৰী উদ্ধত নদী
পলসত পোত গ'ল
পথাৰৰ সেউজীয়া হাঁহি
ধৰ্ষিতা হাচনাহানা
তগৰ মালতী
বৰ্ষা ঋতুতো ধাত্ৰী ধৰিত্ৰীৰ
মাতৃ সকলো ঋতুৰ
নাজানো কিয় এনে হ'ল
নদী যে হ'ল বাউলি
নদীতো মহিয়সী নাৰী
বিক্ষুদ্ধ নদীয়ে
খহাই নিলে
চেনেহীৰ পানী অনা ঘাট
উটি গ'ল প্ৰেমৰ সাক্ষী
প্ৰাচীন আঁহত
দুপাৰত সিঁচি গ'ল
ঘাত প্ৰতিঘাত
উটি গ'ল সোণালী সপোন
চৌদিশে মা আৰু মমতাৰ
কৰুণ কান্দোন
এইবেলি নহ'ল বৰ্ষা বন্দনা
নাহিল প্ৰেমৰ বৰষুণ
বানে ধোৱা পৃথিৱীত
আহিবনে শৰৎ
শেৱালিয়ে জানো
মেলিব পাহি
কি লৈ আহিব আহিন
আহিব জানো
সপোন সনা
সোণালী আঘোণ।

# মন নিৰবধি নৈ

ৰুমিমা দাস

মন নিৰবধি নৈ-
গভীৰ নিশাৰ
বৰদৈচিলাৰ ধুমুহা জাকে
সোঁৰৰাই দিলে তোমাৰ কথাকে...
প্ৰচণ্ড শিল-বৰষুণ জাকে
সেমেকালে হৃদয় দলিচা
সানি দিলে এটি মিঠা ভালপোৱা
ক্ষণে ক্ষণে বুকুৰ মাজত
অনুভূত হয় এটি বিননি
তুমি নহাৰ দুখত
যেনিবা ব'হাগ নহাকৈ
নমতাকৈ নাথাকে কুলিয়ে
যাওঁ বুলিয়েই গুচি গ'লা
এবাৰলৈও উভতি নাচালা
মেটমৰা দুখৰ বোজাটিৰে
মাথোঁ আগুৱাইছোঁ
এবুকু আশাৰে
এদিন হেপাঁহৰ কলিটি
হাঁহি মাৰি ফুলি উঠিব।।

●●●

৭০ পৃষ্ঠাৰ পৰা

ক) ল'ৰা- ছোৱালীক সৰুৰে পৰা ঘৰতে তৈয়াৰ কৰা খাদ্য খোৱাৰ অভ্যাস কৰাওক।

খ) অভিভাৱকসকলে সাপ্তাহিক বজাৰলৈ যোৱা অভ্যাস এটা কৰক। সাপ্তাহিক বজাৰত গাঁৱৰ মানুহে বাৰীত উৎপাদন হোৱা সামগ্ৰী লৈ আহে। গুৱাহাটী মহানগৰীও ইয়াৰ ব্যতিক্ৰম নহয়। বেলতলা বজাৰতে পুৰা গাঁৱৰ মানুহে সতেজ শাক-পাচলি লৈ বহি থকা দেখা যায়। তেওঁলোকে অনা শাক-পাচলি আদি ক্ৰয় কৰি আনক।

গ) ল'ৰা-ছোৱালীক ৰেষ্টুৰেণ্টত পিজা, বাৰগাৰ খুওৱাতকৈ নিতৌ সতেজ শাক-পাচলি, ফল-মূল খোৱা অভ্যাস কৰোৱাতো নিতান্ত প্ৰয়োজন।

ঘ) আমাৰ খাদ্যনলীটো মাজত কিছুমান ভালভ্ থকা দুই মূৰ খোলা পাইপ এডালৰ দৰে। এই পাইপডাল সদায় পৰিষ্কাৰ হৈ থকাতো অতি প্ৰয়োজন। পাইপডাল পৰিষ্কাৰ হৈ নাথাকিলে গেছৰ সৃষ্টি কৰিব। গতিকে নিয়মিতভাৱে নিতৌ শৌচ কৰা অত্যন্ত দৰকাৰ। সৰু ল'ৰা-ছোৱালীয়ে নিয়মিত শৌচ নকৰিলে সিহঁতক লেট্ৰিনত সদায় বহুৱাব লাগে।

যিসকল লোকৰ নিয়মিত শৌচ হয় বা যিসকলৰ গ'লব্লাডাৰ পাথৰৰ অস্ত্ৰোপচাৰ হৈছে সেইসকলে পুৱা খালি পেটত দুগিলাচ কুহুমীয়া গৰম পানীৰ মাজত এচামুচ মৌ(মধুমেহ ৰোগীক বাদ দি) আৰু কমেও চাৰিটামান তুলসীৰ পাত চোবাই খালে গেছৰ পৰা উপশম পাব পাৰি।

শৌচ কাঠিন্যত ভোগা ব্যক্তিসকলে অধিক পৰিমাণে পানীলাও, অমিতা, স্কোৱাচ, অঁহিয়া শাক-পাচলি, কল আদি দিনটোৰ খাদ্য তালিকাত অন্তৰ্ভুক্ত কৰিব লাগে। ক্ৰনিক এমিবায়'চিছ ৰোগত ভোগা সকলে জ্বলা, মচলা, গাখীৰ, ৰুটি আদি খোৱাৰ পৰা দূৰত থকাই ভাল। টেঙাই সাধাৰণতে অপকাৰ নকৰে। এমিবায়'চিছৰ বিষয়ে আকৌ কেতিয়াবা আলোচনা কৰিম।

# স্নেপশ্বট

**মদন চন্দ্ৰ ডেকা**

## (১)

সত্তৰৰ দশকৰ মফস্বলী চহৰৰ ওচৰৰ গাঁৱৰ পাঠশালা। তৃতীয় শ্ৰেণী (পঞ্চম বৰ্গ)ৰ 'বিজ্ঞান আৰু সাধাৰণ জ্ঞান'ৰ পাঠদান চলি আছে।

গৰমৰ বন্ধ খুলিছেহে। জিৰণিৰ পিছৰ পিৰিয়দ। শিক্ষক মহাশয়ৰ অলপ টোপনি টোপনি ভাব। পঢ়ুৱাবলৈ মন যোৱা নাই।

মুখে মুখে প্ৰশ্নকে সোধা হওক।

শ্ৰেণীত সদায় প্ৰথম হোৱা ল'ৰাজনকে প্ৰথমে সুধিলে, 'ৰমেন, ক চোন বছৰৰ কোন মাহত ৰ'দ আটাইতকৈ চোকা?'

ৰমেনে টপৰাই উত্তৰ দিলে, 'জেঠ মাহত ছাৰ।'

'ওঁ, হৈছে বহ '

'মুনীন্দ্ৰ, ক '

'চ'ত মাহ, ছাৰ '

'থিয় হৈ থাক'

'হিতেশ্বৰ?'

'আহাৰ, ছাৰ'

'থিয় হৈ থাক'

'যোগেন্দ্ৰ?'

'ভাদ মাহ, ছাৰ'

'আঁঠু কাঢ়ি থাক'

'খৰ্গেশ্বৰে ক'

'কাতি মাহ, ছাৰ'

'হা, কি কলি?'

খৰ্গেশ্বৰে পুনৰ ক'লে, 'কাতি মাহ, ছাৰ'

টোপনিত চকু মুদ খাই অহা শিক্ষক মহাশয়ৰ টোপনি খৰ্গেশ্বৰৰ উদ্ভট উত্তৰ শুনি পলাই পত্ৰং।

'ঐ গৰু, বাকী কেইজন ওচৰে-পাঁজৰে আছিলেই, তই যে একেবাৰে হিমালয়ৰ নামনি পালিগৈ?

ক-চোন বুজাই কেনেকৈনো কাতি মাহৰ ৰ'দ আটাইতকৈ চোকা হ'ল?

অকণমানো জড়তা নোহোৱাকৈ খৰ্গেশ্বৰে উত্তৰ দিলে, 'ছাৰ, কাতি মাহত একে ৰ'দে আমাৰ পিতাইৰ মাছ মৰা জালখন শুকায়। কিন্তু জেঠতে হওক বা আহাৰতে হওক , পিতাইৰ জাল কেতিয়াও একে ৰ'দত নুশুকায়। সেই কাৰণে কাতি মাহত ৰ'দ আটাইতকৈ চোকা।'

সাধাৰণ জ্ঞানৰ শ্ৰেণীত শিক্ষকৰ অসাধাৰণ জ্ঞান প্ৰাপ্তি।

# (২)

মই তেতিয়া অবিভক্ত কামৰূপ জিলাৰ নগৰবেৰাত কৰ্ম্মৰত। চক্ৰ বিষয়া হিচাপে। ১৯৯০-৯২ চন। চক্ৰ বিষয়াৰ কাৰ্য্যালয়ৰ বাকৰিতে বাসভৱন। অতি ঠেক আৰু কম পৰিসৰৰ। সেই সময়ছোৱাত কোনোবা এগৰাকী ঊৰ্দ্ধতন বিষয়াৰ চিন্তাপ্ৰসূত এটা আৰ্হিত নিৰ্ম্মাণ কৰা হৈছিল পাৰ বাহৰ লেখীয়া একোটাহত চক্ৰ বিষয়াৰ বাসগৃহ। চক্ৰ বিষয়া হিচাপে নিযুক্তি লাভ কৰা অসম অসামৰিক সেৱাৰ বিষয়াগৰাকীয়ে জোতা চিলাইৰ পৰা চণ্ডী পাঠলৈ সকলো কাম কৰিবও লাগিব অথচ তেওঁক সুবিধাকণো দিয়া নাযাব। বৰ অসময় আছিল সেই সময়ছোৱা। এতিয়াও বৰ এটা উন্নতি হোৱা নাই। অৱশ্যে মানসিকতাৰ সলনি হৈছে। থাওক, আচল কথালৈ আহোঁ।

গৰমৰ দিনৰ ৰাতিপুৱা এটা। গোটেই ৰাতিটো বিদ্যুৎ নাছিল। আল্‌পনা আৰু মই সলনা-সলনিকৈ বিছনীৰে বতাহ দি-লৈ ৰাতিটো পাৰ কৰিছোঁ। খিড়িকী খুলি শোৱাটো কল্পনাৰ বাহিৰত, সাপৰ ভয়। চাৰিওফালে পানী আৰু পাতলীয়া হাবি। ছোৱালীজনী তেতিয়া তিনি বছৰীয়া। আল্‌পনাই নগৰবেৰাৰ পৰা অহা-যোৱা কৰি কলেজ কৰে অবৰ্ণনীয় কষ্ট সহ্য কৰি। মোৰ এতিয়া নিজকে অপৰাধী যেন লাগে তেওঁক তেতিয়া কষ্ট দিয়া বাবে।

আকৌ মূল কথাৰ পৰা আঁতৰি আহিলোঁ।

সেইদিনা ফৰকাল ৰাতিপুৱা। শুই উঠিয়েই শুনিলোঁ গেটৰ সন্মুখত কাৰোবাৰ তৰ্কাতৰ্কি। চকু মোহাৰি দুৱাৰ খুলি বাহিৰলৈ ওলাই দেখোঁ চকীদাৰ ল'ৰাটোৱে আদবয়সীয়া লোক এজনৰ লগত কাজিয়া কৰিছে। চকীদাৰৰ নাম নিৰঞ্জন বড়ো। সৰু ল'ৰা, বিশ বছৰমানৰ। ক্লাছ নাইনলৈ পঢ়ি পঢ়া বাদ দিলে। মই পিছৰ দুবছৰত প্ৰায় জোৰকৈ তাক পঢ়িবলৈ বাধ্য কৰিলোঁ, মেট্ৰিক পাছ কৰি নগৰবেৰাৰ বিমলা প্ৰসাদ চলিহা কলেজত নামভৰ্ত্তি কৰিলে। পিছে ময়ো গুচি আহিলোঁ আৰু নিৰঞ্জনৰো পঢ়াৰ সিমানতে ইতি পৰিল। বিয়া 'পাছ' কৰিলে। পিছলৈ অৱশ্যে কামৰূপৰ উপায়ুক্তই তাক তৃতীয় শ্ৰেণীৰ কৰ্ম্মচাৰী হিচাপে পদোন্নতি দিলে।

ছেঃ আকৌ লিকৰ পৰা পৰিলোঁ।

যুদ্ধংদেহি মনোভাবত ৰৈ থকা নিৰঞ্জনক কি হৈছে বুলি সুধিলোঁ। মানুহজনকো লক্ষ্য কৰিলোঁ।

আধা পকা আধা কেঁচা দাড়িৰ জুটুলা-জুটুলি চুলিৰ বঙ্গমূলীয় মুছলিম সম্প্ৰদায়ৰ লোক এজন। সোঁহাতত লেতেৰা মোনা এটা, মোনাত কিবা আছে। সাধাৰণতে মাটিৰ হাকিম (চক্ৰ বিষয়া)ৰ ওচৰলৈ অহা মানুহবিলাকে ঘৰত থকা বা খেতিৰ উৎপাদিত সামগ্ৰী লৈ অহাটো পূৰ্ব্বাপৰ চলি অহা অলিখিত নিয়ম। বহুতে সন্মান প্ৰদৰ্শন কৰি আকৌ আন বহুতে স্বাৰ্থ পূৰণৰ বাবে উপঢৌকন হিচাপে।

নিৰঞ্জনে প্ৰায় খঙেৰেই উত্তৰ দিলে-'ছাৰ, এই মানুহটোক মই পিছত আহিবলৈ কৈছোঁ, নুশুনে। মই কৈছোঁ, বাইদেউ এতিয়া কলেজলৈ যাব, লৰালৰিৰ সময়। নাই, মানুহটোৱে নুবুজে।'

'ঠিক আছে, তুমি যোৱা' বুলি মই মানুহজনক সুধিলোঁ কি কাম আছে বুলি।

কপাললৈ হাত তুলি নমস্কাৰ এটা কৰি মানুহটোৱে ক'লে - 'ছাৰ, তুৰ তিৰটো চাম (তোৰ তিৰোতাজনী চাম)।

খন্তেক তভক মাৰি ৰৈ সম্বিৎ ফিৰাই পাই মই ভিতৰলৈ চাই চিঞৰিলোঁ -

'হয়েৰা, তোমাক চাবলৈ দৰা এজন আহিছে।'...

# (৩)

আমি তেতিয়া প্ৰাক্-বিশ্ববিদ্যালয়ৰ দ্বিতীয় বাৰ্ষিকত। ইতিমধ্যে গুৱাহাটী আৰু নতুনকৈ গঢ় লৈ থকা গুৱাহাটীৰ অলি-গলি চিনি আহিছোঁ। নিজা দায়িত্ব, ঘৰুৱা দায়িত্ব আৰু সামাজিক দায়িত্ব পালন কৰিবলৈ শিকিছোঁ। যিহেতু গুৱাহাটী অস্থায়ী হ'লেও বাসস্থান হৈ উঠিছে, গতিকে গাঁৱৰ বা অঞ্চলৰ যি কোনো কাম গুৱাহাটীত কৰিবলগীয়া হ'লেও অৱধাৰিতভাৱে দায়িত্ব আহি পৰে।

বৰ্ত্তমানৰ মহেন্দ্ৰ মোহন চৌধুৰী হাস্পাতালখন তেতিয়া গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পাতাল। আমাৰ গাঁৱৰ আদবয়সীয়া মানুহ এজনক তাতে আনি মোৰ ডাঙৰ ককাইদেৱে ভৰ্ত্তি কৰাই থৈ মোক দায়িত্ব দি থৈ গ'ল চোৱা-চিতা কৰিবলৈ। মানুহজনৰ লগত আহি থাকিব পৰাকৈ ঘৰত কোনো নাছিল। হাস্পাতাললৈ অহা-যোৱা কৰি থাকোঁতে বুজি উঠিব পাৰিলোঁ যে তেওঁৰ যৌনাঙ্গৰ কেন্সাৰ হৈছিল। প্ৰস্ৰাৱ কৰোঁতে বৰ কষ্ট হয়। ৰাতিপুৱা ক্লাছৰ আগত এবাৰ আৰু আবেলি ক্লাছৰ পাছত এবাৰ, দিনে দুবাৰকৈ ৰোগীৰ ওচৰলৈ যাওঁ। আবেলি উভতি আহোঁতে কেতিয়াবা পলম হ'লে বাপুকৃষ্ণ চৌধুৰী ছাৰৰ গালিও খাওঁ। চৌধুৰী ছাৰ তেতিয়া হোষ্টেল চুপাৰ।

এসপ্তাহ ৰখাৰ পিছত ৰোগীক অপাৰেশ্যন কৰা হ'ল। তেওঁৰ যৌনাঙ্গ কাটি পেলাই প্ৰস্ৰাৱ কৰিবলৈ নলী এডাল লগাই দিয়া হ'ল।

অপাৰেশ্যন কৰাৰ পিছদিনা তেওঁক ৱাৰ্ডত দিয়া হ'ল আৰু সেয়া কি অসহনীয় দৃশ্য! ৰোগীয়ে বিষত চিঞৰি থাকে, নাৰ্চে ধমক দিয়ে। মোক দেখা পালেই অসহায়ভাৱে মোলৈ চায়। খন্তেক চুলিত হাত বুলাই চকুপানী ৰাখিব নোৱাৰি উদ্‌গত কান্দোন চেপি মই বাহিৰলৈ দৌৰ মাৰোঁ। মানুহজনৰ মৰণকাতৰতাই মোৰ মনত ইমান আঘাত দিলে যে মই হোষ্টেলত খাব নোৱৰা হলোঁ, শুব নোৱৰা হ'লোঁ। ক্লাছ-প্ৰেক্টিকেল সকলো

বাদ দিলোঁ। পাৰ্টনাৰ অজিত বৰাই কেতিয়াবা জোৰকৈ প্ৰেক্টিকেলৰ ক্লাছলৈ লৈ যায়।

অপাৰেশ্যন কৰাৰ চতুৰ্থ দিনা ৰাতিপুৱা হাস্পাতাললৈ গৈ গম পালোঁ যে ৰোগীক সেইদিনা 'ৰিলিজ' কৰিব। ফৰ্মেলিটিখিনি শেষ কৰি হাস্পাতালতে ৰোগীক থৈ মই লৰালৰিকৈ হোষ্টেললৈ আহিলোঁ। চুপাৰ ছাৰক বিচাৰি নাথাকি ৰুমমেট বৰেণ্য ভূঞাৰ হাততে দৰ্খাস্ত এখন লিখি হাস্পাতাললৈ আহিলোঁ।

তেতিয়া অসম পৰিবহণ নিগমৰ এখন বাছ মাছখোৱা আস্থানৰ পৰা মঙলদৈ, কলাইগাওঁ হৈ টংলালৈ যায় আবেলি চাৰি বজাত। সোনকালে আস্থান গৈ নাপালে টিকট পোৱা নাযায়। থিয় হৈ অৱশ্যে যাব পাৰি। এতিয়া মোৰ সমস্যা হ'ল ৰোগীজনক পানবজাৰৰ পৰা মাছখোৱা আস্থানলৈ নিওঁ কেনেকৈ! ৰিক্সাত উঠিব নোৱাৰে, দুখ পায়। খোজ কাঢ়ি? এখোজ দুখোজকৈ খোজ কাঢ়িয়েই মাছখোৱা পালোঁগৈ।

কোনোমতে বাছৰ শেষৰ দুটা টিকট পালোঁ। এটা 'আপাৰ'ৰ, আনটো 'ল'ৱাৰ'ৰ। ধৰি ধৰি তেওঁক নি মই 'ল'ৱাৰ'ৰ চিটটোত বহুৱাই দিলোঁ।একো নভবাকৈয়ে। সেই চিটটো আছিল একেবাৰে শেষৰটো চিট। বহিয়েই মানুহজনে বিষত কেকাঁই উঠিল। মই মোৰ আসনত বহিলোঁ।

খন্তেক পিছতে বাছ চলিবলৈ ধৰিলে। মাছখোৱাৰ পৰা কলাইগাঁৱলৈ ৮৬ কিল'মিটাৰ দূৰ। ৰাস্তা এতিয়াৰ দৰে বহল নহয়। কোনোমতে দুখন গাড়ী পাৰ হ'ব পাৰে। ঠায়ে ঠায়ে ওখোৰা-মোখোৰা। বাছৰ প্ৰতিটো জোকাৰণিতে তেওঁ চিঞৰি উঠে 'ছ'ল্টো-মল্লু' ('ছ'লটো-ছ'লিটো, দৰঙীয়া ভাষাত। 'মল্লু' মৰিলোঁ)। আৰু তেওঁৰ প্ৰতিটো চিঞৰত মোৰ কলিজা ফাটি তেজ বয়। কি কৰোঁ, কি কৰিব পাৰোঁ! অঁ পাৰোঁ, মূৰৰ চুলি ছিঙিব পাৰোঁ, সন্মুখৰ চিটত মূৰটো অফলিয়াব পাৰোঁ।

কলাইগাওঁ পাবলৈ অলপ দূৰ থাকোঁতে মনত হঠাৎ বিজুলী চমকাৰ দৰে ভাব এটা আহিল - এই যে ৰোগীজনক 'ল'ৱাৰ'ত বহুৱাই মই 'আপাৰ'ত বহিলোঁ, এইটো কেনে ধৰণৰ কথা হ'ল! তেওঁক আগৰ ফালে বহিবলৈ দিলে সামান্য পৰিমাণে হ'লেও কষ্ট কমিলেহেঁতেন। এতিয়া আৰু কোনো উপায় নাই, নামিবৰে হ'ল।

ঘৰলৈ খবৰ দিয়াৰ কোনো উপায় নাছিল। গতিকে বাছৰ পৰা নামি লাহে লাহে খোজ কাঢ়ি এমাইল দূৰৰ ঘৰ পাওঁ মানে ৰাতি ন বাজিল। গাঁৱৰ মূৰতে তেওঁলোকৰ ঘৰ। ঘৰৰ মানুহক সপি দি মই নিজৰ ঘৰ পাওঁ মানে মই আৰু মই হৈ থকা নাছিলোঁ। বিবেক দংশন, অপৰাধ বোধ আৰু ভাগৰে মোক জৰ্জ্জৰিত কৰি পেলাইছিল।

পিছদিনা হোষ্টেললৈ উভতি আহি পঢ়াত মন দিয়াৰ চেষ্টা কৰিলোঁ।

এসপ্তাহ পিছত মানুহজন ঢুকোৱাৰ খবৰ পালোঁ।

এটা স্থায়ী বুকুৰ বিষ মোৰ লগৰী হ'ল। মই মূৰৰ চুলি ছিঙিব নোৱাৰিলোঁ, মূৰ অফলিয়াব নোৱাৰিলোঁ।

কি লাভ হ'ব তেওঁৰ নাম কৈ, মেঘোৰাম মুণ্ডাৰ নাম লৈ!

কি লাভ হ'ব ৰাজহুৱা কৰি যে মেঘোৰাম মুণ্ডাই কৈশোৰ-যৌৱনৰ মূল্যৱান সময় কায়িক শ্ৰমেৰে আমাৰ পৰিয়ালক সমৃদ্ধ কৰিছিল!

# বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰৰ আংশিক দৰ্শন

**ফাইজুৰ ৰহমান**

২৩/২/২০২০ আৰু ২৪/২/২০২০ তাৰিখ ঃ আমাৰ যাত্ৰা সৰাগুৰিত অৱস্থিত আজান পীৰ চাহাবৰ দৰগাহ অভিমুখে। ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা এটি সৰু ঠেক পথেৰে আমাৰ গাড়ী আগবাঢ়িল দিখৌ নৈৰ পাৰে পাৰে। নীল বৰণৰ পানীৰে, বিহুগীতৰ কলিত সঘনে স্থান পোৱা, ডেকা গাভৰুৰে চেনাই ধনৰ উদ্যেশ্যে প্ৰকাশ কৰা এয়াই দিখৌ নৈ। কোনোৱে কয় - 'দিখৌ নৈ এৰিব নোৱাৰোঁ...,' কোনোৱে আকৌ কয় - 'দিখৌ নৈ এৰিব পাৰোঁ মই লাহৰি ...' ইত্যাদি ইত্যাদি। ওখোৰা মোখোৰা আৰু ঠেকেচাত কঁকাল ভাগি যোৱা সৰু পথেৰে আমাৰ গাড়ী চলিল। বলীয়াঘাট, শান্তিপুৰ আৰু শেষত গৰিয়াজান নদীৰ দলং পাৰ হৈ এয়া দৰগাহৰ চৌহদত সোমালোঁ।

এয়া কি? মনত কি ভাবি আহিছিলোঁ আৰু কি দেখিলোঁ। চৌহদৰ পৰিৱেশ অতি লেতেৰা। কোনো পৰিপাটিতা নাই। সুন্দৰ আকৃতিৰ মুখ্য গেটখন লেতেৰা দাগেৰে ভৰি আছে। দৰগাহটো বেচ পৰিষ্কাৰ। দৰগাহৰ কাষত থিয় হৈ দুহাত তুলি আল্লাৰ ওচৰত বিশ্বশান্তিৰ হকে দোৱা কৰিলোঁ।

চৌহদত থকা মিলাদ ও দোৱা কৰা ঘৰ, অতিথিশালা, অজুঘৰ আদি অতি লেতেৰা, এলান্ধু মকৰা জালেৰে আৱৰি আছে। পেচাব-পাইখানাৰ চৌহদ অতি দুৰ্গন্ধময়। মুঠতে গোটেই চৌহদটিত এটি কদৰ্য্যময় পৰিৱেশ। অৱশ্যে বিভিন্ন সৰু সুৰা বস্তুৰে ভৰি থকা শাৰী শাৰী দোকানবোৰ দেখি ভাল লাগিল। এতিয়াও পৰ্য্যটকৰ সমাৱেশ কমা নাই। দূৰ-দূৰণিৰ পৰা অহা বহু যাত্ৰী লগ পালোঁ।

অসমত হিন্দু মুছলিমৰ সমন্বয়ৰ ভেটি স্থাপন কৰা এইজনা মহান ব্যক্তিৰ স্মৃতিস্বৰূপ এই দৰগাহৰ সংৰক্ষণ আৰু ইয়াৰ পৰিৱেশ সুন্দৰকৈ ৰাখি পৰ্য্যটকৰ বাবে বিশেষ আকৰ্ষণ কৰি গঢ়ি তুলিবলৈ কোনেও আগ্ৰহ কৰা নাই যেন লাগে। এটি বিফল মন লৈ ঘূৰি আহিলোঁ।

শিৱৰাত্ৰি উপলক্ষে শিৱদৌল আৰু শিৱসাগৰ পুখুৰী আটকধুনীয়াকৈ সজোৱা হৈছে। এয়া এক বিশাল মেলা। শিৱদৌলৰ আশে-পাশে থকা পথ-উপপথবোৰৰ কাষে কাষে বাঁহেৰে বনোৱা সৰু সৰু বহুতো দোকান, ৰং-বিৰঙেৰে জিলিকি আছে। শিৱসাগৰ পুখুৰীৰ পাৰে পাৰে শাৰী শাৰীকৈ সৰু সৰু দোকানবোৰ সজাই থোৱা আছে। লোকে লোকাৰণ্য। বিৰ দি বাট পাবলৈ নাই। ৰঙা নীলা লাইটৰ পোহৰত গোটেইখন ৰঙীন হৈ আছে। অগণন শিৱভক্তৰ লানি নিছিগা সমাগম দেখি মোৰো মনটো ভক্তি ভাবত বিভোৰ হৈ গ'ল। কামনা কৰিছোঁ সকলোৰে মনোবাঞ্ছা পূৰ্ণ হওক।

জয়দৌল, জয়সাগৰ আৰু জেৰেঙা পথাৰ দৰ্শন কৰি জয়মতী গদাপাণিলৈ মনত পৰি গ'ল।

জেৰেঙা পথাৰত জয়মতীৰ শাস্তিৰ কথা ভাবি চকুহাল সেমেকি উঠিল। তাতোকৈ বেছি দুখ লাগিল এই পৰ্য্যটকৰ আকৰ্ষণ জয়দৌল আগৰ তুলনাত ম্লান পৰিছে। জয়সাগৰ পুখুৰীটো আৰু পুখুৰীপাৰ স্বচ্ছ ভাৰত অভিযানে এতিয়াও ঢুকি পোৱা নাই। চাৰিওফালে লেতেৰা। পুখুৰীৰ পাৰৰ পথটিৰ অৱস্থা নাই। এটা ফালে গাড়ীৰতো কথাই নাই খোজ কাঢ়ি যোৱাও অসম্ভৱ। বৰ্ত্তমান কোনেনো এইবোৰ চোৱা চিতা কৰে নাজানো। মুঠতে maintenance ৰ অভাৱ। অৱশ্যে আন এটা ফালে পাৰ্ক এখনৰ কাম কৰি থকা দেখিলোঁ। পুখুৰীৰ পানীৰো অৱস্থা বেয়া। মেটেকাকে আদি কৰি বিভিন্ন জাবৰ-জোথৰেৰে ভৰ্ত্তি হৈ আছে। পানীত শৰালি হাঁহ জাতীয় কিছুমান চৰাই চৰি থকা দৃশ্য দেখি মনটো ভাল লাগি গ'ল।

ৰংঘৰৰ সন্মুখ পাই তাহানি ৰজাদিনীয়া মহযুঁজ খেললৈ মনত পৰি গ'ল। ইয়াতেই কত কি যে খেল ৰজা-ৰাণীয়ে উপভোগ কৰিছিল! ইয়াত পৰ্য্যটকৰ সংখ্যা তেনেই তাকৰ।

তলাতল ঘৰৰ মুখ্য দুৱাৰ পালোঁ। গাড়ী পাৰ্কিং কৰা ঠাইখিনি কি বিভৎস, কদৰ্য্যময় আৰু লেতেৰা। প্লাষ্টিকৰ ঠোঙা, প্লাষ্টিকৰ বটল, কাগজ, জাবৰ-জোথৰ আদিৰে ভৰি আছে। মুঠতে এটি ঘিণ লগা পৰিৱেশ। গাড়ী পাৰ্কিং কৰি টিকট কৰি ভিতৰ সোমাই অলপ ভাল লাগিল। চৌহদৰ ভিতৰ ভাগ পৰিষ্কাৰ। ভিতৰ সোমাই মনটো গধুৰ হৈ গ'ল। এই চৌহদতেই এটা সময়ত হাজাৰ হাজাৰ সৈন্য-সামন্ত, লগুৱা-লিগিৰী, পালি-পহৰীয়া, ৰজা-মন্ত্ৰী আদিৰে ভৰি আছিল। এতিয়া সকলোবোৰ যেন পৰিত্যক্ত অৱস্থাত অতীতৰ স্মৃতিৰ সাক্ষী হৈ পৰি আছে।

●●●

# বাছ! বাছ! ৰঙা বাছ!!

**অমল শইকীয়া**

সত্তৰ-আশী দশকৰ কথা। সেই সময়ত শৰাইঘাট দলংখনেই মহাবাহুৰ ওপৰেদি যোৱা একমাত্ৰ দলং আছিল। ফেৰী সেৱাই আছিল ৰাইজৰ অন্যতম জলপথৰ ভৰসা। স্থল পথে যাতায়ত বোলোঁতে ৰাজ্যিক পৰিবহণ নিগমৰ গঁড়ৰ চিহ্ন থকা সেই ৰঙা বাছকেইখনৰ কথাই মনলৈ আহে। তেতিয়া মই ডিব্ৰুগড়ত থকা মেডিকেল কলেজৰ ছাত্ৰ। দীঘলীয়া বন্ধ দিলেই ঘৰলৈ ঢাপলি মেলোঁ। ঘৰ মানে তেতিয়াৰ দৰং জিলাৰ চতিয়ালৈ। পুৱাতে চকীদিঙিত থকা অসম ৰাজ্যিক পৰিবহণ নিগমৰ আস্থানত ৰঙা বাছত উঠোঁ। ৰঙা বাছত আকৌ সন্মুখৰ আসনখিনি আপাৰ ক্লাছ আৰু পিছৰখিনি লোৱাৰ ক্লাছ বুলি দুভাগে ভাগ কৰা থাকে। আপাৰ ক্লাছৰ ভাৰাটো লোৱাৰ ক্লাছতকৈ কিছু বেছি। মই প্ৰায়ে আপাৰ ক্লাছৰ ঠিক পিছতে থকা লোৱাৰ ক্লাছৰ আসনৰ টিকট কিনিছিলোঁ। আৰু সেই আসনত বহি নিজকে কিবা আপাৰ

ক্লাছৰ আসনত বহি যোৱা যেন অনুভৱ কৰি ভিতৰি ভিতৰি গঙ্গাটোপটোৰ দৰে অলপ ফুলিয়ে যাওঁ। ৰঙা বাছখনৰ চিলিঙত আকৌ আগফালে থকা এটা বেলৰ লগত পিছফাললৈকে এডাল ৰছীৰে সংযোগ কৰা থাকে। গাড়ীৰ কণ্ডাক্টৰজনে ৰছীডাল দুবাৰ টানি বেলটো বজাই দিলেই গাড়ীৰ যোৱাৰ সঙ্কেত আৰু এবাৰ টানিলে গাড়ী ৰখাৰ সঙ্কেত। টিং টিং... গাড়ীৰ আসনত বহিয়েই এই শব্দটোলৈ অপেক্ষা কৰি থাকোঁ। গাড়ীত উঠাৰ আগতে মেডিকেল কলেজৰ নিবাসৰ পৰা ৰিক্সাৰে আহি থাকোঁতে ভাবি আহোঁ - এইবাৰ গাড়ীৰ আসনখন যাতে খিড়িকীৰ কাষত হয় আৰু ধুনীয়া ছোৱালী এজনীৰ কাষতে মোৰ আসনখন পাওঁ। চতিয়ালৈকে দিনজোৰা বাটযে! কাষতে কোনোবা এগৰাকী থাকিলে আমনি লগা যাত্ৰাটো বকুল ফুলৰ গোন্ধৰে অন্ততঃ ভৰি পৰিব। দিকচৌ বাটটো কিছু হ'লেও চুটি হৈ পৰিব। অৱশ্যে ঘৰলৈ বুলি যাত্ৰাত দুই এবাৰ ধুনীয়া ছোৱালী যাত্ৰা পথৰ সঙ্গী হিচাপে কাষত নোপোৱাও নহয়। ধুনীয়া সঙ্গীৰ কাষত বহি দুপেক ৰম খোৱা মানুহৰ দৰে গাটো অলপ ৰমৰমাই থাকিলেও কেতিয়াবা আহুকালতো পৰিছিলোঁ। বিশেষকৈ বাছত উঠিলেই মোৰ টোপনি মৰা অটমেটিক্ বেমাৰটোৰ কাৰণে। টোপনিৰ জালত বৰশী টোপাই থাকোঁতে কেতিয়াবা আগফালৰ আসনৰ দীঘল লোহাডালত কপালখনৰে খুন্দিয়াই দিওঁ। একো সমস্যা নাই। কপালখন অলপ মোহাৰি দিলেই বিষটো কিছু উপশম পোৱাৰ নিচিনা লাগে। কিন্তু চাইদ্ চাইদ্ মূৰটোৰে খুন্দিয়ালেই লাগে মহা লেঠা। বিশেষকৈ ধুনীয়া ছোৱালী এজনী কাষত থাকিলে। অজানিতে মূৰটোৰে তাইৰ বাহুত খুন্দিয়ালে তাই যিহে পোন্দোৱাকৈ চায়! হাত উঠাই কাণতলীয়া শোধায় বুলি বুকুখন কিবা ধিপিংকৈ মাৰি দিয়ে নহয়। অৱশ্যে তাইৰ বেঁকা চাৱনিত মোৰ নিদ্ৰাগধুৰ মূৰটো লঘু হৈ অটমেটিক্ কিছু সময়ৰ কাৰণে চিধা হৈ যায়। .... মৰাণ- ডিমৌ- জাঁজি তাৰ পাছত টিয়ক। 'কাকুতি মই কৰিছোঁ চৰণতে ধৰিছোঁ ....' টিয়কত ৰঙা বাছখন ৰখাৰ লগে লগে হাতখন মেলি আৰ্থিক সহায় বিচাৰি বাছখনলৈ উঠি অহা অন্ধ ব্যক্তিজনৰ সেই কণ্ঠস্বৰৰ লগত ঘৰলৈ অহা-যোৱা কৰোঁতে অভ্যস্ত হৈ পৰিছিলোঁ। পকেটত খুচুৰা পইচা থাকিলে তেওঁৰ হাতখনলৈ আগবঢ়াই দিছিলোঁ। বোকাখাট পাওঁতে পাওঁতে ভৰদুপৰীয়া হয়। ভোকত পেটে কাউত কাউতকৈ বেঙে মতা দিয়ে। গাড়ীৰ পৰা নামি পোনে পোনে মাৰোৱাৰী চাহ দোকানত সোমাই কলপাতত দিয়া পুৰি-বাকলি নুগুচুৱা আলু চবজি আৰু জলকীয়া চাটনি বকাসুৰে খোৱাদি খাই লওঁ। পেট পূজা কৰি ঘৰলৈ বুলি পেৰা কেইটামান কিনি আকৌ গাড়ীত উঠি আবেলি গৈ শিলঘাট পাওঁ। প্ৰায় দুঘণ্টামান সময় ফেৰীত মহাবাহুৰ শীতল বতাহ সেৱন কৰি পানপুৰঘাট পাই ৰঙা বাছত উঠিবলৈ বাকী যাত্ৰীৰ লগতে দৌৰাদৌৰি। যেন তেওঁলোকৰ লগতে এশ মিটাৰ দৌৰৰ প্ৰতিযোগিতাৰ ময়ো এজন প্ৰতিযোগীহে।..

আনবাৰৰ দৰে সেইবাৰো বন্ধৰ দিনকেইটা মামাৰ ঘৰ, পেহীৰ ঘৰ, খুৰাৰ ঘৰত কটাই বন্ধটোৰ সময়খিনি অৱসান ঘটাই আকৌ সেই ৰঙা বাছত পুৱা ছয় বজাত পানপুৰঘাটলৈ ৰাওণা হ'লোঁ। ইফালে খৰালি নৈৰ পানী শুকুৰাত এছোৱা টুলুঙা নাও, এছোৱা বালি চাপৰি পদব্ৰজে গৈ শেষত যেনিবা ফেৰীৰে মহাবাহুৰ মূল সুঁতিটো পাৰ হৈ সিপাৰ পালোঁগৈ। ফেৰীৰ পৰা ৰাইজ নামিবলৈ কাঠৰ তক্তা দুখন পাৰিছেহে মাত্ৰ ৰাইজৰ

যিহে ঠেলা হেঁচা। ডিব্ৰুগড়লৈ বুলি শিলঘাটত অপেক্ষা কৰি থকা ৰঙা বাছখনত আসন পাবলৈ যাত্ৰীসকলৰ হাতত বেগ লৈ কুকুৰ দৌৰ আৰম্ভ হ'লেই। কোনোবাই হেঁচা ঠেলাত বাছৰ মুখ্য দুৱাৰেদি প্ৰৱেশ কৰিব নোৱাৰি বাছৰ খিড়িকীদিয়েই বেগ পাৰ কৰি আসন সংৰক্ষণৰ প্ৰচেষ্টা অব্যাহত ৰাখিলে। ময়ো বেটা কম নহয়। সেইদিনা বেগটো খিড়িকীৰে যেনেতেনে পাৰ কৰি বাছত আসনখন কোনোমতে সংৰক্ষণ কৰিলোঁ বাপেকে। আসনখন সংৰক্ষণ কৰিব পাৰি স্বস্তিৰ নিশ্বাস পেলালোঁ। ভাবিলোঁ এতিয়া আৰু চিন্তা নাই। গন্তব্য স্থান পামগৈ। ইফালে পুৱাতে খোৱা ফিকা চাহ কাপ আৰু বিস্কুটকেইটা দৌৰাদৌৰিত কেতিয়াবাই হজম হৈছিল। সময় থাকোঁতে পেট পূজা কৰাৰ মানসেৰে ঘাটৰ কাষতে থকা চালি দিয়া চাহৰ দোকান এখনত সোমালোঁ। দোকানত বন কৰা সৰু ল'ৰাটোৱে ব্ৰেডকেইডোখৰমানৰ সৈতে সিদ্ধ কুকুৰা কণী এটা প্লেট এখনত আনি দিলেহি। কণী দেখি মুখৰ পানী স্বতঃস্ফূৰ্ত্তভাৱে নিগৰি আহিল। লৰালৰিকৈ কণীটোৰ বাকলি গুচাওঁতেই লাগিল কেণা। কণীৰ ভিতৰত ক'লা কিবা এটা বস্তু প্ৰত্যক্ষ কৰি খঙে মূৰৰ চুলিৰ আগ পালেগৈ। এইটো দেখোন কণীৰ ভিতৰত আধা সিজোৱা মুৰ্গী পোৱালি।

-'অই ল'ৰা, এইফালে আহ। আহ বুলি কৈছোঁ নহয়। নাহ কেলেই। তোৰ কাণখন কলা নেকি?' ল'ৰাটোৱে আওকাণ কৰা দেখি অলপ দাবি দি ক'লো।

- 'কি হ'ল দাদা?'

-'এইটো কি দিছ? মুৰ্গীৰ কণী নে মুৰ্গীৰ পোৱালি দিছ?'

-'ই দাদা ! আপোনাৰো কপাল দেই। এগ বিচাৰি চিকেন পালে। বেছি হুলস্থূল নকৰিব মনে মনে খাই থওক। মালিক যি হে একাচেকা, গম পালে এগৰ ঠাইত চিকেনৰ দাম লৈ ল'ব।'

-'কি, কি ক'লি ! চিকেনৰ দাম ল'ব? কি বুলি ভাবিছ মোক। বেঙা পাইছ, তোৰ মালিক ক'ত?'

-'কাউণ্টাৰত বহি আছে দাদা! মালিক কিন্তু এই অঞ্চলৰ মস্তান হয়দেই দাদা ! ডেনজাৰাছ বস্তু।'

-'কি?' কাউণ্টাৰৰ ফালে দৃষ্টি নিবদ্ধ কৰিলোঁ। দাড়িয়ে গোফে লম্বা চুলিৰে বিয়াগোম চেহেৰাৰ ওখ-পাখ মানুহ এটা। ভাওনাত ওলোৱা সাইলাখ অঘাসুৰটোৱেই যেন লাগিল। ভয়ো লাগিল অলপ। কাৰণ মই অকলশৰীয়া। প্ৰতিবাদ কৰিবলৈ যাওঁতে অঘাসুৰটোৱে চোচা মাৰি আহিলে মোৰ ফালে দেখোন আধ্যাই পৰিব ! একে ঘোচাতে নাকৰ বাৰাণ্ডা উৰি যাব। এশ পাঁচ ডিগ্ৰীৰো অধিক উৰ্দ্ধগামী হোৱা খংটো তৎকালে শূন্য ডিগ্ৰীলৈ অৱনমিত হ'ল। সাতে পাঁচে ভাবি কথাটো ইমানতে ইতি কৰি ব্ৰেড দুটুকুৰামানকে মুখত ভৰাই পানী এগিলাচ ঘোট ঘোটকৈ পি ৰঙা বাছত উঠিলোঁ। টিং টিং - কণ্ডাক্টৰজনে গাড়ীৰ ৰছীডাল দুবাৰ টানি দিয়াত গাড়ীখনে প্ৰাণ পাই উঠিল। ডিব্ৰুগড় অভিমুখে যাত্ৰা আৰম্ভ হ'ল। খিড়িকীয়েদি সোমোৱা পুৱাৰ ফিৰফিৰিয়া বতাহছাটিয়ে ক্ষন্তেকতে দেহ মন জুৰাই পেলালে। সেইদিনা ৰঙা বাছত আসনৰ সঙ্গীনো কোন আছিল মন কৰিবলৈকে নহ'ল। অঘাসুৰটোৰ চেহেৰাটোহে মনলৈ আহি থাকিল।

# Our Classmates who left for heavenly abode...

*We miss you dear friends*
*Still we find you in our hearts*
*And you make us cry.*
*It's still a riddle*
*In the prime of your youth*
*Why did you have to die!*

Biraj Chakravarty
Tushar Maitrya
Nilkanta Deka
Upen Brahma
Surajit Bora
Jadab Kalita
Sailen Choudhury
Jayanta Sarma
Pranab Saikia @ Raj
Karabi Thakuria
Ikram Hussain
Mahendra Kalita
Malabika Phukan
Pravin Kr Sarma
Ruby Baruah
Sishu Ram Deka
Sailen Boro
Pramod Saikia
Sidheswar Barman

Manjula Choudhury
Debakanta Barua
Abir Hazarika
Keshab Narayan Goswami
Jyotish Chandra Deka
Purabi Barua
Krishna Basing
Jyotshna Sarma
Ashim Hazarika
Dwipen Barua
Balindra Deka
Sariful Haque
Ajit Kumar Das
Aswini Mahanta (??)
Apurna Das
Pradipta Baruah(Sameer)
Arup Kumar Baruah
Bijut Hazarika

# ৰাসলীলা, ৰাধা ইত্যাদি - প্ৰেমৰ অনবদ্য সংজ্ঞা

**বিৰাজ জ্যোতি গোস্বামী**

ৰাসলীলাৰ প্ৰক্ৰিয়াটো আপাতদৃষ্টিত এটা বাসনাতীব্ৰ নিশাৰ কাহিনী যেন লাগে। কিন্তু কৃষ্ণক প্ৰেমৰ সৰ্ব্বময় সত্তা বুলি জানি যদি ৰাসৰ নিশাটোৰ পৰ্য্যালোকন কৰা হয় তেন্তে গোপিনীসৰ সেই প্ৰেমময় সত্তাৰেই একোটি অংশ। সেয়েহে সৰ্ব্বময় সত্তাই প্ৰতিটো অংশৰ লগত পৃথকভাৱে নৃত্য কেলি কৰিব পাৰিছিল। ভাগৱতত এই প্ৰেমৰ নিশাটিক ব্ৰহ্ম নিশা বুলি অভিহিত কৰিছে। সময়ৰ বাছনিও মন কৰিবলগীয়া - বছৰৰ সৰ্ব্বোজ্জ্বল শাৰদীয় নিশা মানে ফৰকাল ফৰিংফুটা জোনাকৰ নিশা যদি এই নিশাটিক কোনো ভাগৱৎপ্ৰীতিৰ কাল্পনিক ৰচনাৰ প্ৰেক্ষাপটৰূপে লোৱা হয়, তেনে কি অতীন্দ্ৰিয় অথচ গূঢ়ভাবাত্মক কল্পনা!

প্ৰেমেই যে জীৱনৰ সবাতোকৈ উজ্জ্বল অংশ!

ভাগৱতত বা কৃষ্ণদৰ্শনত ৰাসলীলাক এই সৃষ্টিৰ আটাইতকৈ প্ৰস্ফুটিত এক ব্ৰহ্মনিশা বুলি কোৱা হৈছে। এই নিশাক মহাৰসত নিমজ্জিত নিশা বা ৰাস পূৰ্ণিমা আৰু এই ৰাসনৃত্য বা ৰাসলীলাক যোগ আৰু ধ্যানৰ পৰম অৱস্থা বা প্ৰাপ্তি বুলি অভিহিত কৰা হয়।

ৰাধা আৰু কৃষ্ণ অভিন্ন, পৰমশক্তিৰ স্ত্ৰী আৰু পুৰুষ অংশ তথা দুয়ো দুয়োৰে পৰিপূৰক (গৌড়ীয় বৈষ্ণৱ দৰ্শনৰ মতে)। বেছিভাগ বৈষ্ণৱ দৰ্শনতে কৃষ্ণক পূৰ্ণব্ৰহ্ম আৰু ৰাধাক এই পূৰ্ণব্ৰহ্মৰ তিনি আধ্যাত্মিক প্ৰমূল্যৰ (হ্লাদিনী--Bliss, সন্ধিনী- Eternity আৰু সম্বিত-Existential Consciousness) সমাহাৰ বুলি মানি আহিছে। যদি কৃষ্ণ পূৰ্ণব্ৰহ্ম তেনে ৰাধা এই পূৰ্ণতাৰ প্ৰতি স্বাক্ষৰিক সমৰ্পণ বা পূৰ্ণ উপলব্ধি। ৰাধাক আদিলক্ষ্মী অৰ্থাৎ মাতৃশক্তিৰ মূল উৎস ৰূপতো জনা যায়। যদি কৃষ্ণই সমগ্ৰ জগতক সন্মোহিত কৰে তেনে ৰাধাই কৃষ্ণক সন্মোহিত কৰে। ৰাসলীলাৰ প্ৰধান উৎস ৰাধা (মহাৰস) আৰু প্ৰতিগৰাকী গোপী প্ৰকৃততে একোটা ৰসৰ প্ৰতিমূৰ্ত্তি অৰ্থাৎ ৰাধাৰ অংশবিশেষ।

শাৰদীয় প্ৰাণোজ্জ্বল জোনাকত উদ্ভাসিত সেই ব্ৰহ্মনিশাটিত যেতিয়া কৃষ্ণৰ মুৰুলীয়ে সমগ্ৰ বায়ুমণ্ডলত এক দিব্যতৰঙ্গৰ সৃষ্টি কৰিছিল, এই সকলোবোৰ ৰস ওৰফে গোপী জাগ্ৰত হৈ উঠিছিল আৰু পৰমপ্ৰেমৰ তাড়নাত ধাপলি মেলিছিল বৃন্দাবনৰ নিধিবনলৈ। পূৰ্ণব্ৰহ্মায়ো প্ৰতিগৰাকী গোপী (অৰ্থাৎ প্ৰতিটো ৰস) ক একাত্মবোধেৰে সঙ্গ দি নিজকে ৰাধাৰ লগত বিলীন কৰি দিয়াৰ প্ৰক্ৰিয়া বা নৃত্যই হ'ল ৰাসলীলা - এক পূৰ্ণ সমৰ্পণ, আত্মাৰ পূৰ্ণ জাগৰণ আৰু অতীন্দ্ৰিয় মহামিলনৰ নিশা।

# অশান্ত শ্বিলং

**ৰঞ্জনা দত্ত**

"জুই লাগিছে, জুই"

"ভাইটি, দেউতা, বাবা, উঠ উঠ... জুই লাগিছে"

বাহিৰত মানুহৰ চিঞৰ-বাখৰ হুলস্থুলত সাৰ পাই গ'লোঁ। দশম শ্ৰেণীত পঢ়ি থকা দাদা ইতিমধ্যে গৈ বাহিৰ পালেগৈ।

"কি হৈছে বাহিৰত?" মই ভয়ে ভয়ে দেউতাক সুধিলোঁ।

"শ্বিলং বিদ্যালয়ত জুই লাগিছে।" দেউতাই চিন্তিত স্বৰে ক'লে।

জাৰত কঁপি কঁপি বাহিৰলৈ ওলাই গৈ চাওঁ যে শ্বিলং বিদ্যালয় স্কুলৰ ফালে আকাশখন ৰঙচুৰা হৈ পৰিছে। জুইৰ লেলিহান শিখা আমাৰ ঘৰৰ পৰাই ভালদৰে দেখা যায়। পাহাৰৰ জুই বাবে ওচৰতে জ্বলি থকা যেন লাগিছিল। ৰাস্তাৰে দৌৰি দৌৰি বিষ্ণুপুৰবাসী ৰাইজ স্কুলৰ ফালে গৈছিল। ৰাতিপুৱা হ'বলৈ তেতিয়াও অনেক পৰ। বোধহয় ৩.৩০ মান বাজিছিল। অন্ধকাৰ ৰাস্তাবোৰ জুইৰ পোহৰে পোহৰাই তুলিছিল। স্কুল চৌহদৰ চাৰিওফালে ৰাইজ ভৰি পৰিছিল। কিন্তু কৰিবলৈ একোৱেই বাকী নাছিল। কাঠ-বাঁহেৰে সজা স্কুলঘৰ ইতিমধ্যে ছাইত পৰিণত হৈছিল। সৰু ল'ৰাজাকৰ মুখবোৰ দুখত বিবৰ্ণ হৈ পৰিছিল। ডাঙৰ ল'ৰাবোৰৰ মুখবোৰ কিবা বুজা নুবুজা ভাবত গম্ভীৰ হৈ পৰিছিল। বহু দিনলৈ আকাশখন ধোঁৱাই থকা যেন ভাব হৈছিল। ঘৰৰ মজিয়া আচবাব আদিত ছাইৰ সৰু সৰু গুৰিবোৰ পৰি আছিল বহু দিনলৈকে। আমাৰ সৰু ডাঙৰ সকলোৰে মনবোৰ মৰহি আছিল। সকলোৰে মনত কেৱল একেটাই প্ৰশ্ন "কেনেকৈ জ্বলিল বাৰু টিলাটোৰ ওপৰত অকলশৰীয়াকৈ থকা স্কুলখন?"

শ্বিলং বিদ্যালয় স্কুলখন অবিভক্ত অসমৰ এখন নাম থকা স্কুল আছিল। মেট্ৰিকৰ ফলাফলৰ তালিকাত কেইবাবাৰো স্কুলখনৰ নাম অন্তৰ্ভুক্ত হৈছিল। সেয়া ১৯৭২ চনৰ কথা। শ্বিলঙৰ বাটে পথে সুকীয়া ৰাজ্যৰ দাবীত কৰা আন্দোলনবোৰ চলি আছে। জোৰ সমদল, পিকেটিং আৰু হাতত প্লে'কাৰ্ড বেনাৰ লৈ কৰা সমদল আৰু শ্লোগান "We want hill state" "No hill state no rest" আমি ভয়ে ভয়ে খিড়িকীৰে জুমি চাই থাকোঁ। চাৰিওফালে ভৈয়ামৰ মানুহৰ বিৰুদ্ধে দ্বেষ। "ভৈয়ামৰ শাসন আমাক নালাগে। আমাক পাৰ্ব্বত্য ৰাজ্য লাগে।" ঠায়ে ঠায়ে পানীৰ বা লাইটৰ লাইন কাটি দিয়া, ভৈয়ামৰ লোকৰ ঘৰলৈ শিলগুটি দলিওৱা আদি কাৰ্য্য চেগাচোৰোকাকৈ চলি আছিল। একেটা সময়তে অসমত ভাষা আন্দোলনৰো ভৰপক। শ্বিলঙতো ভাষা আন্দোলনৰ বিষে ভালদৰে শিপাইছিল। দুই এঠাইত কিছুমান অপ্ৰীতিকৰ ঘটনাও সংঘটিত হৈছিল। এই দুই পৃথক বাতাৱৰণৰ মাজতে এই নহ'বলগীয়া ঘটনাটো ঘটিছিল। আমাৰ ল'ৰাবোৰৰ মাজতো হিংসাৰ জুই জ্বলিবলৈ আৰম্ভ কৰিছিল যদিও শিক্ষক আৰু পৰিয়ালৰ লোকৰ বুজনিত ক্ৰমান্বয়ে শান্ত হৈ আহিছিল। ভৈয়ামৰ বিৰুদ্ধে জনজাতীয়ৰ বিদ্বেষৰ বাবেই হওক বা ভাষা আন্দোলনৰ

জিঘাংসাৰ ফিৰিঙতিৰ বাবেই হওক যিটো ঘটনা সংঘটিত হ'ল সেইটো অতি দুঃখজনক আছিল।

স্কুলঘৰটোৰ লগতে দৰকাৰী সকলো কাগজ পত্ৰ জ্বলি যোৱা বাবে ১৯৭৩ চনত কিছুসংখ্যক শিক্ষকে দিশপুৰ বিদ্যালয়খন স্থাপন কৰে আৰু ১৯৭৫ চনত তাৰ প্ৰথমটো শ্ৰেণীয়ে মেট্ৰিক পৰীক্ষা দিয়ে। পুৰণি শ্বিলং বিদ্যালয়খন এতিয়াও মেঘালয় বোৰ্ডৰ অধীনত ইংৰাজী মাধ্যমত চলি আছে।

●●●

# বৰমৌৰ কথা আৰু দেওপাহাৰ

**পঙ্কজ কুমাৰ বৰুৱা**

দেওপাহাৰৰ প্ৰখ্যাত বৰমৌখিনিৰ কথা জানিব নিবিচাৰা? মই ২১ বছৰ চালোঁ, কি মনোমোহা!

অসমৰ সেই দুজোপা ভেলেউ গছে সন্মান পাইছিল বিশ্বৰ দৰবাৰত। একমাত্ৰ বিশেষত্ব বৰমৌ জাকবোৰৰ বাবে।

৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত দেওপাহাৰ সংৰক্ষিত বনাঞ্চলত। নুমলিগড় তিনি আলিৰ পৰা মাথোঁ চাৰে তিনি কিলোমিটাৰ দূৰত্বত।

মানুহে গাড়ী ৰাখি ৰৈ ৰৈ চায় প্ৰায় ৫০ ৰ পৰা ১০০ মান বৰমৌৰ জাকে বাহ লৈ এক অনন্য ৰূপ প্ৰদান কৰে।

এখন ফলকত লিখি থোৱা আছিল, ৱৰ্ল্ড হেৰিটেজ ট্ৰি (World Heritage Tree) বুলি।

খৰালি কাষৰ কলিয়নী নৈৰ পাৰ হৈ পৰে এক বিস্তীৰ্ণ হালধীয়া পথাৰ। সৰিয়হ খেতিৰ। লগতে ধনশিৰি নৈখন। তাৰ পাৰৰ সৰিয়হকে ধৰি বিভিন্ন ফুলৰ মৌ সংগ্ৰহ কৰে এই মৌৰ জাকবোৰে।

এই গছৰ পৰা কোনেও মৌ নাপাৰে। এৰি যোৱাৰ পাছত মৌচাকবোৰ দৃশ্যমান হৈ পৰে।

আৰু ৰাতি হ'লে দেওপাহাৰ হৈ পৰে অন্ধকাৰাবৃত্ত, নিমাত নিটাল। এক অনন্য পৰিৱেশ। দেওপাহাৰৰ ওপৰত নিশা উৰন্ত অপ্সৰাবোৰ জীৱন্ত হৈ উঠে আৰু উৰি উৰি সেই মন্দিৰৰ ভগ্নস্তূপৰ চাৰিওফালে ঘূৰি ঘূৰি ফুৰে। ৰাতি হ'লে সেই মূৰ্ত্তিবোৰে প্ৰাণ পাই উঠে আৰু কথা কয়। সিহঁতৰ অভিশাপৰ কথা। অভিশপ্ত অপ্সৰাবোৰে তোমাকো অনুৰোধ কৰিব মুক্তি বিচাৰি। সিহঁতৰ সেই ঠাইত বন্দী হৈ থকা যে এহেজাৰ বছৰ হ'ল!

মই বহুত ভাল পাঁও দেওপাহাৰক। বহুবাৰ ওপৰলৈ উঠিছোঁ। অপ্সৰাবোৰক চাইছোঁ। সিহঁতে কথা পাতিব খোজে।

নিশা মাজে মাজে দেওপাহাৰৰ কাষত গাড়ীৰ ষ্টাৰ্ট বন্ধ কৰি আন্ধাৰ উপভোগ কৰিবলৈ গৈছিলোঁ।

পাহৰিব নোৱাৰি সেই দিনবোৰ, ক্ষণবোৰ।

দেওপাহাৰৰ এক বিশেষ মাদকতা আছে।

এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

*“মোক ৰাতিটোৰ বাবে*
*ওভোতাই দিয়া মোৰ ল’ৰালি...”*

-হীৰেন ভট্টাচাৰ্য

## মোৰ ল’ৰালি

### ফাইজুৰ ৰহমান

শাওণৰ এটি দোকমোকালি
মোৰ ঘৰৰ নিজম পৰা পদূলি
এজাক ঘৰচিৰিকাৰ কিৰিলি
চোতালত তলসৰা শেৱালি
হিয়া মোৰ উঠিছে উথলি
আবতৰীয়া শেৱালি বুটলি
মনত পৰিছে মোৰ ল’ৰালি
স্মৃতিৰে গথাঁ শৈশৱৰ ধেমালি
হৃদয় ভৰা সপোন সোণালী

## ল’ৰালি

### কস্তুৰী নিভা গগৈ

কালৰ পাকচক্ৰই কাকো
নিদিয়ে ৰেহাই
গতিশীল কালে
কাকো নকৰে ক্ষমা
জীৱনৰ চকৰি উভতি নবয়
সময়ৰ সোঁত যিদৰে
বোৱতী নদীৰ দৰে নবয়,
স্বপ্ন দেখিব পাৰোঁ
শৈশৱৰ
বুকুত বান্ধি ৰাখিছোঁ যিদৰে ল’ৰালিৰ
সেই সোণালী সুদিন
কৈশোৰ যৌৱনৰ
নজহা নপমা উদ্বীপ্ত সুষমা
আজিও হেৰাই যোৱা নাই
শুভ দিনৰ লালিত্য
তথাপি আমি জীৱনৰ সতে মিতিৰালি পাতি
আগুৱাই যাম
প্ৰতি পল অনুপল
থমকি নৰওঁ
পিছ নোহোহকোঁ
জীৱনৰ বাটত আছে যদিও খলাবমা বহুতো।

# মোৰ শৈশৱ

**ৰঞ্জনা দত্ত**

বন্ধু, ওলাবানে মোৰ লগত
মোৰ সোণালী শৈশৱলৈ
শ্বিলঙৰ সেউজী বুকুত
লগে লগে উমলিম ব'লা

ৰঙা ৰঙা প্লাম, নাচপতি
আপেল আঙুৰ আৰু নুনী
চ'ফি, চ'শ্বাং আৰু কত কি
বুটলি ছিঙি সকলো খাম
কুঁৱলীৰ মাজে মাজে
দৌৰি ঢাপলি গৈ
পাহাৰীয়া জুৰিৰ
পথাৰৰ বুকুত বহি
বটলত ভৰাই
লালুকী আনিম।
বতাহ বৰষুণত তিতি বুৰি
মাটিত পৰা বৰফৰ শিলবোৰ
ইজনে সিজনৰ গালৈ দলিয়াই
ধেমালি কৰিম ব'লা।
জাৰকালি কমলাৰ দিনত
বাৰীৰ চুকত কমলাৰ ৰস থৈ
পিছদিনা পুৱা উঠি
আইচক্ৰিম খাম
বন্ধু ওলাবানে মোৰ লগত
মোৰ সোণালী শৈশৱ
শীতৰ ঠেৰেঙা লগা পুৱা
কঁপি কঁপি আটাইকেউটা
জুৰিটোৰ শিলবোৰ
জপিয়াই পাৰ হৈ
পাহাৰখনৰ ওপৰলৈ যাওঁ ব'লা
ৰিণিকি ৰিণিকি দেখা পোৱা
সূৰ্য্যৰ প্ৰথম আভাত
জিলিকি উঠা
এভাৰেষ্ট চাবলৈ যাওঁ ব'লা
বন্ধু, ওলাবানে মোৰ লগত!

# ল'ৰালি

**ৰুমিমা দাস**

মোৰ মনত পৰে
কলৰ ভুৰ সাজি
বানপানী নেওচি
সাঁতুৰি নাদুৰি
পাৰ কৰা সেই ল'ৰালি
এবাৰ ঘূৰি যাব পৰা হলে
শেষ কৰিলোঁহেঁতেন
জীৱনৰ আধৰুৱা কামখিনি
পোহৰত হেৰুৱাই
আন্ধাৰত খেপিয়াই
বিচাৰি ফুৰিছোঁ
মোৰ ল'ৰালি
এবাৰ ঘূৰি যাব পৰা হ'লে
কল্পনাবোৰ বাস্তৱত
ৰূপায়িত কৰিলোঁহেঁতেন
সোণোৱালী সেই ল'ৰালি
জানো ঘূৰাই পাম
পুনৰাই!!

# ল'ৰালি

**কঙ্কন শৰ্ম্মা**

এনেকুৱা বৰষুণৰ বতৰত
চোতালৰ বোকাত খেলিছিলোঁ
কাগজৰ নাও সাজি
পানীপচাৰ সোঁতত এৰিছিলোঁ
জীৱনৰ জটিলতা কি
নাজানিছিলোঁ
এনেকুৱা বতৰত
লেমৰ পোহৰত পঢ়িছিলোঁ
লুকাই লুকাই অনা
পুথিভঁৰালৰ কিতাপ
ল'ৰালিৰ সেই স্মৃতি
আকৌ এবাৰ মনত পেলালে
নেৰানেপেৰা বৰষুণজাকে।

# মোৰ আকাশ

**পঙ্কজ কুমাৰ বৰুৱা**

তোমাৰ আকাশখন
মই চুৰ কৰিছোঁ
কেইবাবাৰো
কাৰণ মই বৰ ভাল পাওঁ,
আকাশখন।
বিভিন্ন সময়ৰ
বিভিন্ন ঠাইৰ
বিভিন্ন পৰিৱেশৰ
নীলা, হেঙুলীয়া
কজলা নে ডাঠ ঘন ক'লা
ডাৱৰে আবৰা।
নে শুকুলা আকাশ শৰতৰ
প্ৰতিটো ৰূপেই মোহনীয়া আকাশৰ।

# নেখেলা ক্রিকেট মেচৰ সোঁৱৰণী

**ফাইজুৰ ৰহমান**

(জয়ন্তই ক্রিকেট খেলি বলৰ খুন্দা খাই মূৰত হোৱা টেমুনাটোলৈ চাই মোৰ তাহানিতে ক্রিকেট খেলৰ ঘটনা এটালৈ মনত পৰিছে।)

২০১২ চনৰ কথা। মই তেতিয়া গোলাঘাটত গড়কাপ্তানি বিভাগৰ কাৰ্য্যবাহী অভিযন্তা হৈ আছোঁ। ঘোষণা হ'ল গণৰাজ্য দিৱস উপলক্ষে 'উপায়ুক্তৰ দল আৰু জিলা খেল দল'ৰ মাজত প্ৰদৰ্শনীমূলক ক্রিকেট খেল হ'ব। উপায়ুক্ত দলৰ লগত খেলত মোকো সহযোগ কৰিবলৈ কোৱা হ'ল। কোনোদিনে ক্রিকেট বেট-বল চুই নোপোৱা এই গাঁৱলীয়া অধমে নো কেনেকৈ খেলিম! উপায়ুক্তৰ নিৰ্দ্দেশ অমান্য কৰোঁনো কেনেকৈ? তথাপি মন বান্ধি ল'লোঁ। মনত ফূৰ্ত্তিও লাগিল। চিকচিকিয়া বগা জাৰ্চি পিন্ধিব লাগিব। গতিকে দুদিন আগৰে পৰাই যোগাৰ কৰা আৰম্ভ কৰিলোঁ। বগা জোতা আছে, পিছে বগা স্পোৰ্টিং বগা লংপেণ্ট নাই। বগা টুপী এটাও লাগিব। মোৰ কাপোৰ বিচৰাৰ লচফচনি দেখি অফিচৰ চৰেই গম পাই গ'ল যে ছাৰে এইবাৰ ক্রিকেট খেলিব। এটা সময়ত সকলোবোৰ যোগাৰ হ'ল। গণৰাজ্য দিৱসৰ দিনা সকলোবোৰ অনুষ্ঠানৰ কাৰ্য্যসূচী ৰাতিপুৱা ১১ বজাত শেষ হ'ল। আবেলি ১ বজাৰ পৰা সীমিত অভাৰৰ ক্রিকেট খেল আৰম্ভ হোৱাৰ কথা। স্পোৰ্টচ অফিচাৰে খেলৰ বাবে সকলোবোৰ আয়োজন কৰিলে।

মই সময়ৰ আগতে ষ্টেডিয়াম গৈ পালোঁ। লাউড স্পিকাৰত সুন্দৰ সুন্দৰ গান বাজি ষ্টেডিয়াম ৰজনজনাই আছে। ৰংচঙীয়া তম্বু ঘৰৰ ভিতৰত শাৰী শাৰী চকী মেজ। তম্বুৰ ভিতৰত এফালে দেখিলোঁ ৰংবিৰঙৰ কাগজেৰে বান্ধি থোৱা কিছুমান পেকেট সজাই থোৱা আছে। সেয়া হয়তো পুৰস্কাৰ। মনটো ভাল লাগি গ'ল। খেলুৱৈবোৰ আহি পালেহি। এটা সময়ত টচ আৰম্ভ হ'ল। আমাৰ দলে টচত জিকি বেটিং কৰাৰ সিদ্ধান্ত ল'লে। বেটিং চলি আছে।

ডেকা বিষয়া আৰু কৰ্ম্মচাৰীবিলাকে প্ৰথমে এজন এজনকৈ বেটিং কৰি গৈ থাকিল। মোৰো বেটিঙৰ সময় আহি পৰিল। কোনোবা এজনে আহি মোক গ্লোভচ পিন্ধাই দিলে। আমাৰ কাৰ্য্যালয়ৰ পৰাই মোৰ খেল চাম বুলি বহুকেইজনে দৰ্শকৰ শাৰীত ৰৈ আছে। লাহে লাহে মোৰ ভয় লগা আৰম্ভ হ'ল। টেনিচ বল বুলি ভাবিছিলোঁ। আচল বল। বুকুখন দেখোন মোৰ কঁপিবলৈ ধৰিছে। মনলৈ ভাব আহিল কিবাকৈ যদি বলটো গাত পৰে তেন্তে চিৰদিনৰ বাবে ঘূণীয়া হৈ যাম দেখোন। এই চিন্তাই মোক খুলি খুলি খালে। মই

মানুহজন ঘামি- জামি লেবেজান হৈ পৰিলোঁ। হাত ভৰি থৰথৰকৈ কঁপিবলৈ ধৰিলে। লগে লগে সিদ্ধান্ত ললোঁ। মই নেখেলোঁ। গ্লোভচ খুলিলোঁ। সকলোৱে মোক খেলিবলৈ জোৰ কৰিলে। কিন্তু মই আকোৰগোঁজ। খেলিবলৈ মই সাহস গোটাব নোৱাৰিলোঁ। মুঠতে বেটিং নকৰোঁ। বলৰ খুন্দাত টেমুনা ওলাব পাৰে। জয়ন্তৰ মূৰত টেমুনা দেখি আজি মনত পৰিছে সেইদিনাৰ ক্ৰিকেট খেলালৈ। দৰ্শকৰ মনত আক্ষেপ থাকি গ'ল। মোৰ খেল চাব নাপালে। আজিও মনত পৰিলে লাজ লাগি যায়।

●●●

# কোলাহল

**মদন চন্দ্ৰ ডেকা**

নৈঃশব্দই কোঠালিটো গ্ৰাস কৰিছিল। টিভিটো চলি আছিল যদিও কোনেও শুনা নাছিল কি চলি আছিল। চাঁও বুলি কোনেও টিভিৰ পৰ্দালৈ চোৱা নাছিল। কোঠালিটোত থকা ফেন দুখন ঘূৰি ঘূৰি যেন ভাগৰি পৰিছিল। কোঠাৰ বতাহ যেন গধুৰ হৈ পৰিছিল।

কলকলকৈ বৈ থকা নিজৰাৰ গতি ৰুদ্ধ হৈ পৰাৰ দৰেই অনৰ্গল কথা কৈ থকা তামসীৰ কথা বন্ধ হৈ পৰিছিল। যেন ক'বলগীয়া সকলো কথা কোৱা হৈ গৈছিল। যেন জীৱনৰ শেষৰটো শব্দ উচ্চাৰণ কৰি পেলাইছিল। ইয়াৰ পিছত কি ? কিয়েইবা থাকিব পাৰে ইয়াৰ পিছত ?

তামসীয়ে সপোনতো ভবা নাছিল শেষৰ, জীৱনৰ একেবাৰে শেষত ক'বলগীয়া কথাষাৰ আজিয়েই এই এতিয়াই কৈ পেলাব বুলি। কিন্তু সেয়াই হ'ল।

ৰমেনে পোনপটীয়াকৈয়ে তাইক সুধিছিল, তাই নেহাৰ সৈতে কিয় এনেকুৱা ব্যৱহাৰ কৰি আছে। ৰমেনে লক্ষ্য কৰি আহিছে, বেচ কিছু দিনৰ পৰা তামসীয়ে নেহাৰ লগত ভাল ব্যৱহাৰ কৰি থকা নাই। নেহাও যেন তামসীৰ লগত সহজ নহয়। একে ঘৰতে থাকিলেও যেন দুয়োজনী ভিন্ন গ্ৰহৰ প্ৰাণী, কোনেও কাকো নাজানে কোনেও কাকো নিচিনে। অভ্যাসবশতঃ খোৱা-লোৱা কৰে। প্ৰাত্যহিকতা, কেৱল প্ৰাত্যহিকতা।

ৰমেনৰ প্ৰশ্নৰ উত্তৰ তামসীয়ে দিয়া নাছিল। যেন প্ৰশ্নটো শুনাই নাছিল।

ৰমেনে প্ৰশ্নটো পুনৰ কৰিছিল। তথাপি তামসীয়ে উত্তৰ দিয়া নাছিল। তামসীৰ মুখৰ অভিব্যক্তি লাহে লাহে সলনি হৈ আহিছিল। ভীষণ কষ্টই মানুহগৰাকীক কোঙা কৰি আনিছিল। ৰমেনে লক্ষ্য কৰি আছিল। তামসীৰ কষ্টৰ কথা ৰমেনে অনুভৱ কৰিব পাৰিছিল। তামসীক আৰু কোনো কথা নোসোধে বুলি থিৰাং কৰি লৈ ৰমেনে লাহেকৈ তামসীৰ হাত এখন নিজৰ হাতত লৈছিল।

ঠিক তেতিয়াই এটা এটাকৈ তামসীয়ে শেষৰটো কথা কৈছিল। শব্দবোৰ এটা এটাকৈ উচ্চাৰণ কৰিছিল। যেন বহু দূৰৰ পৰা ভাহি আহিছিল তামসীৰ মাত, ৰমেনৰ তেনে অনুভৱ হৈছিল।

কিন্তু ৰমেনে কি শুনিছিল? ঠিকেই শুনিছিল নে? হয়, কোনো ভুল শুনা নাছিল। তামসীয়ে স্পষ্ট ভাষাৰে কৈছিল, নেহা ৰমেনৰ সন্তান নহয়। বিবাহপূৰ্ব্ব এক সম্পৰ্কৰ ফচল নেহা।

কিন্তু ইমানবোৰ বছৰ পাৰ হৈ যোৱাৰ পিছত হঠাতে কি হৈছিল?

তামসী অন্তৰ্দ্বন্দ্বত ভুগিছিল। ৰমেনৰ বিশ্বাসৰ অমৰ্য্যাদা কৰাৰ বাবে অনুতাপত দগ্ধ হৈছিল আৰু ক্ৰমে নেহাক সহ্য কৰিব নোৱৰা হৈ আহিছিল। নেহাকে সকলো দোষৰ মূল বুলি গণ্য কৰিবলৈ লৈছিল।

বহু সময় কাৰো মুখত কোনো কথা নাছিল। এসময়ত ৰমেন উঠি গৈ চলি থকা টিভিটো বন্ধ কৰিলে।

পৰ্দ্দা ফাঁক কৰি আকাশলৈ চালে। আকাশত দ্বাদশীৰ জোন। দেখ-নেদেখ হাঁহি এটা ৰমেনৰ মুখত খেলি গ'ল।

ৰমেন উভতি তামসীৰ ওচৰলৈ আহিল। কপালতে চুমা এটা খালে। কোনো কথা নকলে। তামসীৰ দুবাহুত ধৰি থিয় কৰালে। তাৰ পিছত হাতত ধৰি বাৰাণ্ডালৈ লৈ গৈ জোনটোলৈ আঙুলিয়াই দেখুৱালে।

তামসীৰ এনে লাগিল যেন জোন নহয় নেহাইহে নাচি-বাগি ধেমালি কৰি আছে। তামসীৰ মুখতো মন-নমন হাঁহি এটা খেলি গ'ল।

●●●

# মদিৰ মায়াত

(এটি অসমীয়া গজল)

**শৰৎ বৰকাকতি**

বেদুইন মন উগুল-থুগুল বিচাৰি পোৱাৰ আশাত
ঠিকনা হেৰাল কৰ'বাত, সেই দুচকুৰ মায়াত
কাজল মেঘত জোন জিলিকা দুচকুৰ মায়াত ...

জোন নামে আজিও নিশা ধূসৰ লাগে জোনাক
নিঃসঙ্গতা আঁতৰি নেযায়, সপোন নজগায় হিয়াত
প্ৰেৰণা নেপাওঁ হেৰাবলে' আকৌ চকুৰ মায়াত

সময়ে কিয় বুজি নেপায় মনৰ অতৃপ্ত হেঁপাহ
মৰম, ৰোমাঞ্চ হেৰায় কিয় মৰুভূত কৰ'বাত
আৰু কিছু ৰ'ল যদি হয় সময় চকুৰ মায়াত...

# প্ৰতিবেদন-৩

# 'আস্থা'ৰ জনকল্যাণমূলক কাম-কাজঃ

প্ৰি ইউনিভাৰ্চিটী (৭৫-৭৭) কটনিয়ানসকলৰ এটি সংস্থা পঞ্জীয়ন কৰোৱাৰ প্ৰসঙ্গত গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ প্ৰাঙ্গণত অৱস্থিত Alumni Bhawan ত, ২০১৯ বৰ্ষৰ ৭জুলাইত অনুষ্ঠিত প্ৰথমখন সাধাৰণ সভাতে এটা কথা স্পষ্ট হৈছিল যে জনকল্যাণমূলক কাম-কাজৰ জৰিয়তে সমাজৰ প্ৰতি অৰিহণা আগবঢ়োৱা সংস্থাৰ এক মুখ্য উদ্দেশ্য হোৱাটো সকলোৰে কাম্য। সেয়ে লুটফুৰ ৰহমানে প্ৰস্তুত কৰা আৰু শান্তনু কুমাৰ বৈশ্যই সদস্যসকলৰ পৰামৰ্শ লৈ চূড়ান্ত ৰূপ দিয়া Memorandum of Association খচৰা খনত জনকল্যাণৰ বিষয়টো সংস্থাৰ এক প্ৰধান উদ্দেশ্যৰূপে লিপিবদ্ধ কৰা হয়। সেয়াই নহয় শৰৎ বৰকাকতিৰ দ্বাৰা প্ৰস্তাৱিত "AASTHA" (Alumni Association for Social Transformation and Harmony in Assam) নামটোত আৰু ফাইজুৰ ৰহমানে ডিজাইন কৰা সংস্থাৰ লগ'টোতো জনকল্যাণৰ মনোভাবটো প্ৰকট হৈ পৰে।

২০১৯ বৰ্ষৰ ১০ আগষ্টত বিৰাজ জ্যোতি গোস্বামীৰ বিশেষ উদ্যোগত কটন Alumni Bhawan ত অনুষ্ঠিত 'আস্থা'ৰ সাংস্কৃতিক সন্ধিয়াৰ শেষত শান্তনু কুমাৰ বৈশ্যৰ আমন্ত্ৰণত উপস্থিত ৰঙিয়াৰ ওচৰৰ বিছেন্নালা গাঁৱৰ তিনিগৰাকী উদ্যোগী সমাজকৰ্ম্মীয়ে 'আস্থা'ৰ ফালৰ পৰা তেওঁলোকৰ গাঁৱৰ উন্নয়নৰ বাবে দিহা-পৰামৰ্শ বা সাহায্যৰ বাবে অনুৰোধ জনায়। 'আস্থা'ই তেওঁলোকৰ গাঁও সোনকালে পৰিদৰ্শন কৰি ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশ্বাস প্ৰদান কৰে।

ইতিমধ্যে ২২ ছেপ্টেম্বৰ, ২০১৯ ত শৰৎ বৰকাকতিয়ে তেওঁৰ নিজ গাঁও নগাৱঁৰ পাথৰিত সামাজিক উন্নয়নৰ কাম কাজৰ বাবে নিৰ্ম্মাণ কৰা উৎপাদন তথা প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধনৰ লগত ৰজিতা খুৱাই আয়োজন কৰা স্বাস্থ্য শিবিৰত 'আস্থা'ৰ দুজন চিকিৎসক সদস্য লুটফুৰ ৰহমান আৰু বিৰাজ জ্যোতি গোস্বামীৰ লগতে শান্তনু কুমাৰ বৈশ্য আৰু তপোধন দাসেও ভাগ লয়। প্ৰায় ডেৰশ জন থলুৱা লোকক স্বাস্থ্যশিবিৰৰ সেৱা আগবঢ়োৱা হয়। এই অনুষ্ঠানত গাঁৱৰ ৰাইজৰ বিপুল সহযোগ দেখা পাই 'আস্থা'ই ভৱিষ্যতে উন্নয়নৰ বাবে মনোনীত (Adopt) গাঁওবোৰত একেই আৰ্হিৰে স্বাস্থ্য শিবিৰৰ লগতে উন্নয়নৰ সজাগতা সভা থলুৱা উদ্যোগীৰ সহযোগত আয়োজন কৰাৰ পোষকতা কৰে।

ইতিমধ্যে ১৬ জুলাই, ২০১৯ ত এইবিষয়ক কাম কাজৰ বিষয়ে চিন্তা, আলোচনা বা খা-খবৰ সদস্যসকলক নিয়মিতভাৱে জনোৱাৰ বাবে 'জনকল্যাণ প্ৰাক্তনিয়ান ৭৫' নামেৰে হোৱাটচএপ গ্ৰুপ খোলা হয় আৰু তাত বিভিন্ন সদস্যই সৰৱ ভূমিকা লৈ থাকে। অসমৰ জ্বলন্ত বানপানীৰ সমস্যাৰ বিষয়ে 'আস্থা'ই কি কৰিব পাৰে সেই বিষয়ে যথেষ্ট আলোচনা হয়। ৩০ জুলাইত আয়োজন কৰা এখন সভাৰ কাৰ্য্যবিৱৰণী তলত দিয়া হ'ল ঃ-

A few members of the Coordination and Social Welfare Committee sat together at Alumini Bhawan at 7.30 PM on 30-07-19

The decisions are :

1. Rather than offering donations to the flood victims which is done by many organisations, we should think of meaningful and innovative long term measures.

2. We should study, research on various aspects of flood like reasons of occurance, available flood control measures and their sufficiency, impact of flood during flood, preparedness of the people, possibilities to mitigate affects etc. at micro level by adopting two worst flood affected areas-one in Upper Assam and one in lower Assam.

3. Selection of area will be such that there is acceptance and eagerness of the local people for such adoption. For examole Faizur's village.

4. A panel of resource persons will be created from amongst us and from outside like IIT, AEC, GU to discuss, prepare a blue print of our future actions. This panel and the efforts spearheaded by our group should build and carry an image of excellence to be recognized by Govt. of Assam and other stakeholders in due course of time.

5. A corpus will be created to meet the expenditures for organizing seminars, discussions, study, research etc.

6. The student community of IIT, GU, AEC (as Interns) for such studies, research under guidance of Scholars for short term study may be utilized.

অৱশ্যে ব্যক্তিগত স্তৰত লুটফুৰ ৰহমান আৰু ফাইজুৰ ৰহমানে বানপীড়িত গাঁৱলৈ গৈ সাহায্য সামগ্ৰী আগবঢ়ায় আৰু সদস্যসকলে শলাগ লয়।

২০ অক্টোবৰ, ২০১৯ তাৰিখে ‘আস্থা’ৰ হৈ শান্তনু কুমাৰ বৈশ্য, লুটফুৰ ৰহমান, বিৰাজ জ্যোতি গোস্বামী আৰু শৰৎ বৰকাকতিয়ে Indian Institute of Entrprenurship (IIE) ৰ এজন Development Consultant ক লগত লৈ ৰঙিয়াৰ ওচৰৰ বিছেন্নালা গাঁৱৰ স্থানীয় স্বেচ্ছাসেৱী সংগঠন - মহাবিষ্ণু আলোকসন্ধান চোচাইটিয়ে আয়োজন কৰা এখন সভাত ভাগ লয় আৰু অঞ্চলটোত সম্ভৱপৰ উন্নয়নৰ কাম কাজৰ বিষয়ে আলোচনা কৰে। অঞ্চলটোত উন্নয়নৰ কামত ব্যৱহাৰ হ’ব পৰা জলাশয়, খেতিৰ মাটি আদিও পৰিদৰ্শন কৰা হয় আৰু ভৱিষ্যতে এক আঁচনি তৈয়াৰ কৰিব বুলি ‘আস্থা’ই ঘোষণা কৰে। সভাত উপস্থিত মহিলাসকলক কেনেধৰণৰ প্ৰশিক্ষণ বিচাৰে বুলি সোধাত তেওঁলোকে পানীমেটেকাৰ পৰা শিল্পসামগ্ৰী তৈয়াৰ কৰাৰ প্ৰশিক্ষণ ল’ব খোজে বুলি জনায়। শৰৎ বৰকাকতিয়ে তেওঁৰ নিজা স্বেচ্ছাসেৱী কোম্পেনী Surge - I Foundation ৰ নগাৱঁত চলি থকা মেটেকা উদ্যোগৰ প্ৰশিক্ষিকাৰ জৰিয়তে ‘আস্থা’ৰ সৌজন্যত বিছেন্নালাত তেনে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব বুলি আস্বাস দিয়ে।

ইতিমধ্যে, ‘আস্থা’ৰ এজন সদস্য পল্লৱ ভট্টাচাৰ্য্যক অসম চৰকাৰে অসম চুক্তিৰ ষষ্ঠ অনুচ্ছেদত

অসমীয়া/খিলঞ্জীয়া লোকৰ ভৱিষ্যৎ সুৰক্ষাৰ বাবে পৰামৰ্শ দিবলৈ গঠন কৰা কমিটিৰ সদস্য নিৰ্ব্বাচিত কৰে। অসমীয়া ভাষা বা স্বজাতিৰ প্ৰতি থকা দায়িত্বৰ ফালৰ পৰা এইক্ষেত্ৰত অৰিহণা যোগোৱাৰ ই এক সুযোগ বুলি বিবেচনা কৰি ‘আস্থা’ই তপোধন দাসৰ নেতৃত্বত এখন তদৰ্থ কমিটি এই বিষয়ে আলোচনা কৰি পৰামৰ্শাৱলী প্ৰস্তুত কৰিবৰ উদ্দেশ্যে গঠন কৰি দিয়ে। এই উদ্দেশ্যে খোলা এটা হোৱাটচএপ গ্ৰুপত বিভিন্ন আলোচনা চলে আৰু ২৪ আগষ্ট, ২০১৯ তাৰিখে কটন বিশ্ববিদ্যালয়ৰ Alumni Bhawan ত অনুষ্ঠিত এখন সভাত মিলিত হৈ পৰামৰ্শাৱলী তৈয়াৰ কৰি পল্লৱ ভট্টাচাৰ্য্যলৈ প্ৰেৰণ কৰে।

১৭ নৱেম্বৰ, ২০১৯ তাৰিখে শান্তনু কুমাৰ বৈশ্য আৰু লুটফুৰ ৰহমানে বিছেন্নালা গাঁৱলৈ এগৰাকী কৃষি বিশেষজ্ঞক লৈ যায় আৰু উন্নয়নৰ বিভিন্ন বিষয় স্থানীয় উদ্যোক্তাসকলৰ লগত আলোচনা কৰে। আলোচনাত লোৱা কৰ্ম্মসূচীবোৰ এনেধৰণৰ ঃ

1. Cultivation of potatoes in a plot of area of about 5 bighas.

2. Irrigation with bore well and diesel pump set with Govt. subsidy

3. Fencing around the land.

4. Development of an adjacent water body into a fishery.

5. Plantation of high yielding fruit trees around the fishery.

6. Meeting with District Agriculture officer to know the Govt Schemes for the cultivators. We have already talked to him over phone.

7. A certain amount of seed money (to be contributed by a few of us)

পৰিকল্পনা অনুসৰি বিছেন্নালা গাঁৱত স্থানীয় উদ্যোক্তাসকলৰ উদ্যমত ১০ বিঘা মাটিত আলুখেতিৰ কাম আগবাঢ়ি থাকিল। ‘আস্থা’ৰ কেইবাগৰাকীও সদস্যই ব্যক্তিগতভাৱে ঋণ হিচাপে তেওঁলোকলৈ আৰ্থিক সাহায্যও আগবঢ়ালে।

১০ ডিচেম্বৰ, ২০১৯ ত লাচিত নগৰৰ সৈনিক ভৱনত অনুষ্ঠিত ‘আস্থা’ৰ কাৰ্য্যকৰী সভাত বিছেন্নালা গাঁৱত চলি থকা কাম কাজৰ খতিয়ান শান্তনু কুমাৰ বৈশ্যই আগবঢ়ায়। সেই সভাতে শৰৎ বৰকাকতিৰ স্বেচ্ছাসেৱী কোম্পেনী Surge-I Foundation ৰ তিনিগৰাকী প্ৰশিক্ষিকাই এসপ্তাহৰ বাবে বিছেন্নালা গাঁৱত থাকি তাৰ মহিলাসকলক প্ৰশিক্ষণ দিয়াৰ ক্ষেত্ৰত হোৱা প্ৰশিক্ষণৰ খৰচ Surge-I Foundation ক দিবলৈ সিদ্ধান্ত লয়। ভৱিষ্যতে জনকল্যাণৰ বাবদ হ’বলগীয়া খৰচবোৰ কৰাৰ বাবে ‘আস্থা’ৰ সদস্যসকলৰ পৰা এই শিতানতে বৰঙনি লৈ এক পৃথক পুঁজি তৈয়াৰ কৰিব লাগে বুলিও সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

২ ফেব্ৰুৱাৰি, ২০২০ ত বিছেন্নালা গাঁৱত মেটেকাৰ পৰা শিল্পসামগ্ৰী তৈয়াৰৰ প্ৰশিক্ষণ, প্ৰশিক্ষাৰ্থীসকল আৰু স্থানীয় উদ্যোক্তা সকলক লৈ এখন সভাৰে আৰম্ভ হয়। তাত উপস্থিত থাকে Surge-I Foundation ৰ তিনিগৰাকী প্ৰশিক্ষিকাক লৈ পত্নীৰে সৈতে শৰৎ বৰকাকতি, শান্তনু কুমাৰ বৈশ্য, জয়ন্ত চৌধুৰী, জোনা মহন্ত, ৰুমিমা দাস, হিৰন্ময়ী দেৱী আৰু দীপালি ডেকা। উদ্যোক্তাসকলে বৰ

আদৰ-সাদৰকৈ আয়োজন কৰা দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰাৰ পিছত ‘আস্থা’ৰ সদস্যসকলে প্ৰশিক্ষিকা কেইগৰাকীক বিছেন্নালা গাঁৱৰ আতিথ্যত ৰাখি বিদায় লয়। ৯ ফেব্ৰুৱাৰি, ২০২০ তাৰিখে ৮ দিনীয়া প্ৰশিক্ষণ শিবিৰৰ অন্তত শৰৎ বৰকাকতি আৰু Surge-I Foundation ৰ হৈ তৃষ্ণা বৰকাকতিয়ে ২০ গৰাকী প্ৰশিক্ষাৰ্থীক চাৰ্টিফিকেট প্ৰদান কৰে।

১মাৰ্চ, ২০২০ ৰ পৰা বিছেন্নালাত আয়োজিত পৰম্পৰাগত বিষ্ণুযজ্ঞত তেওঁলোকে মেটেকাৰ পৰা উৎপাদিত সামগ্ৰীৰ দোকান দিয়ে।

‘আস্থা’ৰ সহযোগিতাত বিছেন্নালা গাৱঁত কৰা আলু খেতি চপোৱাৰ কাম ২২ ফেব্ৰুৱাৰিত আৰম্ভ কৰা হয়। সেই উপলক্ষে শান্তনু কুমাৰ বৈশ্য, সহধৰ্মিণীৰ সৈতে তপোধন দাস, দীপালি ডেকা, ৰুমিমা দাসে তেওঁলোকৰ কামত উৎসাহ দিবলৈ বিছেন্নালা গাওঁ পৰিদৰ্শন কৰে।

এইবছৰ বিছেন্নালা গাঁৱৰ উদ্যোক্তাসকলে মুঠ ৩৫ বিঘা মাটিত উদ্যান শস্য উৎপাদনৰ যো-জা কৰিছে। লগতে ৭০ মিটাৰ দীঘল আৰু ৬৫ মিটাৰ আয়তনৰ এটা পুখুৰী খান্দি অটোৱা হৈছে আৰু তাত মাছৰ পোনা এৰি দিয়া হৈছে।

কটনিয়ান ৭৫-৭৭ ৰ
জনকল্যাণমূলক কামৰ প্ৰয়াস
**শৰৎ বৰকাকতি**
সম্পাদক
সামাজিক-সাংস্কৃতিক কাৰ্য্যকলাপ

●●●

# ধৃষ্টদ্যুম্ন

**পঙ্কজ কুমাৰ নেওগ**

“ধৃষ্টদ্যুম্ন” - এই শব্দটো শুনিলে এতিয়াও মোৰ অন্তৰৰ চুক এটা অলপ হ’লেও কঁপি উঠে। মন উৰি যায় শৈশৱৰ সেই দিনবোৰলৈ যেতিয়া জোঁটাই- জোঁটাই অসমীয়া যুক্তাক্ষৰ পঢ়িবলৈ আৰু লিখিবলৈ শিকিছিলোঁ। সম্ভৱতঃ তেতিয়া মই পাঠশালা স্কুলৰ খ-মান বা খুব বেছি প্ৰথম শ্ৰেণীত।

নগাঁৱৰ মহেন্দ্ৰ বৰুৱা প্ৰাইমেৰী স্কুলত দেউতাই নাম লগাই দিছিল। আমি আছিলোঁ ফৌজদাৰী পট্টিত এসময়ৰ কৃষিমন্ত্ৰী স্বৰ্গীয় লক্ষ্মী প্ৰসাদ গোস্বামীৰ ঘৰৰ পোনে পোনে। সেই সময়ত আমাৰ ঘৰলৈ

(শেষাংশ ১০৭ পৃষ্ঠাত)

চাকৰিজীৱী আমাৰ সহপাঠীসকলৰ সৰহ সংখ্যকে ২০১৮ ইং চনৰ পৰা ২০২০ ইং চনৰ মাৰ্চ মাহৰ ভিতৰত অৱসৰ গ্ৰহণ কৰোঁ। সহপাঠীসকলৰ অৱসৰত ভিন্ন জনৰ মনত উদ্ৰেক হোৱা অনুভূতি-উপলব্ধিৰ প্ৰকাশ হোৱাট্চএপৰ পৰা ছপা আখৰত মূৰ্ত্ত হৈ উঠিছে...

## কস্তুৰীৰ অৱসৰত অভিনন্দন

**ৰঞ্জনা দত্ত**

অভিনন্দন কস্তুৰী
স্বাগতম অৱসৰী জীৱনলৈ।
বাঃ ডেৰ কুৰি বছৰ!
এয়াতো কম সময় নহয়!
উশাহ লবলৈ সময় নোপোৱা সময়বোৰ
সফল মাতৃ, সুগৃহিনী আৰু অফিচৰ
বাৰে ভচহু কামবোৰ
হাঁহি হাঁহি অনায়াসে কৰি
পাৰ কৰি দিলা ষাঠিটা বছৰ।
কাইলৈৰ পৰা নতুন জীৱন,
নতুন যাত্ৰাপথ...
কিছু জিৰণি লোৱা
দেশ বিদেশে ৰিঙিয়াই মাতে।
অৱসৰ বিনোদন আৰু
টুক্ টাক্ কামবোৰ কৰি
গাটো টঙাই লোৱা।
নতুন কস্তুৰীজনী হৈ
নিত্য নতুন অৱদানেৰে
আমাৰ ভৰাঁলটো
চহকী কৰা।

## স্বাগতম অৱসৰী জীৱনলৈ

**শৰৎ বৰকাকতি**

কস্তুৰী
তুমিতো ব্যস্ত
কাগজ পত্ৰ সামৰি
অৱসৰৰ সম্বৰ্দ্ধনা সভাত
তোমাৰ চাকৰি জীৱনৰ
শেষ ভাষণটো দি হ'বা আজৰি
তাৰপিছত আছে
জী জোঁৱাইক
লগ পাবলৈ যোৱাৰ লৰালৰি
এইকণ সময়তে
তোমালৈ যাঁচিছোঁ
আমাৰ হৃদয়ৰ
চেনেহসনা
অভিনন্দন
শুভেচ্ছা
আৰু
নতুন জীৱনলৈ
আদৰণি সূচক
উৰুলি এজাউৰি।

# অৱসৰী জীৱনলৈ স্বাগতম

**ৰুমিমা দাস**

আন এটা জীৱনলৈ গতি মোৰ
হয়তো আজি
আটায়ে অভিনন্দন যাচিব
আজিৰ তুমি কাইলৈ অতীত হ'বা
স্মৃতি স্মৰণৰ বাহিৰে
তোমাৰ হয়তোবা একোকে নেথাকিব
সাৱলীল বক্তৃতা, গীতে মাতে,
হাত-চাপৰি একাকাৰ হৈ যোৱা
সময়বোৰে স্মৃতিৰ পটত
নীৰৱে চকুলো বোৱাব
মানস পটত ভাহি অহা
শত সহস্ৰাধিক স্মৃতিয়ে,
জীৱনৰ তিতা, মিঠা অভিজ্ঞতাবোৰে
কালিৰ সপোন বোৰে
আজি তোমাক হঁহুৱাব
দিঠকত হেৰুৱাৰ বেদনাত
তুমি হয়তো কান্দিবা!!
ভাল-বেয়া, সুখ-দুখৰ
ভাগ বতৰা কৰিবলৈ
তোমাৰ হয়তোবা কোনোৱে নেথাকিব!!
যান্ত্ৰিক যুগৰ ব্যস্ততাত বাস্তৱ ছবিখন
আদৰিবলৈ প্ৰস্তুত হোৱা
সুখ-দুখৰ জীৱন চকৰিত
নিজকে ঘূৰাবলৈ
আজিৰ সুখবোৰে কাইলৈ হুমুনিয়াহ হ'ব
একেবাৰে শূন্যতা
কিযে গভীৰতা অৱসৰী জীৱনৰ
আদৰিবলৈ প্ৰস্তুত হোৱা।

# আৰম্ভণি

**মদন চন্দ্ৰ ডেকা**

জোনা আৰু দীপালি
কলেজীয়া মিতালি
শেষ হ'ল আজি শেষ নোহোৱা ঐককেন্দ্ৰিক
জীৱন পৰিক্ৰমা
শেষ হ'ল আজি অনেক বছৰৰ সময়ৰ কৰ্ষণ

পূৰ্ণ আজি অভিজ্ঞতাৰ মোনা
সহপাঠী দীপালি আৰু জোনা

ৰূপালী লহৰে খেলিছে, খেলক
বয়সৰ কথা নাপাতিলেই হ'ল
যাঠিত আৰম্ভ নতুন জীৱন
শতকলৈ নাই বেছি দূৰ

জীৱন জীৱন মহাজীৱন
অনন্ত সময় আৰু অলেখ সপোন
এতিয়া মাথোঁ প্ৰত্যাশা পূৰণ
হে অভিযাত্ৰী !
অন্তৰৰ শুভকামনা পাথেয় তোমাৰ।

# কস্তুৰীৰ অৱসৰত

**পঙ্কজ কুমাৰ বৰুৱা**

কস্তুৰী,

অৱশেষত তোমাৰ চৰকাৰী কৰ্ম্মজীৱনৰ পৰা অৱসৰ লোৱাৰ দিনটো আহিল। কেনে অনুভৱ হৈছে, যোৱা বছৰ ঠিক আজিৰ দিনটোত খুব ভালকৈয়ে উপলব্ধি কৰিছিলোঁ। তুমি সংবেদনশীল, লেখিকাও। সেয়েহে অনুভৱ, অনুভূতিবোৰ সাধাৰণতকৈ গাঢ় হব।

জীৱন পৰিক্ৰমাত অৱসৰৰ দিন, এক নিশ্চয়তা। কিন্তু তাৰে ভিতৰতে অনেক এই দিনটোত উপনীত হ'বও নোৱাৰে, বিভিন্ন কাৰণত। তুমিও এই সন্ধিক্ষণত উপনীত হোৱা ভাগ্যৱানসকলৰে এগৰাকী। জীৱনৰ কাঁইটীয়া পথেৰে আগুৱাই যাওঁতে নিশ্চয় অনেক খলাবমা বা বাধাৰ প্ৰাচীৰ অতিক্ৰমিছা। এতিয়া তুমি কৰ্ম্মজীৱনৰ লগে লগে সমাজ জীৱন আৰু গাৰ্হস্থ্য জীৱনৰো অভিজ্ঞতাপুষ্ট এগৰাকী সমাজৰ মহিয়সী নাৰী।

নিশ্চিতভাৱে এটা সাফল্যমণ্ডিত কৰ্ম্মজীৱনৰ অন্তত এক স্বস্তিৰ নিস্বাস পেলাব পাৰিছা।

এতিয়া তুমি দেশৰ এগৰাকী বয়োজ্যেষ্ঠ আৰু জ্যেষ্ঠ নাগৰিক। ভাবিলে দায়িত্ব অনেক, নাভাবিলে একো নাই, অৱসৰৰ সময়।

এই ক্ষণত মই তোমাক অভিনন্দন আৰু পৰৱৰ্ত্তী জীৱনকাল নিৰোগী, সুখী আৰু আনন্দময় হোৱাৰ কামনা কৰিলোঁ। ইতি

পঙ্কজ বৰুৱা

# কস্তুৰীলৈ

**জোনা মহন্ত**

আজিৰ পৰা তুমি মুক্ত বিহঙ্গ
নাই কোনো চৰকাৰী বাধ্যবাধকতা
আৰু নাই সময়ৰ হেঁচাৰ তাড়না
বহুদূৰ পথ অতিক্ৰম কৰি
আহিলা তুমি চৰকাৰী দায়িত্বৰ
অন্তিম দিনলৈ
চাকৰিৰ অৱসৰ মানে নহয়
সকলো দায়িত্বৰ পৰা অৱসৰ
ন ন আঁচনিৰে, ন ন সৃষ্টিৰে
কৰা তুমি চহকী ভঁৰাল
আগন্তুক জীৱনলৈ
হিয়া ভৰা অভিনন্দন।

# Different feeling on retirement

**Jayanta Choudhury**

No
It is the fear of what will happen if I retire that keeps me going
In a way
I'd like to know how I'd have felt if somebody said that
You are done
Get out
Then you are forced to do something different
Because I'm not among those noble ones who became a doctor to save the world
I became one because I did not have anything else to do for a living
All these noble doctors make me laugh at myself
It is nothing for me but as Clint Eastwood said
For a fistful of Dollars
So that I don't have to depend on others

# স্বাগতম অৱসৰী জীৱনলৈ

**ৰুমিমা দাস**

জোনা, যাৰ উজ্জ্বলতাত ম্লান পৰে তমসা
’৭৫ ৰ কটনৰ দুৱাৰদলিত
লগ পোৱা জোনা
আজি ধাৱমান অন্য গতিলৈ
একেই হাঁহি, একেই সৰলতা

অফুৰন্ত শক্তি আৰু সাহসৰ প্ৰতীক
যাৰ প্ৰখৰতাত নিস্তেজ হয়
হতাশা আৰু নিৰাশাৰ অপশক্তি
হাতৰ যাদু পৰশত প্ৰাণ পায়
তোমাৰ সপোন
সফলতাৰ দুৱাৰ গৰকি আগবাঢ়া ৰণুৱা
স্বাগতম তোমাক
তোমাৰ নতুন জীৱনলৈ

# অৱসৰ

## দীপালি ডেকা

আজি অৱসৰৰ দিন
জীৱন পৰিক্ৰমাৰ এটি
অধ্যায়ৰ পৰিসমাপ্তি
ভাবনাৰ চাকনৈয়াত
উটি ভাহি ফুৰিছে
অলেখ চিন্তা
আজিৰে পৰা সলনি হ'ব
জীৱনৰ দিনপঞ্জী
নাথাকিব কোনো
সময়ৰ তাগিদা
অথবা
ছিলেবাচৰ ক'ৰ্চ
শেষ কৰাৰ চিন্তা
নুশুনিম ল'ৰা-ছোৱালীৰ
কোলাহল আৰু
স্কুল ছুটীৰ ঘণ্টা ধ্বনি
সাংসাৰিক ব্যস্ততাত
সোমাই পৰিব জীৱন
মাজে মাজে অতীতৰ
স্মৃতিয়ে ভূমুকি মাৰিব
কমনৰুমৰ চাহৰ আড্ডা
শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক
দিয়া দাবি-ধমকি
পৰীক্ষাহলত ইফালৰ পৰা
সিফালে দিয়া গহীন খোজ
জীৱনৰ এটি নতুন
অধ্যায়ৰ আৰম্ভণি
পৰিৱৰ্ত্তন হ'ব
দৈনিক দীনপঞ্জী
অসুবিধা হ'ব কিছুদিন
তথাপিও আদৰিব লাগিব
নতুন জীৱন
কিয়নো এইটো এটা
ধাৰাবাহিক পৰম্পৰা।

# অৱসৰ

## কঙ্কন শৰ্ম্মা

এতিয়া আৰু নাই সেইদিন
নিদিয়ে বিদায় সভাত
এডাল লাখুটি, এটি ছাটি,
আৰু এখন ধৰ্ম্মপুথি।

অৱসৰ ল'লে
খুচিমতে খাব পাৰি একাপ চাহ
চকুমুদি অথবা প্লেটত ঢালি!
নুঠিলেও নুঠিব পাৰি
ঠাণ্ডাৰ শোৱাপাটি
বৰষুণত লিখিব পাৰি, পঢ়িব পাৰি,
পাৰি মাৰিব আড্ডা।

বহুতে কয়
অৱসৰত সমূলি অৱসৰ নাই
মই দোমোজাত আছোঁ
ছিনিয়ৰ চিটিজেন পালো হয়
অৱসৰলৈ বহুদূৰ
'৬৫' নহয়?
সেয়ে দোধোৰমোধোৰত আছোঁ
লিখোঁ আৰু ফালি পেলাওঁ
ভি, আৰ, এছৰ এপ্লিকেশ্বন।

# কৃষ্ণা শৰ্মাৰ অৱসৰ উপলক্ষে

**কস্তুৰী নিভা গগৈ**

টি.চি স্কুল আৰু কটন কলেজ '৭৫-৭৭ সহপাঠী, তুমি জালুকবাৰী ইঞ্জিনিয়াৰিং কলেজত পঢ়ি থকা দিনত গুৱাহাটী বিশ্ববিদ্যালয়ত মই Journalism ৰ ছাত্ৰী, তেতিয়াও তোমালোকৰ ছাত্ৰ সকলে নাম দিয়া 'অগ্নিগড়' ছোৱালী হোষ্টেললৈ গৈছিলোঁ, তোমাৰ ৰুমমেট শকুন্তলাও আমাৰ টি.চি ৰ সহপাঠী (শকুন্তলা আৰু মই নিজৰাপাৰ প্ৰাথমিকৰো সহপাঠী) তোমাৰ মাতৃগৃহ ভৰলুমুখৰ পৰা মোৰ মাতৃগৃহ চান্দমাৰী নিজৰাপাৰলৈ অহাযোৱা আছিল, পঢ়াশলীয়া দিনত তুমি অঙ্কত ইমানেই চোকা আছিলা ১ নম্বৰো কটা যোৱা নাছিল, আমি তোমাক 'অঙ্কৰ পোক' বুলিয়েই ভাল অৰ্থত নামকৰণ কৰিছিলোঁ, সাহিত্যতো তোমাৰ সমানেই দখল আছিল, তুমি অত্যন্ত সাহিত্যানুৰাগী আছিলা, কবিতা গল্পও আলোচনী কাকতত লিখিছিলা, চাকৰিৰ গধুৰ দায়িত্ব আৰু সময়ৰ অভাৱত গভীৰ মনোযোগ দিব নোৱাৰিলেও তোমাৰ লিখনি শেষ হোৱা নাই, থাওকতে থিতাতে লিখিব পৰা গুণ এতিয়াও আছে তোমাৰ। প্ৰমাণ পাই থৈছোঁ TCian সহপাঠীৰ get-together ৰ দিনাই APDCL ৰ GM ৰ দৰে গধুৰ দায়িত্ব বহন কৰি কৰ্ম্মত গভীৰ মনোনিৱেশ কৰিলা, এদিন নিশা ৯ বজাত তুমি অফিচৰ পৰাই ফোন কৰি জনাইছিলা মোক বহু চেষ্টা কৰিও সেইদিনা সোনকালে অফিচৰ পৰা ওলাব নোৱাৰি আমাৰ দুই সহপাঠী জুলি আৰু জুৰিৰ দুই কন্যাৰ বিবাহত উপস্থিত থাকিব নোৱৰা আৰু আমাক লগ নোপোৱাৰ দুখত দুঃখিত বুলি, আমি দুয়োজনী বান্ধৱীৰ ছোৱালীৰ বিয়াত উপস্থিত হৈ দুয়োকে স্নেহাশিস দি আনন্দ স্ফূৰ্ত্তিত মছগুল হৈ থাকোঁতে তুমি দায়িত্ব আৰু কৰ্ত্তব্যত মনোযোগ দিবলগীয়া হ'ল।

সহপাঠী বন্ধু প্ৰয়াত অৰূপৰ অসুস্থতাৰ সময়ত তেওঁৰ দায়িত্বও তুমিয়েই বহন কৰিবলগীয়া হৈছিল।

আজি তোমাৰ অৱসৰৰ শুভদিন, গধুৰ দায়িত্বৰ পৰা স্বাধীনতা লাভৰ দিন, স্বামী পুত্ৰ বোৱাৰীৰ সৈতে তোমাৰ সুখৰ সংসাৰ, তোমাৰ স্বামী Er গোলোক চক্ৰবৰ্ত্তী ডাঙৰীয়াইয়ো ইতিমধ্যে অৱসৰ গ্ৰহণ কৰিছে। তেৰোঁ ভাল পাঠক আৰু অত্যন্ত সাহিত্যানুৰাগী ভদ্ৰলোক।

তুমি আজিৰেপৰা জ্যেষ্ঠ নাগৰিক হ'লা। আগন্তুক দিনবোৰত তুমি কলম পুনৰ তুলি ল'বা নিৰন্তৰ লিখি যাবা।

চিৰ চেনেহী ভাষা জননীৰ সেৱাত ব্ৰতী হ'বা।

আজি এই অৱসৰৰ শুভ মুহূৰ্ত্তত তোমালৈ অযুত মৰম নিযুত শুভকামনা। চিৰদিন থাকিব আমাৰ মৰমৰ নিছিগা এনাজৰী।

# অৱসৰ

**জোনা মহন্ত**

কাইলৈৰ পৰা attendance register ত মোৰ নাম নাথাকিব। মোৰ ঠাইত আন এজনৰ নাম লিপিবদ্ধ হ'ব। কথাটো ভাবি আহি আছোঁ স্কুললৈ। মনৰ মাজত অলেখ ভাবৰ বুৰবুৰণি।

আজি 31st Oct. 2019 মোৰ অৱসৰৰ দিন। কিছুদিনৰ পৰা বহুতেই বহুত প্ৰশ্ন কৰে। তোমাৰ / আপোনাৰ অনুভৱ কেনেকুৱা, retirement ৰ পিছত কি কৰিবাঁ, ঘৰত বহি থাকিলে বেমাৰী হৈ যাবাঁ ইত্যাদি...। তেওঁলোক মোৰ প্ৰতি বৰ চিন্তিত। আচলতে মই এইবোৰ কথা এতিয়াও একো ভবা নাই। মাত্ৰ সদায় ভবাৰ নিচিনাকৈ আজিও মনতে ভাবিছোঁ অমূল্য সময় অবাবত নষ্ট কৰিব নোৱাৰি।

মনৰ মাজত মিশ্ৰিত অনুভৱ। ভাল লাগিছে, ৰাতিপুৱাই বাৰে বাৰে ঘড়ীটো চাই লৰা- ঢপৰা কৰিব নালাগে। কাইলৈৰ পৰা মোৰ দৈনিক দীনপঞ্জী সলনি হ'ব। নাথাকিব সময়ৰ বাধ্যবাধকতা। নুশুনিম ল'ৰা-ছোৱালীৰ কোলাহল আৰু স্কুলৰ শ্ৰেণীৰ ঘণ্টাৰ ধ্বনি।

ন বজাত গেটত তলা মাৰিবলৈ আহি ৰঞ্জিত বা চফিকুলে বাইদেউ আহি পালে নে নাই বুলি ডিঙি মেলি গাড়ীখন পাৰ্কিঙৰ ঠাইত আৰু চাব নালাগে।

কম'ন ৰূমত সদায় মই বহী থকা চকীখন আৰু কোনেও মোৰ বাবে খালী কৰি নথয় মই আহিম বুলি। ভাতৃ, ভগ্নীসম সহকৰ্মীসকলৰ হাঁহি কান্দোনৰ ভাগ লৈ তেওঁলোকৰ সুখত সুখী আৰু দুখত সান্ত্বনাৰ দুশাৰী ক'বলৈও নাথাকিম। কম'ন ৰূমৰ আড্ডা বৰ miss কৰিম। কিন্তু স্মৃতিৰ মণিকোঠাত সদায় তাৰ অনুৰণন শুনিবলৈ পাম।

মনৰ মাজত সাগৰৰ ঢৌৰ নিচিনাকৈ এটাৰ পিছত আন এটা ভাব আহে আৰু আনটোৰ লগত মিলি যায়। কেতিয়ানো আহি স্কুল পালোহি ধৰিবই নোৱাৰিলোঁ। আন দিনাৰ নিচিনাকৈ সোমাই আহিলোঁ যদিও মনলৈ আহিল কাইলৈৰ পৰা এনেদৰে সোমাই আহিবলৈ যেন মনত সংশয় ভাব আহিব।

Attendance register -ত মোৰ জীৱনৰ শেষ চহীটো মাৰিবলৈ আগুৱাই গৈ ৰূমত সোমাই register খনত হাত থওঁতেই মনত পৰিল প্ৰথম চাকৰিত join কৰিবলৈ অহা দিনটোৰ কথা। সৌ সিদিনা যেন লাগিল... কেনেকৈ পাৰ হৈ গ'ল জীৱনৰ 35 yrs 5 months 27 days........

জীৱনৰ এক দীঘলীয়া অধ্যায়ৰ পৰিসমাপ্তি ঘটিল। এক সফল পৰিসমাপ্তি।

●●●

৯৯ পৃষ্ঠাৰ পৰা
মাজে মাজে এজন 'আলহী' আহিছিল। পূজা, বিহু ইত্যাদি বন্ধৰ সময়ত প্ৰায়েই 'আলহী' গৰাকী ৰিক্সাত ট্ৰাঙ্ক বা বেডিং (হল্ড-অল) এটা লৈ আমাৰ ঘৰত নামিছিল আৰু দুই-তিনি সপ্তাহ থকাৰ পিছত পুনৰ বয়-বস্তুৰ সৈতে উভতি গৈছিল। সেই বিশেষ 'আলহী'জনৰ আগমনত মই ভীষণ ৰুষ্ট হৈছিলোঁ - মোৰ যেন খোৱা-বোৱা, খেলা-ধূলা,ফুৰা-চকা সকলোবোৰতে স্বাধীনতা খৰ্ব্ব হৈছিল।

"I am the Monarch of All" - সেই ভাবটো কিছুদিনৰ বাবে হ'লেও পাম যোৱা বেলুনটোৰ দৰে হৈছিল। ঘৰৰ সকলোবোৰ বিশেষকৈ মা-দেউতা বা বাইদেউহঁত সেই বিশেষ 'আলহী' জনক লৈ ব্যস্ত হৈ পৰিছিল। 'আলহী' গৰাকীক মই আটাইতকৈ বেয়া পোৱাৰ কাৰণ হ'ল তেখেতে যেতিয়াই তেতিয়াই মোক পঢ়া -শুনাৰ কথা সুধি ব্যতিব্যস্ত কৰিছিল। ৰাতিপুৱা মোক পঢ়া টেবুলত বহুৱাই অসমীয়া যুক্তাক্ষৰ থকা নানা তৰহৰ বানান সুধি সেইবোৰ চিলেটত লিখিবলৈ দিছিল। মাজে মাজে যোগ, বিয়োগ, পূৰণ, হৰণ আদিৰ সানমিহলি অঙ্ক বা সৰু, মাজু বা বৰ বন্ধনী দিয়া সৰল অঙ্ক সমাধান কৰিবলৈ দিছিল, কেতিয়াবা নেওতা মুখস্থও ধৰিছিল। মুঠতে তেখেতে আমাৰ ঘৰত থকা কেইদিন বন্ধৰ দিনা ৰাতিপুৱা বা সপ্তাহৰ দিন কেইটাত গধূলি কিছু সময় হ'লেও পঢ়া টেবুলত বহিবলৈ বাধ্য হৈছিলোঁ। 'আলহী' গৰাকীক সকলোতকৈ ভয় লাগিছিল যেতিয়া তেখেতে মোক অসমীয়া বানান সুধিছিল - এটা এটা বানান ভুল কৰাৰ পৰিণাম আছিল এটা এটা কাণমলা! মোক সোধা তেনে এটা ভয়ঙ্কৰ বানান আছিল "ধৃষ্টদ্যুম্ন"! সেই বয়সত মুখেৰে কোনোপধ্যে উচ্চাৰণ কৰিব নোৱৰা শব্দটোৰ বানান কোনোদিনে সঠিকভাৱে ক'ব বা লিখিব পৰা নাছিলোঁ আৰু ফলস্বৰূপে অজস্ৰ কাণমলাও খাবলগীয়া হৈছিল।

মোৰ বিলৈ দেখি মা আৰু বাইদেউহঁতে দূৰৈৰ পৰা মুখ টিপি হাঁহি থকা দেখি মোৰ খং দুগুণে চৰিছিল কিন্তু কৰিবলৈ একো নাছিল। পিছলৈ এই বানান সোধা আৰু অঙ্ক কৰিবলৈ দিয়া 'আলহী' গৰাকী আমাৰ ঘৰলৈ অহা বুলি গম পালে মই যিমান পাৰি পলাই ফুৰিবলৈ চেষ্টা কৰিছিলোঁ আৰু একেবাৰে নোৱৰাতহে ধৰা দিছিলোঁ!

কেইবাবছৰৰ মূৰত অলপ ডাঙৰ হোৱাৰ পাছত হে বুজি পাইছিলোঁ যে মোক বানান সোধা আৰু অঙ্ক কৰিবলৈ দিয়া 'আলহী' জন অইন কোনো নহয় নিজৰ ডাঙৰ ককাইদেউহে! স্বৰ্গীয়া/ স্বৰ্গীয় মা-দেউতাৰ আমি নটা সন্তান, তাৰে পাঁচগৰাকী ছোৱালী আৰু চাৰিজন ল'ৰা। মই হ'লোঁ ঘৰৰ পেটমোচা। বাইদেউ বা ককাইদেউহঁতৰ সৈতে মোৰ বয়সৰ ব্যৱধান অনেক বেছি।

মই 'ক' 'খ' মানত থাকোঁতেই প্ৰথম দুয়োজন ককাইদেউ গুৱাহাটীৰ কলেজত পঢ়ি আছিল। ওপৰৰ উল্লিখিত ককাইদেউজন তেতিয়া অসম ইঞ্জিনিয়াৰিং কলেজৰ ছাত্ৰ আছিল আৰু স্বাভাৱিকতে বিহু-পূজা ইত্যাদিৰ বন্ধত ঘৰলৈ আহিছিল।

১৯৭৫ চনত এইজনা ককাইদেউৰ এটা পুত্ৰ সন্তান অৰ্থাৎ মোৰ ভতিজাৰ জন্ম হোৱাৰ পিছতেই কেচুঁৱা চাবলৈ গৈ ককাইদেউক প্ৰথমে মই এইবুলি কৈছিলোঁ-

"তই সৰুতে মোক যুক্তাক্ষৰ থকা অসমীয়া বানান সুধি আৰু অঙ্ক কৰিবলৈ দি বহুত হাৰাশাস্তি কৰিছিলি, এতিয়া মোৰো প্ৰতিশোধ লোৱাৰ সময় আহি আছে ৰ"!

ককাইদেৱে মোৰ কথা শুনি হাঁহি এটা মাৰিছিল। অৱশ্যে মেট্ৰিক পাছ কৰি দুবছৰ কটন কলেজত আৰু পি, ইউ পাছ কৰি পাঁচ বছৰৰ কাৰণে ধানবাদলৈ পঢ়িবলৈ যোৱাত আৰু তাৰ পাছতেই বাহিৰে বাহিৰে **ONGC, OIL** ইত্যাদি কোম্পানীত চাকৰিত সোমোৱাত ভতিজাক বানান সোধা বা অঙ্ক কৰিবলৈ দিয়া ভাগ্য মোৰ কেতিয়াও নহ'ল। এতিয়া সেইজন ভতিজাৰেই ছোৱালী আঠ বছৰীয়া হ'লহি। কিন্তু এতিয়া ভতিজাহঁত শ্বিলঙত কৰ্ম্মৰত আৰু আমিও ওমানৰ মাস্কাটত! ছেঃ, নাতিনীজনীকো বানান সোধা আৰু অঙ্ক কৰিবলৈ দিয়া ভাগ্য মোৰ নহ'ব চাগে! তথাপিও শৈশৱতে ককাইদেউৰ ওপৰত উঠা খংটো মোৰ এতিয়াও জামৰা নাই!

মই এতিয়াও ভাবি আছোঁ - এইবাৰ শীতৰ বন্ধত গুৱাহাটীলৈ ভতিজাহঁত নিশ্চয় আহিব! এইবাৰ নাতিনীজনীক লগ পালে মই নিশ্চয়কৈ ক'ম -"চিমি, তুমি এই ককাক 'ধৃষ্টদ্যুম্ন' Spelling টো এবাৰ কৰি শুনোৱাচোঁন -মাত্ৰ এবাৰ! অসমীয়াত নালাগে বাৰু - ইংৰাজীত কৰি শুনালেও হ'ব"!!!

●●●

# চিকিৎসা বিজ্ঞানৰ ইটো সিটো ঃ মেন'পজ (Menopause)

**ডাঃ অমল শইকীয়া**

মহিলাৰ শৰীৰৰ গঠন, যৌৱন, কমনিয়তা শৰীৰত উৎপন্ন হোৱা বিভিন্ন হ'ৰমন আৰু সেই হ'ৰমনৰ দ্বাৰাই নিয়ন্ত্ৰিত হয়। আমাৰ মগজুৰ তলফালে থকা হাইফ'থেলামাচ্ (Hypothalamus) নামৰ মগজুৰ অংশটোৱে জি এন আৰ্ এইছ্ (GNRH) নামৰ হ'ৰমন নিঃসৰিত কৰি কাষতে থকা এনটেৰি'ৰ্ পিটুইটেৰি গ্ৰন্থিক এফ এছ্ এইছ্ (FSH) নামৰ আন এবিধ হ'ৰমন নিঃসৰণ কৰিবলৈ নিৰ্দ্দেশ দিয়ে। নিঃসৰিত হোৱা এফ্ এছ্ এইছ্ হ'ৰমনে ৰক্তপ্ৰবাহৰ জৰিয়তে গৰ্ভাশয়ৰ (UTERUS) দুই কাষে থকা ডিম্বাকৃতিৰ যি কোনো এটা ডিম্বকোষত(OVARY) ক্ৰিয়া কৰি ডিম্বকোষত জমা থকা ডিম্বৰ এটা চামক পূৰঠ অৱস্থালৈ নিবলৈ চেষ্টা কৰে যদিও ডিম্বাশয় দুটাৰ যি কোনো এটা ডিম্বাশয়ৰ এটা ডিম্বহে ফাৰটিলাইজেচনৰ (Fertilisation) কাৰণে সম্পূৰ্ণ পূৰঠ অৱস্থা এটা পায়। ডিম্ববোৰ পূৰঠ অৱস্থালৈ গৈ থকা অৱস্থাত এষ্ট্ৰজেন্ (Estrogen) নামৰ হ'ৰমন নিঃসৰণ কৰি গৰ্ভাশয়ৰ ভিতৰত এখন কোমল বিছনাৰ সৃষ্টি কৰে। এই কাৰ্য্যভাৰৰ পিছত ডিম্বাশয়ৰ পূৰঠ ডিম্বটো ডিম্বাশয়ৰ পৰা ওলাই যোৱাৰ পিছত

(শেষাংশ ১১৩ পৃষ্ঠাত)


ভিন্ন সময়
ভিন্ন মিলন
GRAND REUNION



*Flavours of Assam*
*10th August '19*


Shaam-e-mehfil
14th Sept.'19




কৰ্মসংস্কৃতিৰ সজাগতা- বিছেন্নেলা আৰু পাথৰিত

১০৮ পৃষ্ঠাৰ পৰা
অলপ দিনৰ কাৰণে থকা কৰ্পাছলুটিয়াম্ (Corpus luteum) নামৰ পূৰঠ ডিম্বৰ থাকি যোৱা বাহটোৱে এষ্ট্ৰজেন আৰু প্ৰজেষ্ট্ৰন (PROGESTRONE) নিঃসৰণ কৰি লয়। ইফালে পূৰ্ণ অৱস্থা পোৱা ডিম্বটোৱে মগজুৰ পিটুইটেৰি গ্ৰন্থিয়ে নিঃসৰণ কৰা এল এইছ্ (LH) হ'ৰমনৰ সহায়ত ডিম্বাশয়ৰ পৰা ওলাই (OVU-LATION) গৰ্ভাশয়ৰ দুই কাষে থকা ফেল'পিয়ান টিউবৰ যিকোনো এটাৰ বাহিৰ ভাগত প্ৰৱেশ কৰে আৰু সেইসময়ত ২৪ ঘণ্টাৰ বাবে পুৰুষৰ শুক্ৰাণুৰ লগত মিলনৰ (FERTILISATION) বাবে সক্ৰিয় হৈ থাকে। ২৪ ঘণ্টাৰ ভিতৰত পুৰুষৰ শুক্ৰাণুৰ লগত মিলন ন'হলে পূৰঠ ডিম্বটোৰ কাম নাইকিয়া হৈ পৰে আৰু ইফালে ফাৰ্টেলাইজ ভ্ৰূণটোক ধৰি ৰাখিবৰ কাৰণে সাজু হৈ থকা গৰ্ভশয়ৰ ভিতৰত সৃষ্টি হোৱা কোমল বিছনাখন খহি পৰে আৰু ইয়েই ঋতুস্ৰাৱ (MENSTRURATION) হিচাপে বহিঃ প্ৰকাশ কৰে। স্মৰ্ত্তব্য যে মহিলাৰ ডিম্বকোষ দুটাত মাকৰ গৰ্ভত থাকোঁতেই আঘোণ মাহৰ ভঁৰালৰ দৰেই ডিম্বৰে পূৰ্ণ হৈ থাকে আৰু পিছত বিশেষকৈ তোলনি বিয়া হোৱাৰ পাছত প্ৰতি মাহে মাহেকীয়া হওঁতে এচাম এচাম ডিম্বৰ বিলুপ্তি ঘটে। এইদৰে বিলুপ্তি ঘটি ৪০-৪৫ বছৰ বয়সলৈ মহিলাৰ ডিম্বাশয় দুটাত ডিম্বৰ অভাৱ ঘটি কাতি মাহৰ ভঁৰালটোৰ সদৃশ হয়গৈ। আকৌ কৈছোঁ - মহিলাৰ ডিম্বকোষত এবাৰেই মাকৰ গৰ্ভত থাকোঁতেই ডিম্ববোৰ জমা হয়। এইখিনিতে উনুকিয়াই থওঁ যে পুৰুষৰ ক্ষেত্ৰত শুক্ৰাণুবোৰ প্ৰতি তিনি মাহৰ অন্তৰে অন্তৰে উৎপাদন হৈয়ে থাকে।

ইফালে গ্ৰ'থ হ'ৰমন আদিৰ সহায়ত যৌনাঙ্গ, শৰীৰৰ উজ্জ্বলতা, শৰীৰৰ গঠনৰ দ্ৰুত পৰিৱৰ্ত্তন হ'বলৈ আৰম্ভ কৰে। ছোৱালীৰ তোলনি বিয়াৰ পিছৰ পৰাই এই পৰিৱৰ্ত্তন পৰিলক্ষিত হয়। ইফালে বয়স ভাতি দিয়াৰ লগে লগে ঠিক ৪০-৪৫ বছৰ বয়সৰ পৰা মগজুৰ পৰা ডিম্বাশয়লৈ আৰু ডিম্বাশয়ৰ পৰা মগজুলৈ ৰক্তপ্ৰবাহত নিয়মিত চক্ৰাকাৰে প্ৰবাহিত হৈ থকা হ'ৰমনবোৰৰ হীনদেৰি হ'বলৈ আৰম্ভ কৰে। ইয়াৰ কাৰণ মূলতঃ আগতে কোৱাৰ দৰে ডিম্বাশয়ৰ ডিম্বৰ অভাৱ ঘটাৰ ফলত। সাতে পাঁচে মিলি এইসময়ত মহিলাৰ মাহেকীয়া অনিয়মীয়া হোৱা, কেতিয়াবা মাহেকীয়া দীঘলীয়া দিনলৈ হৈ অধিক ৰক্তক্ষৰণ হোৱা আদি আলৈ আহুকালবোৰ দেখা দিয়ে। হ'ৰমন সমূহৰ ক্ৰিয়া কমি অহাৰ কাৰণে শৰীৰৰ উজ্জ্বলতা হ্ৰাস পায়, চালবোৰ সোতোৰা পৰে, মাজে মাজে হঠাতে কাণ-মূৰ গৰম হৈ ঘামি যোৱা, অলপতে খং উঠা, হাই উৰুমি ভাল নোপোৱা, ৰাতি টোপনি নহা, যৌন সমস্যা আদি সমস্যাই মহিলাক বিতত কৰি তোলে। ইয়াকে থোৰতে মেন'পজ' হোৱা বুলি কোৱা হয়। এই সময়তে হাড়বোৰ ক্ষয় যাবলৈ আৰম্ভ কৰে। ফলত কৰ্কালৰ বিষ, গাঁঠিৰ বিষ আদি সমস্যাই লগ লয়। শৰীৰত বিশেষকৈ উদৰ, কঁকাল আদিত অধিক পৰিমাণে মেদ জমা হ'বলৈ ধৰে। এই সময়ত মহিলাৰ চকুৰ ৰশ্মি কমি যায় বুলি কিছু সংখ্যক মহিলাৰ ভ্ৰান্ত ধাৰণা আছে। চকুৰ ৰশ্মি কমি যোৱাটো অৱশ্যে বয়সৰ কাৰণে হয়। মেন'পজৰ বয়সত চকুৰ ঘটনাটো ঘটে বাবে বহুতে ইয়েই কাৰণ বুলি ভাবি লয়। হঠাতে কাণ গৰম হোৱা সমস্যাৰ কাৰণে বহু মহিলাই উচ্চ ৰক্তচাপ হোৱা বুলি ভয় খাই পৰামৰ্শৰ বাবে মেডিচিন বিশেষজ্ঞৰ কাষ চাপে।

দৰাচলতে তেনেধৰণৰ সমস্যাৰ উদ্ভৱ হ'লে মহিলাসকল স্ত্ৰীৰোগ বিশেষজ্ঞৰ কাষ চপাটো জৰুৰী।

অৱশ্যে মহিলাসকলে 'মেন'পজৰ বাবে হোৱা সমস্যাবোৰৰ কাৰণে ভয় খাব নেলাগে। এনে সমস্যাবোৰৰ পৰা হাত সাৰি থাকিবলৈ স্ত্ৰীৰোগ বিশেষজ্ঞৰ পৰামৰ্শ ল'ব লাগে। নিয়মিত যোগ-ব্যায়াম ধ্যান কৰিব লাগে। এই সময়ত উদ্ভৱ হোৱা মানসিক অস্থিৰতা দূৰ কৰিবলৈ নিজৰ ভাল লগা কিছুমান কামত ব্ৰতী হ'ব লাগে। মেন'পজৰ বয়সত মাহেকীয়া বন্ধ হোৱাৰ হেতুকে বহু মহিলাই গৰ্ভৱতী হোৱা বুলি ভয় পাই নানান দুঃশ্চিন্তাত ভুগি তাৰ পৰিত্ৰাণ বিচাৰি প্ৰায়ে চিকিৎসকৰ ওচৰ চাপে।

(লিখনিটোত দুই এটা শব্দৰ ব্যৱহাৰৰ বাবে মহিলাসকলে যাতে বেয়া নেপায় তাৰ বাবে আগতীয়াকৈ ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।)

●●●

# উৰণীয়া মন, উদঙীয়া লৰ

**শৰৎ বৰকাকতি**

'আঃ কিযে মজা!' চুলিবোৰে বতাহত উৰি উৰি গালে মুখে কোবাইছে। তীব্ৰবেগত চলি থকা ৰেলৰ খোলা দুৱাৰখনৰ দুয়োফালৰ হেণ্ডেল দুডালৰ এডালত কমলদা আৰু আনডালত মই ওলমি আছোঁ। ভৰি দুটা ফুটবোৰ্ডত, গাটো বাহিৰত। মাজে মাজে কমলদাই সাৱধান কৰি দিয়ে- 'এই চাবি, আগত খুঁটা আছে, বা দলং আহি আছে... মূৰটো চপাই দে'। মূৰটো চপাওঁহে মাত্ৰ ...হুচকৈ খুঁটাটো পাৰ হৈ যায়। মাজে মাজে সোঁ সোঁৱাই থকা বতাহৰ সৈতে ফেৰ মাৰি ৰাজেশ খান্নাৰ ষ্টাইলত গাওঁ - 'মেৰে সপনোকী ৰাণী কব আয়েগী তু...', ড বাটোৰ ভিতৰত খিৰিকীৰ কাষত চকুমুদি বহি থকা দুই এজনে পিৰিক পাৰাককৈ চায়, মুখত পিছে কোনো বিৰক্তিৰ চিন নাই। আকৌ পেৰডী গাওঁ - 'মই পাথৰিৰে আধুনিক ডেকাটি... কামপুৰ অভিমুখে দিনৰ ৰেলত...।'

মেট্ৰিক পৰীক্ষা দি উঠাৰ পিছত ৰিজাল্ট ওলোৱাৰ আগলৈকে আমি মুক্ত বিহঙ্গ ... কমলদা মোৰ সম্পৰ্কীয় জেঠাইৰ ল'ৰা, মোতকৈ বয়সত ডাঙৰ যদিও একেলগে মেট্ৰিক পৰীক্ষা দিলোঁ। কমলদাৰ ঘৰ পুৰণিগুদামত, কিন্তু স্কুল বন্ধ হ'লেই আহি যায় মোমাইদেউৰ ঘৰলৈ আৰু সি আহিলেই মই পঢ়াৰ চিন্তা কিছুদিন ধোঁৱাচাঙত তুলি খেলা-ধূলা, পথাৰত বহি আড্ডা মৰা, গাৱঁৰ সাধাৰণতে নোযোৱা পাটগাভৰু ছোৱালী থকা কিছুমান ঘৰলৈ তাক সঙ্গ দিয়া - এইবোৰত মজি যাওঁ। কমলদাই ফুচুৰি কথা অনৰ্গল ক'ব পাৰে বাবে আমাৰ গাৱঁত সমনীয়াবোৰৰ মাজত বিশেষকৈ ছোৱালী-বোৱাৰীৰ মাজত জনপ্ৰিয়। আনকি আমাৰ ওচৰে-পাজৰে থকা মাহীহঁতৰ ঘৰলৈ গ'লেও সেই একেই অৱস্থা, সি চিঞৰ-বাখৰ কৰি মধ্যমণি

হৈ ৰ'ব আৰু মই ঘৰৰ খা-খবৰ আদান-প্ৰদান হোৱাৰ পিছত মনে মনে সেই উচ্ছল হাঁহিৰ জোৱাৰত ভাগ ল'বলৈ চেষ্টা কৰোঁ। মোৰ মনে মনে ঈৰ্ষা হয়। মই পঢ়াত ভাল বুলি নাম আছে, ভাল ল'ৰা বুলি সমীহো কৰে সৰেই, কিন্তু কমলদাক লগ পালেইচোন সৰ হাঁহি ফুচুৰি জোকোৰা মেলাত আত্মাহাৰা হয়। মই মনে মনে কমলদাৰ এই গুণ আয়ত্ব কৰিব খোজোঁ।

মাক বুজাই বঢ়াই সৈমান কৰাইছোঁ। কমলদাৰ সৈতে এসপ্তাহমানৰ বাবে ফুৰিবলৈ যাম - প্ৰথমে যমুনামুখৰ দেউতাৰ সেইসময়ৰ কৰ্ম্মস্থানলৈ, তাৰপিছত কামপুৰত খুৰীহঁতৰ মাকৰ ঘৰলৈ।

নগাঁৱৰ পৰা বাছেৰে গৈ দুদিন দেউতাৰ লগত কটালোঁ। দেউতা তেতিয়া যমুনামুখ পোষ্ট অফিচৰ পোষ্টমাষ্টৰ। দেউতাৰ কোৱাৰ্টাৰটো পোষ্টঅফিচৰ গাতে লগা। দেউতাৰ বৰ ফূৰ্ত্তি...

নিশাৰ সাঁজত নিজে মুৰ্গী তৰকাৰী ৰান্ধি খুৱালে। পুৱাই অফিচলৈ নি আমাক অফিচৰ সহকৰ্ম্মীসকলৰ সৈতে চিনাকি কৰি দিলে? তাৰ পিছত দেউতা অফিচত ব্যস্ত হৈ থাকোঁতে কমলদা আৰু মই দেউতাৰ কোৱাৰ্টাৰাত বহি দুঃসাহসিক কিবা কৰাৰ বিষয়ে আলোচনা কৰিলোঁ। দেউতাৰ পিয়নজনে দুপৰীয়া মাছৰ টেঙা আঞ্জা ৰান্ধি থাকোঁতে তেওঁৰ পৰা আমাৰ পৰিকল্পনা ৰূপায়ণৰ বাবে তথ্য সংগ্ৰহ কৰিলোঁ- যমুনামুখত ধনী ব্যৱসায়ী কোন কোন আছে যাৰ ঘৰত টেলিফোনৰ কানেক্শ্বন আছে। পিয়নজনে আমাৰ উৎসুকতা দেখি আৰু নিজৰ পোষ্টেল বিভাগৰ জ্ঞান জাহিৰ কৰিবলৈ দুজনৰ ফোন নম্বৰ দুটাও দিলে, মই লগে লগে টুকি থ'লোঁ।

দেউতা অফিচৰ পিছত কোৱাৰ্টাৰলৈ আহি আমাৰ লগত চাহ খাই সন্ধিয়া কোনোবা অফিচাৰৰ ঘৰত তাছ খেলিবলৈ ওলাই গ'ল। বচ্ আমাক আৰু পায় কোনে! কোৱাৰ্টাৰৰ পৰা ভিতৰেদি পোষ্ট অফিচলৈ সোমাব পৰা দুৱাৰখন খুলি হাতত সাৰে ভৰিত সাৰে অফিচৰ ভিতৰৰ টেলিফোন থকা টেবুলখনৰ কাষৰ চকীত দুয়ো বহি ল'লোঁ। 'দস্যু ভাস্কৰ' চিৰিজৰ কাহিনীবোৰ মনত পেলাই পৰেশ চাহা নামৰ ব্যৱসায়ীজনৰ টুকি থোৱা নম্বৰটো চাই ডায়েল কৰিলোঁ -ক্ৰিৰি ৰিং ....ক্ৰিৰিং কৈ দুবাৰ বজাৰ পিছত ফোন উঠাই 'হেল্ল' বুলি কোৱা শুনি গাত কঁপনি এটা অনুভৱ কৰিলোঁ। মনটো ডাঠ কৰি কণ্ঠস্বৰ হুটা আৰু গহীন কৰি ক'লোঁ - 'মিঃ চাহা এইবোৰ কি হৈছে আপোনাৰ দোকানত ... চোৰাং মাল ৰাখিছে বুলি আমি ৰিপোৰ্ট পাইছোঁ'... সিফালৰ পৰা সাৰি-শব্দ নোপোৱাত ধমকিৰ সুৰত ক'লোঁ -'শুনিছেনে নাই?' 'ছাৰ, মালিকক দি আছে ... সেই কথা বলিব আপনাকে' ... সিফালৰ পৰা গলগলীয়া মাত এটাই খুব মিহি সুৰত ক'লে -'ছাৰ, কোনে কৈছে আপুনি' 'মই যমুনামুখ থানাৰ পৰা কৈছোঁ' ...মোৰ পাহৰি নামি অহা মাতটো আগৰ দৰে ৰাখিবলৈ চেষ্টা কৰি মই আকৌ ক'লোঁ' -'চোৰাং মালৰ কাৰবাৰ কেতিয়াৰ পৰা চলিছে... এতিয়াই থানালৈ আহক।' অলপ নিঃস্তব্ধতা - তাৰপিছত সিফালৰ পৰা গৰগৰাই উঠিল। 'থানাৰ অ চি ছাৰ ইয়াতে বহি আছে। কথা পতাই দিওঁ নেকি ... ধেমালি কৰিবলৈ জাগা পোৱা নাই, পঠাই দিওঁ নে কি ছাৰক' - তৎক্ষণাত ৰিছিভাৰটো থৈ দিলোঁ আৰু কমলদাক ইঙ্গিতেৰে উঠিবলৈ কৈ মাজৰ দুৱাৰখন জপাই কোৱাৰ্টাৰ পালোঁহি।

পিছদিনা পুৱা চাহ জলপান খায়েই ওলালোঁ কামপুৰলৈ বুলি। দেউতাই ৰেল ষ্টেশনত থৈ গ'লহি। ৰেল ষ্টেশনলৈ যোৱা ৰাস্তাটো থানাৰ সম্মুখেৰে আহিব লাগে। দেউতাই ক'লে অ চিজন হেনো দেউতাৰ স্কুলৰ বন্ধু এজনৰ ভায়েক। আমি দুয়োটাৰে থানাৰ পিনে চাবলৈ সাহস নহ'ল। ৰেলৰ দুৱাৰৰ হেণ্ডেলত ওলমি যোৱানিশাৰ টেলিফোনৰ অভিজ্ঞতা মনত পৰি গাটো শিৰশিৰাই গ'ল।

কামপুৰৰ চাংচকী গাৱঁৰ খুৰীৰ মাকৰ ঘৰখন যৌথ পৰিয়াল, এজাক ল'ৰা-ছোৱালী থকা ঘৰ। আমাৰ কাণসমনীয়া খুৰীৰ খুৰাকৰ জীয়েক - সম্বন্ধত মোৰ মাহী দুজনী বেছ ৰাংঢালী। সকলোৰে স্কুল বন্ধ, গতিকে আড্ডা বেছ জমি উঠিছিল। কমলদা কেন্দ্ৰবিন্দু। কোমল চাউল, পঁইতা ভাত, পকা কঁঠাল খোৱা আৰু একেলগে বহি নতুন নতুন গল্প কোৱা- দুপৰীয়া কপিলী নদীত গৈ সাতোঁৰা, আবেলি গাৱঁৰ কাৰোবাৰ ঘৰলৈ মাহীৰ লগত আলহী খাবলৈ যোৱা - তিনিদিন এনেকৈ পাৰ হ'ল। কাইলৈ পুৱা ঘূৰি যাম। কমলদাই মাহীক খোচ মাৰিলে - 'তোমালোকৰ গাৱঁত এজনীও চকুত লগা ছোৱালী নেদেখিলোঁ দেই .. হ'ল বুলি ইমান শুকান ঠাই বুলি জনা নাছিলোঁ দেই!' মাহীৰ গাত লাগিল - সেইদিনা আবেলি আমাক লৈ গ'ল গাৱঁৰ মূৰলৈ। তাত এটা লাইব্ৰেৰীৰ চোতালত এজাক ছোৱালী। আমাক মাহীয়ে চিনাকি কৰি দিবলৈহে পালে, কমলদাৰ যাদু আৰম্ভ, যেন বৃন্দাবনত গোপীসৱক পাই কৃষ্ণ আত্মাহাৰা! বাঁহী বজাবলৈহে বাকী। মই মনে মনে অতীষ্ঠ - 'কি কথা পাতোঁ এতিয়া'। সেমেনা-সেমেনিকৈ মই মাহীৰ কাষতে ৰৈ কমলদা আৰু ছোৱালীজাকৰ কথা শুনিছোঁ ... মাজে মাজে খিল খিল হাঁহি ... জোকোৱাত আক্ৰমণ, প্ৰত্যাক্ৰমণ। কমলদাৰ মোৰ প্ৰতি ভ্ৰূক্ষেপ নাই।

এজনী ছোৱালী কাষতে ৰৈ আছিল - সামান্য মিঠাবৰণীয়া, লাহি, ফুটফুটীয়া ফ্ৰক এটা পিন্ধিছে, দীঘল চুলিকোঁচাৰে দুডাল বেণী কঁকাললৈকে ওলমি পৰিছে। বৈ পৰা চেলাউৰি, ডাঠকৈ সনা কাজলৰ আৰেশত চকুৰ চাৰনিত অলপ দুষ্ট হাঁহিৰ আভাস ... চকুৰে চকুৰে পৰিল। মই যেন জিকাৰ খাই উঠিলোঁ। মাহীয়ে আকৌ এবাৰ মোক চিনাকি কৰি দিওঁতে কি ক'লে মোৰ কাণত নোসোমাল ...মোৰ দৃষ্টি পিছে সেই চকুযুৰিত খোপনি পুতি ৰ'ল।

তাই টেনত উঠিব। মই নগাওঁ চৰকাৰী হাইস্কুলত পঢ়া বুলি কোৱাত আমাৰ এজন শিক্ষক সিহঁতৰ গাঁৱৰে বুলি জনালে। তাইৰ পঢ়াত আগ্ৰহ আছে। 'হওক তেও, অথনিৰে পৰা খিলখিলাই থকা কৃষ্ণপ্ৰেমত আতুৰ গোপীসৱৰ মাজত বিদুৰৰ কথা শুনিবলৈও অন্ততঃ কোনোবা আছে ' - মনতে ভাবিলোঁ। দস্যু ভাস্কৰ পঢ়ি তায়ো ভাল পায় ... কমলদাৰ হঠাতে কথা পাতি থকা আমাৰ ওপৰত চকু পৰিল। ওচৰলৈ আহিল ... 'বোলো এই অধমকো কথাৰ ভাগ দিবানে'- আৰু কিবা কিবি কৈ হঁহুৱাবৰ চেষ্টা কৰিলে।' আমি দুয়ো তেতিয়া 'দস্যু ভাস্কৰ আৰু নাৰীদস্যু চম্পা'ৰ মাজৰ সম্পৰ্ক চালিজাৰি চোৱাত ব্যস্ত।

'কাইলৈ যামগৈ' বুলি কৈ তাইৰ চকুত মই বিচৰা অভিমান অকণমান বিচাৰি পালোঁ। নাৱেৰে

কপিলী পাৰ হৈ কামপুৰ বাছ ষ্টেণ্ডলৈ যাম বুলি কোৱাত তাই তাহাঁতৰ ঘৰৰ কাষেদিয়েই গৈ কপিলীৰ নাৱৰীয়াৰ সৰু ঘাট এটা আছে বুলি কৈ দূৰলৈ মোক আঙুলিয়াই দেখুৱালে। কাইলৈ পুৱা আমাৰ বিদায়ৰ সম্ভাব্য সময়ৰ আভাস মাহীয়ে নুশুনাকৈ কৈ দুডাল বেণীৰ আৱেষ্টনীৰ পৰা আবেগিকভাৱে নিজকে কোনোমতে মুক্ত কৰি সকলোৰে পৰা বিদায় ল'লোঁ।

ৰাতি ভাত খাই কমলদা আৰু মই বিছনাত পৰাৰ লগে লগে কমলদাই মোক সুধিলে - 'কি ঔ জিতু, সেইজনীৰ লগত কিনো ইমান লেকচাৰ মাৰিলি। ছোৱালীজনী দেখোন একেবাৰে গপতে গঙ্গাটোপ হৈ থাকে।'

মই 'নাই, এনেয়ে পঢ়াৰ কথা পাতিলোঁ। বৰ টোপনি ধৰিছে, শোও দেই' বুলি বাগৰ সলাই শুই পৰিলোঁ। পিছে বহুপৰলৈ টোপনি নাহিল।

পুৱা ৯ মান বজাতে সকলোৰে পৰা বিদায় লৈ ওলালোঁ। কমলদাই কপিলীৰ ডাঙৰ ঘাটলৈ যাব খুজিছিল, মই নাচোৰবান্দা - 'গাৱঁৰ সীমামূৰীয়া ঘাটৰ নাওখন ডাঙৰ বুলি কৈছে, তালৈ যাওঁ।'

কমলদাৰ লগত কথা পাতি গৈছোঁ যদিও মোৰ দৃষ্টি ঘাটলৈ সোমাই যোৱা কেঁচা বাটটোৰে কাষৰ ঘৰৰ চোতাললৈ।

দূৰৰ পৰাই দেখিলোঁ - ঘাটত ডাঙৰ নাও এখনত নাৱৰীয়া এজন বিড়ি হুপি বহি আছে ... মোৰ খোজ মন্থৰ হৈ আহিছে। পিছলৈ ঘূৰি চাবলৈ মন গৈছে। এনেতে কোনোবা খৰখোজেৰে অহা যেন শুনিলোঁ। ঘূৰি চালোঁ দুয়ো - এৰা পৰী, দুডাল বেণী গুঁঠি সেইজনী পৰী। একাষত মাটিৰ গাগৰি। আমি ৰৈ দিলোঁ। তাই ওচৰ পাই সলাজে হাঁহিলে - 'পুৱাই ওলাল দেখোন। আবেলিহে যোৱাৰ কথা আছিল হ'বলা'। অলপ কথা পাতিলোঁ। তাই ক'লে - গৰমৰ বন্ধত পৰী বায়েকৰ লগত আমাৰ গাঁৱলৈ বিয়া হোৱা তাইৰ পেহীয়েকৰ ঘৰলৈ কেইদিনমান থকাকৈ আহিব হেনো।

গাগৰিত কপিলীৰ পানীৰে সৈতে মোৰ আবেগবিধুৰ অপলক চাৱনিৰো অলপ ভৰাই লৈ তাই গ'লগৈ। আমিও নাৱত উঠিলোঁ। কিছুপৰ কমলদা আৰু মোৰ মুখত এটাও শব্দ নাই। কপিলীৰ মাজ পালোঁহি। হঠাতে কমলদাই মোক কৈ উঠিল - 'পৰী বোলা ছোৱালীজনীয়ে লগ পাবলৈ আহিব বুলি তোক কৈছিল নেকি?' মই একো নক'লোঁ, ওঁঠৰ কোণেৰে এটা হাঁহি বাগৰি গ'ল... বিজয় উল্লাসৰ গোপন অট্টহাঁহি।

নাৱৰীয়াজনে গাই উঠিল-'যায় অ' কানু বায় বেণু, দূৰণিৰ মথুৰালে যায়...'। কমলদা পানীৰ ফালে চাই আমন-জিমনকৈ বহি আছিল... মোৰ হঠাতে ভাব হ'ল - সেয়া যেন কমলদা নহয় ... বলোভদ্ৰ।

এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

# খিলঞ্জীয়া অসমীয়া সন্দৰ্ভত

**কৃষ্ণা শৰ্ম্মা**

অসমৰ খিলঞ্জীয়া লোক কোন বুলি যদি সোধা হয় তাৰ উত্তৰ একাষাৰতে দিয়া কঠিন; কিয়নো প্ৰাগ্-ঐতিহাসিক কালৰে পৰা এই ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভূ-খণ্ডলৈ বিভিন্ন নৃগোষ্ঠীয় লোক আৰু আৰ্য্য মূলৰ লোকৰ প্ৰব্ৰজন ঘটিছিল। অৰ্থাৎ মঙ্গোলীয় আৰু ককেছীয় লোকৰ সন্মিলিত ভূমি ব্ৰহ্মপুত্ৰ উপত্যকা। এই লোকসকলৰ সন্মিলিত প্ৰচেষ্টাতে গঢ় লৈ উঠিল এই ভূ-খণ্ডৰ নদী, উপনদী আৰু লুইতৰ পাৰত এক উচ্চস্তৰীয় সভ্যতা। য'ত মিলিত হ'ল বিভিন্ন নৃগোষ্ঠীয় লোক আৰু আৰ্য্যসকল। যিহেতু মঙ্গোলীয়ান সকলৰ প্ৰব্ৰজন দক্ষিণ-পূব এচিয়াৰ পৰাই ঘাইকৈ হৈছিল আৰু ককেছীয় সকলৰ পশ্চিম প্ৰান্তৰ পৰা, গতিকে অসমত প্ৰচলিত ভাষা সমূহত আৰু লোক সংস্কৃতিত দক্ষিণ-পূব এচিয়া আৰু ভাৰতৰ মূল ভূ খণ্ডৰ প্ৰভাৱ দেখা যায়। ভাষা ভাব বিনিময়ৰ মাধ্যম। সেয়েহে তেতিয়াই হয়তো ভাব বিনিময়ৰ বাবে এটা ভাষা গ্ৰহণ কৰি লৈছিল। ১২২৮ খৃষ্টাব্দত আহোম সকলৰ এই ভূ-খণ্ডলৈ আগমন হৈছিল আৰু তাৰ পিছৰে পৰাই এই ভূ-খণ্ডৰ নাম অসম আৰু ভাষাটোৱে অসমীয়া নাম পাইছিল। ইতিমধ্যে লিপিৰ ব্যৱহাৰ বিভিন্ন শিলালিপিত কৰিছিল আৰু ছপাযন্ত্ৰৰ ব্যৱহাৰৰ লগে লগে প্ৰথমেই অসমীয়া ভাষাটো লিখিত ৰূপত গ্ৰহণ কৰি এই ভূ-খণ্ডত যোগাযোগৰ মাধ্যম হিচাপে অসমীয়া ভাষাৰ প্ৰচলন হ'ল। সময়ৰ পৰিৱৰ্ত্তনৰ লগে লগে আগৰ কথিত ভাষা সমূহ লিখিত ভাষালৈ উন্নীত হ'ল আৰু বহুতো লিখিত ভাষাৰ সৃষ্টি হ'ল। তথাপিও অসমীয়া ভাষাটোৱেই মূল ভাষা হিচাপে গণ্য কৰা হ'ল। বিভিন্ন শাখা, প্ৰশাখা আৰু উপনদী এক হৈ বৈ যোৱা বহ্নিমান ব্ৰহ্মপুত্ৰৰ দৰেই যেন অসমীয়া ভাষাটোও এই উপত্যকাৰ সকলোৰে ভাষা সামৰি অসমীয়া ভাষা হিচাপে প্ৰৱহমান হৈ আছে।

দাস বংশৰ চুলতান কুতুবুদ্দিনৰ আমোলত বঙ্গদেশৰ শাসনকৰ্ত্তা মহম্মদ বিন্ বখতিয়াৰে কামৰূপৰ মাজেদি গৈ তিব্বত, চীন, তুৰ্কী জয় কৰাৰ লক্ষ্যৰে ১২০৫ খৃষ্টাব্দত কামৰূপ আক্ৰমণ কৰি পৰাস্ত হৈ উভতি গৈছিল আৰু ঠিক তেনেদৰে দ্বিতীয়বাৰো পৰাস্ত হৈছিল। এই সংঘাতৰ মাজতেই মুছলিমসকল অসমত প্ৰতিষ্ঠিত হৈছিল। এই সংঘাতৰ পিছত অনেক মুছলমান ইয়াত ৰৈ গৈছিল আৰু পৰৱৰ্ত্তী কালত থলুৱা নাৰীৰ পাণি গ্ৰহণ কৰি স্থায়ী বাসিন্দা হৈছিল। ইয়াৰ পিছত মিৰজুমলাৰ আক্ৰমণৰ সময়তো বহুতো মুছলমান সম্প্ৰদায়ৰ লোকে ইয়াতে নিগাজীকৈ বসতি স্থাপন কৰিছিল। আহোম ৰজাসকলে তেওঁলোকক ৰজাঘৰীয়া বিষয়াৰ বাবো দিছিল। তেওঁলোক অসমীয়া জাতিৰ এক অবিচ্ছেদ্য অঙ্গ। তেনেদৰে অসমীয়া শিখ সকলো সমানেই অসমীয়া।

পৰৱৰ্ত্তী কালত ব্ৰিটিছসকলে অফিচ কাছাৰীৰ কাম কৰিবৰ কাৰণে বঙ্গৰ পৰা লোক আনিছিল আৰু

তাৰ পিছতে ৰেলসেৱা, ডাকসেৱা আৰু স্বাস্থ্য সেৱাৰ কাম চলাবলৈও আনিছিল আৰু তেওঁলোকৰ সতি- সন্ততিৰ বাবে তেওঁলোকৰ ভাষাৰ স্কুল পাতি দিছিল। তাৰ পাছতে চল্লিশৰ দশকত বঙ্গ, বিহাৰ ও ওড়িশাৰ পৰা চাহবাগানত কাম কৰিবলৈ মানুহ আনিলে যদিও তেওঁলোকে অসমীয়া লিখিত ভাষাই গ্ৰহণ কৰিলে।

এক কথাত আজিৰ দিনত যাৰ পিতামহ, প্ৰপিতামহৰ দিনৰ পৰা এই লুইতৰ পাৰত বসতি কৰি আছে তেৰেঁই এই ভূ-খণ্ডৰ খিলঞ্জীয়া লোক অৰ্থাৎ বুৰঞ্জীয়ে ঢুকি পোৱা দিনৰ পৰা যিসকলে বসতি কৰি আছে। তদুপৰি যিসকলে অসমতে বহুকাল থাকি অসমকে নিজৰ দেশ আৰু অসমীয়া সংস্কৃতি আৰু অসমীয়াকে নিজৰ ভাষা বুলি অসমীয়া মূল সুঁতিৰ লগত মিলি গৈছে, আমি তেওঁলোককো অসমীয়া বুলি কওঁ। ইয়াৰে জ্বলন্ত উদাহৰণ হৰিবিলাস আগৰৱালা আদিৰ দৰে ভাৰতৰ বিভিন্ন ঠাইৰ অসংখ্য পৰিয়াল আছে।

(উল্লেখ কৰা বিভিন্ন তথ্য আৰু চন সহায় লৈ লিখা হৈছে)

●●●

# ডিমেনচিয়া

**ৰঞ্জনা দত্ত**

।।১।।

ৰাতিপুৱা খোজকাঢ়ি আহি চাহ একাপ খাই লওঁ বুলি ভাবোঁতেই দেখিলোঁ চাহপাতৰ টেমাটো নাই। চাৰিওফালে ওপৰ তল বিচাৰি চলাথ কৰিলোঁ। নাই যি নাই। কলৈ নো গ'ল? ঘৰত মানুহ মাত্ৰ দুটা, তাতে বস্তু নাইকিয়া। নতুন পেকেট এটা খুলি চাহ বনাই খাই উঠি পাচলি উলিয়াবলৈ বুলি ফ্ৰিজটো খোলোঁতেই দেখোঁ শ্ৰীমান ফ্ৰীজৰ বুকুত। ইচ্ ৰাম ইমান পাহৰিব লাগেনে? আজি কিছুদিনৰ পৰা অলপ বেছিকৈ পাহৰা হৈছোঁ নেকি বাৰু? সিদিনা কলাক্ষেত্ৰৰ ভিতৰত ভদ্ৰলোক এজনে নিজৰ পৰিচয় দি মোক তেখেতৰ কলেজলৈ যাবলৈ বৰকৈ কৈ থৈ গ'ল। নামটো পাহৰি যাওঁ বুলি লগে লগে আওৱালোঁ কামাখ্যা বৰা। হ'ব কামাখ্যা মন্দিৰটো নাপাহৰোঁ, গতিকে নামটো নাপাহৰোঁ। ঘৰলৈ আহি এওঁক মানুহজন লগ পোৱা কথা ক'লোঁ। নাম কি? লাগিল হাহাকাৰ। কিবা বৰা, পাহৰিলোঁ। বহুত চেষ্টা কৰিলোঁ। ৰাম বৰা, গণেশ বৰা, কৃষ্ণ বৰা... নাই নহ'ল। দুদিনমান পিছত তেখেতক লগ পাওঁতে নামটো নিজে নিজে মনত পৰিল। সিদিনা আকৌ পাণবজাৰত গাড়ীৰ পৰা নামি সৰু কাম এটা কৰি ঘূৰি আহি দেখোঁ এওঁ গাড়ীৰ ভিতৰত নাই। গাড়ীখনো লক কৰা আছে। ৰ'দত কিছু সময় থিয় হৈ এওঁক ফোন লগালোঁ - "ক'লৈ গ'লা তুমি? মই ইমান দেৰি ৰ'দত থিয় হৈ আছোঁ।" এওঁ বোলে "মইতো গাড়ীতে বহি আছোঁ"। দেখিলোঁ গছ এজোপাৰ তলত পাৰ্ক কৰা গাড়ীখনত পতিদেৱ বহি আছে। এদিন গধূলি বজাৰলৈ যাওঁতে

পাৰ্কিঙত থকা একে ৰঙৰ গাড়ী এখনৰ দৰ্জ্জা খুলি বহিয়েই দিলোঁগৈ। পিছত চাওঁ যে চালকৰ আসনত বেলেগ এজন ভদ্ৰলোক। এওঁ কৈয়ে থাকে গাড়ীৰ নম্বৰটো চাই ল'বাচোন ভালকৈ। ভয় লাগে গাড়ীৰ নম্বৰটোও পাহৰি যাওঁ নেকি পাঞ্জাবী বুঢ়াজনৰ দৰেই।

।।২।।

পাঞ্জাবী বয়সীয়া লোক এজনৰ কথা পাহৰি যোৱা ৰোগ আৰম্ভ হ'ল। নিজৰ গাড়ীখন সদায় পাহৰে। সদায় লোকৰ গাড়ীত গৈ বহি থাকেগৈ। বন্ধু এজনে উপদেশ দিলে "গাড়ীৰ নম্বৰটো মনত ৰাখিবাঁ 1947"। পিছদিনা ভদ্ৰলোকে আকৌ পাহৰিলে, নম্বৰটো কোনোমতেই মনত পেলাব নোৱাৰিলে। বন্ধুৱে ক'লে "তুমি ভাৰত স্বাধীন হোৱা বছৰটো মনত পেলাবা। 1947"। ভদ্ৰলোকে আনন্দ মনেৰে ঘৰলৈ গ'ল। পিছদিনা একেই অৱস্থা। আকৌ পাহৰিলে !! ভাৰত স্বাধীন হোৱা বছৰটো??

ওচৰেদি পাৰ হৈ যোৱা মানুহজনক ফুচফুচাই সুধিলে "হেৰা ভাৰতবৰ্ষ কোন চনত স্বাধীন হৈছিল বাৰু?"

চিন্তাই লাগিছে মোৰো সেই অৱস্থা পায়গৈ নেকি?

।।৩।।

যোৱা ডিচেম্বৰৰ ঘটনা।

বেছ ঠাণ্ডা বতৰ। শ্বিলঙৰ পৰা গুৱাহাটীলৈ টুপী, হাতমোজা, জেকেট পিন্ধি আহি আছোঁ। ৰাস্তাত ডাঙৰ দোকান এখনৰ পৰা দৰকাৰী বস্তু কিছুমান কিনি ঘূৰি আহি মন কৰিলোঁ ম'বাইলটো নাই। গোটেইখন বিচাৰিলোঁ। বজাৰৰ পেকেটবোৰো খালি কৰি চালোঁ। দোকানখনৰ কাউণ্টাৰ টেবুলৰ ওচৰে- পাজৰেও চালোঁগৈ। এওঁ বোলে ৰ'বা ফোন এটা মাৰি চাওঁ। কলটো কৰাৰ পিছতে মোৰ মূৰৰ ওপৰত ফোনটো বাজিবলৈ ধৰিলে। হে ভগৱান! কি কাণ্ড! হাত দুখন খালি কৰিবলৈ কেতিয়াযে ফোনটো টুপীৰ ভাঁজত ভৰাই থৈছিলোঁ!

ছশমা হেৰোৱাটো সকলোৰে কাৰণে সাধাৰণ কথা। মোৰো বেমাৰটো ভালকৈয়ে আছে। তাতে কিতাপ পঢ়া ছশমা লোৱাৰ পৰা প্ৰব্লেম আৰু বাঢ়িবলৈ ল'লে। এদিন স্কুল ছুটীৰ সময়ত চাওঁযে বাহিৰত পিন্ধা চশমাযোৰ নাই। লেব, ক্লাছৰূম, ষ্টাফৰূম, লাইব্ৰেৰী সকলো চলাথ কৰিলোঁ। অৱশেষত ছশমা নোহোৱাকৈয়ে ঘৰ পালোঁহি। আবেলি টিফিন বক্সটো ধুবলৈ গৈ দেখোঁ ছশমা তাতে সুস্থ শৰীৰে বিৰাজমান। ভুলতে ছশমাযোৰ ছশমাৰ বাকচৰ সলনি টিফিন বক্সত ভৰালোঁ।

সিদিনা ঘৰুৱা অনুষ্ঠান এটাত ড° জয়ন্ত নাথক পাই সুধিয়েই দিলোঁ- "আজিকালি বৰ পাহৰোঁ দেখোন। আলজাইমাৰ নহয়তো?" তেখেতে স্বভাৱজাত হাঁহিটো মাৰি ক'লে "একো ক'ব নোৱাৰি। আপুনি পি নাট বাটাৰ এটা আনি সদায় শুঙি চাব। যদি বাওঁ নাকেৰে গোন্ধ নাপায় তেতিয়াহ'লে গম পাই যাব।" পি নাট বাটাৰ এটা কিনি আনিছোঁ। পুৰা গধূলি কাম এটা বাঢ়িল। কেতিয়া কি হয় ক'ব নোৱাৰি ! আজি আকৌ ৰাতিপুৱাৰ পৰা সেইটোও বিচাৰি পোৱা নাই...

# লিমাৰিক ৰচনাত ব্ৰতী
# কেইগৰাকীমান প্ৰাক্তন কটনিয়ান

## লিমাৰিক নহয়

### বিৰাজ জ্যোতি গোস্বামী

(১)
মোৰ হাতখন তেওঁ
হাতত ভৰাই ললে
আৰু মই বুজি পালোঁ
নোকোৱা শব্দবোৰৰ ভাষা

(২)
যৌৱনৰ স্ৰোতস্বিনী নৈত
বহুবাৰ সাঁতুৰিলোঁ
ৰূপালী মাছৰ খলকনিত
আৰু ৰূপালী জোনাকৰ জিলিকনিত
কেতিয়াও নুশুনিলোঁ
নৈপৰীয়া আঁহতজোপাৰ হুমুনিয়াহবোৰ

(৩)
অনুৰাগ প্ৰকাশৰ বাবে
তোমাৰ ওঁঠৰ শব্দত
হিয়াখন উদঙাই নিদিবা
মোৰ চকুলৈ চোৱা
তোমাৰ চকুত থমকিব
তোমাৰ হিয়াৰ কল্লোল।

## লিমাৰিক

### তপোধন দাস

আৰু নেমেলো মুখ
নেলাগে সুখ
ভগাই খাই ভোকত
শাহুৱে কটাইছে শোকত
খুলশালিৰ হাতে খাবলে' কিহৰ দুখ

## লিমাৰিক

### ফাইজুৰ ৰহমান

ডাংকাতি বাইৰ কাপোৰ ফটা
কথা বতৰাত হ'ল বৰ মতা
খোজেপতি ধং
য'তে ত'তে খং
তাই মমতা নে আঙ্গুৰলতা??

## লিমাৰিক

**বিৰাজ জ্যোতি গোস্বামী**

অতিমানৱীয় শকতিৰে ভাৰত
উৰিছিল বিশ্বকাপৰ আকাশত
বৰ্ষাবিধুৰ ৰাতিত
হাইঠা পৰিল মাটিত
ৰক্তাক্ত হৈ কিৰিৰ আচোৰত

## লিমাৰিক বিৰাজলৈ

**শৰৎ বৰকাকতি**

ম'বাইলত ক্ৰিং শুনিলে ভয় লাগে
কাৰোবাৰ কবিতা আহি গ'ল চাগে
ফাইজুৰৰ ভাষাতে কওঁ
সকলোৰে সোৱাদ লওঁ
কবি ক'ত মৰোঁ নতুন ভাবযে জাগে

## লিমাৰিক

**শৰৎ বৰকাকতি**

মন্ত্ৰীৰ জীয়েকক চকু টিপিয়ালোঁ গড়গাওঁ পালেগৈ খবৰ
আমোলা নিমাত, ৰাইজে বুলিলে ৰগৰ
চাকৰিৰ বাবে পিতায়ে পঠাইছিল লগতে পঠাইছিল দৈ
চিনাকি চকুৰে মোক উচতালে কেনেকৈ কাঢ়োঁ সৈ
ভাবিছিলোঁ এইবাৰ শহুৰো পটিব, চকুৰে লগালে জগৰ

## লিমাৰিক

**তপোধন দাস**

হিয়া গ'লি হ'লোঁ কবি
গ'লি গ'লি গ'ল জ্বলি
হিয়া হ'লহি ৰোগী
অমুকী এতিয়া সুখী
অগা দেৱাৰ পোৱণি আৰুনো কিমান বাকী

# প্ৰতিবেদন-৪

অসম চুক্তিৰ ৬ নং দফা ৰূপায়নৰ পৰিকল্পনাত "১৯৭৫-৭৭" কটনিয়ান ( প্ৰাঃ বিঃ) গোটৰ পৰামৰ্শ সম্পৰ্কেঃ

'অসম চুক্তি - ১৯৮৫'ৰ ৬ নং দফা ৰূপায়নৰ পৰিকল্পনা যুগুত কৰিবলৈ যোৱা ২০১৯ চনৰ ১৫ জুলাই তাৰিখে কেন্দ্ৰীয় চৰকাৰে এখন উচ্চ পৰ্য্যায়ৰ সমিতি গঠন কৰি দিছিল। সমিতিখনত অসমৰ ১৩ জন বিশিষ্ট নাগৰিক তথা সাংগঠনিক মুৰব্বী সদস্য হিচাপে অন্তৰ্ভুক্ত হৈছিল আৰু তেওঁলোকৰ ওপৰত অসমৰ বিভিন্ন সামাজিক সঙ্গঠন তথা নাগৰিকৰ পৰা পৰামৰ্শ সংগ্ৰহ কৰি ৰূপায়নৰ পদক্ষেপ সমূহ যুগুতাই দিয়াৰ দায়িত্ব ন্যস্ত হৈছিল। উল্লেখ্য যে সমিতিখনত এই গোটৰ কটনিয়ান তথা অসম আৰক্ষীৰ সঞ্চালক প্ৰধান পৰ্য্যায়ৰ পদবীৰ পৰা অৱসৰপ্ৰাপ্ত শ্ৰী পল্লৱ ভট্টাচাৰ্য্যও এজন সদস্য হিচাপে অন্তৰ্ভুক্ত হৈছিল। সেই প্ৰসঙ্গতে এই "১৯৭৫-৭৭" কটনিয়ান (প্ৰাঃ বিঃ) গোটে ও প্ৰয়োজনীয় পৰামৰ্শ যুগুতাই সমিতিখনলৈ আগবঢ়াব লাগে বুলি সিদ্ধান্ত ল'লে আৰু গোটৰ তদৰ্থ কাৰ্য্য-নিৰ্বাহক কমিতিয়ে ১২-জনীয়া উপ-সমিতি এখন গঠন কৰি দায়িত্ব অৰ্পণ কৰিলে। উপ-সমিতিখনৰ সদস্যসকলঃ

| | |
|---|---|
| ড° শান্তনু বৈশ্য | ডা° বিৰাজ জ্যোতি গোস্বামী |
| কৰ্ণেল লুটফুৰ ৰহমান | মদন চন্দ্ৰ ডেকা |
| ড° পবন চহৰীয়া | পঙ্কজ কুমাৰ বৰুৱা |
| ৰাতুল বৰুৱা | শৰৎ বৰকাকতি |
| বিনয় মোহন শইকীয়া | এডভোকেট চাহনাজ ৰহমান |
| ডা° নিৰ্মল বেৰীয়া | তপোধন দাস (মুখ্য সমন্বয়ৰক্ষী) |

সেইমৰ্মে 'Clause 6/ Assam Accord matters' নামেৰে খোলা উপ-গোটত মুখ্য-সমন্বয়ৰক্ষীয়ে সমূহ সদস্যৰ পৰা পৰামৰ্শ বিচাৰি আহ্বান জনায়। উল্লেখ্য যে অসম চুক্তিৰ ৬ নং দফাৰ গুৰুত্বপূৰ্ণ অসমীয়াৰ সংজ্ঞা' বিষয়টোৰ সৈতে জড়িত আইনী ক্ষেত্ৰসমূহ এডভোকেট চাহনাজ ৰহমানৰ সৈতে তেওঁৰ কাৰ্য্যালয় কক্ষত এটা সম্পূৰ্ণ দিন তন্ন-তন্নকৈ পৰীক্ষা-নিৰীক্ষা কৰা হয়। সমূহ প্ৰাপ্ত পৰামৰ্শ বিশদভাৱে আলোচনা কৰিবলৈ উপ-সমিতিখনৰ ২৪/০৭/২০১৯ আৰু ২৪/০৮/২০১৯ তাৰিখে দুখন বৈঠক অনুষ্ঠিত হয়। দুয়োখন বৈঠকতে সমূহ সদস্য উপস্থিত থাকি প্ৰত্যেকেই এই জাতীয় অস্তিত্বৰ সুৰক্ষা সম্পৰ্কীয় গুৰুত্বপূৰ্ণ বিষয়টোত নিজৰ মতামত আগবঢ়ায়। বৈঠকত সদস্যসকলে একাদিক্ৰমে আগবঢ়োৱা মতামত শৰৎ বৰকাকতিয়ে শৃংখলাবদ্ধভাৱে লিপিবদ্ধ কৰে। দ্বিতীয় বৈঠকত বিশদ পৰামৰ্শসমূহ চূড়ান্ত হয়। পৰৱৰ্ত্তী দুদিনত এই প্ৰতিবেদক আৰু পঙ্কজ কুমাৰ বৰুৱাৰ যুটীয়া প্ৰচেষ্টাত সামগ্ৰিক পৰামৰ্শাৱলী যুগুতাই সম্পূৰ্ণ কৰা হয় আৰু সদস্যসকলৰ গ্ৰহণযোগ্যতা আহ্বান কৰি উপ-গোটৰ মজিয়াত দাখিল কৰা হয়। গ্ৰহণযোগ্যতা প্ৰাপ্তিৰ পিছত পৰৱৰ্ত্তী ২০/০৯/২০১৯ তাৰিখে উচ্চ পৰ্য্যায়ৰ সমিতিৰ অধ্যক্ষ বি.কে শৰ্মা (অৱসৰপ্ৰাপ্ত) দেৱলৈ আনুষ্ঠানিক ভাৱে প্ৰেৰণ কৰা হয়।

**তপোধন দাস**

মুখ্য সমন্বয়ৰক্ষী

শেৱালি ফুলাৰ বতৰৰ পৰা আঘোণৰ কুঁৱলীলৈ
এজাক কবিকণ্ঠৰ কল্লোল...

# আহিনৰ ৰাতি

**ৰত্ন কান্ত শৰ্ম্মা**

মনে মনে
গোপনে গোপনে
কিনো গান গালে কোনে
কাণে কাণে
শাৰদী জোনাক আহিল নামি
কঁহুৱা কোমল ওঁঠত
গোলাপী হাঁহি
মধুছন্দা মায়াবী বাঁহী
সুৰত উঠিল যমুনা উথলি
শেৱালি বুটলি
মোৰ চোতালত
নিয়ৰ সাবটি
ভাগৰুৱা আহিনৰ ৰাতি ।

# আগমন

**কঙ্কন শৰ্ম্মা**

সেউজীয়া পথাৰখনে
বতাহত কঁপি কঁপি
নুবুজা লহৰ তোলে।
তাৰ তালে তালে
শুকুলা মেঘে
আকাশত নাচোন নাচে।
কঁহুৱাই লয় শুকুলা টুপী
শেৱালি সৰি পৰে
চুচুক চামাককৈ
কুঁৱলীজনীয়ে
আহোঁ নাহোঁকৈ আহে বৰপীৰা পাৰি থওঁ
আহিব আহিব শৰৎ
চাওঁ-নাচাওঁকৈ
বেলি লহিয়ায়
পশ্চিমদিশ হেঙুল কৰি
ধুমুহা গুচি গ'ল
দুৰ্ভাগ্য লৈ গ'ল
মিঠা মিঠা কথাৰে
দীঘল কামিজ পিন্ধি
নিলগত শীত বৈ গ'ল।

# আকৌ ৰাধাৰ নূপুৰৰ ধ্বনি

(গীত)

**শৰৎ বৰকাকতি**

এতিয়াও মন যায়
অনুৰাগ আৱেশত
লুতুৰি-পুতুৰি হৈ যাওঁ
হিয়াৰ এচুকত
আকৌ এবাৰ যেন
গোলাপৰ গুটি পচাওঁ...

ডাৱৰেৰে সৰকা
সূৰুজ কিৰণে
কজলা আকাশত
আঁকি থোৱা ৰামধেনু
ৰিমঝিম বৰষাত
তিতি বুৰি চাওঁ
তাহানিৰ শিহৰণ
উজাই অহা যেন পাওঁ...

নৈৰ গৰাত বহি
সন্ধিয়া অকলে
তৰাৰ মাজে মাজে
কাঁচিজোনে নাচি গোৱা
ৰাসৰ গীতৰ কলি
সুৰে সুৰে গাওঁ
ৰাধাৰ নূপুৰ ধ্বনি
শুনি যেন চক খাওঁ...

# আঘোণ

**কৃষ্ণা শৰ্ম্মা**

আঘোণ মানে
এক কোমল শীতল অনুভৱ।
এখন নীল আকাশ আৰু
হালধিবুলীয়া কোমল সেউজীয়া পথাৰ।
নিশা নিয়ৰে মনে মনে চুমি যোৱা
নাচনি দূবৰিৰ বালিচন্দা লগোৱা গাল।

আঘোণ মানে
বাৰিষাৰ বোকাময় পথে পোৱালি মেলা,
শুকান বাটৰ ধূলি উৰুৱাই উৰুৱাই,
কঢ়িয়াই নিয়া গোটা ডাঙৰিৰ ভাৰ।
আঘোণ মানে সন্ধিয়া গোহালিৰ
জাগ দিয়া ধোঁৱা আৰু কুঁৱলীৰ,
মিতিৰালিৰ এক মিঠা সুবাস।

আঘোণ মানে
জাজ জাক বগলীৰ মেলা,
ভোকত কাতৰ বলীয়া এজাক হাতী আৰু
এজাক মানুহৰ জুই লৈ প্ৰাণৰ খেলা।
আঘোণ মানে
যেন এক অৱগুণ্ঠিতা লাজুকী ন-কইনা,
মাতৃৰ চোতাল উদং কৰি এৰি আহি
শাহুআইৰ অপেক্ষাৰত পদূলি মুখত।
বহিবগৈ নতুন ঘৰৰ চোতালৰ আসনত,
লাজুকী কইনাজনী ঘৰৰ লখিমী হৈ।

# আহিনৰ গোন্ধ

**অমল শইকীয়া**

আহিন আহিল গোপনে
গভীৰ প্ৰত্যাশাৰে
শেৱালিৰ বুকুত সুগন্ধ সিঁচি

নিয়ৰ পৰিল
শেৱালি সৰিল

সেউজীয়া শস্যৰ আঁহে আঁহে
আহিনৰ ফুলৰ পাহে পাহে
সিঁচৰতি
আশাৰ বতৰা

আমি আছোঁ
শইচ আছে
শইচ আছে
আহিন আছে
আহিনৰ বুকুতে সুখ অঁকা আছে
গান আছে সুৰ আছে শব্দ আছে
জীৱনবোৰত কাব্যিকতা আছে

সঁচা অৰ্থত
আমাৰ বুকুতেই আহিন আছে।
কঁহুৱা হৈ
শেৱালি হৈ
নিয়ৰ হৈ
এখন ফৰকাল নিলাভ আকাশ হৈ...।

# যোৱা আহিনৰ এটা গুণগুণ

**বিৰাজ জ্যোতি গোস্বামী**

আহিনৰ শেৱালিত নিয়ৰৰ নাচোন
মনৰ গহনত নতুন সপোন
আঙুলিৰ পাবেৰে সৰকে সময়
সোঁৱৰণিৰ সীমনাত ওপঙে হৃদয়

বেহেলাৰ তাঁৰত নাচে
ৰ'দৰ চৰাই
গাখীৰতী ধানৰ উমত
শোৱে সপোনডৰাই
শেৱালিৰ পাহে পাহে
হৃদয়ৰ আঁৰে আঁৰে
আহিনে ফুৰাই যায় স্মৃতিৰ লাৱন
সোঁৱৰণিৰ সীমনাত ওপঙে মন

শুভ্ৰ জোনাকত গা ধোৱা
শুভ্ৰ শেৱালিৰ
মলমলীয়া সুবাসে পদূলি ধৌৱায়
মখমলীয়া পৰশে আমঠু কপায়
আৰু মনত পৰে সেই
প্ৰথম যৌৱনত আহিনৰ সন্ধ্যা
সোঁৱৰণিৰ সীমনাত ওপঙে হিয়া

# স্মৃতি

**মদন চন্দ্ৰ ডেকা**

কাৰেৰীৰ পাৰৰ পৰা পিছফালৰ লুংলুঙীয়া পথটোৰে উভতি আহি আছিল কমল ৰিজৰ্টটোলৈ। হঠাতে চকুত পৰিল বাঁহনিৰ তলত দুখন দোলনা, বতাহত দুলি আছে। ক'ব নোৱৰাকৈয়ে তাৰ ভৰি দুখন সেইফালে আগবাঢ়ি গ'ল। ইফালে সিফালে চালে, ওচৰত কোনো নাই। তাৰ মুখত আনন্দৰ হাঁহি এটা বিৰিঙি ওলাল। প্ৰায় খৰখেদাকৈ গৈ সি এখন দোলনাত বহি দিলে আৰু যিমান পাৰি সিমান পিছুৱাই ঠেলি নি ভৰি দুখন ওপৰলৈ উঠাই দিলে। লগে লগে দোলনাখন দুলিবলৈ ল'লে। আৱেশত কমলৰ চকু মুদ খাই আহিল।

এটা সময়ত দোলনাখনৰ গতি মন্থৰ হৈ পৰিল। মাটিত ভৰি লগাত কমলে আকৌ এবাৰ পূৰ্ণ শক্তি প্ৰয়োগ কৰি দোলনাখন দুলিবলৈ এৰি দিলে। আলাসত গাটো এৰি দিয়াৰ লগে লগে কমলৰ মনলৈ আহিল সৰুকালৰ দোলনাত খেলাৰ কথা।

চিনেমাৰ ৰিলৰ দৰে এটা এটাকৈ দৃশ্যবোৰ চকুৰ সন্মুখত ভাহি উঠিল।

আগচোতাল পাৰ হৈয়ে কঁঠালজোপা। এটা ডাল হাউলি পৰা। তাতে ওলমি আছে এডাল পঘা। পঘাডালৰ দুয়োটামূৰ কঁঠালৰ হাউলি পৰা ডালটোত বন্ধা। পঘাডালৰ তলৰ ঘূৰণীয়া মূৰটোত বস্তা এখন চাৰিজাপকৈ পৰা। তাতে বহি দুলি আছে তাৰ দাদাক। দুলি থকা দোলনাৰ ওচৰত থিয় হৈ 'মোকো দে না, মোকো দে না' বুলি চিঞৰত গগন ফালিছে সি। হঠাতে কি হ'ল তৰ্কিব পৰাৰ আগতে সি দেখিলে দাদাক জাপ মাৰি দোলনাৰ পৰা নামি দৌৰ মাৰিছে। কান্দোন সামৰি ঘূৰি চাই দেউতাকক এছাৰি জোকাৰি আহি থকা দেখি সিও দৌৰিবলৈ লওঁতেই হাতত থাপ মাৰি ধৰিলে তাক 'কিমান হাই কৰি থাক' বুলি আৰু তপিনাতে এচাত দিলে লগাই। এইবাৰ তাৰ চিঞৰ সপ্তমত চৰিল।

'কিনো মাৰপিটখন কৰে ল'ৰাটোক' বুলি মাকে তাক থপিয়াই নিনিয়া হ'লে হয়তো তাৰ তপিনা চিৰাচিৰ দিলেহেঁতেন।

কমলে স্মৃতি ৰোমন্থন কৰি থাকোঁতে দোলনাখন দুলি দুলি ৰৈ গ'ল। এটা হুমুনিয়াহ ওলাই আহিল। কাজিয়া-পেচাল কৰি ডাঙৰ হোৱা দাদাকজন অকালতে ঢুকাই থাকিল।

পুনৰ এবাৰ দোলনাত গাটো দুলিবলৈ এৰি দি কমলে ভাবিব ধৰিলে। দোলনা খেলা বয়স পাৰ কৰি পঢ়া-শুনা কৰিলে। পঢ়া-শুনাও এসময়ত শেষ কৰিলে। পঢ়ি থাকোঁতেই প্ৰতিযোগিতামূলক পৰীক্ষাত বহি অসম অসামৰিক সেৱাত যোগদান কৰাৰ যোগ্যতা অৰ্জ্জন কৰিলে। অলপ সোনকালেই একালৰ সহপাঠী কল্পনাৰ লগত সংসাৰো আৰম্ভ কৰিলে। এজনী পৰী আৰু এটি দেৱদূতে আহি তাহাঁতৰ সংসাৰ পৰিপূৰ্ণ কৰিলে।

(শেষাংশ ১২৯ পৃষ্ঠাত)

# পাঁচটা হাইকু

**মীনাক্ষি ৰায় ডাকুৱা**

(১)
পখিলাৰ পিছত
ধপলিয়াই যাওঁ
সপোন কিনো।

(২)
মাথোঁ বৈ যায়
পথ বহু বন্ধুৰ
নাথাকে ৰই।

(৩)
জোনাকী পৰুৱাই
পৃথিৱী পোহৰায়
জ্বলায় দীপ।

(৪)
জন্মদিন হওক
বিবেক মৰ্য্যাদাৰ
প্ৰত্যাশী দিন।

(৫)
কুৰুক্ষেত্ৰ যুদ্ধত
গান্ধাৰীৰ সম্পাত
কান্দে শ্ৰীকৃষ্ণ।

# হাইকু নহয় যদিও

**কস্তুৰী নিভা গগৈ**

(১)
জোনবাই এ বেজী নোখোজোঁ
পানী আছেনে তোমাৰ বক্ষত
মাণিক আছেনে কোৱা

(২)
জোনবাই এ কোৱাচোন
পানী আছিল যদি
প্ৰাণো আছিল তাতে

(৩)
চন্দ্ৰযান ২ পাবগৈ
প্ৰজ্ঞানে অনুসন্ধান কৰিব
সকলো বাৰ্ত্তা আনিব

(৪)
বন্যাৰ বিভীষিকা চৌদিশে
ভূমিকম্পত কঁপে থৰথৰ
তথাপিও দুৰ্নীতিৰ পয়োভৰ

১২৭ পৃষ্ঠাৰ পৰা

ল'ৰা-ছোৱালী হালক ফুৰাবলৈ কেতিয়াবা পাৰ্কলৈ লৈ গৈছে। কেতিয়াবা ক'ৰবালৈ ফুৰিবলৈ গৈ যদি কোনো ৰিজৰ্টত উঠিছে, তাতো পাইছে। কিন্তু সকলোতে ল'ৰা-ছোৱালীহালকহে খেলাইছে। কেতিয়াবা ডাঙৰৰ বাবে থকা দোলনা দেখিছে যদিও লাজতে উঠা নাই বা অন্য কোনোবা উঠাৰ বাবে আঁতৰি আহিছে। আজি পিছে সকলো সঙ্কোচ আঁতৰাই সি দোলনাত উঠিল।

এসপ্তাহৰ এটা ভ্ৰমণসূচী লৈ কমল পৰিয়ালসহ মহীশূৰ-ৰাজ্যলৈ ফুৰিবলৈ আহিছে পূজাৰ বন্ধৰ লগত ছুটী মিলাই। মূলতঃ কাৱেৰী নদীৰ পাৰে পাৰে সিহঁতৰ যাত্ৰা পথ। পশ্চিমঘাট পৰ্ব্বতৰ ওপৰৰ কুৰ্গ চহৰৰ পৰা প্ৰায় পঞ্চাশ কিল'মিটাৰ নিলগৰ কাৱেৰী নদীৰ পাৰত অৱস্থিত 'কাডকানি' নামৰ ৰিজৰ্টত আহি উঠিছেহি ৰাতিটোৰ বাবে। পশ্চিমঘাট পৰ্ব্বতৰ ওপৰৰ একাবেঁকা ৰাস্তাৰে নৈসৰ্গিক শোভা উপভোগ কৰি আহি আকৌ এবাৰ জনসমাগমলৈ ওলাই যাবৰ মন নকৰিলে সিহঁতে। ল'ৰা-ছোৱালীহালে ৰিজৰ্টৰ ভিতৰতে থকা কৃত্ৰিম হ্ৰদৰ পানীত ব'টিং কৰিলে। সি আৰু কল্পনা ওলাই গৈছিল কাৱেৰীৰ পাৰত খোজ কাঢ়িবলৈ। কিছু সময় খোজ কাঢ়ি ভাগৰ ভাগৰ লগাত সি উভতি আহিল। ৰিজৰ্টৰ কৰ্ম্মচাৰী এজনে কল্পনাক কাৱেৰীৰ পাৰত সাহচৰ্য্য দিলে।

কমলৰ আকৌ মনত পৰিল দেউতাকৰ এছাৰিৰ কোবৰ কথা। মাকে আৰু অধিক মাৰ খোৱাৰ পৰা সৰুৱাই নি চকুপানী মচি দি তাক আনি দোলনাত উঠাই দুলিবলৈ লগাই থৈ নিজৰ কামত লাগিলগৈ। দাদাকৰ লগৰ কাজিয়া, এছাৰিৰ কোব, সকলো পাহৰি আপোন সুখত খেলিবলৈ লৈছিলহে কমলে, সন্মুখত হঠাতে আবিৰ্ভাৱ দাদাকৰ 'ঐ, নাম'।

নাই, নাই, নাই প্ৰৱল জোৰেৰে মূৰ জোকাৰিলে সি।

'কি নাই, নাই কৰিছা'? হঠাতে দূৰৈৰ পৰা ভাহি অহা মাত শুনি কমলৰ ভাবনাৰ যতি পৰিল।

হাঁহো হাঁহো কৰি ৰৈ আছে কল্পনা সন্মুখত।

ধৰা পৰি যোৱাৰ অকঁৰা হাঁহি এটা তাৰ মুখত খেলি গ'ল।

●●●

# সাপ অ' সাপ!! কামুৰিলে

(এজন চিকিৎসকৰ লগত ঘটা এটি ঘটনাৰ আলম লৈ)

**ডাঃ অমল শইকীয়া**

(বাৰ্মুডা পেণ্ট পৰিহিত বাইক চলাই অহা এজন ডেকা ল'ৰা আবেলি চিকিৎসকৰ ঘৰত উপস্থিত হয়।)

ডেকা ল'ৰা ঃ 'অ' ছাৰ! ছাৰ আছে নে? মৰিলোঁ আৰু মৰিলোঁ... অকালতে মৰিলোঁ। বহুত কাম কৰিবলৈ থাকি গ'ল অ' ছাৰ!'

ডাক্তৰ ঃ (বাহিৰত চিঞৰ শুনি ডাক্তৰ বাহিৰলৈ ওলাই আহে) 'মৰিলোঁ মানে? তোৰ হ'ল কি?'

ডেকা ল'ৰা ঃ 'এইমাত্ৰ চেন্টাৰলৈ আহোঁতে ফটচনে ভৰিত সাপ এডালে কামোৰ মাৰি দিলে অ' ছাৰ!'

ডাক্তৰ ঃ 'হেৰ, ক'ত কেনেকৈ?'

ডেকা ল'ৰা ঃ 'কেৰ কেৰকৈ ক'লা সাপ এডাল ৰাস্তাত পৰি আছিল নহয়। কোন মুহূৰ্ত্তত মোৰ বাইকৰ চকা তাৰ গাৰ ওপৰেদি পাৰ হৈ গ'ল ইচ্। তলকিবই নোৱাৰিলোঁ। সোঁ ভৰিটোতে খুটিয়ালে অ' ছাৰ! গোটেই ভৰিডাল একেবাৰে বেজবেজাই গৈছে। কিবা কাৰেণ্ট লগা দি মূৰলৈকে মাৰি পঠিয়াইছে।'

ডাক্তৰ ঃ 'ক'তা, চাওঁ ভৰিখন। ক'তো একো চিন-চাপেই নাই দেখোন। হেৰৌ তোক কামুৰিলেনো ক'ত?'

ডেকা ল'ৰা ঃ 'কামুৰিলে মানে ছাৰ কামোৰাৰ নিচিনা লাগি গৈছে। আপুনি ডাক্তৰ মানুহ। আপুনি ভাল দৰে জানিব কামুৰিলে কোনখিনিত।'

ডাক্তৰ ঃ 'সাপে কামুৰিলে তোক, কোনখিনিত কামুৰিলে মইনো কেনেকৈ জানিম। তইহে ভালদৰে জানিবি। মই তোৰ ভৰিখনত সাপে কামোৰাৰ একো উমানেই নেপালোঁচোন। তাতে ডাক্তৰে সাপে কামুৰিলে চিকিৎসাহে কৰিব জানে। কিন্তু সাপডালে ক'ত কামুৰিলে সেইটো ৰোগীয়েহে দেখুৱাই দিব। ডাক্তৰে আকৌ সেইটো কথা সৰ্বজানটো হৈ কেনেকৈ জানিব।'

ডেকা ল'ৰা ঃ 'নহয় মানে ছাৰ! আপুনি ডাক্তৰ যে কথাটো জানিব বুলি ভাবিছিলোঁ। বৰ ভয় লাগিছে অ' ছাৰ। মোৰ কিন্তু সন্দেহটো এতিয়াও মৰা নাই। গামোচা এখনেৰে ভৰিডাল বান্ধি থৈ দিম নেকি?'

ডাক্তৰ ঃ 'তই কি কৰ কৰি থাক। মই কিন্তু সাপে কামোৰাৰ কোনো চিন-চাপ নেদেখিলোঁ।'

ডেকা ল'ৰা ঃ 'তথাপিও ছাৰ!...'

ডাক্তৰ ঃ 'তথাপিও আৰু কি আছে। তোৰ যদি সাপে কামুৰিছে বুলি এতিয়াও সন্দেহ আছে ঘৰলৈ গৈ ঘটনাটো ভালদৰে চিন্তা কৰগৈ। ভৰিটো ভালদৰে পৰীক্ষা কৰি কালিলৈ আকৌ আহিবি।'

●●●

# শিক্ষক দিৱস উপলক্ষে

**জোনা মহন্ত**

শিক্ষক দিৱসৰ বাবে যিসকলে ব্যক্তিগত অথবা গ্ৰুপত শুভেচ্ছা জনাই আছে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

আমি সকলোৱে জানো, এজন শিক্ষক বা শিক্ষয়িত্ৰীয়ে প্ৰদান কৰা শিক্ষাই সমাজৰ উঠি অহা

প্ৰজন্মৰ জীৱনৰ দিশ নিৰ্ণয় কৰাত অতি গুৰুত্ব ভূমিকা লৈ আহিছে । অৰ্থাৎ সমাজৰ ভেটি সুদৃঢ় কৰি আহিছে।

এজন ব্যক্তিয়ে পাঠ্যপুথিৰ শিক্ষা গ্ৰহণ কৰি, শিক্ষা বিলাই শিক্ষক হিচাপে স্বীকৃতি লাভ কৰিলেই প্ৰকৃত অৰ্থত তেওঁ শিক্ষক বুলি ক'লে ভুল হ'ব। মই ভাবোঁ, যেতিয়া এজন ব্যক্তিয়ে জ্ঞান আহৰণ কৰি তেওঁৰ জ্ঞানৰ জ্যোতিৰে সূৰ্য্যৰ কিৰণৰ দৰে চৌদিশে পোহৰ বিলাব পাৰে তেওঁহে প্ৰকৃত শিক্ষক।

শিক্ষকজন শ্ৰেণীৰ কোঠাত সোমোৱাৰ লগে লগে যদি ছাত্ৰ-ছাত্ৰীয়ে তেওঁৰ পৰা নতুন কিবা শিকাৰ আগ্ৰহ প্ৰকাশ কৰে বা তেওঁ দিয়া জ্ঞানৰ পৰা কিবা আয়ত্ব কৰিবলৈ চেষ্টা কৰে তেওঁহে প্ৰকৃত অৰ্থত উপযুক্ত শিক্ষক। যিসকল শিক্ষকে ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিব পাৰে, সেইসকল শিক্ষকৰ পৰা অধিক জ্ঞান ল'বলৈ সমৰ্থ হয় আৰু শিক্ষাৰ পিছতো সেইজন শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ মনত ৰৈ যায়। এইখিনিতে মই এটা কথা নকৈ নোৱাৰোঁ - আজি আমাৰ স্কুলত শিক্ষক দিৱস উপলক্ষে চলি থকা অনুষ্ঠানলৈ ২০০৭ চনতেই আমাৰ স্কুলৰ পৰা শিক্ষা শেষ কৰি ওলাই যোৱা প্ৰায় ১০/১২ জনমান ছাত্ৰ-ছাত্ৰী আহি আমাৰ লগত কেক কাটি শিক্ষাগুৰু সকলৰ ভৰি চুই আশীৰ্ব্বাদ লৈ কিছু সময় আমাৰ লগত কটাই যোৱা কথাটোৱে আমাক বৰ আনন্দিত কৰিলে। তাৰ বিপৰীতে মই আজি আন এটা কথা কবলৈ বাধ্য হৈছোঁ- আজি আমাৰ স্কুললৈ অহা কণমানি শিশু এজনীৰ কথা। গুৱাহাটীৰ নাম থকা ইংৰাজী মিডিয়াম স্কুলৰ ক্লাছ ওৱানৰ ছাত্ৰী। মাক দেউতাক ব্যস্ত থকা বাবেই হয়তো কণমানি ছোৱালীজনী আইতাকৰ লগত আহিছিল। কণমানি ছোৱালীজনীৰ হাতত এটা মোবাইল আৰু শিক্ষক দিৱসৰ অনুষ্ঠান চলি থকা সময়তো তেওঁ ওপৰলৈ মূৰ তুলি চোৱা নাই, তল মূৰ কৰি মোবাইলত কিবা চাই আছে। কথাটোৱে মোৰ অন্তৰত বৰ বেয়াকৈ আঘাত কৰিলে। আমি অভিভাৱকসকলে যদি এই বয়সত ল'ৰা-ছোৱালী এনে কামৰ পৰা বিৰত ৰাখিব নোৱাৰোঁ তেন্তে ভৱিষ্যৎ এখন সুস্থ সমাজৰ আশা কৰিব পাৰোঁ নে ?

আমি শিক্ষকসকলে যদি ছাত্ৰ-ছাত্ৰীৰ আত্মবিশ্বাস আৰু আত্মসন্মান সিঁচিব পাৰোঁ তেন্তে ভৱিষ্যৎ জীৱনত তেওঁলোক বহু উপকৃত হয়। বহু শিক্ষিত লোকৰ মাজতো ব্যক্তিগত মূল্যবোধৰ অভাৱ দেখা যায়। হয়তো তেওঁলোক বহু উচ্চ পদৰ অধিকাৰী হৈ আছে। যিজনে পাঠ্যপুথিৰ জ্ঞানৰ উপৰিও জীৱনৰ সঠিক জ্ঞান দিব পাৰে তেওঁহে প্ৰকৃত শিক্ষক। এজন শিক্ষকে যদি ছাত্ৰ-ছাত্ৰীৰ মাজত থকা সৃষ্টিসুলভ প্ৰতিভাক বিকশিত কৰিব পাৰে তেওঁ প্ৰকৃত শিক্ষক।

প্ৰকৃততে প্ৰত্যেকগৰাকী পিতৃ-মাতৃয়ে একো একোজন শিক্ষক। ল'ৰা-ছোৱালীয়ে জীৱনৰ বেছি জ্ঞান নিজৰ ঘৰৰ পৰাই আহৰণ কৰে। সেইবাবে প্ৰতিজন অভিভাৱক তথা শিক্ষকলৈ মোৰ অনুৰোধ, ল'ৰা-ছোৱালীক স্কুলৰ পাঠ্যপুথিৰ শিক্ষাৰ উপৰিও সমাজৰ একোজন সুনাগৰিক কৰি গঢ়ি তোলাতহে আমি মনোনিৱেশ কৰা উচিত।

# মোৰ বাংলাদেশ ভ্ৰমণৰ কথাৰে ...

**মদন চন্দ্ৰ ডেকা**

২০১৯ চনৰ ৫ নৱেম্বৰৰ পৰা ৯ নৱেম্বৰলৈ ভাৰত (অসম) - বাংলাদেশৰ ধুবুৰী-কুড়িগ্ৰাম ছেক্টৰৰ আন্তঃৰাষ্ট্ৰীয় সীমাৰ খুঁটাবোৰৰ সঠিক অৱস্থিতি আৰু অৱস্থাৰ যুটীয়া ক্ষেত্ৰভিত্তিক পৰ্য্যবেক্ষণৰ বাবে মই মোৰ বিষয়া-কৰ্ম্মচাৰীৰ দল লৈ বাংলাদেশৰ লালমণিৰহাট জিলালৈ গৈছিলোঁ। মই তেতিয়া অসমৰ ভূমিলেখ্য অধিকৰ্ত্তা হিচাপে কাৰ্য্যনিৰ্ব্বাহ কৰিছিলোঁ। বাংলাদেশৰ জৰীপ বিভাগৰ সঞ্চালক প্ৰধান সহ দেশৰ বিষয়া-কৰ্ম্মচাৰীৰ এটা ছয়জনীয়া দলো ধুবুৰীলৈ আহিছিল। সেই ক্ষুদ্ৰ পৰিসৰত হোৱা অভিজ্ঞতাৰ কিয়দাংশ উল্লেখ কৰা হ’ল ঃ-

১। বাংলাদেশ এখন উন্নয়নশীল দেশ, প্ৰায় সকলো দিশতে উন্নয়নৰ কাম চলি আছে। প্ৰথমে বিশ্ব বেংক, এচিয়ান ডেভেলপমেণ্ট বেংকৰ অৰ্থ সাহায্য লৈ উন্নয়নমূলক কাম-কাজ আৰম্ভ কৰিলে। এতিয়া কিছুমান ক্ষেত্ৰত নিজাববীয়াকৈ পুঁজিৰ ব্যৱস্থা কৰি কামত লাগিছে, যেনে পদ্মা নদীৰ ওপৰৰ প্ৰায় চাৰে পাঁচ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলং নিৰ্ম্মাণ।

২। নিৰ্মাণৰ বাবে প্ৰয়োজনীয় শিল ভাৰত আৰু ভূটানৰ পৰা আমদানি কৰে।

৩। নিম্ন প্ৰাথমিক বিদ্যালয়লৈকে বিনামূলীয়া শিক্ষা, মধ্যাহ্নভোজন ব্যৱস্থা নাই। গ্ৰাম্যাঞ্চলৰ বিদ্যালয়ত শিক্ষকৰ বৰ অভাৱ।

৪। ধান খেতি (মই ফুৰা জিলা দুখনত) ভাল হয়, উত্তৰবঙ্গ, আৰু অসমৰ কোনো কোনো জিলাৰ দৰেই। চাউল আমদানি নকৰে, ৰপ্তানিও নকৰে কেতিয়াবা বানপানী বা সাগৰীয় ঘূৰ্ণিয়ে ক্ষতি কৰিলে প্ৰয়োজন হয় বাবে।

৫। চাউল কিনা মানুহ কম, কেৱল চাকৰিজীৱী আৰু ব্যৱসায়ীসকলহে চাউলৰ গ্ৰাহক। গতিকে চাউলৰ দাম কম, কোনোমতে উৎপাদন ব্যয়ৰ জোৰা মৰে।

৬। ক’তো এটুকুৰা খালি মাটি পৰি থকা নেদেখিলোঁ, কিবা নহয় কিবা প্ৰকাৰে মাটিৰ ব্যৱহাৰ পূৰাকৈ হৈ আছে।

৭। আটাইতকৈ লক্ষ্য কৰিবলীয়া কথাটো হ’ল কোনো এটা খাল, পুখুৰী, বিল, মানুহে খন্দা বা প্ৰাকৃতিকভাৱে হোৱা জলাশয় নাই, য’ত মাছৰ খেতি (Pisciculture) কৰা নাই। মাছ উৎপাদনত বাংলাদেশ বৰ্ত্তমান বিশ্বত চতুৰ্থ স্থানপ্ৰাপক।

৮। লালমণিৰহাট জিলাত প্ৰায় ৩৫০০ মছজিদৰ বিপৰীতে প্ৰায় ৭৫০ টা মন্দিৰ আছে। এইবাৰৰ দুৰ্গাপূজাৰ ঢাকাৰ মূৰ্ত্তিটো পৃথিৱীৰ সৰ্বোচ্চ বুলি পঢ়া মনত পৰে।

৯। ই-ৰিক্সাৰ প্ৰচলন ভাৰতৰ যি কোনো এখন ঠাইৰ দৰেই। ৰিক্সা বা ই-ৰিক্সাখন লৈ ওলাই গ'লে ৰিক্সাৱালাজনে ন্যূনতম এহেজাৰ টাকা উপাৰ্জ্জন কৰি সন্ধিয়া ওভতে।

১০। মধ্য-প্ৰাচ্যলৈ কাম কৰিবলৈ অৰ্দ্ধশিক্ষিত লোকসকল যায় আৰু মাহত অতি কমেও চল্লিশ হাজাৰ টাকা উপাৰ্জ্জন কৰি ঘৰলৈ পঠিয়ায়।

১১। ড° ইউনুচ আৰু আন বহুতৰ আশাসুধীয়া চেষ্টাত বাংলাদেশৰ অৰ্থনীতি টনকিয়াল হৈ উঠিছে। তেওঁলোকৰ GDP আমাৰ অসমৰ প্ৰায় চাৰি গুণ অধিক।

●●●

# চিকিৎসকৰ ডায়েৰী

**ডাঃ জগদীশ বসুমতাৰী**

২৮-০৭-১৯

সুপ্ৰভাত! এটি ভাল লগা দেওবৰীয়া পুৱা!! যোৱা নিশা ICU ৰ পৰা ঘূৰি আহি বিছনাত পৰোঁতে ৰাতি দোভাগেই হৈছিল। ভাবিছিলোঁ পুৱা দেৰিলৈকে শুম। কিন্তু মোবাইলৰ ৰিংটোনে পুৱা ৬ বজাতেই চিকুণ টোপনি ভাঙি দিলে। On duty Doctor য়ে এজন ৰোগীয়ে উশাহ-নিশাহত কষ্ট পাই থকা বুলি জনালে। উপায় নাই। প্ৰাতঃকৃত্য সমাপন নকৰাকৈয়ে ওলালোঁ। অৰ্দ্ধচেতন অৱস্থাত থকা আদহীয়া ৰোগীজনে সচাঁকৈয়ে উশাহ লবলৈ কষ্ট পাইছিল। Oxygen saturation দ্ৰুত নামি আহিছিল। পৰীক্ষা কৰি গম পালোঁ বুকু আৰু ডিঙিত যথেষ্ট কঁফ জমা হৈ আছে। কঁফখিনি নিজে কাহি উলিয়াই পেলাব পৰা নাই।

নিমিষতে মই সাজু হৈ কুৰি মিনিট চেষ্টা কৰি ১০০ গ্ৰামমান গেলা কঁফ উলিয়াই দিলোঁ। ৰোগীয়ে যথেষ্ট সকাঁহ পালে আৰু Oxygen saturation পুনৰ সন্তোষজনক অৱস্থালৈ ঘূৰি আহিল। মনটো এক বুজাব নোৱৰা পৰিতৃপ্তিৰে ভৰি পৰিল। কিছুমান কাম বৰ গুৰুত্বপূৰ্ণ, সেয়েহে লেতেৰা যেন লাগিয়েও মই জুনিয়ৰক কৰিবলৈ নিদিওঁ...

মোৰ আৰু মোৰ ৰোগীসকলৰ বাবে প্ৰাৰ্থনা কৰিবাহক...!

# সময় ঃ স্মৃতি

## সময়

**পূৰ্ণেন্দু শৰ্ম্মা**

বৰ বেগাই
গুচি গ'লি অ'
জীৱন।
        সময়
        তোলৈ আজি
        মোৰ বৰ খং।।
মনত পৰেনে
সেই যে
লুকা-ভাকু খেলা
দিনবোৰৰ কথা
        আৰু আঘোণৰ পূৰ্ণিমাত
        তোমাৰ চোতালত
        মহোহো মহোহো
        গীত গোৱা
        ৰাতিবোৰ।

কিমান দিন নো হ'ল
বাহিনী নৈৰ পাৰত
জোনাকী সন্ধিয়াত
তোমাৰে মোৰে
জীৱনৰ সুৰ দিয়া
সময়বোৰ।।
        আজি দেখোন
        আকৌ এবাৰ
        কবৰ মন যায়
চাপৰিত এবাৰ
জিৰাম বুলি কৈ
গুচি যোৱা
বতাহ ছাটিৰ দৰে
        বই থাকক
        কাৰো বুজনি নমনা
        মোৰ এই
        জীপাল মন।।

# স্মৃতিৰ কৰণি

**ৰত্ন কান্ত শৰ্মা**

ব'হাগ আহিল বুলিলেই
তুমি জানো আহিলা?
অভিমান কৰি গুচি গ'লা সিদিনা
আজিলৈ এবাৰো ঘূৰি নাচালা।।
তোমাৰ দূৰত্বই মোৰ নিবিড়তা
কুলিৰ কু কু ধ্বনিত
কঁপি উঠে মোৰ হিয়া
শুকান পাতৰ মৰ্মৰণিত
নিমিষতে শেষ হয়
প্ৰেমৰ মূৰ্ছনা
তথাপিও...
মোৰ শিৰাই শিৰাই উপলব্ধি হয়
তোমাৰ প্ৰেৰণা
ব'হাগ আহিল বুলিলেই
তুমি জানো আহিলা?

# সময়

**কৃষ্ণা শৰ্মা**

(সকলো বন্ধুৰে শুভাশিস বোৰে আজি মোৰ জন্মদিনটোত বৰ আনন্দ দিলে যি ঘৰত অকলে নিজৰ পৰিয়ালৰ লগত কৰা জন্মদিনতকৈ বহুত বহুত বেছি আনন্দদায়ক।

চাওঁতে চাওঁতে জীৱনৰ বহু দূৰ বাট আগবাঢ়িলোঁ গন্তব্য স্থানবোৰ পাৰ হৈ হৈ শেষ গন্তব্য কিমান দূৰ আৰু নাজানো ...

মোৰ আজিৰ দিনৰ অনুভৱখিনি জনালোঁ সকলোকে)

হে সময়!

জীৱন ঘড়ীৰ কাঁটাডালে পাৰ কৰা তোমাৰ যোগফলেই হেনো মোৰ বয়স!

জীৱনৰ ঘড়ীয়ে পাৰ কৰিলে পল, অনুপল, দিন, মাহ বছৰৰ পিছত বছৰ।

সময়ৰ বোকোচাতে কাহানি পাৰ কৰিলোঁ
বয়স তিনিকুৰি এক গমকে নেপালোঁ।

জীৱনৰ শক্তি, সামৰ্থ্য, যৌৱন পথৰ শীৰ্ষ সীমা অতিক্ৰমি লাহে লাহে বাৰ্দ্ধক্যলৈ গৈ যে আছোঁ

মোক যে ভাবিবৰ অৱসৰেই নিদিলা।
হে সময়! তুমি বৰ কৌশলী।

হাত ঘড়ীটোৱেও মোক দেখুৱালে একেই সময়,

সদায় পাৰ কৰিলোঁ একেই দিনৰ পিছত ৰাতি;
আকাশতো দেখিলোঁ একেই জোন, বেলি, তৰা;
পাৰ কৰিলোঁ বছৰে বছৰে একেই চাৰি ঋতু
বয়সৰ লগে লগে সলনি যে হ'লোঁ অজানিতে,
অনুভৱ যে নিদিলা কৰিবলৈকে।
দেহ-আত্মাৰ মিউজিক চেয়াৰৰ খেলখনত
কোনোবাদিনা পৰাজিত হৈ লম মই বিদায়
আপোনজনো তেতিয়া হৈ পৰিব পৰ।
মই আঁতৰি যাম উৰুকাৰ মেজিৰ দৰেই
হে সময়! এয়াই হেনো নিয়ম জীৱ জগতৰ।

ফাগুনে বিদায় দিয়ে গছৰ শুকান পাতক,
সেউজীয়া পৃথিৱীত কামৰ অন্ত শুকান পাতৰ।
সেউজ কোমল কুঁহিপাত আহিব ওলাই,
কৰিবযে লাগে সেউজী ধৰণী শুৱনি।
হে সময়! এয়াই যে নিয়ম প্ৰকৃতিৰ।

●●●

# সোণতৰা পেহী(এটা ভিন্নস্বাদৰ কাহিনী)

**পঙ্কজ কুমাৰ নেওগ**

সোণতৰা পেহী মোৰ দেউতাৰ দূৰ-সম্পৰ্কীয় ভনীয়েক। বিহপুৰীয়াৰ বাগিচা গাঁৱলৈ বিয়া হৈ গৈছিল যদিও পেহাৰ মৃত্যুৰ পাছত দেউতাই পেহীক আমাৰ ঘৰলৈ লৈ আনে। ল'ৰা-ছোৱালী নথকা আৰু কেও-কিছু নোহোৱা পেহীয়ে দেউতাক নিজৰ ডাঙৰ ককায়েক ৰূপে জ্ঞান কৰিছিল। মা-দেউতাৰ মৃত্যুৰ পিছতো পেহী আমাৰ সৈতে থাকি গ'ল। মোক আৰু শ্ৰীমতীক পেহীয়ে খুব মৰম কৰে, ল'ৰা-ছোৱালী কেইটাৰতো কথাই নাই- আইতা, আইতা বুলি অনবৰতে পেহীৰ পিছে পিছে। পেহীয়ে অৱশ্যে আমাৰ সৈতে খোৱা-বোৱা নকৰে, এটা ৰান্ধনি ঘৰ বেলেগকৈ লৈ নিজে ৰন্ধা-বঢ়া কৰি খায়, পেহাৰ মৃত্যুৰ পিছৰে পৰা এটা সাত্বিক বৈধব্য জীৱন পালন কৰি আহিছে। পেহাৰ কিছু সাঁচতীয়া ধন আছিল যদিও আমি পেহীক কেতিয়াও কোনো খৰচ-পাতি কৰিব নিদিওঁ, সকলো লাগতিয়াল বস্তু-বাহানিৰ যোগাৰ, বজাৰ-সমাৰ ইত্যাদিৰ যোল্ল অনা দায়িত্ব আছিল আমাৰ। সোণতৰা পেহীৰ এটাই চখ আছিল- Transcendental Meditation বা অতীন্দ্ৰিয় ধ্যান। কেতিয়া, ক'ত বা কাৰ পৰা এই ধ্যান কৰিবলৈ শিকিলে নাজানো, কিন্তু পুৱা-গধূলি পেহীক যথেষ্ট সময় ধ্যানমগ্ন অৱস্থাত দেখা পাওঁ। জাৰকালি পুহমহীয়া জাৰতো পেহীক গৰম কাপোৰ নালাগে - সুধিলে কয়, ধ্যান-যোগ ইত্যাদিবোৰে তেওঁৰ শৰীৰৰ ৰোধ বঢ়াইছে, সেইবাবে ছুৱেটাৰ, শ্বল ইত্যাদিবোৰ তেওঁৰ বাবে অনাৱশ্যক। সঁচাকৈয়ে পেহীক আজিলৈকে কাহ এটাও মৰা দেখা নাই। পেহী কেতিয়াবা আৰামী চকী এখনতে বহি সুদীৰ্ঘ সময় ধ্যানমগ্ন হৈ ৰৈছিল। অলপো সাৰ-সুৰ নোহোৱাকৈ, উশাহ-নিশাহ প্ৰায় বন্ধ কৰি ঘণ্টাৰ পিছত ঘণ্টা এনেকৈ থকা দেখিলে

আমি অতি শঙ্কিত হৈছিলোঁ। বহুত সময়ৰ অন্তত চকু মেলি আমাক সম্মুখত দেখা পাই পেহীয়ে মিচিকিয়া হাঁহি এটা মাৰি আমাক কৈছিল-"ভয় নকৰিবি, মাজে-সময়ে ঈশ্বৰৰ সৈতে অলপ কথা বতৰাকে-পাতোঁ, আৰু নো কি কৰিবি"?

সেইদিনা ৰাতিপুৱা সম্বন্ধীয় মহাদেউ এজনৰ মৃত্যুৰ খবৰ পাই ততাতৈয়াকৈ মাহীহঁতৰ ঘৰ ওলালোঁগৈ। সম্ভৱতঃ শ্ৰীমতীৰ মুখে খবৰ পাই অলপ পিছতে পেহীও গৈ পালেগৈ। মোৰ ওচৰতে বহি মাহীৰ সৈতে অলপ কথা-বতৰা পাতিলে। মৃতকৰ ঘৰলৈ মানুহৰ সমাগম বাঢ়ি অহা দেখি এটা পাকত উঠি পেহী বাহিৰলৈ গ'ল আৰু তাৰ পৰাই মোক আকাৰে-ইঙ্গিতে মাতিলে। প্ৰায় ফুচফুচাই মোৰ কাণত পেহীয়ে ক'লে- "বুজিছ ধন, তহঁতৰ মহাদেউৰ আজি যে মৃত্যু ঘটিব মই যোৱাকালি পুৱা ধ্যান কৰি থাকোঁতেই গম পাইছিলোঁ। শুই থকা মহাদেউৰ শৰীৰটোৰ পৰা অকস্মাতে এটা উজ্জ্বল পোহৰ ওলাই ওপৰলৈ যোৱা মইদেখা পাইছিলোঁ আৰু লগে লগে বুজিছিলোঁ যে তেখেতৰ জীৱন বন্তি নুমুৱাৰ সময় হ'ল। অতীন্দ্ৰিয় ধ্যানৰ যিটো স্তৰত মই উপনীত হৈছোঁ মৃত্যুৰ আভাস পোৱা বা ভৱিষ্যৎ বাণী কৰিব পৰা এতিয়া মোৰ বাবে তেনেই সাধাৰণ কথা"। সোণতৰা পেহীৰ কথা শুনি মোৰ পেটত হাত-ভৰি লুকাল, বহুত সময় মুখলৈ ভেবা লাগি চাই থাকিলোঁ। এই ঘটনাটোৰ প্ৰায় দুমাহমানৰ পিছত এদিন নিশা পেহীয়ে মোক তেওঁৰ কোঠালৈ মাতি পঠিয়ালে। দুৱাৰখন বন্ধ কৰি লৈ অতি গহীনাই তেওঁ আৰম্ভ কৰিলে "ধন, তোৰ মাজু ভিনিয়েৰৰ যাবলৈ সময় হ'ল, কাইলৈ পুৱা মুখত জলপান দিয়াৰ আগতেই তেখেতে বিদায় ল'ব। মুম্বাইত থকা ভাগিনীয়েৰজনীক আজি নিশাই খবৰ এটা দি থ"। পুৱা ঠিক ৮ মান বজাত শয্যাগত হৈ পৰি থকা ভিনদেউৰ মৃত্যুৰ খবৰ আহিল। পেহীৰ সদ্যলব্ধ অতিপ্ৰাকৃত শক্তিৰ প্ৰমাণ পাই সঁচাকৈয়ে প্ৰমাদ গণিলোঁ। পেহীৰ সৈতে কথা পাতিবলৈ মোৰ ভয় লগা হ'ল, তেওঁৰ পৰা অলপ আলেঙে আলেঙে থাকিবলৈ ললোঁ। শ্ৰীমতী বা ল'ৰা-ছোৱালী হালৰ সৈতে অৱশ্যে পেহীৰ আগৰ দৰেই কথা-বতৰা বা ধেমালি-ধুমুলা চলি থাকিল।

মাত্ৰ তিনিদিনৰ আগৰ কথা। পেহীয়ে ৰাতিপুৱা কোঠা দেৰিলৈকে নোখোলা দেখি দুৱাৰত ঢকিয়াই ঢকিয়াই কোনো সঁহাৰি নাপাই অৱশেষত দুৱাৰ ভঙা হ'ল। যি আশঙ্কা কৰিছিলোঁ সেয়েই হ'ল, হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ পুৱতি নিশাই পেহী ঢুকাল বুলি ডাক্তৰে ৰায় দিলে। ঘৰখনত মুহূৰ্ত্ততে হুৱাদুৱা লাগিল, পেহীৰ আকস্মিক মৃত্যুৰ খবৰ লবলৈ মানুহৰ লানি নিছিগা সোঁত ববলৈ ধৰিলে। একমাত্ৰ ভতিজা হিচাপে ময়েই পেহীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰিলোঁ। আজি তিলনি, ৰাতিপুৱা কাম-কাজবোৰ হৈ যোৱাৰ পাছত পেহীৰ কোঠাৰ সন্মুখত বহি মই এতিয়াও ভাবি আছোঁ- অতীন্দ্ৰিয় ধ্যানৰ শীৰ্ষ স্তৰত উপনীত হৈ অইনৰ মৃত্যুৰ অৱস্থান দেখা পোৱা বা আগজাননী দিব পৰা সোণতৰা পেহীয়ে কিয় বাৰু নিজৰ মৃত্যুৰ কথা এবাৰো গম নাপালে? নে, মৃত্যুৰ ছাঁ স্পষ্টকৈ দেখিও আমাক এই আপদীয়া আগজাননী নিদিয়াকৈ পেহী মনে মনে আঁতৰি গ'ল? পেহীৰ কোঠাটোলৈ সোমাই গৈ এনেয়ে এবাৰ চাৰিওফালে

চালোঁ। ৰুমটোত চলি থকা চিলিং ফেনখনৰ বতাহত টেবুলত জপাই থোৱা কাগজ এখিলা মোৰ ভৰিৰ ওচৰত পৰিলহি। মেলি চাই দেখোঁ পেহীয়ে মোলৈ লিখি থৈ যোৱা এখন চিঠি -

"মৰমৰ ধন, এনেকৈ হঠাতে আঁতৰি যোৱা দেখি দুখ নকৰিবা। মোৰ সময় হৈ অহা বুলি মই ঠিকেই গম পাইছোঁ - তহঁতক আগতীয়াকৈ জনাই আৰু কিয় দুখ বঢ়াওঁ? মই বৰ দুৰ্ভগীয়া অ'। অতীন্দ্ৰিয় ধ্যানৰ এই বিৰল স্তৰত আহি আজি মোৰ এনে লাগিছে মই এই বিদ্যা শিকিছিলোঁ কিয়? মই এতিয়া যিবোৰ দেখোঁ বা হ'ব বুলি গম পাওঁ সেইবোৰ দেখাৰ অধিকাৰ মোৰ নাই, কোনো লোকৰে অধিকাৰ নাই। এই বয়সত সকলো জ্ঞাতি-কুটুমৰ সমাসন্ন যৱনিকা আৰু যৱনিকাৰ সময় চকুৰ আগত দেখি দেখি উদ্ভ্ৰান্ত হৈ পৰিছোঁ। ভগৱানে মোক আৰু কিমাননো শাস্তি দিয়ে? ভালেই হ'ল দে, অন্ততঃ আজি চিৰদিনলৈ যাবলৈ ওলাইছোঁ। নহ'লে সকলোৰে ভাগ্যৰ ঘনঘোৰ আৰছাঁয়াবোৰ দেখি দেখি হয়তো পাগলী হ'বলৈ বেছিদিন নাছিল। মাত্ৰ এবাৰ ভাবি চাচোন, মই জীয়াই থকা কালত যদি তোৰ পৰিয়ালটোৰ-তোৰ, মায়া আৰু ল'ৰা-ছোৱালীহালৰ কিবা তেনে আপদীয়া ছাঁয়া দেখা পাবলগীয়া হ'লহেতেনে! মই কেতিয়াও নিজকে ক্ষমা কৰিব নোৱাৰিলোঁহেঁতেন! তোকো মই বৰ ভয় খুৱালোঁ, ধন! মোক ক্ষমা কৰি দিবি! আজিৰ পৰা এই সকলো বেয়া ছাঁয়াৰ পৰা তঁহত মুক্ত! এই পৃথিৱীত সদায় কেৱল নিজৰ কৰ্ত্তব্য নিষ্ঠাৰে পালন কৰি যাবি - কৰ্ত্তব্যই হ'ল একমাত্ৰ পৰম সত্য! বিদায়!! ইতি -সোণতৰা পেহী"।

অজানিতে মোৰ এটোপাল চকুপানী ওলাই পেহীৰ চিঠিখনৰ ওপৰত পৰিল। টেবুলৰ ওপৰত সজাই থোৱা পেহীৰ ফটোখনক সেৱা এটা জনাই আৰু চিঠিখন সামৰি এখুজি দুখুজিকৈ কোঠাটোৰ পৰা ওলাই আহিলোঁ।

●●●

# জন্মদিন

**কঙ্কন শৰ্ম্মা**

ৰাতিপুৱাতেই ছোৱালীজনীৰ পৰা ফোন পালোঁ। "হেপী বাৰ্থডে' পাপা।" অহ্ আজি মোৰ জন্মদিন। এইবোৰ কোনোদিনেই পালি নেপালোঁ। ল'ৰা-ছোৱালী দুটিৰ এবছৰ বয়সৰ পৰাই প্ৰতিবছৰে বিভিন্ন ধৰণে বাৰ্থডে' পালিলোঁ। এতিয়া ডাঙৰ হোৱাত সিহঁতে দেউতাকৰ বাৰ্থডে'টো মনত ৰাখি এনেদৰে শুভেচ্ছা জনায়। ঘৰত থাকোঁতে কেক এটা কটাৰো ব্যৱস্থা কৰিছিল। তাইলৈ আজি বৰকৈ মনত পৰিল। ল'ৰাজনে ৰাতিপুৱাই উঠি চুমা এটি খালে। সি ক্লাছ চেভেনত পঢ়ে। শ্ৰীমতী দূৰণিৰ এখন স্কুলত সোমাইছে।

চাহকাপ খাই মোবাইলটোত হাত দিওঁতে শুভেচ্ছাবাণী কিছুমান চকুত পৰিল। কিছুপৰৰ পিছত শ্ৰীমতীৰ পৰা ফোন আহিল। ঘৰত অকলে থাকি অসুবিধা হৈছে নেকি?

দিনকাল যে বেয়া সেই লৈ দীঘলীয়াকৈ অলপ গালে। ল'ৰাটো চকু দিয়া, টিউচন, মোবাইল, অসময়ত ওলাই যোৱা ইত্যাদি বিষয়ৰ সতৰ্ক বাণীয়ে মোকো সতৰ্ক কৰি দিলে।

"আজিকালি লগ সঙ্গবোৰ বেয়া হৈছে, সন্ধিয়া পঢ়া টেবুলত বহে নে নাই চাবা।"

তেওঁৰ বোধহয় মোৰ জন্মদিনৰ তাৰিখটো মনত নাই!

ল'ৰাজনৰ ক্লাছ শেষ হয় ৩.৩০ বজাত। স্কুলৰ পৰা আহি দৌৰাদৌৰিকৈ গা-পা ধুই ভাত খাবলৈ সি মোৰ কাষতেই বহিল। খোৱাৰ টেবুলতেই সি মোক ক'লে "পাপা ভাত খাই উঠি মোৰ লগৰ ল'ৰা এজনৰ তালৈ যাম। স্কুলত মোৰ কপি এটা তাৰ লগত গ'ল। মই যাম আৰু লৈ আহিম।" মোৰ ভয় লাগিল। এইটো সময়ততো সি ওলাই নাযায়? তাতে অকলে। ক'লোঁ "সন্ধিয়া যাম দিয়া, ময়ো লগত যাম।" "নহয় পাপা মই ড্ৰাইভাৰজনক লৈ যাম। তুমি তাক কৈ দিয়া। মই যাম আৰু আহিম।" মোৰ এওঁৰ সতৰ্কবাণীলৈ মনত পৰিল।

বাধা দিম নে যাব দিম? কিয় যাব ওলাইছে। যদি কপি আনিম বুলি বেলেগ কামত ওলাইছে? যদি ল'ৰা বিপথে যাব আৰম্ভ কৰিছে।

পানীগিলাচ খাই বাৰাণ্ডাত বহিলোঁ। সি ভালকৈ কাপোৰ-কানি পিন্ধি ওলাল। লগত পিঠিত লোৱা বেগ। মই সুধিলোঁ "বেগ লৈ ক'লৈ যোৱা?" সি খুলি দেখুৱালে ভিতৰত কেৱল মোবাইলটো আছে। "কিবা দৰ্কাৰ হ'লে তোমাৰ লগত কোৱাদৰে যোগাযোগ কৰিম?" মই বাধা দিব নোৱাৰিলোঁ। গাড়ীখন গেট পাৰ হৈ ৰাস্তা পালে। মই এটি অস্থিৰতা অনুভৱ কৰিলোঁ।

ভবাতকৈ বহু সোনকালে সি ঘৰ সোমাল। ইতিমধ্যে সন্ধিয়া নামিছিল। ভিতৰলৈ গৈ চালোঁ, সি পঢ়াৰ যো-যা কৰিছে। এনেতে শ্ৰীমতীৰ ফোন পালোঁ। ল'ৰাৰ খবৰ ল'লে। তাক হেনো ফোন কৰি কৰি পোৱা নাই। মই তাৰ যত্ন লোৱা নাই বুলি বকিলে। দুপৰীয়া বাহিৰলৈ যাবলৈ কিয় অনুমতি দিলোঁ সেইটো বকিলে। সি পঢ়াশুনা কৰিছে নে নাই?

শ্ৰীমতীৰ তাগিদাত বাধ্য হৈ ল'ৰাক অলপ টান সুৰত মাত দিলোঁ "বাবু! কি কৰি আছা।"

বহু দেৰীলৈ সি ৰুমৰ পৰা ওলাই অহা নাই। মোৰ অলপ খং উঠিল।

এনেতে ৰুমৰ লাইট অফ কৰি সি ওলাই আহিল। হাতত কিবা এটা। "চাওঁ মুখখন মেলা।" বুলি কৈ মোৰ মুখত কেক এটুকুৰা ভৰাই দি চিঞৰি উঠিল-

হেপী বাৰ্থ ডে' টু ইউ--

"তোমাক মই আজি মিছা কথা এটি কৈছিলোঁ পাপা। দুপৰীয়া মই কপি বুক আনিব যোৱা নাছিলোঁ। মোৰ হাতত টিফিনৰ পৰা বচোৱা ৭০ টকা আছিল। তাৰে এই কেকটো আনিছোঁ। সৰু!"

মুহূৰ্ত্ততে তাক মই সাবটি ল'লোঁ।

# কঙ্কনৰ অনুগল্প 'জন্মদিন' পঢ়ি প্ৰতিক্ৰিয়া

**পঙ্কজ কুমাৰ বৰুৱা**

মোৰ চকুৰ পানী ওলাই আহিল, যদিও কয় পুৰুষৰ চকুপানী ওলাব নালাগে।

আজিকালিৰ ল'ৰা-ছোৱালীয়ে স্কুলৰ পৰাই শিকে। জন্মদিন উৎসৱটো সিহঁতৰ বাবে বৰ আপোন। মোৰো দুয়োজনী ছোৱালীৰ পৰা গম পাওঁ। জন্মদিনক আকৌ নিজেই "আজি মোৰ happy birthday আছে" বুলি কয়। মনত কিবা কেইটামান উপহাৰৰ আশা। আমি কাহানিও পতা নাছিলোঁ, সেয়েহে কাৰোবাক happy birthday কোৱাৰ অভ্যাসো নহ'ল। অৱশ্যে সৰুৰ পৰা ছোৱালী দুজনীৰ জন্মদিন মনাইছিলোঁ বা এতিয়াও সিহঁতক ফোন এটা কৰি জনাওঁ। ডাঙৰজনীৰ পিছে দাবী কৰি উপহাৰ লোৱাৰ অভ্যাসটো এতিয়াও যোৱা নাই।

সিহঁতে নিজৰ জন্মদিনৰ দৰে আমাৰ জন্মদিনকো গুৰুত্ব সহকাৰে চায়। এবাৰ মোৰ মনত পৰে, সিহঁত তেতিয়া নাৰ্চাৰী নে কে জি ত আছিল।

মোৰ জন্মদিন কাৰণে সিহঁতক কেক লাগে কাটিবলৈ। মই ক'লোঁ ডাঙৰ মানুহে জন্মদিন নাপাতে নহয়। আমি অফিচৰ পৰা আহোঁতে তেতিয়া ৪.৩০ বাজে। ৮-৪ duty। আহোঁতে ব্ৰেড আনো, লগত বিস্কুট পেটিচ কিবা। সৰুজনীয়ে বুদ্ধি উলিয়ালে, হ'ব পাপাৰ birthday আমি ব্ৰেডতে পাতিম।

আৰু সৰু মম এডাল আনি আবেলি চাহ খোৱা টেবুলতে, ব্ৰেডতে মোৰ জন্মদিন পতা হ'ল আৰু সিহঁতৰ কণমানি হাতেলিখা Greetings এখন দিলে। সিহঁতৰ বাবে এই Greetings ৰ মূল্য বহুত।

যেতিয়া ডাঙৰজনী Higher Secy পঢ়িব দিল্লীলৈ গৈছিল, এবাৰ তাই মোৰ জন্মদিনত এখন ৭৫ টকীয়া দামী Archie's ৰ greetings card আৰু ২৫ টকীয়া মানৰ কলম উপহাৰ দিছিল। মই তাইক উভতি ধৰিছিলোঁ, তুমি দিল্লীত থাকা, টকাৰ দৰকাৰ তোমাৰ, তুমি কিয় এনেকে অপচয় কৰিছা টকা।

তাইৰ উত্তৰ শুনি মোৰ মুখৰ মাত নাইকিয়া হ'ল।

তাই উচুপি উচুপি ক'লে, মই অপচয় কৰা নাই। তুমি দিয়া হাত খৰচৰ টকা কেইটাৰে মই ক্লাছৰ শেষত ফুটপাথৰ দোকানৰ পৰা ৫ টকীয়া বাৰ্গাৰ খাঁও।

মই যোৱা ২০ দিন বাৰ্গাৰ খোৱা নাই, মোৰো চকু কেইটা সেমেকি গ'ল।...

পুনৰ্মিলনৰ সময়ৰে পৰা যেন আমাৰ সহপাঠীসকলৰ গাত দেওহে লম্ভিছে। বাৰ্ষিক সমাৰোহ, বিষয়ভিত্তিক সমাৰোহৰ উপৰিও গোট গোট হৈ ফুৰা, জুমে জুমে আড্ডা মৰাৰ এক পৰম্পৰা গঢ় লৈ উঠিছে। আনকি ইঘৰ-সিঘৰলৈ ফুৰিবলৈ যোৱা কামো বাদ পৰা নাই...

# এটি স্মৰণীয় দিনৰ ৰোমন্থন

(বিৰাজৰ নিমন্ত্ৰণত)

**জোনা মহন্ত**

পাঁচ জানুৱাৰি বছৰৰ প্ৰথমটো দেওবাৰে বিৰাজৰ চন্দ্ৰপুৰৰ ফাৰ্মলৈ নিমন্ত্ৰণ পাই কেইদিনমান আগৰ পৰাই মন উগুল থুগুল। প্ৰায় ৪৩ বছৰ আগতে এৰি অহা সহপাঠী বন্ধু-বান্ধৱীক লগ পোৱাৰ হেঁপাহত ! কেইগৰাকীমানক যদিও লগ পাওঁ মাজে মাজে তথাপিও সহপাঠীক লগ পোৱাৰ হেঁপাহ সদায় থাকেই। ৰাতিপুৱাই যাবলৈ সাজু হৈ শান্তনুক ফোন কৰি জানিব পাৰিলোঁ বিৰাজে হেনো পুখুৰীৰ পৰা নিজেই মাছ মাৰিব আমালৈ বুলি। সেইবাবে ১০-৩০ মান বজাত গৈ পালেই হ'ব। নগৰীয়া যান্ত্ৰিকতাৰে ভৰা জীৱনত এনে দৃশ্য দুৰ্লভ বাবে মাছ মৰা চাবলৈ মন আছিল যদিও বতৰটো গোমা বাবে মনৰ আশা মনতে সামৰি প্ৰায় ন মান বজাত আমি মানে মই, মোৰ জীৱন সঙ্গী আৰু দীপ্তি তিনিও যাত্ৰা আৰম্ভ কৰিলোঁ চন্দ্ৰপুৰ অভিমুখে। বতৰ সেমেকা যদিও একেলগে বহি কমলা খোৱাৰ আনন্দই বেলেগ বুলি নাৰেঙ্গীৰ দেওবৰীয়া বজাৰত কমলা কেইটামান কিনি ললোঁ।

আমি বিৰাজৰ ফাৰ্মলৈ গৈ পোৱাৰ আগতেই বৰষুণ দিবলৈ আৰম্ভ কৰিছে আৰু বিৰাজো আহি পাইছেহে মাছ মাৰি। পাত্ৰত জপিয়াই থকা সতেজ মাছবোৰ দেখি ভাল লাগি ভিডিওকে অলপ কৰিলোঁ।

সৰু ফাৰ্মঘৰটোৰ ভিতৰলৈ জুমি চাই দেখোঁ দুটা চৌকা জ্বলাই ৰন্ধা-বঢ়া আৰম্ভ কৰিছে। কোনোৱে প্ৰাতঃভোজনৰ বাবে প্লেটত খোৱা বস্তু সজাই আছে, কোনোবাই আকৌ পাচলি কাটিছে। পাঁচ-ছয়জনমান মানুহ ব্যস্ত বিভিন্ন কামত। জুই দেখা পাই ৰব নোৱাৰি ভিতৰলৈ সোমাই গ'লোঁ - পুহ মাহৰ শীত, বৰষুণ পৰি আছে, ব্ৰহ্মপুত্ৰৰ পাৰত বাবে ফেৰফেৰীয়া বতাহ। চৌকাৰ ওচৰলৈ গৈ তাত কাম কৰি থকা লোক কেইজনৰ লগত চা-চিনাকি হৈ কথা পতাৰ লগতে গাটো অলপ গৰম কৰি ললোঁ। ইতিমধ্যে চাহ বনোৱা হ'ল। আমি আটায়ে (যিমান খিনি আহি পাইছিলোঁ) বিভিন্ন পিঠা পনা, মিঠাই, কণী আদিৰে প্ৰাতঃভোজন কৰিলোঁ। প্লেটত সজাই দিয়া বিভিন্ন খোৱা সামগ্ৰীৰ প্ৰতিবিধৰ এটাকৈ খালেও দুপৰীয়াৰ আহাৰৰ প্ৰয়োজন নহ'ব যেন অনুভৱ হ'ল।

আটায়েই হাঁহি-ধেমালি কৰি আছিলোঁ যদিও মনটো বৰ বেয়া লাগি আছিল বৰষুণৰ বাবে সুন্দৰ দিন এটি উপভোগ কৰাৰ পৰা বঞ্চিত হ'ম বুলি। হয়তো প্ৰকৃতিয়ে আমাৰ মনৰ কথা বুজি পালে। লাহে লাহে

বৰুণ দেৱতাৰ গমন আৰু সূৰুজ দেৱতাৰ আগমন ঘটিল। বতৰ ফৰকাল হ'ল। সময় নষ্ট নকৰি ফাৰ্মৰ ৰঙালাউৰ খেতিৰ মাজে মাজে গেন্ধাই, সূৰ্য্যমুখী আদি ফুলৰ সুন্দৰ দৃশ্য উপভোগ কৰি ফটো উঠাত ব্যস্ত হলোঁ। ৰঙালাউৰ গছবোৰ ফুল আৰু ফলেৰে ভৰি পৰিছে। বিৰাজৰ প্ৰচেষ্টাক শলাগ নলৈ নোৱাৰিলোঁ।

ইতিমধ্যে এজন দুজনকৈ বাকী সহপাঠী আহি পালে। ব্ৰহ্মপুত্ৰৰ নিচেই কাষতেই বিৰাজৰ ফাৰ্ম। ইমান ওচৰলৈ আহি ব্ৰহ্মপুত্ৰৰ সৌন্দৰ্য্য উপভোগ কৰাৰ লোভ সামৰিব নোৱাৰি আমি কেইজনমান তালৈ ঢাপলি মেলিলোঁ। আলু, বিলাহী খেতিৰ মাজে মাজে পাহাৰ, নদীৰ প্ৰাকৃতিক দৃশ্য উপভোগ কৰাৰ লগতে, কিছু পাহৰিব নোৱৰা স্মৃতি কেমেৰাত বন্দী কৰি উভতি আহিলোঁ। আমি যেন উভতি গলোঁ কটনৰ সেই কৈশোৰৰ দিনলৈ।

ইতিমধ্যে আৰম্ভ হৈছে গান-বাজনাৰ অনুষ্ঠান। আমাৰ মাজত থকা প্ৰায়বোৰ প্ৰতিভাৱান শিল্পীৰ গান লগতে বাদ্যযন্ত্ৰৰ মূৰ্চ্ছনা। গানৰ তালে তালে আল্পনা, তৃষ্ণা, আৰতি, সন্ধ্যাৰ নৃত্যৰ লহৰ। কি যে এক সুন্দৰ পৰিৱেশ! এনে লাগিছিল যেন সময়খিনি আৰু কিছু দীঘলীয়া হোৱা হলে ভাল আছিল। ইতিমধ্যে তুলিকাও অসুখীয়া গাৰেই আহি পালেহি। আমাকো দুপৰীয়াৰ আহাৰ সাজু হোৱাৰ সঙ্কেত দিলে। বিধে বিধে সুস্বাদু ব্যঞ্জন সৰু মাছৰ পৰা ডাঙৰ মাছলৈ, তদুপৰি মাংসৰ তিনিবিধ বিভিন্ন আঞ্জা। সকলোৱে হাঁহি ধেমালিৰ মাজেৰে খোৱা পৰ্ব্ব আৰম্ভ কৰিলোঁ। খোৱা আৰম্ভ কৰাৰ আগতে মই কিছু মুহূৰ্ত্ত কেমেৰাত বন্দী কৰি থাকোঁতে আন এটা পাহৰিব নোৱৰা ঘটনা ঘটিল, থেকেচা এটা খালোঁ। আটায়ে কথাটো বৰ ৰস পাই ধেমালি কৰি থাকোঁতেই এইবাৰ চকী উলটি মদনেও খালে থেকেচা। এনেদৰে হাঁহি-ধেমালিৰ মাজেৰে দিনটো পাৰ কৰি বহু পাহৰিব নোৱৰা স্মৃতি লৈ উভতি আহিলোঁ যদিও মনৰ মাজত এটা কথা ভাবি আজিও আচৰিত লাগে, বিৰাজে বাবৰি শাক হাঁহ কণীৰে ৰন্ধাৰ পৰা ইমানবিলাক কেনেকৈ বাৰু যোগাৰ কৰিলে!

বিৰাজ আৰু তুলিকাৰ আতিথ্যৰ কথা দুনাই লিখাৰ প্ৰয়োজন আছে বুলি মই নাভাবোঁ। এনে এটি সুন্দৰ দিনৰ উপহাৰৰ বাবে বহুত ধন্যবাদ বিৰাজ আৰু তুলিকালৈ।

# গাঁও ফুৰোঁ আহাঁ

**ফাইজুৰ ৰহমান**

আজি পহিলা ডিচেম্বৰ। আবেলি বাৰে বাৰে মীনাক্ষিৰ পৰা ফোন আহিল। মদনৰ ঘৰলৈ যাব লাগে, তাত চাহমেলত ৰঞ্জনা, জোনা, ৰুমিমা আটাইয়ে ল'গ হ'ব। ময়ো তালৈকে ৰাওনা হলোঁ। বাঘৰবড়ি পথৰ 'গ্ৰীনল্যাণ্ড' উপপথৰ ২৮ নং ঘৰৰ ওচৰত গাড়ী পাৰ্কিং কৰাৰ পিছতেই মদনে ঘৰলৈ সাদৰিলে। ঘৰৰ চৌহদ সোমায়েই দেখিলো, বাঃ কি অপূৰ্ব! বাহিৰে বাহিৰে ফুলনি চালোঁ। বিভিন্ন প্ৰকাৰৰ গছ লতিকা, শাক পাচলি, নানা বিধৰ ফুলৰ পুলি শাৰী শাৰীকৈ আছে। ঘৰৰ ভিতৰ সোমাই গ'লোঁ। সুন্দৰ

চ'ৰাঘৰ। মুঠতে ঘৰখন দেখিলেই গম পোৱা যায় যে সঁচাকৈ শিল্পী সাহিত্যিকৰ ঘৰ। মদন আৰু আল্পনাই ঘৰৰ ভিতৰে বাহিৰে খুব সুন্দৰকৈ আৰু আটোমটোকাৰিকৈ সজাই ৰাখিছে। ভিতৰত ৰঞ্জনা, ৰুমিমা, মীনাক্ষি আৰু জোনা বহি আছে। মই যোৱাৰ পাছত আড্ডা ভালকৈ জমিল। অলপ পিছত মদন আৰু আল্পনাও আহি আমাৰ আড্ডাত যোগ দিলেহি। বিভিন্ন বিষয়ৰ ওপৰত আলোচনা চলিল। কবিতা, গল্প, খুহুটীয়া কথা, মাজে মাজে ফকৰা যোজনা, অসমীয়া ভাষা আৰু বাংলা ভাষাত শব্দৰ পাৰ্থক্য ইত্যাদি। মাজতে মদনৰ ছোৱালীয়ে নিজ হাতে বনোৱা লাল চাহ আৰু বিস্কুটেৰে আপ্যায়িত কৰিলেহি। মনতো নতুনত্ব লাগিল। এইবাৰ আহিল ফটো তোলা পৰ্ব্ব। জোনা চেলফিত ওস্তাদ। হাঁহি ধেমালিৰ মাজেৰে ফটো চলি থাকিল। এবাৰ মদনৰ নাতি বোৱাৰী আহি আমাক ওপৰলৈ মাতিলে। ৰুমিমাই ভাবিলে সিপুৰীলৈ মাতিলে বুলি। ভয়ত কম্পমান। আমি আটাইয়ে হাঁহি হাঁহি ওপৰলৈ গ'লোঁ। এয়া কি? বিভিন্ন প্ৰকাৰৰ খাদ্য সম্ভাৰেৰে ডাইনিং টেবুল ভৰি আছে। মোক খা, মোক খা কৰি আছে। তেতিয়া আবেলি চাৰি বাজিছে। গৰম গৰম পুৰি তৰকাৰিৰ গোন্ধত জিভাৰ পানী পৰোঁ পৰোঁ। জুতি ল'বলৈ জিভাই লক্‌লকাই আছে। আমি ভাগে ভাগে বহি ললোঁ। ফুলা ফুলা পুৰিৰে কাঁহৰ কাঁহী ভৰি আছে। কাঁহৰ বাতিত বিধে বিধে পাৰৰ মাংস, মুৰ্গীৰ মাংস, মাছৰ মূৰিঘণ্টা আদি তৰকাৰী সজাই থোৱা আছে। এইবোৰ হেনো আল্পনাই বনাইছে। চবেই নিজা নিজা ৰুচি অনুসৰি উদৰ পূৰাই খালোঁ। ঘৰত বনোৱা জলফাইৰ আচাৰ বৰ সোৱাদ লাগিল। পায়সৰ তৃপ্তি আজিও যেন জিভাত লাগি আছে। শেষত গাখীৰৰ চাহ খাই আমি চাহমেল শেষ কৰিলোঁ। আহিবৰ সময়ত টাবত ফুলি থকা ফুলৰ ফটো ল'লোঁ। বাই বাই, তা তা, গুড নাইট কৰি চবেই বিদায় ল'লোঁ।

# গাঁও ফুৰোঁ আহাঁ

**জোনা মহন্ত**

পশ্চিমৰ পৰা বতাহ জাক আহি মোৰ ঘৰৰ পদূলিত লাহেকৈ টোকৰ মাৰিলে। কিছু সময় মোৰ ঘৰত জিৰণি লৈ অহাৰ উদ্দেশ্যে ক'লে আৰু ময়ো সকলোখিনি সহায় কৰিব পালে ভাল পাম বুলি আগুৱাই গ'লোঁ, ইমান বছৰ পিছত শীতল বতাহ জাকে আহি চুই যোৱাত এনেয়ে আনন্দত আত্মহাৰা হৈছিলোঁ। যাবতীয় কামবোৰ শেষ কৰি আৰম্ভ হ'ল অতীতলৈ উভতি চোৱাৰ। প্ৰথমতেই আৰম্ভ কৰিলোঁ ফাইজুৰৰ ঘৰ আৰু তালৈ ৰঞ্জনা আহি পোৱাত বতাহজাকৰ প্ৰাৱল্য বাঢ়ি গ'ল। অট্টালিকা সদৃশ ঘৰ সোমাই বেগম ৰেজিয়া, ৰেজিয়াৰ মা আৰু ভনীয়েকৰ লগত বহু সময় কটালোঁ। ৰেজিয়াই নিজ হাতেৰে বিভিন্ন ব্যঞ্জনেৰে আমাক আপ্যায়িত কৰিলে। তাৰ পিছত ফাইজুৰৰ ৰাজ প্ৰাসাদৰ প্ৰতিটো কোঠা চাই আমি তাৰ পৰা ওলাই আহিলোঁ। পলম হ'ল বাবে ৰঞ্জনাৰ বহু অনুৰোধ সত্ত্বেও আমি তেওঁৰ ঘৰত বহিব নোৱাৰিলোঁ যদিও পিছৰদিনা আকৌ অহাৰ প্ৰতিশ্ৰুতিৰে উভতি আহিলোঁ।

পিছদিনা মানে কালি বতাহজাকে ধুমুহাৰ ৰূপ ল'লে! আমি গৈ মানে মীনাক্ষি, ৰুমিমা আৰু মই আগতে দিয়া কথামতে দুপৰীয়া গৈ ৰঞ্জনাৰ ঘৰ ওলালোঁ। আমি গৈ পোৱাৰ আগতেই ৰঞ্জনাও বহু সুস্বাদু ব্যঞ্জন তৈয়াৰ কৰি আমালৈ বৈ আছিল। আমি আটাইকেইজনী লগতে ৰঞ্জনাৰ স্বামী মিঃ দত্তইও বহু হাঁহি ধেমালিৰে দুপৰীয়াৰ আহাৰ খাই মদনৰ ঘৰলৈ ওলাই আহিলোঁ। মদনৰ ঘৰৰ সকলোখিনি ফাইজুৰে সুন্দৰকৈ বৰ্ণনা কৰিছেই।

ৰাতি আকৌ আমি ওলালোঁগৈ তপোধনৰ ঘৰ। আমি গৈ পোৱাৰ আগতেই শৰৎ, তৃষ্ণা আৰু মূৰ্ছনাক লৈ সেইখিনি পাইছিলগৈ। আটাইবোৰে ৰোজীয়ে বনাই থোৱা হাঁহৰ মাংস, চিতল মাছকে আদি কৰি বিভিন্ন আঞ্জাৰে নিশাৰ আহাৰ কৰিলোঁ। আমি অৱশ্যে নাজানিছিলোঁ কালি তপোধনৰ সৰু ল'ৰাৰ জন্মদিন আছিল, ভাল লাগিল এনে এটি দিনত গৈ।

ঘৰলৈ আহি মীনাক্ষি মোৰ ঘৰতে নিশাটো কটালে আৰু আজি ৰাতিপুৱা মীনাক্ষিৰ শেষ অনুৰোধ ৰক্ষা কৰি দীপালিৰ ঘৰলৈ বুলি ওলালোঁ মই, ৰুমিমা আৰু মীনাক্ষি। গোটেই দিনটো দীপালিৰ ঘৰত কটাই অলপ আগতে আহি ঘৰ পালোঁহি। এইকেইদিন মীনাক্ষি আহি এনেদৰে বন্ধু-বান্ধৱীৰ লগত সময় কটাবলৈ পোৱাত দিনকেইটা কেনেকৈ পাৰ হৈ গ'ল ধৰিবই নোৱাৰিলোঁ। Thanks Minakhi.

# শব্দৰ মায়াপুৰী

**শৰৎ বৰকাকতি**

আজি এই পদূলি
মোহময়ী শব্দেৰে
উদুলি-মুদুলি
পাটৰ সাজ পিন্ধি
আহে সেয়া তপোধন
জ্যোতিষ্মান বিৰাজ
আৰু ইষৎ হাঁহিৰে কঙ্কন
নষ্টালজিয়াৰ জিঞ্জা হৈ

উৰি আহে ৰুমিমা, ৰঞ্জনা
জুৰ মলয়া হৈ ফাইজুৰ
জোনাই বৈ আনে বন্ধুত্বৰ সুৰ
চৌদিশ ওপচাই
সেয়াচোন সুবাসনা কস্তুৰী
ৰুনুক ঝুনুক ধ্বনি
মুখৰিত আজি এয়া
শব্দৰ মায়াপুৰী

*"অন্তৰৰ গভীৰ ভাবৰাশিৰ স্বতঃস্ফূৰ্ত্ত প্ৰকাশেই কবিতা"*

-ৱৰ্ডচৱৰ্থ

# আলাপ

**পূৰ্ণেন্দু শৰ্ম্মা**

ডাৱৰ ফালি
ওলাই আহে
পূবালি আকাশৰ
ৰূপোৱালী জোনাক।
দূৰণিৰ জাৰণিত
সৰি পৰে
নিৰল নিশাৰ
জাৰ মালতীৰ
গোপন আলাপ।।

# তুমি সলনি হৈছা

**জোনা মহন্ত**

তুমি সলনি হৈছা
মই বিশ্বাস কৰিবলৈ টান পাইছোঁ
তুমিতো তেনে নাছিলা
তোমাৰ অন্তৰ আছিল মমতাৰে ভৰি
আছিলা তুমি সুন্দৰৰ উপাসক
তোমাৰ কণ্ঠত আছিল প্ৰেমৰ আহ্বান
সকলোতে আছিলা তুমি জাকত জিলিকা
সহানুভূতিশীলতাৰ উদাহৰণ
কিন্তু আজি তুমি সম্পূৰ্ণ বিপৰীত
তোমাৰ কথাত নাই সেই সৰলতা
নাই সেই মাৰ্জ্জিত আচৰণ
তুমি এতিয়া আভিজাত্যৰ মুখা পিন্ধা
কৃত্ৰিমতাৰে ভৰা ব্যক্তি
আনৰ দুখে নোৱাৰে কৰিব
তোমাৰ মন বিচলিত
স্মৃতিৰ পৰা হেৰাই গ'ল
অচিনাকি হৈ পৰিল তোমাৰ
একালৰ শুভাকাঙ্ক্ষীৰ তালিকা
তুমি সলনি হৈছা
তোমাৰ অহঙ্কাৰে দংশন কৰিছে
তোমাৰ বিবেক
কেনেকৈ তুমি বিক্ৰী কৰিব পাৰিলা
তোমাৰ স্বাভিমান
মই বিশ্বাস কৰিব পৰা নাই।

# শেষ পৃষ্ঠা

## বিৰাজ জ্যোতি গোস্বামী

পলাশী ফাগুনৰ
সেই আবেলিটো
তোমাৰ পৰেনে মনত
তোমাক প্ৰথম লগ পালোঁ
তোমালৈ আগবঢ়ালোঁ
সন্ধিয়া সন্ধিয়া লগা
হেঙুলভৰা মোৰ হাত
মোৰ কামনা আৰু কল্পনা
নামি পৰিল
এক আঘোষিত প্ৰতিযোগিতাত
শব্দবোৰ সুৰ হ'ল
সুৰবোৰ গান হ'ল
আকাশে বতাহে কেৱল সুৰৰ বিস্তৃতি
মোৰ বাষ্পভৰা বুকুত
তোমাৰ শব্দৰ কি যে ধ্ৰুপদী বিস্তাৰ!
পৃথিৱীখন যেন মোৰ
কেৱল মোৰ হৈ গ'ল
হাঁহিবোৰ ফুলবোৰ ঘাঁহনিখন
কেৱল মোৰ হৈ গ'ল...

চকুযুৰিত যেতিয়া বিষ উঠিল
গম পালোঁ সেয়া প্ৰেৰণা নাছিল
আছিল এক মৰীচিকা
বুকুৰ বাষ্পখিনি গোট মাৰিলে
মইতো ভবা নাছিলোঁ
প্ৰথম পৃষ্ঠাৰ সেই ফুল-হাঁহি-ঘাঁহনি
শেষৰ পৃষ্ঠাত গম পাম
সেইবোৰ মোৰ অশ্ৰু উদ্যানৰ
আছিল এক ট্ৰেইলাৰ
বৰ বিদীৰ্ণ, বৰ বেদনাদায়ক
বঞ্চনাৰ এক দস্তাবেজ

# মাত লগালোঁ সকলোকে

**কঙ্কন শৰ্ম্মা**

বগা কোটটো পিন্ধিবলৈ ভয়
দিনৰ পোহৰতো...
আন্ধাৰতো
মিছাতে কোৱা
আমাক ভগৱান বুলি।
সোণালী হ'ব বুলি ভবা সপোন
হয় দেখোন ৰাঙলী
শেতেলিতে এৰোঁ পৰিয়াল
কাহিলিপুৱা অথবা নিশা
আধাখোৱা অথবা সজাভাতেই যাৰ জীৱন!
তাক পাবলৈ লাগে
প্ৰখৰ মেধা!
এতিয়া মানৱতাবোৰ
ধুই শুকাই লোৱাঁ
কি কৰিবা?
ৰ'দলৈ যাবা নে প্ৰস্তৰলৈ
ভয়ে ভয়ে পিন্ধিলোঁ
এপ্ৰণটো...
কামলৈ যাওঁ...
মাত লগালোঁ সকলোকে।
(ডাঃ দেবেন দত্তৰ সোঁৱৰণত)

# প্ৰাতঃভ্ৰমণ আৰু মনৰ চেঁকুৰ

**ৰঞ্জনা দত্ত**

শুকাই অহা অস্থিৰস
আৰু ছানিপৰা দুচকুৰে
মন্থৰ হৈ পৰিছে মোৰ গতি
খোজৰ লগে লগে
অবুজন মনটো আজিকালি
লেকাম নোহোৱা ঘোঁৰাৰ দৰে
চেঁকুৰিবলৈ লৈছে
অতীতৰ মাজলৈ
অনেক দূৰলৈ গুচি যায়
বাৰে বাৰে তাক আজুৰি
আনো বাস্তৱলৈ
প্ৰাতঃভ্ৰমণত দেখা পোৱা
কোনোৱা পদব্ৰাজকৰ
ভৰিৰ গচকত মৰা
শামুকটো আৰু তাৰ
পেটৰ পৰা ওলাই অহা
অগণন হালধীয়া পূৰঠ ডিম্বই
মনটো জোকাৰি যায়।

স্কুলৰ বন্ধত ভৈয়ামলৈ যাওঁ ককাদেউতাৰ ঘৰত থকা
পুখুৰীৰ দলঙত বহি
আইতাৰ চাউল ধোৱা খৰাহীৰ
ফাঁকেৰে সৰিপৰা খুদবোৰ
খাবলৈ অহা জাক জাক
পুঠি খলিহনা

আৰু ৰ'দে পোৰা দুপৰীয়া
দিখৌ নৈৰ ঘাটৰ দলঙৰ
খুঁটাত ধৰি মেলা সাতোঁৰ
ককাদেউতাৰ গল্প
পিতনিৰ বাঁক, বাঁহনিৰ যখিনী
ধনগুলৈ আৰু বুঢ়া ডাঙৰীয়া
ভয়ত পেঁপুৰা লগা ৰাতি
প্ৰতিটো খোজৰ লগে লগে
চেঁকুৰ মৰা মন
সম্ভাষণ প্ৰতি সম্ভাষণ
প্ৰাতঃভ্ৰমণকাৰীৰ
মনৰ চেঁকুৰ আকৌ অতীতলৈ
চাহ বাগিচাৰ মাজত টিলাটোৰ ওপৰত থকা
বিজুলী বাতি বিহীন
পুৰণি চাহাবৰ বঙলা
পোকে খোৱা টিলিকি আমৰ
ওৰেৰাতি বঙলাৰ টিঙত পৰা
টুংটাং শব্দ আৰু
প্ৰহৰীয়ে মৰা ঘণ্টাৰ শব্দ
কিবা জয়াল জয়াল ভাব।

ঘণ্টা ধ্বনিৰ মাজেৰেই
পাৰ হয় শ্ৰমিকৰ জীৱন
নটা কোবত কাম আৰম্ভ কৰি
পাঁচটা কোবত সমাপ্তি
কাম সামৰি বাগানীয়া ডেকা গাভৰু ঘৰলৈ যায়।
আকৌ আজুৰি আনো
মনটো বাস্তৱলৈ ...
প্ৰাতঃভ্ৰমণতে আছোঁ
বকুলৰ সুঘ্ৰাণ
এতিয়াহে চিনিছোঁ
তল সৰা বকুলৰ ওপৰেৰে
খোজ কাঢ়ি ভাবোঁ
লগে ভাগে বকুলৰ মালা
দেখোন গঁঠাই নহ'ল
লগবোৰ এৰা এৰি হ'ল
চেঁকুৰ মাৰিব খোজা
মনটোক ক'লোঁ
পাৰিবানে লগবোৰ
গোটাই দিবলৈ।

# পখিলা খেদাৰ বয়স

**পঙ্কজ কুমাৰ বৰুৱা**

কোৱা হয় পখিলা খেদাৰ বয়স ল'ৰালি,
নাতিল'ৰা দৌৰে পখিলাৰ পিছে পিছে,
ধোপোক ধাপাক খোজেৰে
সিয়ে ঘৰৰ ভৱিষ্যতৰ ৰ'দালি,
পখিলা উৰি ফুৰে
ফুলে ফুলে মৌ খাই,
নাতি ল'ৰাই ধৰিবলৈ
পিছে পিছে খেদি যায়।

পখিলা খেদাৰ বয়স ককাৰো আছে,
সেয়েহে ৰঙতে মাজে মাজে
টিক টিকতো নাচে।
দুয়ো দৌৰে পখিলাৰ পিছে পিছে
পাৰ্থক্য মাথোঁ এটাই,
ককাৰ হাতত আছে কেমেৰাটো,
নাতিৰ হাতত নাই,
নাতি বৰ সৰু,
সি যে কেমেৰা চিনিকে নাপায়
তথাপি ককাৰ হাতৰ কেমেৰা
লব খোজে থপিয়াই।।

# শুকুলা মেঘৰ ৰথ

**ৰত্ন কান্ত শৰ্ম্মা**

শুকুলা মেঘৰ ৰথ
নামিছে জোনাকী বাটেৰে
বাট ভেটি ধৰিছে বাৰিষাই
গ্ৰীষ্মই লৈছে অহেতুক সময়
শৰতে পিন্ধিব পৰা নাই
আভূষণ
কৰিব পৰা নাই অঙ্গৰাগ
গৰমত ছাটি ফুটি
শেৱালিয়ে কেনেকৈ মেলিব কলি
বৰ্ষাক্লান্তা মন এতিয়াও
পদুমেও পৰা নাই মাৰিব হাঁহি
তথাপিও ঋতুৰে সলাইছে বৰণ
মিঠা হাঁহি আৰু মৃদু চাৱনিৰে
শৰৎ আহিছে নামি
এয়াতো শাৰদীয় শুভ আগমন।

# অনুভৱৰ এপৃষ্ঠা

**পঙ্কজ কুমাৰ বৰুৱা**

লিখিলে ভাল কথা নিলিখিলেও এখন অভিধান লাগে ঘৰত।

মই স্কুলবোৰত বা পুথিভঁৰাল সাজি পুথি বিলাই ভালপোৱাৰ কাৰণটো বেলেগ।

সৰুতে ক্লাছ ফ'ৰত থাকোঁতে সাধুকথা, গল্প বা তেনে বাহিৰা কিতাপ পঢ়িবলৈ বৰ ইচ্ছা গৈছিল। হাইস্কুলৰ পুথিভঁৰালত তিনিটা কাঠৰ আলমাৰিত কিতাপ আছিল। কিন্তু সপ্তাহত এটা শ্ৰেণীত এবাৰ হে কিতাপ দিয়ে, তাকো এখন। লোৱাৰ দিনাখনেই পঢ়ি শেষ কৰিছিলোঁ। তাৰ পিছত সপ্তাহটোলৈ নাই। কিবা কাৰণত আমাৰ কিতাপ দিয়াৰ দিনা যদি বন্ধ থাকে বা হাফ ছুটী দিয়ে বা কিতাপ দিয়া ছাৰজন নাহে বা ছাৰৰ গা বেয়া হয়, গ'ল আৰু! কিতাপ ল'ব নোৱৰাৰ দুখে আগুৰি ধৰে। অৱশ্যে সলনা-সলনি কিছুমানৰ স'তে কৰিছিলোঁ।

এদিন লগৰ এজন শিখ (সিং) ল'ৰাই ক'লে 'ব'ল মোৰ লগত, আমাৰ তাত এটা পুথিভঁৰাল আছে, নাম নৱজ্যোতি পুথিভঁৰাল। তই কিতাপ ল'ব পাৰিবি তাত।'

স্কুল ছুটীৰ পিছত গ'লোঁ তাৰ লগত নৱজ্যাতি পুথিভঁৰালৰ পৰা কিতাপ আনিবলৈ। ষ্টেচনৰ কাষেদি গৈ সিংবস্তি পালোঁগৈ। তাৰ পৰা গ'লোঁ নৱজ্যোতি পুথিভঁৰাললৈ।

গৈ দেখিলোঁ, বেৰা বোৰৰ কিছুমান ভঙা। ফুটাৰে চাই পঠালোঁ, দেখিলো এটা পকাণ্ড ঘোঁৰা। ঘোঁৰাৰ লাথি খোৱাৰ ভয়ত দুয়ো দৌৰি পলালোঁ।

যুৱক সংঘৰ পুথিভঁৰালো আছে বুলি শুনিছোঁ। কিন্তু যুৱক নোহোৱা বাবে তালৈ যাব নোৱাৰোঁ।

কিতাপৰ দোকানত গৈ চাবহে পাৰোঁ, কিনিব নোৱাৰোঁ।

এনেদৰেই বাহিৰা কিতাপ পঢ়াৰ পৰা বঞ্চিত হৈছিলোঁ আৰু এটা পুথিভঁৰালৰ প্ৰয়োজনীয়তা খুবেই অনুভৱ কৰিছিলোঁ। সেয়েহে পিছত যেতিয়া সমৰ্থবান হ'লোঁ প্ৰতিখন স্কুলতে বা ৰাজহুৱাকৈ পুথিভঁৰাল স্থাপন কৰাই দিয়াৰ লগতে, সকলো অভিধানৰ লগতে সাধু গল্পকে ধৰি স্কুলৰ উপযোগী বহুত কিতাপ আগবঢ়াইছিলোঁ। তাৰে কেইখনমান স্কুলত বিশেষ ক্লাছ লৈছিলোঁ বন্ধৰ দিনত।

ছাত্ৰ-ছাত্ৰী সকলৰ কিতাপ পঢ়াৰ অনুৰাগ সৃষ্টিৰ বাবে চেষ্টা কৰিছিলোঁ। কিন্তু জানিলে বেয়া লাগিব, আজৰি সময়ত বাহিৰা কিতাপ পঢ়াৰ ধাউতি যেন কমি আহিছে। পঢ়াৰ ক্ষেত্ৰত টিউচনৰ গুৰুত্ব বাঢ়িছে।

ল'ৰা ছোৱালীখিনিৰ বেছিভাগে মাথোঁ পৰীক্ষাত উত্তীৰ্ণ হ'বৰ বাবে লগাখিনিৰ বাহিৰে যেন অন্য কথা পঢ়িব নিবিচাৰে!

সস্তীয়া CD বা হুলস্থূলীয়া নাচ গানৰ প্ৰতিহে যেন আগ্ৰহী বেছি!

# অথন্তৰৰ উপচাৰ

**শৰৎ বৰকাকতি**

'Be authentic and communicate what you really want to communicate'- সেয়া আছিল মোৰ এজন বন্ধু তথা ক'চ্চ (coach) মহেশে টেলিফোনত দিয়া পৰামৰ্শ। তেতিয়া মই দিল্লীত, সপ্তাহত এদিনকৈ সন্ধিয়া তিনিঘণ্টীয়া একধৰণৰ চেমিনাৰত Landmark Education নামৰ এক ভিন্নসুৰী আত্মবিকাশৰ প্ৰশিক্ষণ লৈ আছিলোঁ। মহেশ আছিল মোৰ ক'চ্চ আৰু সেই শিক্ষণ প্ৰণালীৰে দৈনন্দিন জীৱনত অহা সমস্যাৰ সমাধান উদ্ভাৱন কৰিবলৈ মাজে মাজে মোক ফোনেৰে প্ৰেৰিত কৰিছিল। সেইদিনা পিছে মোৰ সমস্যাৰ বিষয়ে আলোচনা কৰোঁতে মোৰ মাতটো কঁপি উঠিছিল এক অজান ভয়ত ... অস্থিৰ অনাগতৰ গভীৰ আশঙ্কাত...

প্ৰায় এবছৰ কাল কোম্পানীৰ কামত পাটনাত থকাৰ পিছত দিল্লীত আন এটা কোম্পানীত চাকৰিৰ খবৰ পালোঁ। ইণ্টাৰভিউ দিলোঁ আৰু মন্ত্ৰালয়ৰ জইণ্ট চেক্ৰেটাৰীয়ে পিছদিনাই জইন কৰিবলৈ ক'লে। বাঃ কি ফূৰ্ত্তি! দিল্লীত থকা নিজৰ পৰিয়ালৰ কাষলৈ ঘূৰি আহিছোঁ। তাতে এই বছৰৰ শেহৰফালে ডাঙৰ ছোৱালীৰ বিয়া, যা-যোগাৰ আৰম্ভ কৰিব লাগে। ভাল কোম্পানীত, ভাল পেকেজত মন্ত্ৰালয়ত কনচালটেণ্টৰ চাকৰিটো মোৰ বাবে যথাসময়ৰ যেন এক আশীৰ্ব্বাদ হৈ আহিল।

নতুন চাকৰিত বৰ আগ্ৰহেৰে জইন কৰিলোঁ। আচলতে এইটো মন্ত্ৰালয়তে পাটনালৈ যোৱাৰ আগতে চাৰিবছৰ কাল মই কাম কৰিছোঁ আন এটা এচাইণ্টমেণ্টত। মোক ইণ্টাৰভিউ লোৱা জইণ্ট চেক্ৰেটাৰীজন নতুন, মোৰ অচিনাকি যদিও মোৰ আগৰ এচাইণ্টমেণ্টৰ সহকৰ্ম্মী কেইবাজনকো আহি লগ পালোঁ। লাঞ্চৰ সময়ত মোৰ পুৰণি সহকৰ্মী বন্ধু ৰাকেশে জনালে যে চেক্ৰেটাৰী হেনো সেই একেই 'হিটলাৰ মেম' যাক মই এবছৰ আগতে এৰি গৈছিলোঁ। লগে লগে মোৰ গা চেবালে। সেইগৰাকী চেক্ৰেটাৰী সমগ্ৰ বিভাগৰ মুৰব্বী হিচাপে কথাই, কামে বৰ চোকা কিন্তু সৰেই বাঘ যেন দেখে আৰু আনহে নেলাগে জইণ্ট চেক্ৰেটাৰীয়েও কথাই কথাই গালি খায়। এবছৰ আগতে মন্ত্ৰালয় এৰি যোৱাৰ আগে আগে তেওঁৰ লগত মোৰ এটা বিষম সম্পৰ্ক গঢ়ি উঠিছিল। মই এটা গুৰুত্বপূৰ্ণ বিষয়ত কাম কৰি আছিলোঁ আৰু চেক্ৰেটাৰীক সঘনে ৰিৰ্পোট বা প্ৰেজেণ্টেচন তৈয়াৰ কৰি দিব লগা হৈছিল। এবাৰ কিবা কাৰণে তেওঁ মোৰ ওপৰত বিতুষ্ট হ'ল আৰু এদিন আন সহকৰ্ম্মীৰ সন্মুখতে তেওঁ মোৰ কামৰ বিষয়ে অপমানজনক কথা ক'লে। মই তেনেধৰণৰ কথা কাহানিও কাৰো পৰা শুনা নাছিলোঁ বাবে মনত ভীষণ আঘাত পাইছিলোঁ। সেইদিনাৰ পিছৰ পৰা আমাৰ এচাইণ্টমেণ্টৰ শেষৰ তিনিমাহ মই 'হিটলাৰ মেম'ৰ পৰা যথাসম্ভৱ আঁতৰি ফুৰিছিলোঁ, আনকি মন্ত্ৰালয়ৰ পৰা বিদায় লওঁতেও তেওঁক মাত দিবলৈয়ো যোৱা নাছিলোঁ। হে প্ৰভু, এতিয়া আকৌ এইগৰাকী চেক্ৰেটাৰীৰ লগতে কাম কৰিব লাগিব! বন্ধু ৰাকেশক চেক্ৰেটাৰীৰ সৈতে

মোৰ পুৰণি দুৰ্দ্দশাৰ কথা কোৱাত সি উপদেশ দিলে, 'তই চেক্ৰেটাৰীক লগ ধৰি ইয়াত জইন কৰাৰ কথা নিজেই কোৱা উচিত, নহ'লে হঠাতে মিটিঙত তোক লগ পালে ইগ'ত লাগিব আৰু যিকোনো কিবা কৰিব পাৰে।' ৰাকেশৰ উপদেশ মই মানিলোঁ।

পিছদিনা পুৱা এঘাৰ বজাত মই চেক্ৰেটাৰীৰ অফিচলৈ গ'লোঁ, চিনাকি পি.এচ জনক লগ ধৰি খা -খবৰ লৈ শ্লিপ এখনত মোৰ নাম লিখি পঠালোঁ। প্ৰায় লগে লগেই মেডামৰ অনুমতিমৰ্ম্মে পিয়নজনে মোক তেওঁৰ ৰাজকীয় কক্ষলৈ  সোমাবলৈ দিলে। চেক্ৰেটাৰীয়ে বেছ আগ্ৰহেৰে মোক বহিবলৈ দি খা -খবৰ সুধিলে। কিন্তু যেতিয়াই মই 'যোৱাকালি ইয়াতে জইন কৰিলোঁ' বুলি ক'লোঁ, তেওঁৰ কথাৰ সুৰ সলনি হ'ল। জইণ্ট চেক্ৰেটাৰীয়ে ইণ্টাৰভিউ লোৱা বুলি মোৰ পৰা জানি লগে লগে তেওঁক ফোন লগালে। সৌভাগ্য যে জইণ্ট চেক্ৰেটাৰী সেইদিনা ছুটীত আছিল। মোক যাবলৈ দিওঁতে একো নক'লে যদিও তেওঁৰ চাৱনিৰ হিংস্ৰতাই মোক অবাঞ্চিত কথাষাৰ ডাঙৰকৈ ক'লে- 'তোক মই মোৰ অধীনত চাকৰি কৰিবলৈ নিদিওঁ।'

পৰহি আলফুলে আঁকি লোৱা পৰিকল্পনাৰ স্কেছখনৰ ওপৰত কোনোবাই আহি এবটল ক'লা চিয়াঁহী ঢালি দিলে। ছোৱালীৰ বিয়াৰ যোগাৰ কৰিবলৈ আছে, হাতত আছে ছমাহ। ইমান সঞ্চিত ধনতো নাই যে মই নিৰ্ভয়ে আগবাঢ়োঁ! আন এটা চাকৰি লগে লগে নেপাবওতো পাৰোঁ আৰু পালেও যদি আকৌ দিল্লীৰ বাহিৰলৈ যাব লাগে! মন্ত্ৰালয়ত মোৰ কোঠাত বহি আকাশ পাতাল ভাবিছোঁ। ৰাকেশক ক'লোঁ যদিও পাব খোজা আশাৰ বাণীৰ ঠাইত তাৰ চকুত বিৰিঙি উঠা সহানুভূতিয়ে নোকোৱাকৈ ক'লে- 'কি কৰিবি, দুৰ্ভাগ্য।'

কিন্তু মইতো কিবা কৰিব লাগিব। কি কৰিম! মনত পৰিল, মই লৈ থকা লেণ্ডমাৰ্ক এডুকেশ্যনৰ শিক্ষা 'পৰিস্থিতি যিয়েই নহওক, সম্ভাৱনা সদায় থাকে আৰু আৱিষ্কাৰ ময়েই কৰিব লাগিব'। লেণ্ডমাৰ্কত মোৰ ক'চ্চ মহেশক ফোন কৰিলোঁ। চিৰাচৰিত ধৰণে  পূৰাকৈ শুনিলে, তাৰ মাতত কোনো জড়তা, সহানুভূতি বা  উদ্বেগ নাই, আছে এক সহৃদয় বন্ধুৰ অভয় যি এন্ধাৰতো জোনাকী পৰুৱাৰ দৰে বাট বিচাৰিবলৈ সাহস যোগায়। ক'লে 'Be authentic and communicate what you really want to communicate'. Authentically কি  communicate কৰিম বুজি পালোঁ। এৰা! মোৰ বিষয়ে সেই চেক্ৰেটাৰী গৰাকীয়ে 'মই কামত ভাল নহয়' বুলি বা 'কামত ফাকি দিওঁ বুলি হয়তো এটা ধাৰণা লৈ আছে, সেই ধাৰণা শুদ্ধ নে ভুল সেইটো বিচাৰ কৰাটো তেওঁৰ কাম, তেওঁৰ অধিকাৰ। কিন্তু মই যদি 'মই কি' সেইটো স্পষ্ট ভাষাত প্ৰকাশ নকৰোঁ, তেওঁৰ সেই ধাৰণা সলনি হ'ব কেনেকৈ! এক অটল সাহসে মোৰ বুকু ওন্দোলাই তুলিলে। মোৰ কি হ'ব, নহ'ব সেই চিন্তা অন্তৰ্হিত হ'ল, জাগি উঠিল নিজক প্ৰকাশ কৰাৰ আন্তৰিক শক্তি।

সেইদিনাই আবেলি চাৰে চাৰি বজাত চেক্ৰেটাৰীৰ অফিচলৈ আকৌ গ'লোঁ, মোৰ নাম লিখা শ্লিপখন পঠালোঁ। মোক নেমাতিবও তো পাৰে, অপমান কৰিব পাৰে! সেই লৈ মূৰ ঘমাব লগা নাই, মোৰ কৰিব লগাটো কৰোঁ -authentic communication.সোনকালেই মোক মাতিলে। ভিতৰ

সোমাওঁতে মোলৈ চালে, বহিবলৈ নকৈ সুধিলে - 'কোৱা, কিয় আহিছা?' মই নম্ৰভাৱে কৈ গ'লোঁ- 'মে'ম, মই কেৱল আপোনাৰ ওচৰত ক্ষমা বিচাৰিবলৈ আহিছোঁ। মই আপোনাৰ লগত আগতেও বহুদিন কাম কৰিছোঁ। হয়তো আপুনি এজন প্ৰফেছনেল হিচাপে মোৰ পৰা যি কাম বা পাৰদৰ্শিতা বিচাৰিছিল, সেইখিনি মই দিব পৰা নাছিলোঁ। কিন্তু এটা কথা মই স্পষ্টকৈ ক'ব বিচাৰোঁ যে মই সততাৰে কাম কৰিছিলোঁ আৰু মোৰ এশ শতাংশ দিবলৈ সদায় চেষ্টা কৰিছিলোঁ। মোৰ কামেৰে যদি সেয়া আপোনাক দেখুৱাব পৰা নাছিলোঁ, তাৰ বাবে মই দুঃখিত।... মই যোৱাৰ আগতে আপোনাক এইখিনি কথা ক'বলৈকে আহিলোঁ আৰু আপুনি সাক্ষাৎ দিয়াৰ বাবে ধন্যবাদ। আপুনি যদি বিচাৰে তেন্তে মই কাইলৈৰ পৰা কামলৈ নাহোঁ।'

চেক্ৰেটাৰীয়ে খন্তেক সন্মুখলৈ চাই মনে মনে ৰ'ল আৰু লাহে লাহে ইংৰাজীতে ক'লে -'তোমাৰ ইণ্টাৰভিউ জইণ্ট চেক্ৰেটাৰীয়ে লৈছে আৰু তেওঁ যদি সুখী, তুমি কামলৈ অহাত মোৰ কোনো আপত্তি নাই।'

সেইটো মন্ত্ৰালয়ত, একেই এচাইণ্টমেণ্টত মই ডেৰবছৰ কাম কৰিলোঁ, সেই চেক্ৰেটাৰীগৰাকীৰ ওচৰলৈ ফাইল লৈ যাবলগীয়া নাছিল যদিও প্ৰতিমাহে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ মিটিংবোৰত তেওঁক লগ পাইছিলোঁ, এবাৰৰ বাদে তেওঁ কেতিয়াও টানকৈ কোৱা নাছিল। তেওঁ অৱসৰ লওঁতে মন্ত্ৰালয়ৰ মিশ্যনৰ ফালৰ পৰা আগবঢ়োৱা ভোজমেল আয়োজন কৰাৰ দায়িত্ব জইণ্ট চেক্ৰেটাৰীয়ে মোৰ ওপৰত ন্যস্ত কৰিছিল য'ত উপস্থিত আছিল মন্ত্ৰালয়ৰ বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াসমূহ। তাত মই এখন হিন্দী বোলছবিৰ গীতেৰে বিদায়ী চেক্ৰেটাৰী-'হিটলাৰ মেম'ক বিদায় সম্ভাষণ জনাইছিলোঁ-

"আতী ৰহেংগে বহাৰে, জাতী ৰহেংগে বহাৰে, দিলকী নজৰ সে দুনিয়া কো দেখো, দুনিয়া সদা হী হসীঁ হেই..."

●●●

# মোৰ শিশুকালৰ পূজাথলী গমন ও পূজা দৰ্শন

**ফাইজুৰ ৰহমান**

মোৰ শৈশৱকাল গাৱঁত। হাজো আৰু ৰঙিয়াৰ মাজত থকা 'উখুৰা' নামৰ গাৱঁত। গাৱঁলীয়া জীৱন। দুৰ্গা পূজাৰ বতৰ। তেতিয়া পখিলা খেদা বয়স। পূজা মানে অকল দুৰ্গা পূজাকেই বুজোঁ। মন প্ৰাণ নাচি উঠে। পূজাৰ বতৰত গাৱঁৰ পথাৰ সেউজীয়া ধান, মৰাপাট আদি শইচেৰে ভৰপূৰ হৈ থাকে। সেউজীয়া কুমলীয়া ধাননিৰ মাজে মাজে থকা কেঁচা আলিৰ ওপৰেৰে খালি ভৰিৰে খোজকাঢ়ি ঘূৰি ফুৰি ফৰিং ধৰাৰ মজাই বেলেগ। ধানৰ পাতে হাত ভৰিত আঁচোৰ বহায়। নিয়ৰকণা সেই আঁচোৰত লাগি একেবাৰে

(শেষাংশ ১৫৬ পৃষ্ঠাত)

*“চেনেহৰ সখা মোৰ শেষ অনুৰোধ*
*অতীতক নাযাবা পাহৰি”*

- যতীন্দ্ৰ নাথ দুৱৰা

## এলবাম

**মদন চন্দ্ৰ ডেকা**

উজ্জ্বল এযুৰি চকু
সপোনৰ ভৰত টলমল

কাষলতিৰ তলত কিতাপৰ জাপ
মোতোকা খোৱা ভূগোলৰ বহী

একোজন ৰাজেশ খান্না
হেয়াৰ ষ্টাইল চিনাকি যাৰ

দুষ্টামি এটি দুটি নিৰ্দ্দোষ ধেমালি
অলপ মন-কেমন অকাৰণ বিষাদ

ফুটবল খেলিলেও লগ
বিদ্যালয় সপ্তাহত কোৰাছ গাওঁতেও লগ

বহুদূৰ বুলা হ'ল বাট
সোঁৱৰণীয়ে আগচি ধৰেহি
মেদুৰ শৰীৰ
ৰূপালী ঢউৰে খেলা কৰে

তথাপি এলবাম
টাইম মেচিন নহয় নো কি!

(কটন কলেজিয়েট স্কুলৰ এখন ফটোগ্ৰাফ দেখি
যিখনত পঙ্কজ, বিৰাজ আৰু অনেকেই আছে)

## হেৰোৱা সুৰ

**ৰঞ্জনা দত্ত**

ভীৰৰ মাজত হঠাতে
এযুৰি চিনাকি চকু
স্মৃতিৰ মণিকুঠৰিত
কুঁচিমুচি সোমাই আছিল
সঙ্গোপনে আজি চাৰি দশক
সমগ্ৰ সত্তা জোকাৰি যোৱা
তীব্ৰ সুন্দৰ চকুযুৰি মোৰ দুচুকত
থমকি ৰৈছিল এপলক
ঠিক তাহানিৰ দৰে
যেন অনেক কথাই ক'ব।
চুলিত ৰূপোৱালী আৰেশেৰে
বুদ্ধিদীপ্ত অথচ
কোমল চাৱনিৰ চকুযুৰি
আকৌ হেৰাই গ'ল
ভীৰৰ মাজত
মোৰ স্নায়ুতন্ত্ৰত
তীব্ৰ আলোড়ন তুলি।।

# চেলুলাৰ জেইল

২০১৬ চনত আন্দামানলৈ যাওতে চেলুলাৰ
জেইল প্ৰত্যক্ষ কৰি শিয়ৰি উঠিছিলোঁ।
তেতিয়াতে ওভতনি যাত্ৰাত উৰাজাহাজৰ
ভিতৰত লিখিছিলোঁ... 'চেলুলাৰ জেইল'

**কঙ্কন শৰ্ম্মা**

চেলুলাৰ জেইল!
এক নুবুজা বেদনাই
হেঁচা মাৰিলে যেন
শ-বছৰ পূৰ্ব্বৰ
কিমানৰ কি কষ্টময় জীৱন!
সাক্ষী হৈ ৰৈ আছা মানৱতা বধৰ স্তম্ভ হৈ!
প্ৰতিটো কুঠৰীৰ ক্ৰন্দন
দুহাত ডাঠ বেৰতেই হেৰাল
কিমানৰ জীৱন।
চুই অনুভৱ কৰি
বুকু বেদনাৰে ভৰে!
'দামোদৰ চ ৱৰকাৰ'
তোমাৰ কুঠৰী চালোঁ
চুই চালোঁ, জনালোঁ প্ৰণিপাত!
প্ৰতি বেৰে বেৰে তোমালোক আছা
সমুদ্ৰৰ ঢৌত সেই নৌকাবোৰে
লুকাই লুকাই কান্দে
কিয় আনিছিলোঁ, কিয় আনিছিলোঁ?
চেলুলাৰ জেইল!
প্ৰত্যক্ষ কৰিলোঁ তোমাৰ
কঠিন কঙ্কাল!
মানুহ আহিব যাব
বুকুত লৈ যাব বেদনা!
আৰু ডেভিদ বেৰী
তোলৈ যাচিব ঘৃণা
কেৱল ঘৃণা।।

# সোঁৱৰণী

**পঙ্কজ কুমাৰ বৰুৱা**

শেষ হ'ল পুৱাৰ কিৰণ
অস্ত আকাশত
এতিয়া মাথোঁ হেঙুলি ৰহণ।
তথাপি কিয় মন উচাটন
সাতোৰঙী ৰামধেনু
আকৌ এবাৰ চোৱাৰ মন।
অলপ পিছতে মাৰ যাব বেলি
এন্ধাৰে আৱৰি ধৰিব ধৰণী
মূৰ্ত্ত হ'ব সপোন সপোন লগা সোঁৱৰণী
দিঠক অতীত বোৰৰ।।

১৫৩ পৃষ্ঠাৰ পৰা

চেংচেঙাই যায়। কেঁচা মাটি আৰু কেঁচা ধানৰ গোন্ধত শিশুমন নাচি উঠে। মনত পৰে পূজালৈ বেছি দিন নাই। পূজা চাবলৈ মন। এনেই চাবলৈ যাব পাৰি পিছে লগত পইচা থাকিলে বেছি ভাল। কাৰণ বেলুন আৰু পেঁপা কিনিব লাগিব। দেউতাই পইচা দিম বুলি কলত মোৰ আৰু ভাইটিৰ মনত আনন্দৰ সীমা নাই। কিন্তু এটা চৰ্ত্তত পইচা দিব, মৰাপাট গছৰ পৰা বাকলি গুচাব লাগে। এক মুঠা/ চোটা মৰাপাট গছৰ পৰা বাকলি গুচালে এক অনাকৈ পইচা দিব। পূজাৰ আগে আগে কেঁচা মৰাপাট গছ কাটি মুঠা বান্ধি পুখুৰী, খাল বা পিতনি আদিৰ পানীত ডুবাই থয় যাতে পানীত পচি যোৱাৰ পিছত মৰাপাটৰ গছৰ পৰা ঠাৰি আৰু বাকলি বেলেগ কৰিব পাৰি। পচা মৰাপাট গছৰ পৰা বাকলি মানে মৰাপাট আৰু ঠাৰি বেলেগ কৰি ফালি উলিওৱা কামটো আমাৰ বাবে বৰ ফূৰ্ত্তিৰ কাম। সময়ত ভাইটি আৰু মই কিছু পইচা গোটালোঁ।

আমাৰ ঘৰৰ পৰা প্ৰায় দুমাইলমান দূৰৈত পূজাথলী। ডিমু নামৰ ঠাইত। খোজকাঢ়ি হলেও গাৱঁৰ মানুহৰ লগত গৈ ভাইটি আৰু মই পূজাথলী পালোঁ। লোকে লোকাৰণ্য। বিৰ দি বাট নাপায়।

পূজাথলীৰ সন্মুখত ৰাস্তাৰ ফালে আঁৰকাপোৰ (screen) দিয়া আছে। বাহিৰত দুডাল ডাঙৰ গছ। আমাৰ দলপতি হিচাপে অহা গাৱঁৰ ককাইটিজনে আমাক কাঢ়া চকুৰে ক'লে, "তহঁতে গধূলি হোৱাৰ লগে লগে এই গছৰ তলত থাকিবি, একেলগে লগত লৈ যাম।"

গেটৰ মুখতে দুয়োফালে দেখিলোঁ দুজন মানুহৰ হাতত অসংখ্য বেলুন। বিভিন্ন ৰঙৰ। গোল বেলুন আৰু কুচিয়া বেলুন। আমি দুয়ো ৰৈ ৰৈ বেলুন ফুকোৱা দৃশ্য উপভোগ কৰিলোঁ। বিশেষকৈ কুচিয়া বেলুন যে চাইকেলত পাম্প দিয়া পাম্পেৰে ফুলায় সেয়া প্ৰথম দেখিলোঁ। পাম্পটোৰ হেণ্ডেলডাল জোৰেৰে হেঁচি দিয়াৰ লগে লগে বেলুনটো ফুলি ফুলি আগলৈ যায়, শেষত সম্পূৰ্ণ হ'লে পাম্প বন্ধ কৰি বেলুনৰ মূৰটো ভালকৈ সূতাৰে বান্ধি দিয়ে। চাই ভাল লাগে। ভাইটিয়ে বেলুন এটা বিচৰাত তাক গোল বেলুন এটা কিনি দিলোঁ। তাৰ বৰ ফূৰ্ত্তি।

পূজাথলীত সোমাই গলোঁ। সেই সময়ত দুৰ্গা গোঁসানীৰ আগত পূজা চলি আছিল। ভোৰতাল, তাল, শংখ, টিলিঙা, বৰকাঁহ আদিৰ ধ্বনিত একেবাৰে ৰজনজনাই আছে। ওচৰৰ পৰা চাম বুলি ভাবিলোঁ। বৰ ভিৰ। পূজাৰ কাম শেষ হ'লে ওচৰলৈ যাম। প্ৰথমে চাৰিওফালে এপাক মাৰি সকলোবোৰ চাই লওঁ। আমি পূজাথলীত সোমাই বাওঁফালৰ পৰা চাবলৈ আৰম্ভ কৰিলোঁ। কাৰণ সোঁফালে পূজাৰ ধ্বনি বাজি আছে। চুকত এখন লুজেন আৰু মাৰ্ব্বলৰ খেলা দেখিলোঁ। কি আচৰিত! বাকচ এটাৰ ফুটাৰে পইচাৰ মুদ্ৰা এটা সুমুৱাই দিয়াৰ লগে লগে বাকচটোৰ লগত সংলগ্ন হৈ থকা কাঠৰ তক্তা এখনত, য'ত গজালেৰে কিছুমান খোটালি/ঘৰ বনাই থোৱা আছে , তালৈ মাৰ্ব্বল এটা ওলাই আহিল আৰু খুন্দা খাই খাই বাগৰি আহি এটা খোটালিত ৰৈ গ'ল। প্ৰত্যেক খোটালি/ঘৰত নম্বৰ দিয়া আছে। য'ত মাৰ্ব্বলটো ৰৈ যায় তাত থকা নম্বৰ মতে লুজেন আৰু বস্তু পায়। বস্তুৰ ভিতৰত দিয়াচলাই, ধূপ, মাটিৰ পুতলা আদি। আমিও এবাৰ খেলি চালোঁ। আমি পিছে বস্তু নাপালোঁ, লুজেন পালোঁ।

আমি আগবাঢ়িলোঁ। শাৰী শাৰী দোকান। বাঁহৰ খুঁটিত তিনিফালে কাপোৰ বান্ধি প্ৰতিখন দোকান সজাই লৈছে। মাটিৰ ওপৰত কাপোৰ পাৰি তাৰে ওপৰত বিক্ৰী কৰিবলৈ অনা বস্তুবোৰ ভাগে ভাগে

ৰাখিছে। এইবোৰ দোকানক মণিহাৰী মালৰ দোকান বুলি কয়। ছোৱালী আৰু মহিলাৰ বাবে কাণফুলি, নাকফুলি, খাৰু আদি তলত আৰু নানা ৰঙৰ ডিঙিত পিন্ধা মণি, ৰং- বিৰঙৰ চুলিত মৰা ফিটা আদি ওলমাই ৰখা বাবে দোকানখন জিলিকি থাকে। তাত ছোৱালী আৰু মাইকী মানুহেৰে ভৰি আছে। এবাৰ হেঁচি ঠেলি গৈ কিবাকৈ দোকানখন চালোঁ। কিন্তু ইয়াত ল'ৰা মানুহৰ কাম নাই বুলি দোকানীয়ে আমাক খেদি পঠিয়ালে।

আগবাঢ়ি গলোঁ। এইবাৰ পালোঁ মিঠাইৰ দোকান। খুৰমা, জিলাপী, গুৰ মিঠাইৰ লাড্‌ডু, চেনিৰ লাড্‌ডু, বুন্দিয়াৰ লাড্‌ডু, বুন্দিয়া, বুটমাহেৰে বনোৱা খুৰমা আদিয়ে মোক খা মোক খা কৰি আছে। লোভ সামৰিব নোৱাৰিলোঁ। সকলোবোৰ মিঠাই মিহলি কৰি দুই পোৱা মিঠাই ললোঁ। পিছফালে থকা ঘাঁহনিত বহি দুয়ো উদৰ পূৰাই খালোঁ আৰু ঘৰলৈকেও মিঠাইৰ টোপোলা বান্ধি ললোঁ।

সোঁফালে ঘূৰি চাই দেখিলোঁ হুইচেলৰ দোকান। টিনপাতেৰে বনোৱা হুইচেল। দুবাৰ তিনিবাৰ কেইটামান বজাই চালোঁ। ভালৰো ভাল চাই এটা কিনিলোঁ। দোকানত ৰবৰৰ সৰু বল দেখি ভাইটিৰ বৰ মন তাক বল এটা কিনি দিব লাগে। মই মানা কৰিলোঁ কাৰণ আমাৰ বাৰীৰ ৰবাব টেঙাৰ বলেই খেলাৰ বাবে বৰ ভাল। ওচৰতে দেখিছোঁ বিভিন্ন ধৰণৰ বাঁহী বিক্ৰী কৰি আছে। চুটি-দীঘল, সৰু-ডাঙৰ ইত্যাদি। মোৰ পচন্দৰ এটা সৰু চুটি বাঁহী কিনি ললোঁ।

এটা সময়ত পূজাৰ শংখ ধ্বনি আদি বন্ধ হ'ল। পিছত দুৰ্গা গোঁসানীৰ ওচৰলৈ গলোঁ। ওচৰৰ পৰা চাম বুলিয়েই পোনচাটেই গোঁসানীৰ কাষ পালোঁ। বাঃ কি অপূৰ্ব! প্ৰথমে অসুৰটো দেখি ভাইটিয়ে একেবাৰে ভয়েই খালে। মানুহৰূপী অসুৰ থাকে বুলি আগতে ভবাই নাই। গোঁসানীৰ ৰূপ দেখি আচৰিত হ'লোঁ। ৰংবিৰঙৰ কাপোৰ পিন্ধি খঙাল মূৰ্ত্তি ধৰি দহখন হাতৰ এয়াই দুৰ্গা গোঁসানী। প্ৰতিখন হাততে একো একোটা বস্তু লৈ থকা দেখিলোঁ। এখন হাতত ফুল, এখন হাতত সাপ এডাল আৰু বাকী হাতত অস্ত্ৰ শস্ত্ৰ ধৰি আছে। দীঘল যাঠিডাল অসুৰৰ বুকুত সুমুৱাই দিছে। কাষতে এজন ডাঙৰ মানুহে তেওঁৰ ল'ৰাটোক বুজাই আছে কোনটো কাৰ মূৰ্ত্তি। কাৰ্তিক, লক্ষ্মী, সৰস্বতী, গণেশ, মহাদেৱ সকলোবোৰ চিনাই দিলে। লগতে আমিও গম পাই গলোঁ। মনটো ভাল লাগি গ'ল। পূজালৈ আহোঁতে কোনোবাই কৈছিল আমি হেনো গোঁসানীক সেৱা কৰিব নাপায়। মই গোঁসানীক সেৱা কৰা নাই যদিও যিজন শিল্পীয়ে তেওঁৰ সুনিপুণ হাতেৰে এই জীৱন্ত সদৃশ প্ৰতিমাক ৰূপ দিছে তেওঁক পৰি নমস্কাৰ কৰিবলৈ মন গ'ল আৰু অন্তৰৰ পৰা তেওঁক সাতসেৱা কৰিলোঁ।

পূজাথলীৰ মাজত তেতিয়া ওজাপালি চলি আছে। আমি দুয়ো সন্মুখত মাটিত বহিবলৈ পাৰি দিয়া ধানখেৰৰ ওপৰত বহি ললোঁ। বাঃ কি বঢ়িয়া! এজন মতা মানুহে ফ্ৰক জাতীয় কাপোৰ পিন্ধি নাচি নাচি ৰামায়ণৰ ঘটনাবোৰ খুহুটীয়া কথাৰে কৈ আছে আৰু পিছফালে টিলিঙা বজাই থকা চাৰিজন মানুহে তেওঁৰ কথাৰ সঁহাৰি জনাইছে আৰু মাজে মাজে সুৰ লগাই গানো গাইছে। একান্ত মনে ওজাপালি উপভোগ কৰিলোঁ।

বেলি লহিয়ালে। ঘৰলৈ ওভতাৰ সময় হ'ল। এটা সময়ত পূজা চোৱা শেষ কৰিলোঁ। হেঁপাহ পলাল। বাহিৰলৈ ওলাই দুয়ো একো একোটা কুচিয়া বেলুন কিনি ললোঁ। বাহিৰত গছৰ তলত ৰৈ থকা

আমাৰ গাৱঁৰ মানুহবোৰৰ লগত ঘৰলৈ বুলি খোজ ললোঁ। আহি থাকোঁতে মাইকত কৈ থকা শুনিলোঁ ৰাতিলৈ হেনো পূজাথলীত যাত্ৰাপাৰ্টীও আছে।

* আজি কালিৰ পূজামণ্ডপ তেতিয়াৰ দিনত পূজাথলী কৈছিল।

* যাত্ৰাপাৰ্টী হ'ল বৰ্ত্তমানৰ নতুন ৰূপ দিয়া থিয়েটাৰ।

* কুচিয়া বেলুন হ'ল কুচিয়া মাছৰ দৰে দীঘল।

●●●

# অমনোযোগী

**মদন চন্দ্ৰ ডেকা**

আজিও একেটাই ঘটনা। সদায় ঘটাৰ দৰে।

মগটোৰে এমগ পানী বাল্টিৰ পৰা তুলি ভৰি দুখন তিয়ালে। দ্বিতীয়বাৰত গাটোৰ এফাল। কঁপনিৰ ভাব এটাই ইতিমধ্যে শিৰশিৰণি তুলিবলৈ বুলি বুকুত বাহ সাজি বহিল। তৃতীয়বাৰ বাল্টিত মগটো বুৰাওঁতেই চাঁতকৈ মনলৈ আহিল কথাটো।

ঘঁহিলেনে বাৰু? নে আজিও পাহৰি থাকিল? ছেঃ, মহা মুস্কিল হ'ল তো! এইকেইদিন সদায় ঘটা ঘটনাৰ পুনৰাবৃত্তি। আফটাৰ শ্বেইভ্ লোশ্যনটো ঘঁহিলে নে নাই সি পাহৰি থাকে। সদায় গা ধুবলৈ লওঁতে বা গা ধুই থাকোঁতে মনত পৰে। আধা গা ধোৱা অৱস্থাৰে শ্বেভিং কিট উলিয়াই আফটাৰ শ্বেইভ্ লোশ্যন ঘঁহে। তেতিয়াহে সি গম পায় যে ইতিমধ্যে সি দাড়ি খুৰোৱা কামটো নিয়াৰিকৈ সামৰিছিল। বাথৰূমৰ আয়নাখনত নিজৰ মুখখন চাই বেঙা হাঁহি এটা মাৰি পুনৰ গা ধুবলৈ লয়।

মন বান্ধিলে সি। দাড়ি খুৰাই নিশ্চয় লোশ্যন ঘঁহিছে। পানীৰ মগটো মূৰৰ ওপৰলৈ তুলিলে। মূৰত পানী ঢালিবলৈ লওঁতেই ভাব হ'ল, গাল দুখন চেকচেকাইছে নেকি বাৰু! গোফকোচাৰ ওপৰৰ নাকৰ তলৰ অংশ চুই চালে। নাই, একো বুজা নাযায়। 'ঢালোৱেই পানী', সি ঠিক কৰিলে। কিন্তু গাল দুখনৰ চেকচেকনি?

মগটো পানীৰ সৈতে বাল্টিটোৰ কাণত ওলোমাই থলে সি। হাত মেলি শ্বেভিং কিটটো আনিলে। তাৰ ভিতৰৰ পৰা আফ্টাৰ শ্বেইভ্ লোশ্যনটো উলিয়াই প্ৰথমে সোঁহাতৰ তৰ্জ্জনী আৰু মধ্যমা আঙুলিত লগালে। তাৰ পিছত বুঢ়া আঙুলিৰে সৈতে তিনিটা আঙুলিৰে গোফৰ ওপৰৰ নাকৰ তলৰ অংশত ঘঁহিলে। লোশ্যনটোৰ সুন্দৰ গোন্ধ নাকত লাগিল যদিও ফৰফৰোৱা বা চেকচেকোৱা অনুভূতি নহ'ল। তাৰ মানে আজিও সি নিজৰ ওচৰত হাৰিল।

কি আৰু কৰা যায়! বেঙা হাঁহি এটা তাৰ মুখত বিৰিঙি ওলাল।

# নিৰীক্ষকৰ অভিজ্ঞতা

**জোনা মহন্ত**

২০১৮ চনৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ নিৰীক্ষক হিচাপে পাণবজাৰ ছোৱালী স্কুললৈ গৈছিলোঁ। সেইসময়ৰ এটা দিনৰ কথা মনলৈ আহিল বাবে তোমালোকৰ লগত শ্বেয়াৰ কৰোঁ বুলি ভাবিলোঁ। সেইদিনা আছিল অসমীয়া আৰু বিকল্প ইংৰাজী (Alt. English) পৰীক্ষা। মোক পৰীক্ষাৰ নিৰীক্ষণ কৰিবলৈ দিয়া কোঠাত আটাইবোৰ পৰীক্ষাৰ্থীয়ে ছোৱালী, ল'ৰা নাই। কলা আৰু বিজ্ঞান শাখা মিলাই মাত্ৰ ছয়জনী ছোৱালীৰ অসমীয়া আৰু বাকী আটাইবোৰৰ বিকল্প ইংৰাজী। মাজে মাজে এটা দুটা কথা পাতিবৰ চেষ্টা কৰিছিল যদিও আটাইয়ে ব্যস্ত লিখাত।

পৰীক্ষাৰ কোঠাৰ ভিতৰত ঘূৰি থাকোঁতে চকুত পৰিছিল এজনী ছোৱালীয়ে লিখিবলৈ লৈছে 'মোৰ প্ৰিয় গ্ৰন্থ'। মই অলপ আঁতৰৰ পৰা নিৰীক্ষণ কৰিছিলোঁ, তাই আৰম্ভ কৰিছে মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'। সেইখিনিলৈ সকলো ঠিকেই আছিল। হঠাৎ চকু পৰিছিল আন এজনী ছোৱালীয়েও লিখিবলৈ লৈছে মোৰ প্ৰিয় গ্ৰন্থ ৰজনী কান্ত বৰদলৈৰ 'মিৰি জীয়ৰী'।

মনটো মোৰ বহুত পিছলৈ উভতি গৈছিল। ১৯৭৭ চনত কটন কলেজত প্ৰাক্-বিশ্ববিদ্যালয় পৰীক্ষাৰ অসমীয়া পৰীক্ষাৰ দিনটোৰ কথা। বিজ্ঞান শাখাৰ আছিলোঁ বাবে অসমীয়া পঢ়া নাছিলোঁ বুলিয়েই ক'ব পাৰি। অসমীয়া ক্লাছো খুব কম কৰিছিলোঁ। অসমীয়া ক্লাছৰ সময়খিনিত মই আৰু দীপাই (মোৰ বান্ধবী) কিবা এটা খাবলৈ বুলি গৈছিলোঁ মধুমিতালৈ। তাৰ পিছতেই আমাৰ জীৱবিজ্ঞানৰ ক্লাছ। সেইবাবেই প্ৰায় দৌৰি দৌৰি যাব লাগিছিল দীঘলীপুখুৰী পাৰলৈ। অসমীয়া ক্লাছৰ উপস্থিতি দিয়েই ছাৰৰ অনুমতি লৈ আমি ওলাই গৈ মধুমিতাত চাহ খাই লওঁ। আমাক দেখিলেই ৰেষ্টোৰেণ্টৰ ল'ৰাজনে চ'প আৰু চাহ লৈ আহে। আমি প্ৰায়ে চ'প খাইছিলোঁ। এনে নহয় যে চ'প খাই আমি দুয়োজনীয়ে ভাল পাইছিলোঁ। আচলতে হাতত থকা পইচাৰে চ'প আৰু চাহৰ দামটোহে জুৰিছিল। কেতিয়াবাহে অইন কিবা খোৱাৰ বাবে টকা জুৰিছিল। প্ৰেক্টিকেলৰ ড্ৰয়িং আৰু পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান আৰু অঙ্কৰ কথা ভাবোঁতে অসমীয়া পঢ়িবলৈ সময় নহৈছিল। তথাপি পৰীক্ষাতো দিবই লাগিব। টেষ্টৰ পিছত যেতিয়া ঘৰত আছিলোঁ দুপৰীয়া ভাত খাই উঠি বিছনালৈ যাওঁতে অসমীয়া নোটৰ কিতাপখন হাতত লওঁ। মোৰ আজিও মনত আছে সেই কিতাপখন। কিতাপখনত চকু ফুৰাওঁতে কেতিয়ানো টোপনি আহে গমেই নাপাওঁ। কিতাপখনত ৰজনীকান্ত বৰদলৈৰ 'মিৰি জীয়ৰী' নামৰ উপন্যাসখন চমুকৈ আছিল। মই খুব পঢ়িছিলোঁ, ভাল লাগিছিল মোৰ জংকি আৰু পানৈৰ প্ৰেমৰ লগতে মিচিং সমাজৰ বৰ্ণনা। পৰীক্ষাত আহিছিল তোমাৰ প্ৰিয় গ্ৰন্থ। আন একো নাভাবি "মিৰি জীয়ৰী"ৰ বিষয়ে লিখি পেলাইছিলোঁ। বাকী

প্ৰশ্নৰ বিষয়ে অৱশ্যে এতিয়া আৰু মোৰ মনত নাই।

সেইদিনা মোৰ এনেকুৱা লাগিছিল এই ছোৱালী কেইজনীয়ে বাৰু অসমীয়া পঢ়িবলৈ সময় পাইছেনে? কিন্তু দেখিছোঁ তেওঁলোকে একান্ত মনে লিখি আছে। এঘণ্টা নোহোৱাৰ পৰাই অতিৰিক্ত কাগজ লোৱাৰে চাই মোৰ এনেকুৱা লাগিছিল বেছ ভালকৈ পঢ়িছে। হঠাৎ মোৰ চিন্তাত ব্যাঘাত ঘটিছিল।

ৰুমৰ ভিতৰলৈ পৰীক্ষাৰ পৰিদৰ্শক (Supervisor) গৰাকী সোমাই আহি পৰীক্ষাৰ্থী কেইগৰাকীক কিবা কিবি অদৰকাৰী কথাৰে ব্যতিব্যস্ত কৰিছিল, যিটো কথা মোৰ একেবাৰেই ভাল লগা নাছিল। মইতো দেখিছোঁ প্ৰত্যেকে নিজৰ ভাগেই লিখি আছে ধুনীয়াকৈ। মোৰ মনলৈ আহিছিল তেখেতেও এনেকৈ পৰীক্ষা দিছিল, মাকে হয়তো বৰ সযতনে ৰান্ধি-বাঢ়ি খুৱাই পদূলি মুখলৈ আগবঢ়াই কৈছিল- ‘ভয় নকৰিবা যি পাৰা লিখিবা”। কিন্তু তেখেতে কিয় আজি বুজি পোৱা নাই এই ছোৱালী কেইজনীৰ মানসিক অৱস্থাৰ বিষয়ে। পৰীক্ষা হলত জানো এনেধৰণৰ আচৰণ কৰা উচিত! নিজৰ মনটোক বুজাব পৰা নাছিলোঁ। ইতিমধ্যে পৰীক্ষা শেষ হবলৈ আৰু বেছি সময় নাছিল বাবে ছোৱালী দুজনীক সোনকালে লিখিবলৈ কৈ আঁতৰি আহিছিলোঁ।

●●●

# টাঙাৰ মাকৰ অভিমান

**ৰত্ন কান্ত শৰ্ম্মা**

টাঙাৰ মাক বুলিলে সেই খণ্ডত নজনা মানুহ নাই। ডাঙৰ পুতেকক বিয়া কৰাই দি বস্তিটো দুভাগ কৰি নিজাকৈ ঘৰ সংসাৰ কৰিব দিছে। কেইবছৰ মানৰ আগতে সৰু পুতেককো বিয়া পাতি দিছে। দুয়োখন ঘৰেই নাতি নাতিনীৰে সুখত আছে। আকালো নাই ভঁৰালো নাই। আবুৰ চিন্তা একো নাই। মুখ ভঙোৱা, কেঁচুৱাক জাপ দিয়া, পানী জৰা দিয়া আদি কামবোৰৰ পৰা আহৰিয়েই নাই। বিয়া সকাম হলেতো কথাই নাই। পিছে আবুক সকলোৱে সমীহ কৰি চলে। বেয়া বেয়া গালি খাবৰ বাবে ছোৱালী বিলাকে মাজে মাজে জোকাই নোলোৱা নহয়। কিন্তু ল’ৰাৰ ক্ষেত্ৰত বৰ কাঢ়া। এবাৰ এজনে মৰ সাহ কৰি কিবা কওঁতে যিহে চৈধ্য পুৰুষ উজাৰি গালি দিলে তাৰ পিছত আৰু কোনোৱে সাহ কৰা নাই। কেইদিনমান পিছত ডাঙৰ নাতিনীৰ বিয়া। এমাহমান হ’ল ডাঙৰ পুতেকৰ ঘৰতে আছে।

গাৱঁৰ চকু চৰহা কেইজনীয়ে এইবাৰ ঠিক কৰিলে যে এইবাৰ বুঢ়ীক এক শেকা ভালদৰে দিব লাগিব। নাতিনীৰ বিয়াৰ বাবে মনত দুখ। দিনত কেইবাৰ যে কান্দে হিচাপ নাই। শেষত বিয়াৰ দিনটো আহিল। ৰাতিপুৱা পাচলি কুটিব আহোঁতে হেৰামদেনি বৰঝেনী শদিয়াপুন্নি হেকেৰাপেন্নি আৰু ভাইলেনি লগ লাগি আঁচনিটো তৈয়াৰ কৰিলে।

কইনা যাবৰ হ’ল। এনেতে হেৰামদেনি আহি মাৰি দিলে খোচ - ‘বেলেগৰ বিয়াত কান্দি মৰা, নিজৰ

বেলাহে চকুৰ পানী নাই।' আন এজনীয়ে আৰু এটা খোচ মাৰিলে - 'আনৰ বিয়াত কান্দি কান্দি বয় বস্তু লৈ আহে। এইখনত ক'ত পাব!' আবুৰ মনটো বৰ বেয়া লাগিল। আজিৰ দিনতহে তাল চাই আছিল। ইতিমধ্যে কইনা গাড়ীত উঠিলেই। হলধৰে দৌৰা দৌৰিকৈ আহি ক'লে 'কইনা যায় নাহা কিয়া'। আবুই ক'লে 'এচাৰে এমান কানিলু মই বোলে কানাই নাই। মোৰ ব্ৰহ্ম তালুত খুটলা।' ইতিমধ্যে কইনা গ'লেই। আবুৰ চকুৰে হৰ হৰকৈ পানী বৈ আহিল। তামোলৰ টোপোলাটো লৈ বাৰীৰ পিছৰ বাটটোৰে লাহে লাহে ঘৰলৈ খোজ দিলে। আঙুলি মটকি মটকি তিৰোতা কেইজনীক পাৰে মানে শাও দিলে। এবাৰ আবুৰ কান্ধ দুখন বৰকৈ জোকাৰি উঠিল। হয়তো ফেঁকুৰিছে। মই একেথৰে চাই থাকিলোঁ। লাহে লাহে বাঁহৰ তলৰ কেঁকুৰিটোত টাঙাৰ মায়াক নেদেখা হ'ল।

●●●

# প্ৰহসন

(সঁচা ঘটনাৰ আলমত)

**ডাঃ অমল শইকীয়া**

-'হেৰি নহয় ! মইনাৰ মাক!'

বোলো শুনিছনে, আজি সেই মিত্ৰনে কি তেওঁক লগ পালোঁ। তেওঁ বোলে ৰুগীয়া দুখীয়া মানুহক বেমাৰৰ চিকিৎসা কৰিবলৈ গুৱাহাটীলৈ বিনা খৰচত লৈ যায়, বুজিছ। গুৱাহাটীৰ বোলে চবতকে ডাঙৰ হস্পিতালত বেমাৰ দেখুৱায়। মিত্ৰদেৱে কৈছে তাত পৰীক্ষাবোৰ কৰিলে বহুত ৰেহাই দিয়ে। ডাক্তৰে ফিজেই নলয়। আমিও যাওঁ ব'ল। তোৰ পুৰণা আঁঠু বিষটো আৰু মোৰ সৰু গাঁঠিৰ বিষটো দেখুৱাই আহোঁগৈ। তাতে এনেই ইমান ডাঙৰ হস্পিতালত বেমাৰ দেখুৱাবলৈ আমাৰনো ক'ত শকতি আছে। লগতে গুৱাহাটীখনো চাই আহোঁগৈ ব'ল। নহ'লে আমাৰ নিচিনা নিছলাই কোন জনমতনো গুৱাহাটী দেখিবলৈ পাব।'

মইনাৰ মাক ঃ 'কথাটো ঠিকেই কৈছে। পিছে গুৱাহাটীলৈ গ'লে হাতত পইচা কেইটামানতো লাগিব। হাজিৰা কৰি পোৱা পইচাৰ কেইটামান বচাই মই অৱশ্যে বহুত দিনৰ পৰা সাঁচি থৈছোঁ। আপুনিও পাৰিলে মালিকক টকাকেইটামান ধাৰলৈ খোজক।'

- 'এৰা! মিত্ৰই কৈছে হাতত ১০ হেজাৰমান টকা থাকিলে ভাল।'

-'আমিনো ইমানবোৰ টকা ক'ত পাম?'

-'ৰচোন মনটো পেলাই নিদিবি। ধাৰ ধুৰকৈ যি পাৰোঁ গোটাই চাওঁ। দেহা থাকিলেহে বেহা। দেহা ভালে থাকিলে পিছত আনৰ ঘৰত গেবাৰি খাটি হ'লেও ধাৰবোৰ মাৰিবগৈ পাৰিম।'

কেহকনে গুৱাহাটীলৈ যাবলৈ টকা কেইটামান যেনেতেনে গোটালে। ইফালে মইনাৰ মাকক পায় কোনে! টিঙৰ বাকচত ভৰাই থোৱা গাৰি দিয়া কপাহী চাদৰমেখেলাযোৰ পিন্ধি মুখত চুন'উ পাউদাৰ সানি সাজি-কাচি লচপচীজনী হৈ ওলাল। কেহকনো কম নহয়। মিত্ৰদেৰৰ লগত গুৱাহাটীলৈ যাবলৈ বুলি ধলপুৱাতে দাড়িকেইডাল খুৰাই মিহমিহাটো হৈ বিয়াত পিন্ধা ধুতি পাঞ্জাবীযোৰ গাত সুমুৱাই ল'লে।

কেহকন, মইনাৰ মাক আৰু কেইগৰাকীমান ৰোগীৰ সৈতে মিত্ৰদেৰে অনা গাড়ীত উঠি গুৱাহাটী পালেগৈ। গুৱাহাটী পায়েই মিত্ৰদেৰে সিহঁতক সেই নামী হস্পিতালখনলৈ লৈ গ'ল। তাৰ পাছত ভৰিৰ এক্সৰেকে আদি কৰি তেজৰ ইটোৰ পিছত সিটো পৰীক্ষা। ইফালে কেহকনহঁতে এক্সৰেত একো নোলোৱা দেখি এম. আৰ. আই কৰিবলৈ দুয়ো আকৌ ৰেহাই হাৰত আঢ়ৈ হাজাৰ টকাকৈ মুঠ পাঁচ হাজাৰ টকা জমা দিব লগা হ'ল। অৱশেষত এসোপামান পৰীক্ষা কৰা কাগজ আৰু ফ্ৰীতে পোৱা পিল কেইটামান লৈ কেহকনহঁত ঘৰমুৱা হ'ল। হৰ্ষমনেৰে গুৱাহাটীলৈ ঢাপলি মেলা কেহকনৰ মনত এতিয়া বিষাদৰ ছাঁ। তেজ পৰীক্ষাত তাৰ বোলে চুগাৰ বেমাৰ ওলাল। চুগাৰ তিনিশতকৈয়ো বেছি।

গুৱাহাটীৰ পৰা ঘূৰি আহি কেহকন আৰু মইনাৰ মাক মোৰ চেম্বাৰ ওলালহি।

-'ছাৰ ! এতিয়াহে নিগমে মৰিলোঁ। মোক চুগাৰ বেমাৰে পালে। একেবাৰে তিনি শ পাৰ। দিন হাজিৰা কৰি পেটে ভাতে চলা মানুহ। এতিয়া কি হ'ব?' কেহকন উচুপি উঠিল।

-'ৰ' চোন নাকান্দিবি।' মই সিহঁতৰ তেজ পৰীক্ষাৰ কাগজবোৰ চকু ফুৰোৱাত লাগিলোঁ। তাৰে এটা পৰীক্ষা চি বি চি। নিৰিখ প্ৰায় ঊনৈশ শ । পইচা লৈ ৰেহাই দি প্ৰায় সোতৰ শ।

-'অহ ! এইটো পৰীক্ষা আমাৰ ইয়াত চাৰিশতে হয়। পৰীক্ষা কৰা মেচিনো একে ধৰণৰ। তেতিয়াহ'লে গুৱাহাটীলৈ গৈ সিহঁতৰ কি ৰেহাইতো হ'ল? বাকী পৰীক্ষাবোৰৰ ৰেহাই নিৰিখ নোকোৱাই ভাল।'

কেহকনৰ সোঁ ভৰিৰ সৰু গাঁঠি আৰু মইনাৰ মাকৰ বাওঁ আঠু ফুলি থকা দেখি ইউৰিক এচিদ বাঢ়িব পাৰে বুলি সন্দেহ হ'ল। কেহকনে লৈ অহা পৰীক্ষাৰ কাগজবোৰ আকৌ এবাৰ চালোঁ। ইউৰিক এচিডৰ পৰীক্ষা কৰা হোৱা নাই। দুয়োৰে ইউৰিক এচিডৰ লগতে কেহকনৰ চুগাৰটো পৰীক্ষা কৰা হ'ল। পৰীক্ষাত কেহকনৰ চুগাৰ স্বাভাৱিক পোৱাৰ লগতে দুয়োৰে তেজত ইউৰিক এচিড বঢ়াৰ উমান পোৱা গ'ল। পৰীক্ষা ভুল হ'ব পাৰে বুলি অন্য এটা পৰীক্ষাগাৰত পৰীক্ষাখিনি পুনৰ কৰি চোৱা হ'ল। উত্তৰ একেটাই ওলাল।

এৰা! মিত্ৰদেৰৰ লগত গৈ কংক্ৰিটৰ নগৰী গুৱাহাটীৰ নামী হস্পিতালত কেহকনহঁত আচলতে হস্পিতালত থকা মেচিনবোৰৰ গিনিপিগ হ'লগৈ নেকি বাৰু?

নহ'লেনো এক্সৰেত একো নোপোৱাৰ পাছত এম. আৰ. আইৰ, নিচিনা দামী পৰীক্ষা কিয় কৰিব দিয়া হ'ল? ৰেহাই মূল্যৰ দোহাই দি অন্যান্য পৰীক্ষাসমূহত কেহকনহঁতৰ নিচিনা মানুহবোৰৰ পৰা চেপি খুন্দি কিয় পইচা লোৱা হ'ল?

উত্তৰপুৰুষলৈ বাট এৰি দি বহু শিল্পী-সাহিত্যিক-ৰাজনীতিবিদে ইহলীল সম্বৰণ কৰিলে ২০১৯-২০ চনত। দুটিমান প্ৰশস্তি কবিতাৰে আমি শ্ৰদ্ধা জনালোঁ...

# ৰত্নোত্তম ৰত্ন

## কস্তুৰী নিভা গগৈ

অসমীয়া ভাষা কলা সাহিত্য সংস্কৃতিৰ
নিভাঁজ ৰত্ন
জাতীয় জীৱনৰ মহীৰূহ
গীতিকাৰ সুৰকাৰ কলাকাৰ
আজীৱন সমাজৰ স্বাৰ্থত উৎসৰ্গিত
নাট্যকাৰ
সঙ্গীতালেখ্য কথিকা লেখক
বাৰ্ত্তা সম্পাদক
ৰত্নোত্তম ৰত্ন
জাতীয় চেতনাৰে জাগৃত
কলাৰত্ন ওজাৰত্ন
শৈশৱৰে পৰা যাত্ৰাভিনয়ৰ অভিনেতা
সকলো দিশতে আগৰণুৱা
থিয়েটাৰ বোলছবি সকলোতে পাৰ্গত
বহুমুখী প্ৰতিভাধৰ
অসমৰ সামাজিক জীৱনৰ
অপৰিহাৰ্য্য গুণী জ্ঞানী ব্যক্তিজনলৈ
অপৰিসীম শ্ৰদ্ধাভক্তি
আৰু
এটুপি অশ্ৰু অঞ্জলি।

# গৰিমা

## মদন চন্দ্ৰ ডেকা

এটি কণ্ঠ হেৰাই গ'ল
এটি বলিষ্ঠ কণ্ঠ
এটি কণ্ঠ ৰুদ্ধ হ'ল
প্ৰতিবাদৰ কণ্ঠ

ৰাষ্ট্ৰসংঘৰ মজিয়া
বিশ্ব শক্তিৰ চ'ৰাঘৰ
কণ্ঠৰ চাতুৰ্য্যৰে বশীভূত
কণ্ঠৰ সৌৰ্য্যত বিমুগ্ধ

ৰাজনৈতিক বৈদুৰ্য্য
সুউচ্চ ব্যক্তিত্ব
দেশমাতৃৰ সেৱাত
আজীৱন ৰত

সাধনালব্ধ গৰিমা
শৰ্মা স্বৰাজ সুষমা।

# স্বৰাজ নাই

**কঙ্কন শৰ্ম্মা**

কেনেদৰে পুৱাৰ সূৰুজ উঠা আকাশখন হেৰাই গ'ল।
কেনেদৰে তোমাৰ সুষমাত
উজলি উঠা কেউদিশ
নিষ্প্ৰভ হ'ল!
কেনেদৰে জাতিৰ গৌৰৱৰ
জয়গান গোৱা
নিৰ্ভীক স্বৰ এটি স্তব্ধ হ'ল!
কেনেদৰে মহাপ্ৰয়াণে পূৰাব নোৱৰা কৰি গ'ল
খালী হোৱা ঠাই!
ক'ত গ'ল-- ক'ত গ'ল?
আকাশে, বতাহে কান্দি দিলে---
নীড়ত পখীয়ে পোৱালি সাবটি উচুপি উঠিল
মেঘে বৰষুণ দিব পাহৰিলে
ৰ'দে হেৰালে নিয়ন্ত্ৰণ---
আজি স্বৰাজ নাই
স্বৰাজ নাই!!

# প্ৰণাম

**কস্তুৰী নিভা গগৈ**

পদাৰ্থ বিজ্ঞান ভালপোৱা মানুহজন
জীৱনেই তেওঁৰ পদাৰ্থ বিজ্ঞান
পদাৰ্থ বিজ্ঞানেই তেওঁৰ প্ৰাণ
উত্তৰ গুৱাহাটীৰ ৰংমহল
পাণবজাৰৰ কটন কলেজ
জালুকবাৰীৰ বিশ্ববিদ্যালয়
চানমাৰী নিজৰাপাৰ
একাকাৰ কৰি ছাত্ৰৰ পৰা অধ্যাপনালৈ
তেওঁৰ সহজ সৰল পৰিশীলিত জীৱন যাপন
ছাত্ৰ-ছাত্ৰীৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুজন
ড° ভূমিধৰ চৌধুৰী তেওঁৰ নাম
৯৮ বছৰলৈকে পৰিপক্ক সম্পূৰ্ণ কৰি মানৱ জীৱন
তেওঁ বিদেহ হ'ল
হাতযোৰকৈ চাই ৰলোঁ
তেওঁৰ পৰলোক গমন
যাচিলোঁ শ্ৰদ্ধাঞ্জলি
ভকতিৰ অৰ্ঘ্য
হে মহান!

# স্বস্তিৰ নিস্বাস

**শৰৎ বৰকাকতি**

'অই উঠ, ডাঙৰ ঘটনা হৈছে। উঠ সোনকালে'- কথাবোৰ সপোনত নে দিঠকত উমান পাবলৈ চেষ্টা কৰি থাকোঁতেই চকু মেল খাই গ'ল।

দেখোঁ ৰুমমেট ৰাতুলে মোক গাত হেঁচুকি জগাই আছে। তাৰ চকুৰ ভয়াৰ্ত্ত দৃষ্টিয়ে মোৰ নিদ্ৰাৰ জড়তা ভাঙি দিলে। 'আমাৰ ফাৰ্ষ্ট ইয়েৰৰ সকলোকে ফিল্ডলৈ মাতিছে, এতিয়াই'। ৰাতুলৰ মাতত অলপতে ফ্ৰেছাৰ্চ ছোচিয়েল সম্পন্ন হোৱাৰ আগলৈকে ৰেগিঙৰ দিনৰ বিতত ভাব সুস্পষ্ট। দেওবাৰৰ সুখনিদ্ৰা ভঙ্গ হোৱাৰ অস্বস্তি এৰি, এঙামুৰি মাৰি উঠি তাক সুধিলোঁ- 'কিন্তু হ'ল কি'?

'কোনোবাই ডাইনিং হলত নোটিছ মাৰিছে, কিবা ছিনিয়ৰৰ বদনাম কৰি, আমাৰ কোনোবাই কৰিছে বুলি সন্দেহ কৰি আমাক মাতিছে। সৱ গৰম হৈ আছে, কৈছে আমাৰ হেনো তেল ফাটিছে। ওলা মই যাওঁ।'

ৰাতুল যোৱাৰ লগে লগে মই বাথৰুমত মুখ হাত ধুই আহি সাজ পোছাক পিন্ধি বাগিচা মানে ফিল্ডলৈ ওলাই গ'লোঁ। আমাৰ দুইতলা চতুৰ্ভুজাকাৰ হোষ্টেলটোৰ মাজতে ডাঙৰ বাগিচা। তাতে ৰেগিঙৰ সময়ত উদং গাৰে জাঙিয়া পিন্ধি মাৰ্চ পাষ্ট কৰা হৈছিল আৰু তিনি কাষৰ বাৰাণ্ডাৰ পৰা ছিনিয়ৰসকলে যাৰ যি মন যায় আদেশ দিছিল।

বাগিচাত গোটেইবোৰ গোট খোৱাৰ পিছত সকলোকে ওপৰতলাৰ ছিনিয়ৰৰ ৰুমবোৰত ভাগ ভাগ কৰি মতা হ'ল।

মই সোমোৱা ৰুমটোত ছয়টামান আমাৰ বেটচৰ ল'ৰাক আগৰ পৰাই জেৰা কৰি থকা হৈছিল। মই সোমাই যোৱাৰ লগে লগে ছিনিয়ৰ কেইজনৰ এজনে সুধিলে- 'তই লিখা মেলা কৰ নেকি?' 'নাই মই অলপ গানহে গাওঁ'- মই সেপ ঢুকি ক'লোঁ। 'হ'ব, ৰেগিঙত গান গাই বহুত ফালিলি, এতিয়া এইখন ডাঙৰকৈ পঢ়' বুলি সোঁতমোচ খাই থকা ফুলস্কেপ কাগজ এখিলা মোৰ হাতত দিলে। মই পঢ়ি গ'লোঁ-

'জাননী... ইয়াৰ দ্বাৰা ৫ নম্বৰ ছাত্ৰাবাসৰ সমূহ ছাত্ৰকে জনোৱা হয় যে, আমাৰ কেইজনমান আৱাসীয়ে নিজৰ সময় খৰছ কৰি হ'লেও প্ৰতি নিশা, ৯০ জন আৱাসীৰ বাবে অনা ৫ কিলো মাংস ৰন্ধাৰ পিছত প্লেট ভৰাই খাই টেষ্ট কৰি আমাক সুস্বাদু মাংস খোৱাৰ সুযোগ দিয়ে। এই মহান কাৰ্যৰ বাবে আমি তেখেতসকলৰ শলাগ নলৈ নোৱাৰিলোঁ... ইতি পৰ্যবেক্ষণকাৰী'.... মই পঢ়ি অটাই কাগজখন ঘূৰাই দিব খোজোঁতে ছিনিয়ৰজনে চিঞৰি আদেশ দিলে- 'তহঁত গোটেই কেইটাই এইখন চা, আখৰবোৰ তহঁতৰ কাৰ লগত মিলে আৰু তহঁতৰ কোন সাহিত্যিক... সাহিত্য নকৰা মানুহে এইবোৰ লিখিব নোৱাৰে।'... মই আখৰখিনি চাই ক'লোঁ যে এইখিনি নিজৰ হাতৰ আখৰ নহয়, কাৰণ ডাঙৰ ডাঙৰকৈ ছবি আঁকাৰ দৰে লিখিছে।' মোৰ খাচ বন্ধু যোগেশেও যুক্তি আগবঢ়োৱাত ছিনিয়ৰ কেইজনে মানি লৈ কাগজখন লুটিয়াই

লৈ সুধিলে-'এই শুকাই থকা আঠাবোৰতো গাম আঠা নহয়, তেন্তে কিহৰ আঠা?' আমাৰ সকলোৰে বহু পৰীক্ষা কৰিলে, কিন্তু উলিয়াব নোৱাৰিলে।

প্ৰায় দুঘণ্টা বিভিন্ন ধৰণে জেৰা চলিল... গালি গালাজ, শাস্তি, ধমকি চলিল। দুজনে বেছি ভুগিব লগা হ'ল... এজন বিচিত্ৰ। সি কবিতা লিখি নিজৰ কোঠাৰ আয়নাত বাৰাণ্ডাৰ পৰা দেখাকৈ আঠা লগাই থৈছিল। আন এজনে আকৌ ৰাতি দেৰীলৈকে পঢ়াৰ অভ্যাস, সি শোৱাৰ আগতে ডাইনিং হলৰ পৰা পানী আনি আহোঁতে ছিনিয়ৰৰ লগত বাৰান্দাত ভেটাভেটি হৈছিল। দুয়ো বহুত শাস্তি পোৱাৰ পিছত, কান্দি-কাটি বুজোৱাতহে বুজিলে যে তেওঁলোক নিৰ্দ্দোষী।

আমাৰ লগৰ সকলোৰে মন বেয়া ... আবেলি সেয়ে ১০-১২ টামান মিলি যোৰহাট টাউনলৈ ওলালোঁ অলপ সোনকালে। একেলগে বহি চাহ খাঁওতে দিনটোৰ অভিজ্ঞতাবোৰ পাগুলি পাগুলি ছিনিয়ৰবোৰক আৰু যি এই জাননীখন লগাই এনে পৰিস্থিতি সৃষ্টি কৰিলে সিহঁতক গালি পাৰি মনৰ খংবোৰ সৰেই সাম কটোৱালে। তাৰ পিছত সকলো উভতি গ'ল... যোগেনৰ পেহীয়েকৰ তালৈ যাবলগা আছে বাবে সঙ্গ দিবলৈ মোক আৰু সমীৰক লগ ধৰাত আমি তাতে ৰৈ গ'লোঁ।

যোগেনে আৰম্ভ কৰিলে- 'তোমালোক দুটাই সৰৰে লগতে আলোচনা কৰি কামটো কৰিব দিছিলা। যদি সেইটো কৰিলোঁ হয়, আজি সৰেই ভয়ত স্বীকাৰ কৰিলেহেঁতেন যে লিখাখিনিৰ ভাষা মোৰ, হাতৰ আখৰখিনি শৰতৰ আৰু জাননীখন বেৰত লগোৱা আঠাখিনি সমীৰৰ পুৰণা শেষ হোৱা হৰলিক্সৰ আঠা।

আমাৰ দুয়োৰে মুখৰ পৰা একেলগে ওলাই আহিল দুটা হুমুনিয়াহ- আচলতে স্বস্তিৰ নিশ্বাস।

●●●

# এটি অনুৰোধ

ফাইজুৰ ৰহমান

(যোৱা ২৬ জুলাই, ২০১৮ তাৰিখে বিভাগীয় কামত ধুবুৰীলৈ যাওঁতে নতুনকৈ সাজি উলিওৱা এটি গণেশ মন্দিৰ দৰ্শন কৰি তলৰ কথাখিনি লিখিছিলোঁ।)

তুমি ধুবুৰীৰ গৌৰীপুৰলৈ আহিবা, গণেশ মন্দিৰ দৰ্শন কৰিবলৈ। কেনে সুন্দৰ, কেনে মনোৰম, চালে চকু ৰোৱা মন্দিৰ! গধূলি অগনন লোকে লোকাৰণ্য হৈ পৰা গণেশ মন্দিৰৰ ধূপ-ধূনা আৰু পূজা-পাতল পৰ্ব্বত তুমিও এফেৰা ভাগ লবলৈ আহিবা। তাত থকা সভাকক্ষৰ ভিতৰত সোমাই বৃহৎ আকৃতিৰ পাংখাখনৰ গা মন জুৰ পৰি যোৱা চেঁচা বতাহৰ আমেজ লবলৈ পাহৰি নাযাবা। পৰ্য্যটকৰ বাবে বনোৱা শাৰী শাৰী কোঠাবোৰৰ ভিতৰত বিদেশী আৰ্হিত সজোৱা কোঠাত এৰাতি কটাবলৈ তুমি যেনে তেনে আহিবা। কোঠাবোৰৰ সন্মুখৰ মুকলি ময়দানত খালি ভৰিৰে বননি গচকি প্ৰাতঃভ্ৰমণ কৰিবলৈ তুমি আহিবা।

গধূলি বেলিকা ৰং বিৰঙৰ অনেক লাইটৰ সংমিশ্ৰণত জিলিকি থকা এই চৌহদত চেলফি তুলি গৌৰীপুৰৰ স্মৃতি বুকুত বান্ধি ল'বলৈ তুমি যেনে তেনে আহিবা।

# শিশু কবিতা

**'মাদাৰ গুজ্ ৰাইমছ্'** **(Mother Goose Rhymes)** নামৰ মূল শিশুপদ্যৰ পুথিখনৰ পৰা শিশুসকলৰ উপযোগী বছা বছা বহুতো পদ্য অসমীয়ালৈ অনুবাদ কৰাৰ থল আছে। মূল পদ্য পুথিখনৰ গোটেইবোৰ নহ'লেও ২০-৩০ টা জনপ্ৰিয় পদ্য অনুবাদ কৰি সঙ্কলন এটা উলিয়াব পাৰি। এনে এটা সঙ্কলনে অসমীয়া ভাষাত ইতিমধ্যে থকা শিশুপদ্য আৰু নিচুকণি গীতবোৰৰ সম্ভাৰ চহকী কৰাৰ উপৰি অসমীয়া অনুবাদ সাহিত্যকো চহকী কৰি তুলিব। নৱ প্ৰজন্মৰ অসমীয়া অভিভাৱকসকলো তেওঁলোকৰ শিশুসকলক এনে শিশুপদ্যবোৰৰ জৰিয়তে নিজৰ মাতৃভাষাটো শিকাবলৈ নিশ্চয়কৈ আগ্ৰহান্বিত হ'ব।

**পঙ্কজ কুমাৰ নেওগ**

সম্পাদকৰ সংযোজন ঃ পঙ্কজ কুমাৰ নেওগে ইতিমধ্যে উক্ত শিশুপদ্যৰ পুথিখনৰ পৰা ভালেমান পদ্যৰ ভাবানুবাদ অসমীয়াত কৰি হোৱাট্‌চএপ যোগে এই মঞ্চৰ মজিয়ালৈ আগবঢ়াইছে। তাৰে কেইটিমানৰ ৰসাস্বাদন কৰিবলৈ পাঠকলৈ আগবঢ়োৱা হ'ল।

লগতে কস্তুৰী নিভা গগৈৰ শিশু কবিতা আৰু অনুবাদ ইয়াত সন্নিবিষ্ট কৰা হ'ল।

**পঙ্কজ কুমাৰ নেওগ**

## (Johnny Johnny Eating Sugar)

## মৰমৰ নাতি ল'ৰা

মৰমৰ নাতি ল'ৰা অ' মোৰ জোন!
লৰালৰি ইমান কিয় খন্তেক ৰোৱাচোন!
"ৰ'বলৈ সময় নাই, আইতা আজি মোৰ,
স্কুললৈ পলম হৈছে, যাব আছে দূৰ।"
"অ' জোন তুমি মাথোঁ কথা কোৱা এটি
আখলৰ বৈয়ামৰ লাৰুখিনি আজি,
নিলা নেকি তুমি অকলে সোপাই
নামাতিবা আসৈ কিন্তু বেয়া পাম মই!"
"অ' আইতা, ক'বলৈ পাহৰিলোঁ পুৰা,
মোক যেন তুমি কিন্তু নোপোৱা বেয়া;
বৈয়ামৰ সকলো লাৰু মই সামৰিলোঁ,
স্কুললৈ নিবলৈ বেগতে বান্ধিলোঁ।
পানীখোৱা ছুটী হলে সকলোৰে মিলি
লাৰুখিনি ভগাই খাম অঁতাই ধেমালি!
ওপজাদিন আজি মোৰ, পাহৰিলা তুমি,
আশীৰ্ব্বাদ কৰা মোক চুমা এটা দি।"
নাতি ল'ৰা জোনৰ কথা শুনি আইতাই
সোলা হাঁহি এটিৰে জোনক চুমা খায়!

## (Johnny Johnny Eating Sugar)ৰ

## নলবেইৰা সংস্কৰণ

জনেশ্বৰ জনেশ্বৰ
কৌ পিতে
চেনী খাই আছা ?
নাই খ পিতে
মিছা ক্যা কৈছা !
নাই ক এ পিতে
দে মুখখান মেলচোন
অলপ খাইছলু দে ইত্তে

## (BAA BAA BLACK SHEEP)

## কলী ভেড়াজনী চেনেহৰ মোৰ

কলী ভেড়াজনী চেনেহৰ মোৰ
শীতৰে সময়ত গৰম চোলা সিবলৈ
কেই ভাগ ঊণ আছে তোৰ ?
সঁচাকৈয়ে কৈছোঁ দেউতা ঈশ্বৰ ঐ
আসৈ মতা নাই মই
তিনি ভাগ ঊণহে আছে মোৰ সৈতে
কোনো লুক-ঢাক নাই !
ভঙুৰা দদাইটিক এভাগ ঊণ লাগিছিল
এভাগ পদুমী পেহীক
শেষৰ ভাগটো বাটৰ ঘাট-মাউৰাটোক দিম
শীততে থাকে দেহি কঁপি।

## (Here we Go Round the Mulberry Bush)

## এতিয়া আবেলি হ'ল

এতিয়া আবেলি হ'ল আহা অকণিহঁত,
লগ হৈ সকলোৰে খেলোঁ;
হাত ধৰাধৰিকৈ ইজনে সিজনৰ,
ঘূৰি ঘূৰি আমি আজি নাচোঁ;

তোমালোক সকলোৰে,
সু-স্বভাৱ গঢ়িবা,
কুমলীয়া বয়সৰ পৰা,
নিতৌ কৰিবা স্নান,
নিকা হৈ থাকিবা,
সাৰিবা বহু ৰোগৰ পৰা;

গা ধুই ধুনীয়াকৈ,
চুলিখিনি ফণিয়াবা,
চুলিৰ যতন সদায় ল'বা;
জপৰা লেতেৰা চুলিৰ
শিশুক নালাগে ভাল,
সেই কথা সদায় জানিবা;

ৰাতিপুৱা শুই উঠি,
নিতৌ কৰিবা 'ব্ৰাছ',
তল ওপৰ দুয়োপাৰি দাঁত
নিশাৰ আহাৰৰ পিছে,
যতনেৰে কৰিবা 'ব্ৰাছ',
তেহে নহয় দাঁতৰ গাঁত;

সাজ-পোছাক কৰোঁতে,
নিকা কাপোৰ পিন্ধিবা,
পৰিপাটি হ'বলৈ শিকিবা;
স্বাস্থ্যবিধি ভালকৈ,
নিতৌ মানিলেহে
সকলোৱে ভাল পাব, জানিবা।

## (TWINKLE TWINKLE LITTLE STAR)
## তিৰবিৰ তিৰবিৰ অ' সৰু তৰা

তিৰবিৰ তিৰবিৰ অ' সৰু তৰা !
নুবুজোঁ  তুমি কোন আমি ধৰাৰ পৰা,
মুকুতা হৈ জিলিকি দূৰৈত থাকা
তিৰবিৰ তিৰবিৰ অ' সৰু তৰা !
বেলি মাৰ গলে যেবে নামি আহে নিশা
শূন্য গগনত যেবে নাথাকে যে প্ৰভা,
তিৰবিৰ তিৰবিৰ তুমি দেখা দিয়া
মুকুতা হৈ জিলিকি আঁতৰত থাকা
তিৰবিৰ তিৰবিৰ অ' সৰু তৰা !
নুবুজোঁ তুমি কোন আমি ধৰাৰ পৰা।

## (Three Blind Mice)
## তিনিটা অন্ধ নিগনি

তিনি অন্ধ নিগনি,
অঘাইটং আছিল বৰ,
ঘৰৰ বস্তু তহিলং কৰে;

অ'ৰ ত'ৰ বস্তু কুটি,
খোৱা বস্তু নষ্ট কৰি,
গৃহিণীৰ সুখ-শান্তি হৰে;

খঙতে একো নাই হৈ,
গৃহিণীয়ে এদিন নিশা,
মেচী দা তুলি লয় হাতত;

এটা এটাকৈ তিনিওটাৰে,
ঘপিয়ালে নেজ কেইডাল,
পলাই লুকাল কোনোবা গাঁতত;
সেইদিন ধৰি আৰু,
নিগনিৰ উপদ্ৰৱ নাই,
শান্তি আহিল ঘৰলৈ ঘূৰি;

নেজহীন মুষিক তিনিৰ,
বাতৰি নাপালোঁ আৰু,
ক'লৈ বা গ'ল সিহঁত গুচি।

**কস্তুৰী নিভা গগৈ**

# (Johnny Johnny Eating Sugar)ৰ উজনিৰ সংস্কৰণ

অ’ দেহা অ’ দেহা
দেউতা কোৰা
চেনী খালা নি?
নাইচোন নাই খোৰা
নাই খোৰা বুলি
জীয়া ফাকি দিলা
ওহো নাই খোৰা
আঁ কৰি দিয়া জান
এচিকুটমানহে খালো
নাখাবা দেই খং দেতা

# শিশু কবিতা (১)

জানমণি বাইদেৱে
ৰবাব টেঙা
বখলিয়াই চকলিয়াই
পকাজলকীয়া সৈন্ধৱ লৱণ সানি
কলপাতত ভগাই দিছে
কণপিতৌ মৰমী মাধুৰী
জিকিমিকি সোণপখিলীহঁতে
টকালি পাৰি টকালি পাৰি
খাইছে
আহ্ কিযে জুতি লগা
আমাৰো জিভাৰ পানী পৰিছে।

(২)
আজি দুপৰীয়া
কুমলীয়া ঔটেঙাৰে
ভাঙোন মাছৰ জোল
চুঁচিমুচি খা সকলোৱে
ভাতৰ পাতৰ পৰা
কোনেও মূৰ নোতোল।

**পঙ্কজ কুমাৰ বৰুৱা**

# পেহাই দিয়া শিক্ষা

(পেহাই দিয়া শৈশৱৰ পাঠদানৰ সোঁৱৰণি
এটা কথা মনত পৰিছে পেহাই কোৰা।
পেহা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক আছিল।)

ব
হাত দিলে ক
পেট কাটিলে ৰ
পাগুৰি দিলে ধ
পীৰা পাৰি দিলে ৰ

এজাক প্ৰাক্তন কটনিয়ানৰ কলৰৱ

# দেওবৰীয়া বুলেটিন

(হাঁহি এটা মাধ্যম যি শৰীৰত নৱ শক্তি জাগৰিত কৰিব পাৰে।
সেয়েহে আহকচোন অলপ হাঁহিবলৈ চেষ্টা কৰোঁ।)

লেলেউ

**ডাঃ অমল শইকীয়া**

ৰাতিপুৱাৰ সময়। চিকিৎসালয়ৰ বহিঃ বিভাগৰ সকলো কৰ্ম্মচাৰী ব্যস্ত। বেমাৰ দেখুৱাবলৈ অহা ৰোগীৰ সংখ্যাও লাহে লাহে বাঢ়িছে। এনেতে এহাল দম্পতি চিকিৎসকৰ ৰোগী চোৱা কোঠালৈ সোমাই আহিল।

'ছাৰ, ঘোৰ বিপদত পৰি আপোনাৰ ওচৰলৈ আহিছোঁ। মোৰ মানুহজনীক চাওকচোন। আজি দুসপ্তাহ ধৰি না খাইছে না শুইছে। কিবা জুপুকা মাৰি বহি থাকে। কথা শুধিলে একো নকয়। গাঁৱৰে শলিয়া সৰৱজানে মঙ্গল চাই কৈছে তাইৰ বোলে দিন কাল ভাল নহয়। ত্ৰিপাপ ৰিষ্ট চলিছে। মনটোৱে নমনাৰ কাৰণে বিলতীয়া গাঁৱৰ ধোদোং বেজকো ঘৰলৈ মাতি আনিলোঁ। ধোদোং বেজে বাতি চলাওঁতে বাতি গৈ পদূলি মূৰৰ নঙলাৰ কাষত ঘূৰিবলৈ লাগিল। বাতিটোতে চাউলকেইটামান দি বাতিটো উবুৰিয়াই দিওঁতেহে বেজৰ হাতৰ পৰা বাতিটো এৰা খালে। বেজৰ কথামতে বাতিটো ঘূৰা ঠাইতে মাটি খান্দোতে সেন্দূৰৰ টেমা এটা ওলাল। টেমাৰ ভিতৰত ৰঙা সূতা, সেন্দূৰ আৰু মাইকী মানুহৰ চুলি অ' ছাৰ। ক'লা যাদু কৰি মানুহজনীক কোনোবাই মাৰিবই খুজিছিল। ধোদোং বেজে পানী ছটিয়াই আগচোতালখন বান্ধি তাইৰ গাত চাউল দুটামান ছটিয়াই দিওঁতেহে মুখৰ মাত ওলাল। তাৰ পিছতহে তাইৰ মুখে প্ৰকৃত কথাটো গম পালোঁ। মানুহজনীৰ পেটৰ ভিতৰত বেয়া জিনিছ্ এটা সোমাল নহয় ছাৰ! কেহকন বেজেতো বিহলঙনীৰে জাৰি তাইৰ পিঠি বখলা বখল কৰিলে। তথাপিও জিনিছ্টো ওলাই নাহে। তেওঁ কৈছে 'জিনিছ্টো নোলালেও তাক কিন্তু কাবু কৰি দিছে। লেলেউ হৈ জিনিছ্টো পেটৰ তললৈ নামি গৈছে বোলে। এতিয়া ডাঙৰ মাইকী ডাক্তৰক দেখুৱালেই হেলাৰঙে জিনিছ্টো তলেদি উলিয়াই আনিব পাৰিব বুলি ক'লে। সেই কাৰণে আপোনাৰ ওচৰলৈ আহিছোঁ ছাৰ! শেষ কৃত্য ফেৰা কৰি মোৰ মানুহজনীক ৰক্ষা কৰক।'

-'বেয়া জিনিছ্? সেইটোনো আকৌ কি?'

-'ভেনা মাখিটো আকৌ ছাৰ!'

-'ভেনা মাখি? কি কয়হে?'

-'হয় ছাৰ! ভেনা মাখিটো এতিয়া তাইৰ পেটৰ ভিতৰত।'

-'পেটৰ ভিতৰত? হেৰ' পেটৰ ভিতৰত ভেনা মাখি সোমাল কেনি? নাকেদি, মুখেদি নে কাণেদি হো?'

-'কিনো ক'ম কিনো লুকুৱাম। কথাটো ৰাজহুৱাকৈ ক'বলৈ লাজেই লাগে নহয় ছাৰ! পিছে আপোনাকতো

নক'লেও নহ'ব। আমাৰ কেতেকীয়ে পুৱাৰ নিত্য কৰ্ম্ম ভাগ কৰিবলৈ লেট্ৰিনত সোমাওঁতেই ঘটনাটো ঘটিল ছাৰ! মানে আমাৰ কল মগুনা (ঠেৰুৱা) ৰ বেৰ দিয়া কেঁচা লেট্ৰিনত কেতেকী বহি থাকোঁতে ক'ৰবাৰ পৰা ভেনা মাখি এটা ওলাই লেট্ৰিনৰ ঘটিটোৰ চাৰিওফালে ভোন ভোনাই ভোন ভোনাই এপাক ঘূৰি হঠাতে অন্তৰ্ধ্যান হৈ গ'ল নহয় ছাৰ! তাৰ পাছতে নিশালৈ সৰ্ব্বনাশ কাণ্ড। কেতেকীৰ পেটৰ ভিতৰখনৰ কিবা বোলেনে গোটেইখন ভোন ভোন ভান ভান শব্দ। পিছত দিনতো ৰক্ষা নাইকিয়া হ'ল অ' ছাৰ! এতিয়া সেই আপদীয়া ভেনা মাখিটো কেতেকীৰ পেটত কেনেকৈ সোমাল সেইটো খোলাকৈ বেকট কৰিবলৈ লাজেই লাগিছে নহয় ছাৰ! লেট্ৰিনৰ কথাযে; তাতে ভেনা মাখিৰ স্বভাৱতো জানেই। গতিকে আপুনি ডাক্তৰ মানুহ যেতিয়া ছাৰ! কেনি জিনিছটো সোমাল নিশ্চয় অনুমান কৰিব পাৰিছে।'

-'হ'ব, হ'ব ইমানতে হৈছে আৰু বাকীখিনি নক'লেও হ'ব।"

-'এতিয়া ছাৰ! কিবা এটা কৰি কেতেকীক বচাওক। কাকূতি কৰিছোঁ ছাৰ। তাইৰ কিবা এটা হ'লে ঘৰৰ এমাডেমা কেইটাক কোনে চাব।' আবেগত মানুহজনে ফেঁকুৰি দিলে।

'ইচ্! মতা মানুহটো হৈ কিয় এনেখন কৰিছে? কিবা এটা ব্যৱস্থা হ'বতো! লেলেউটো যেতিয়া তলৰ বিভাগলৈ আহিল এতিয়া সি মোৰ দায়িত্বত। হেষ্ট নেষ্ট কিবা নিশ্চয় কৰিম।'

(নব্বৈ দশকৰ এটা সচাঁ ঘটনাৰ আলম লৈ)

●●●

# বাংলাদেশৰ ক্ৰিকেটাৰৰ অনুভৱ

জয়ন্ত চৌধুৰী, আমেৰিকা

বাংলাদেশৰ ক্ৰিকেটাৰ অধিনায়ক মাসৰাফি মুৰ্তাজাৰ মূল্যৱান বক্তব্য : হয়তো এই বক্তব্যই আমাৰ কিছু নতুন চিন্তাৰ উদ্ৰেক ঘটাব পাৰে। লেখাটোৱে বৰ্ত্তমান পৰিস্থিতিত আমাৰ চিন্তাধাৰা আৰু আলোচ্য বিষয়বস্তুৰ সঠিক মূল্যাঙ্কনত সহায় হ'ব বুলি ভাবি আগবঢ়ালোঁ। লেখাটো এজন বন্ধুৱে মোলৈ পঠাইছিল।

দেশৰ তুলনাত ক্ৰিকেট অতি ক্ষুদ্ৰ কথা। এখন দেশৰ সৰু সৰু মাধ্যমৰ এটা হ'ল খেল, তাৰ এটা অংশ ক্ৰিকেট। চিধাচিধি ক'বলৈ হ'লে খেল হ'ল এটা বিনোদন, খেলক লৈ এখন দেশৰ প্ৰধান আলোচনাৰ বিষয় হোৱা অনুচিত। দেশৰ অনেক গুৰুত্বপূৰ্ণ বিষয় আছে, যিবোৰৰ সমাধান এতিয়াও হোৱা নাই। তাত ক্ৰিকেটক লৈ সমগ্ৰ দেশখনৰ জনসাধাৰণ এনেদৰে ব্যস্ত হোৱা অনুচিত। আজি আমাক আটাইতকৈ ডাঙৰ তাৰকা সজোৱা হৈছে, বীৰ বনাইছে। এইবোৰ বাস্তৱৰ পৰা পলোৱা অৱস্থা।

আমি ক্ৰিকেটাৰ, কিন্তু এটা জীৱন বচাব পাৰোঁ জানো? এজন ডাক্তৰে পাৰে। কোনো দেশৰ আটাইতকৈ ভাল ডাক্তৰজনক কোনেও হাতচাপৰি মাৰি সম্ভাষণ নজনায়। আমি তেওঁলোকক উৎসাহিত

কৰিব লাগে। তেনে কামে তেওঁলোকক আৰু বহুজনৰ জীৱন ৰক্ষা কৰাত প্ৰেৰণা যোগাব। তেওঁলোকেই তাৰকা।

তাৰকা হ'ল শ্ৰমিকসকল, তেওঁলোকে দেশৰ উন্নয়নত প্ৰধান ভূমিকা গ্ৰহণ কৰে।

আমি ক্ৰিকেটাৰে কি বনাব পাৰিছোঁ। আমি কি কৰোঁ? খুউব খোলাখুলিকৈ ক'ব লাগিলে ধনৰ বিনিময়ত প্ৰদৰ্শন কৰোঁ।

এজন অভিনেতা, গায়কৰ দৰে "পাৰফৰ্মিং আৰ্ট" কৰোঁ। ইয়াতকৈ এক ইঞ্চিও বেছি নহয়। "ফাষ্ট বলিং" চম্ভালোঁতে শিহৰণ আছে, দায়িত্ব আছে, কিন্তু বীৰত্ব নাই।

এই এঘাৰজন খেলুৱৈৰ ওপৰত দেশৰ জনগণৰ ভোক, জীয়াই থকা নিৰ্ভৰ নকৰে। জনসাধাৰণ নিৰ্ভৰ হ'ব লাগিব এজন বিজ্ঞানী, এজন শিক্ষকৰ ওপৰত। এখেতসকলৰ পৰা আমি বহু শিকিবলগীয়া আছে। আমি বাজে কামত আমাৰ বেছি ভাগে সময় নষ্ট কৰোঁ।

(মূল বাংলা ভাষাত কোৱা কথাখিনিৰ চমু অনুবাদ কৰা আৰু ফেচ বুকৰ পৰা লোৱা)

●●●

# মনৰ ভয়

**জোনা মহন্ত**

ৰাস চাই উভতি আহি আছোঁ। মই আৰু মোৰ লগৰ দুজনী কলেজীয়া বান্ধৱী। সোনকালে উভতিম বুলি ভাবিছিলোঁ যদিও ৰাতি প্ৰায় ৯.০০ মান বাজিল। আজি আমি পতিদেৱ সকলক কৈ আহিছোঁ 'তোমালোকে আজি আমাক ফোন কৰি সোনকালে আহিবলৈ কৈ আমনি নকৰিবা। আজি আমি মুকলিমূৰীয়াকৈ ওলাইছোঁ তিনি বান্ধৱী বহু দিনৰ পিছত'।

সঁচাকৈ আমি উভতি গৈছোঁ সেই কলেজীয়া সোণালী দিনবোৰলৈ। কিমান যে কথা, শেষ নাই। কোনে কাৰ লগত হোষ্টেলৰ পৰা পলাই চিনেমা চাবলৈ গৈছিল। কোনে কাৰ লগত লাইন মাৰিছিল। কাৰ কি জোকোৱা নাম আমি দিছিলোঁ। মানে অন্ত নাই। এজনীৰ কথাৰ ওপৰতে আন এজনীয়ে আৰম্ভ কৰোঁ।

হঠাৎ দেখিলোঁ আমাৰ বিপৰীত দিশৰ পৰা দুখন বাইক আহি আছে। এজনীয়ে কৈ উঠিল, 'ডেকা ল'ৰা যে ৰাতি ৰাস চাবলৈ ওলাইছে'। মন কৰিলোঁ আমাৰ পৰা কিছু আঁতৰত বাইক দুখন ৰাস্তাৰ মাজতে ৰৈ দিছে। চাগে' কোনোবাজনৰ হেলমেট পৰি গৈছে। আমি আকৌ নিজৰ কথাৰ মাজতে ব্যস্ত হৈ পৰিলোঁ আৰু গাড়ীৰ বেগ কিছু কম কৰি দিলোঁ যাতে বাইকত অহা ল'ৰা কেইজনে তেওঁলোকৰ মাটিত পৰা বস্তু তুলি লব পাৰে। কিন্তু ল'ৰা কেইজন দেখোন বাইকতে বহি আছে মাজ বাটত, লৰচৰ কৰা নাই।

মনলৈ আহিল কোনোবাজনে চাগে’ সৰুপানী চুবলৈ বাটৰ দাঁতিলৈ গৈছে আমি কথাৰ মহলা মাৰি গমেই নাপালোঁ। ল’ৰা কেইজনৰ ওচৰ পাওঁ পাওঁ হওঁতেই দেখিলোঁ দুজন ল’ৰা আমাৰ পিনে আগুৱাই আহিছে আৰু বাকী দুজনে বাইক দুখন ষ্টাৰ্ট কৰি ৰৈ আছে। আমাৰ কাৰো মুখত মাতবোল নাইকিয়া হ’ল। মই যিমানেই হেল্প হেল্প বুলি চিঞৰিবৰ চেষ্টা কৰিছোঁ মুখৰ পৰা একো শব্দ নোলায়। কি কৰিম একো ভাবি পোৱা নাই। উশাহ নিশাহ বন্ধ হৈ যোৱাৰ উপক্ৰম। হাত ভৰি জঠৰ হৈ গৈছে লৰাব পৰা নাই। গাড়ীৰ ষ্টাৰ্ট বন্ধ কৰিব খুজিও পৰা নাই মই। কাষৰ ছিটটোলৈ চাই দেখোঁ মোৰ কাষত বহি থকা মোৰ বান্ধৱীজনীও নাই। পিছত বহাজনী আছে নে নাই চাবলৈ মূৰটো ঘূৰাব পৰা নাই, যদি ল’ৰা দুজনে গবা মাৰি ধৰে! মোৰ মূৰটোৱে একো কাম কৰা নাই। মানুহজনী একেবাৰে ঘামি জামি জুৰুলি জুপুৰি হৈছোঁ। এনেতে চক খাই সাৰ পাই দেখোঁ শ্ৰীমানে নাকেৰে মটৰ চাইকেলৰ শব্দ কৰি টোপনিত লালকাল মোৰ ভৰিৰ ওপৰত ভৰি তুলি।

●●●

# ৰেম্প-ৱাক্

**পংকজ কুমাৰ নেওগ**

অৱশেষত আইতা আমাৰ সৈতে ‘ফিয়ামা নৰ্থ ইষ্ট ডিভা’ প্ৰতিযোগিতা চাব যাবলৈ ৰাজী হ’ল। আজো নাতিনী ৰুণাৰ অনুৰোধ আৰু আব্দাৰ আইতাই পেলাব নোৱাৰিলে। ৰুণা বহুত দিনৰ মূৰত বাঙ্গালোৰৰ পৰা গুৱাহাটীলৈ আহিছে , উদ্দেশ্য হ’ল - এইবাৰ ‘ফিয়ামা নৰ্থ ইষ্ট ডিভা’ প্ৰতিযোগিতাত তাই অংশগ্ৰহণ কৰিব। তাইৰ বহুত দিনৰ হেঁপাহ। আমাৰ ছোৱালী ৰুণা দেখিবলৈ বেছ ধুনীয়া, ওখ-পাখ আৰু লাহী। উজ্জ্বল গৌৰবৰ্ণা নহ’লেও মৰম লগাকৈ মিঠাবৰণীয়া। ৰুণাই নিয়মীয়াকৈ ‘জিম’ লৈ যায় আৰু ৰাতিপুৱা ‘জগিং’ কৰে। নিজৰ ‘ডায়েট’ লৈয়ো তাই যথেষ্ট সচেতন। গুৱাহাটীলৈ আহিয়েই ৰুণা ভীষণ ব্যস্ত হৈ পৰিল; ৰেজিষ্ট্ৰেশ্যন হৈ যোৱা দিনৰে পৰা নানা ধৰণৰ Practice Session বোৰৰ বাবে তাই একেবাৰে সময় নোপোৱা হ’ল। প্ৰায় ১০ দিন মান চলা বিভিন্ন প্ৰাথমিক পৰ্য্যায়ৰ প্ৰতিযোগিতাবোৰত উত্তীৰ্ণ হৈ ৰুণা অন্তিম ২০ গৰাকী প্ৰতিযোগীৰ মাজলৈ নিৰ্ব্বাচিত হ’ল। আজি সন্ধিয়া সেই চূড়ান্ত প্ৰতিযোগিতাকে আমি চাবলৈ ওলাই আহিছোঁ- আমি মানে শ্ৰীমতী, মই, ৰুণাৰ আইতাক আৰু আজো আইতাক। আমাৰ আইতাৰ বয়স হৈছে যদিও যথেষ্ট টনকিয়াল হৈ আছে। আজিকালিৰ এই ফেশ্বন শ্ব’ ফেশ্যন ৰেম্পত মডেলবোৰে কম পোছাক পিন্ধি বিভিন্ন ভঙ্গীৰে খোজ কঢ়া, ৰং -বিৰঙৰ কেশসজ্জা ইত্যাদি আইতাই চকু পাৰি দেখিব নোৱাৰে। আইতাৰ মতে আজিকালিৰ এই গাভৰু ছোৱালীবোৰৰ সমূলি লাজ-কাজ নোহোৱা হ’ল; শৰীৰটো যিমান নিৰাভৰণ কৰি ৰাইজক দেখুৱাব পাৰে সিমানেই যেন গৌৰৱৰ কথা! আইতাৰ আটাইতকৈ বেছি খং এই মডেলিং কৰা ছোৱালীবোৰৰ খীণ-মীন, হাড়-ছাল ওলোৱা চেহেৰাবোৰ দেখি। “হেৰৌ, এই কেইজনীয়ে ভালকৈ খাবলৈ নাপায় নে ইচ্ছা কৰি নাখায়?

(শেষাংশ ১৭৯ পৃষ্ঠাত)

*“মোকতো পোৱাই চিনি, মই যে ফাগুন।*
*অঁকৰা কবিৰ সতে চুপতি মৰাৰ বাবে*
*মোৰতো বহুত বদনাম।”*

- নৰকান্ত বৰুৱা

# ফাগুন

## জোনা মহন্ত

মই যদি ফাগুনৰ দৰে
হ’ব পাৰিলোঁহেঁতেন
কাৰোবাৰ হৃদয় উন্মাদ কৰি
ৰঙা মদাৰ হৈ ফুলিলোঁহেঁতেন
ফাগুনৰ দৰে সাহসী হ’ব পৰা হ’লে
বৰদৈচিলাৰ দৰে আহি
নিঃশেষ কৰিলোঁহেঁতেন
অহঙ্কাৰী, বিশ্বাসঘাতক দেশদ্ৰোহীক
ধূলিৰ ধুমুহাৰ দৰে
ধূলিসাৎ কৰিলোঁহেঁতেন
অজ্ঞানী সমাজৰ অন্ধবিশ্বাস
ফাগুনৰ দৰে ৰঙিয়াল হ’ব পৰা হ’লে
সিঁচিলোঁ হয় আনৰ হৃদয়ত
পলাশ, শিমলুৰ ৰঙা ৰং
কিন্তু নোৱাৰোঁ যে মই ফাগুন হ’ব
সেয়ে ৰাখিছোঁ সকলো মনৰ অভিপ্ৰায়
বুকুৰ মাজত হেঁচি
মাথোঁ বিচাৰোঁ
ফাগুনৰ উতনুৱা বতাহ জাকে
উৰুৱাই নিকা কৰক বিশৃংখলতা
আৰু সকলোৰে মনৰ দুৰ্ভাবনা,
কঁহুৱা বনৰ দৰে কোমল হৃদয়েৰে
সজাই তোলক নিজৰ লগতে
আনৰো জীৱন আবিৰৰ ৰঙেৰে।

# ফাগুন

## কস্তুৰী নিভা গগৈ

ঋতুৱে ঋতুৱে ফুল বৰণীয়া
তাতে পৰি মৌ চোহে পখিলা ধুনীয়া
ৰূপহী পাখিলাহী পখিলাৰ নাচোন বাগোন
বতৰে আনিলে বতৰা
আকৌ আহিল দেওলগা ফাগুন।

# ফাগুন

## ৰত্ন কান্ত শৰ্ম্মা

ৰাতিপুৱাৰ ৰঙা ৰ'দ লৈ
নদী আৰু ৰাজহংসই কলে
ফাগুন মানেনো কি
ফাগুন মানে
মতলীয়া এজাক বতাহ
ফাগুন মানে
উন্মনা শুকান পথাৰ
ফাগুন মানে
ধূলিয়ৰি বাট
ফাগুন মানে
পিৰিতিৰ মোহনীয় হাট
ফাগুনত গুণগুণায়
কিছুমানে মনে মনে
কিছুমানে গান গায় মুকলিমনে
কিছুমানে কবিতা লিখে
উদাসী মনৰ
নিৰৱে অকলশৰে
কিছুমানে কঁহুৱাৰ আঁৰ লৈ
কথা পাতে প্ৰেয়সীৰ স'তে
ফাগুনৰ আকাশ আউলী বাউলী
ছটিয়াই দিয়ে নীলাবোৰ
হিয়া উজাৰি
লঠঙা গছ লতাই
যাযাবৰী মেঘৰ স'তে
গোপনে গোপনে পাতে মিতিৰালি
বৰষুণ এজাক দিয়ে কিজানি
ৰুক্ষ পৃথিৱীৰ বক্ষ বিদাৰি
দুটি এটি কুঁহিপাতে
মাৰিছে মিঠা মিঠা হাঁহি
ঋতুৰাজ বসন্তৰ আলিঙ্গনত
ফাগুন যে হৈ পৰিছে দুৰন্ত
শিমলু পলাশৰ ৰঙৰ ৰাগীত
চঞ্চল হেঙুলীয়া বেলি
ব্যাকুল দূৰ দিগন্ত।

# ফাগুনী অনুভৱ

## ৰুমিমা দাস

ফাগুনৰ বতাহে
উতনুৱা কৰিছে দেহ-মন
বান্ধিব খুজিওচোন নোৱাৰোঁ বান্ধিব
মনৰ বাধাহীন গতি
যেনেকৈ মদাৰৰ ফুলে কৰে আকৰ্ষণ
যদিওবা সমাজত সমাদৰহীন
তথাপি অপাৰ সৌন্দৰ্য্যত ভৰুণ হৈ উঠে
মদাৰৰ ৰাঙলী বাগিচা
এতিয়াও বৰকৈ মনত পৰে
এৰি অহা আবেলি এটিত
অস্পষ্ট আধা ফুটা মাতটি
আধৰুৱা হৈ ৰ'ল
তোমাৰ সৈতে কটোৱা বিনোদন
হয়তোবা দস্তাবেজত
বিচাৰি পাবা
তোমাৰ সৈতে মোৰ
হেঁপাহৰ অন্তৰঙ্গ আলাপবোৰ
এতিয়া যে ভ্ৰূক্ষেপেই নাই
উমান কৰিবলৈ, চাওঁ বুলি চাবলৈ
কওঁ বুলি ক'বলৈ
সন্মুখত ফাগুন
বুকুত ফাগুনৰ পলৰীয়া বা

# ফাগুনৰ সুহুৰি

## অমল শইকীয়া

খিলিককৈ শুকান পাত সৰিল
ফাগুনৰ সুহুৰিত
গছবোৰ আবেগিক হৈ পৰিল।

চঞ্চল শিমলু
চঞ্চল মদাৰ
জুই ছটিয়াই উতনুৱা গীত গায়।

পাহাৰে পাহাৰে ৰঙৰ মেলা
বাউলী বতাহৰ গুণগুণনিত
ধূলিয়ৰি আবেলিটো
অভিমানী হৈ পৰিল।

ফাগুনৰ সুহুৰিত
পলাশত জুই লাগিল
মদাৰত জুই লাগিল
শিমলুত জুই লাগিল
জুই
জুই
ফাগুনৰ জুই
ফাগুনৰ সুহুৰিত
মনত জুই লাগিল।

শুকান পাতৰ শব্দত
বুকুৰ কোনোবা কোণত ৰং লাগিল
ফাগুনৰ সুহুৰিত প্ৰেমৰ ৰাগি উঠিল।

# মদাৰ

**পঙ্কজ কুমাৰ নেওগ**

ফাগুনৰ উদ্ধত বতাহ ছাটিয়ে
বঙ্কিম কটাক্ষৰে এদিন
মদাৰৰ কাণে কাণে সুহুৰিয়ালে -
তুমি হেনো মূল্যহীন,
পূজাতো নালাগা, গোসাঁইতো নালাগা
নাই যে ক'তো আদৰ তোমাৰ
বৃথা হ'ল তোমাৰ ফুলাৰ
মদাৰপাহ উঠিল খিলখিলাই
নালাগে মোক বৈভৱৰ অঙ্গীকাৰ,
ময়েই বিলাওঁ বতৰা
ধৰালৈ সন্তৰ্পণে ফাগুন নমাৰ;
মই ফুলোঁ বুলিয়েইতো সকলোৱে জানে
তোমাক ফাগুন বুলি,
ময়েই জ্বলাওঁ জুই আকাশে বতাহে
ৰঙা বাষ্পৰে হিয়া ৰাঙলী কৰাৰ।

# ফাগুন আহিল হেনো

**শৰৎ বৰকাকতি**

কেলেণ্ডাৰে ক'লে মোক
আবেলি পৰত
খেপিয়াই চালোঁ
সেই পুৰণি হেঁপাহ
স্মৃতিৰ উৰলা পাতত।

ফাগুনে জানো জানে
কিমান তৰপ শীত
গোট মাৰি শিল হ'ল
শিমলু ডালত
কিমান সেউজী পাত
সৰি সৰি দ'ম হ'ল
নিঃসঙ্গ বুকুৰ মাজত!

ঋতু সলনি হ'লে
যদিও উছাহ জাগে
গুণগুণ সুৰ কঁপে
অলস ওঁঠত
ফাগুনৰ গানবোৰ
প্ৰতিধ্বনি হৈ নাহে
বৈ যায় ঠেকা খাই
সুদূৰ পাহাৰত।

১৭৪ পৃষ্ঠাৰ পৰা
ইমান শুকান খৰিৰ দৰে চেহেৰা কোনোবা গাভৰু ছোৱালীৰ থাকে নে? এই ডেকা বয়সত ভালকৈ খাই বৈ শৰীৰটো নোদোকা কৰি ৰাখিলেহে মানুহক শুৱায়"! আইতাক এতিয়া কোনে বুজায় আজিৰ গাভৰুৰ সৌন্দৰ্য্যৰ মাপকাঠী? কোনে আইতাক বুজাব যে এডাল এডালকৈ শৰীৰৰ হাড় যিগৰাকী কৃশকায়ীৰে বেছিকৈ লেখিব পৰা যাব তাইয়েই বেছি মোহময়ী! খোৱা টেবুলত আইতা আৰু ৰুণাৰ মাজত সদায় কুৰুক্ষেত্ৰৰ ৰণ। ৰুণা আজো আইতাকৰ কাষৰ চকীখনত কেতিয়াও নবহে-তেওঁ বোলে প্ৰকাণ্ড কাঁহৰ কাঁহী এখনত পৰ্ব্বত-প্ৰমাণ ভাত বাঢ়ি লৈ ৰুণাক কটিয়াই কটিয়াই খুৱাবলৈ চেষ্টা কৰে। আইতাৰ সদায়েই দুখ-আজো নাতিনীজনীয়ে কলেজৰ হোষ্টেলত থাকি কি নো খাবলৈ পায়? একেবাৰে যেন পথাৰত চৰাইক ভয় খুৱাবলৈ ৰখা খেৰৰ জুমুঠিটোৰ দৰে চেহেৰা এটা লৈ আহিছে! অন্ততঃ এই কেইদিন ঘৰত ভালকৈ খাই-বৈ অলপ 'মানুহ'ৰ চেহেৰা এটা লওকচোন! ইফালে ৰুণাৰ চিন্তা কেনেকৈ 'শ্লিম্ এণ্ড ফিট্' হৈ থাকি এই 'নৰ্থ ইষ্ট ডিভা' প্ৰতিযোগিতাখন পাৰ কৰিব পাৰে। এই কেইদিন চলি থকা বিভিন্ন প্ৰতিযোগিতাবোৰৰ বাবে তাই 'জিম'লৈ যাবলৈ সময় পোৱা নাই; নিজৰ 'ডায়েট'ৰ বাবে কিনিবলগীয়া বস্তুৰ দীঘল দীঘল লিষ্ট দি দিনে- নিশাই মোক অতীষ্ঠ কৰি তুলিছে। কেতিয়াবা অলপ সময় পালে ৰুণাৰ লগৰ কেইগৰাকীমান প্ৰতিযোগী বান্ধৱী তাইৰ সৈতে কিবা আলোচনাৰ বাবে আহে। সেই ছোৱালীকেইজনীক দেখা বা লগ পালেতো কথাই নাই, আইতাৰ মূৰত ঘিঁউ পুনৰ উতলিবলৈ ধৰে। "ইস্ সেইকেইজনীৰ নামবোৰ মোৰ মুখতেই নুফুটে দেখোন,ঔ! ইভলিনা, লোপামুদ্ৰা, জেৰিণ, ভেনেছা আৰু ক'ত যে কি! চেহেৰাবোৰো চাচোন সেইকেইজনীৰ; ঠিক যেন আমি সৰুতে পঢ়া 'কুম্পুৰ সপোন' নামৰ পদ্যটোৰ 'যখিনী' ছোৱালী কেইজনীহে"! মুঠতে ৰুণাই 'নৰ্থ ইষ্ট ডিভা' প্ৰতিযোগিতাত যোগদান দিয়াতো আইতাৰ ১৬ অনাই অপছন্দ আৰু ৰুণা সিমানেই জেদী - তাই যোগদান কৰিহে এৰিব। যি নহওক প্ৰতিযোগিতাৰ বিভিন্ন স্তৰ অতিক্ৰমি ৰুণাই যেতিয়া অন্তিম ২০ গৰাকীৰ মাজত স্থান পালে তেতিয়া আজো আইতাকেনো কি ক'ব? মৰমৰ আজো নাতিনীকতো আৰু দুখ দিব নোৱাৰে! অৱশেষত শ্ব' আৰম্ভ হ'ল। ২০ গৰাকী প্ৰতিযোগীৰ মাজত ৰুণাক দেখা পাই ডাৱৰ আঁতৰাৰ পিছত জোনটো ওলোৱাৰ দৰে আইতাৰ মুখখনো পোহৰ হ'ল। তিনি -চাৰিটামান ৰাউণ্ড হৈ যোৱাৰ পাছত আইতাক থ'বলৈ ঘৰলৈ গ'লোঁ। ভাত-পানী খাই আইতা শুবলৈ গ'ল আৰু মইয়ো হোটেল 'তাজ ভিভাণ্টা' লৈ উভতিলোঁ। এনেয়েও আমাৰ ডিনাৰ শ্ব' শেষ হোৱাৰ পিছত হোটেলতে ঠিক কৰা আছিল। সকলোবোৰ শেষ হওঁতে ৰাতি বহুত হ'ল। ৰুণা পৰৱৰ্ত্তী পৰ্য্যায় অৰ্থাৎ প্ৰথম দহজনীৰ ৰাউণ্ডটো পালেগৈ কিন্তু তাৰ পিছৰ পৰ্য্যায়টোত উৰ্ত্তীণ নহ'ল। শ্ব' শেষ হোৱাৰ পাছত আমি তাইক ভিতৰৰ পৰা লৈ আনিলোঁগৈ। প্ৰথমতে মনটো অলপ বেয়া কৰিছিল যদিও অলপ পিছতে সকলোবোৰ স্বাভাৱিক হৈ গ'ল; আমাৰ সৈতে ভালকৈ কথা পাতিবলৈ ধৰিলে। পিছদিনা ৰাতিপুৱা আমাৰ অবাক হোৱাৰ পাল! ৰুণা ৰাতিপুৱাই উঠি আজো আইতা ক'ত বুলি দৌৰ মাৰি আইতাৰ কোঠাত সোমাল। টপৰ টপৰকৈ আজো আইতাকক দুগালত দুটা চুমা খাই ৰুণাই আৰম্ভ কৰিলে-"আজো আইতা, যোৱা নিশা মই প্ৰতিযোগিতা নিজিকিলোঁ, কিন্তু সেইটো কোনো

ডাঙৰ কথা নহয়। এনে এটা প্ৰতিযোগিতাত মোৰ মাত্ৰ এবাৰ যোগদান দিবলৈ বৰ চখ আছিল আৰু সেই ইচ্ছা মোৰ পূৰণ হ'ল। আজিৰ পৰা মই তোমাৰ লগত একেলগে বহি ভাত খাম দেই! তুমি যি খাবলৈ দিয়া তাকে খাম, যিমান খাবলৈ দিয়া সিমানে খাম! তুমি আৰু এই চেৰেলী-চেপেটী ৰুণাক দেখা নোপোৱা! অ' আজো আইতা, তুমি মা আৰু আইতাক কোৱানা আজি কলডিল ভাজিৰে লোকেল মুৰ্গীৰ মাংস এখন, লোকেল আৰি মাছৰ বিলাহীৰ টেঙা দিয়া আঞ্জা, বৰিয়লা মাছৰ ভজা আৰু মলমলাই থকা ক'লা জহা চাউলেৰে ভোজ এটা ৰান্ধক - আমি সকলোৱে মিলি আজি একেলগে ভোজ এটা খাওঁ"!

ৰুণাৰ কথা শুনি আইতাৰ নিষ্প্ৰভ চকুহালি জিলিকি উঠিল। আজো নাতিনীয়েকক সাবট মাৰি কপালত টপৰ- টপৰকৈ দুটা চুমা খালে। আইতাৰ সোলা হাঁহিটোত প্ৰথমবাৰৰ বাবে বিশ্ববিজয়িনীৰ স্বৰ্গীয় আভা এটা বিয়পি পৰিল!

●●●

# গল্প নহয়

**মদন চন্দ্ৰ ডেকা**

ল'ৰা এজনে চাইকেল চলাই আহি আছে। সৰু ল'ৰা, তেৰ-চৈধ্য বছৰমান হ'ব বয়স। দেখিলেই গম পোৱা যায় ল'ৰাজন বৰ লৰালৰিত আছে।

কি ইমান লৰালৰি? পুহৰ আৰম্ভণি। কেইবাডৰা ধান পকি আছে। কাটিব লাগে। বিশেষকৈ মালভোগ আৰু জহা কেইডৰা পকি একেবাৰে মজি গৈছে। হাতেৰে চুলেই সৰি পৰে ধানবোৰ জৰজৰাই। নিয়ৰত সেমেকি থাকোঁতেই যিমান পাৰি সিমান বেছিকৈ কাটিব লাগে। ধান কটা মানুহ তিনিজন আছে ঘৰত। আটায়ে পথাৰলৈ সময়মতে যাব। কিন্তু সি লগত থাকিলে কামৰ আইডিয়া পায়। বছৰেকীয়া পৰীক্ষা দি আজৰি হৈছে সি।

পিছে সদৰত পড়ি থকা ককায়েকটোক বাছত উঠাই দিবলৈ ৰাতিপুৱাই ওলাই যাবলগীয়া হ'ল। ছেঃ দেৰিয়েই হ'ল! মনতে উচ্চাৰণ কৰি ল'ৰাজনে আৰু খৰকৈ চাইকেলৰ পেডেল মাৰিবলৈ ললে।

কাট্।

মই কাহিনী শুনিব খোজা নাই। মোক গল্প লাগে, একশ্যন লাগে।

তাকেইতো, মই গল্পটোকে সজাই আছোঁ। মাজতে টুপকৈ মাতি দিলে মই আধাতে এৰি যামগৈ।

বন্ধুৱে আপত্তিসূচক ভঙ্গিমাৰে মৌনব্ৰত ধৰিলে।

অঁ, কি কৈ আছিলোঁ? মনত পৰিছে ৰহ্।

ল'ৰাজনে বেগাবেগিকৈ চাইকেল চলাই আহি আছে। সি দেখিলে, ওলোটা দিশৰ পৰা এখন ম'হৰ গাড়ী আহি আছে টিলিঙা বজাই বজাই।

(শেষাংশ ১৮৪ পৃষ্ঠাত)

অৱসৰৰ পিছত পেঞ্চনৰ ধন পোৱালৈ কেতিয়াবা যেন অনন্ত সময়ৰ প্ৰয়োজন হয়, পেঞ্চনৰ ধনৰ হাবিয়াস মনতে পুহি অৱসৰীজন কেতিয়াবা সিফলীয়া হ'বলগীয়াও হয়। পেঞ্চন-পেঞ্চনৰ ধন সেয়েহে এক মিশ্ৰিত অভিজ্ঞতাৰ পৰিচায়ক

# অৱসৰৰ অৱসৰত...

**পঙ্কজ কুমাৰ বৰুৱা**

এবাৰ এজন ডেকাই কথাৰ প্ৰসঙ্গত এজন জ্যেষ্ঠ ব্যক্তিৰ নাম কোৱাত, যিজন এটা বিভাগৰ সঞ্চালক পদত আছিল, কিন্তু তেখেতে অলপতে অৱসৰ লৈছে, এটা অৱজ্ঞাসূচক মন্তব্য কৰিছিল। "অ' তাৰ মানে ফিউজ বাল্ব।" এইষাৰ কথা মনত জানো, কিয় থাকি গ'ল!

বঙ্গাইগাঁও শোধনাগাৰত এজন কাৰিকৰী সঞ্চালকে অৱসৰ লোৱাৰ কথা। সঞ্চালকজন, পৰিচালন সঞ্চালকৰ দ্বিতীয় স্থানতে আছিল। অৱসৰ ধুমধামেৰে দিলে সঞ্চালকজনক। সঞ্চালকজনে কোম্পানীৰ পৰা যাতায়াতৰ বাবে গাড়ী আৰু চালক এজন পায়। অৱসৰ লোৱা বাবে পিছদিনা গাড়ীৰ চালক নাহিল।

সঞ্চালকজন পিছদিনা অফিচলৈ আহিবলগীয়া হৈছিল। কাৰণ অৱসৰ লোৱাৰ আগতে কৰিবলগা কোম্পানীৰ কামবোৰ শেষ কৰি অহাৰ চাপত, নিজৰ পেঞ্চন আদি কিছুমান কামৰ বাবে আহিবলগা আছিল অফিচলৈ, যিটো এটা সাধাৰণ কথা, প্ৰায় বেছি ভাগৰ ক্ষেত্ৰতে হয়। অতি নিষ্ঠাৱান বুলি জনাজাত এইজন সঞ্চালকে সেয়েহে কোম্পানীৰ কামতকৈ নিজৰ কামত অগ্ৰাধিকাৰ নিদিয়াৰ বাবে অতিৰিক্ত এক দুই দিন অফিচলৈ আহিব লগা হৈছিল। সেয়েহে গাড়ীখন নহাত, সঞ্চালকজনে গাড়ীৰ দায়িত্বত থকা কনিষ্ঠ বিষয়াজনক ফোন কৰি গাড়ীখন পঠাবৰ বাবে অনুৰোধ কৰিলে। কিন্তু বিষয়াজনে খুব সহজতেই ক'লে, "ছাৰ, এতিয়াতো আপুনি সঞ্চালক পদত নাই গতিকে গাড়ীখন পঠাব নোৱাৰিম।" নিষ্ঠাৱান সঞ্চালকজনে হয়তো ভাবিবও পৰা নাছিল যে এনে এটা উত্তৰ বিষয়াজনৰ পৰা পাব।

উপায়হীন হৈ অৱসৰ লোৱা সঞ্চালকজনে পৰিচালন সঞ্চালকক কথাষাৰ জনাবলৈ ফোন কৰিলে। পৰিচালন সঞ্চালকে (MANAGING DIRECTOR) মানৱ সম্পদ বিভাগৰ মুৰব্বীজনক মতাই অনালে ৰুমলৈ আৰু কৈফিয়ৎ বিচাৰিলে, কেনেকৈ এজন ইমান উচ্চ পদবীৰ সঞ্চালকৰ কাম অৱসৰ লোৱাৰ আগতে শেষ নকৰিলে মানৱ সম্পদ বিভাগে। কিয় সঞ্চালকজনে অৱসৰ লোৱাৰ পিছতো অফিচলৈ আহিব লগা হ'ল।

আৰু আহিবলগীয়া হৈছে যদি, কেনেকৈ তেখেত অহা যোৱাৰ বাবে গাড়ী বিচৰাৰ পিছতো, গাড়ী এখন দিয়া নহ'ল!

পৰিচালন সঞ্চালকৰ হেতু সঞ্চালকজনক গাড়ীখন দিলে যদিও চিন্তনীয় কথা হ'ল, অৱসৰৰ পিছত এয়াই গতি হয় নেকি মানুহৰ?

মোৰ মনত পৰিল, সেই ডেকা জনে কোৱা কথাটো "ফিউজ বাল্ব"।

# অৱসৰ বনাম পেঞ্চনৰ ধন

**কস্তুৰী নিভা গগৈ**

পঢ়া সামৰি
চাকৰিৰ বাবে খাইছিলোঁ হাবাথুৰি
ইটো সিটো বহুতো সাক্ষাৎকাৰৰ তিতা মিঠা
জ্বলা কেঁহাৰ মূৰত
মিলিল এটি চৰকাৰী বিষয়াৰ চাকৰি
সুৰক্ষিত হ'ল জীৱনপঞ্জী
নিতৌ কৰ্ম্মভূমিলৈ গমন
কৰ্ম্মধৰ্ম্ম পালন মাহৰ মূৰকত উপাৰ্জ্জনৰ ধন,
কিমানযে আশা
কিমান যে ভৰসা
চাকৰিটোৰ মাহিলী ধন,
দৰমহাৰ দিন
কাৰ্য্যালয়ত যেন উছৰ উলাহৰ প্লাৱন
কোষাগাৰলৈ যায় কৰ্ম্মচাৰী বেংকলৈও ঘনেঘন
মোকোলাই আনে দৰমহাৰ ধন
কি যে আনন্দৰ আছিল
সেইদিন,
কাক কি লাগে সকলো দিওঁ
নিজক যি লাগে তাকো লওঁ
বাকীখিনি সাঁচতীয়া ধন
তেনেদৰেই আৰম্ভ হয়
যুগ্ম জীৱন
বাঢ়িল সংসাৰ বাঢ়িল খৰচ
কমি আহিল সাঁচতীয়া ধন
লাহে লাহে নিয়মো সলনি হ'ল
দৰমহাৰ দিন এতিয়া বেঙ্কৰ মেচেজ অথবা
মিনি ষ্টেইটমেণ্ট
এনেকৈয়ে কৰ্ম্ম আৰু
সংসাৰ ধৰ্ম্মৰ মাজেৰে সচৰাচৰ দিন বাগৰে
সময়ৰ লগে লগে চাকৰিৰ স্থানো সলনি হয়
বদলিকৰণেৰে
সংসাৰ পৰিপূৰ্ণ হয়
সন্তানো নাবালকৰ পৰা সাবালক হয়
সন্তানৰো জীৱন যাত্ৰা
আৰম্ভ হয়
চাকৰিৰ দিনো কমি আহে লাহে লাহে
এদিন শেষ হয় এনেদৰেই,
ৰাতিপুৱাই খৰধৰ কৰি যোৱা
অফিচলৈ আৰু যাব নালাগে
বদলি হোৱাৰো আৰু চিন্তাই নাথাকে
মনটো বৰ ফৰকাল ফৰকাল লাগে
চিন্তা কেৱল এতিয়া
পেন্সনৰ ধন
Gratuity, Leave encashment, GPF, GIS, Provisional Pension লৈ
বাট চাই ৰ'ম আৰু '১০' নম্বৰ প্ৰপত্ৰখন পূৰণ
কাৰণ এতিয়া আৰু মাহে মাহে
নাপাওঁ দৰমহাৰ মোটাধন
বুকুত সাঁচি থম
কৰ্ম্মব্যস্ততাৰ দুৰ্ল্লভ দিনবোৰ
সময়ে হাৰ মানে
বয়সে জিৰণি বিচাৰে,
জ্যেষ্ঠ নাগৰিক হ'ম
নিজানত বহি ৰোমন্থন কৰিম
সাঁচতীয়া মহঙা দিনৰাজি
সময়ত এনেকৈয়ে
জমা হব পেন্সন
তাৰ বাবে বাট চাই ৰ'ম।

# স্বস্তি

**মদন চন্দ্ৰ ডেকা**

বৰ ভাল হ'ল বন্ধুহঁত,
বৰ সজ হ'ল
স্ফূৰ্তিতে এটা পাক
হিঃ হিঃ হিঃ
নাচিবৰ মন গ'ল;

ফৰ্ম এইট ফৰ্ম ফাইভ
পাৰ্ট ওৱান পাৰ্ট টু অৰ ফৰ্ম চেভেন
সৱ পূৰণ হ'ল
হাঃ হাঃ হাঃ হিঃ হিঃ হিঃ
হিয়া মোৰ আনন্দে নধৰা হ'ল;

স্পেচিমেইন চিগনেছাৰ
আইডেণ্টিটি মাৰ্ক যুগল ফটো
সকলো দিয়া হ'ল
সেঃ সেঃ সেঃ বন্ধুসৱ,
ধন্যবাদ নিজকে সোনকালেই যে হ'ল;

লাগিছিল পিছে এঠাইত লেঠা
দহমাহৰ বেতনৰ খতিয়ান নিদি
দিছিলোঁ পে' শ্লিপৰ কপি
কেনেকৈ বাৰু হয়
সঁচাকৈয়ে যে দিব লাগে বেতনৰ ষ্টেইটমেণ্ট !
হিঃ হিঃ হিঃ বন্ধুসকল,
সিও যোগাৰ হ'ল;

বাবুৰ হাতত জমা দিলোঁ
গহীনাই ল'লে হাত পাতি
চছমাৰ ওপৰেদি এবাৰ মোলৈ চালে
এটি এটিকৈ লুটিয়ালে পৃষ্ঠা
বাবুৰ নিৰুদ্বিগ্ন মুখ দেখি
মোৰ উশাহ খৰ হ'ল;

উৎকণ্ঠাৰ অৱসান ঘটিল
বাবুৱে দাঙিলে মূৰ
দিব্যজ্যোতি বিকিৰিত কৰি
শ্ৰীমুখেৰে ঘোষিত হ'ল
সেঃ সেঃ সেঃ
সকলো আছে ঠিক, হৈ গ'ল;

ভাল কথাটো হ'ল আজি
বন্ধুসকল, ভাল কথাটো হ'ল
হাঃ হাঃ হাঃ হিঃ হিঃ হিঃ
পেন্সন পেপাৰ জমা দিয়া হ'ল।

টিলিঙাৰ ছন্দোৱদ্ধ শব্দত তাৰো মুখেৰে সুহুৰি এটা ওলাই আহিল। সি আহি গাড়ীখনৰ একেবাৰে কাষ পালে। হঠাতে কি হ'ল, সি তৰ্কিব পৰাৰ আগতে ডবল্ কেৰি কৰি অহা চাইকেল এখনে গাড়ীৰ পিছৰ পৰা ওলাই আহি দিলে খুন্দা মাৰি তাক।

ধেৎ, এইটো কিবা একশ্যন হ'ল নেকি। - বন্ধু অধৈৰ্য্য।

ৰহ অ' এইটো, কৈ আছোঁ নহয়।

বন্ধুৰ প্ৰতিক্ৰিয়ালৈ কেৰেপ নকৰি কৈ গলোঁ।

পৰম বিস্ময়েৰে সি লক্ষ্য কৰিলে যে তাক খুন্দিওৱা চাইকেলখনৰ আগচকাটো বিশ্বাশৰদে বটগছজোপাৰ কাষেদি পথাৰলৈ দৌৰিছে আৰু হেণ্ডেলত বহি অহা আদহীয়া মানুহজন ঠাইতে শিলগুটি দিয়া ৰাস্তাৰ ওপৰত বহি পৰি 'মৰিলোঁ মৰিলোঁ' বুলি চিঞৰিছে।

কাট্। এনেকুৱা ফাল্টু কাহিনীৰে ছবি বনাব পাৰি নেকি!

মিছামিছি মোৰ সময় বৰবাদ কৰিলি। ভোৰভোৰাই ভোৰভোৰাই বন্ধু ওলাই গ'ল।

●●●

# কওঁ নে নকওঁ

**শৰৎ বৰকাকতি**

এবাৰ ভাবিছোঁ কৈ দিওঁ যি হ'ব হ'ব, দেখা যাব। 'নাই, নাই.... সাংঘাতিক কথা হ'ব'- ভিতৰৰ পৰা মনটোৱে সকীয়াই দিলে। নিজে নিজে এটা এটাকৈ ল'জিকৰ সূত্ৰ উলিয়াই গৈ আছোঁ। প্ৰথম কথা- ক'ব কিয় লাগে? নৈতিক দিশৰ পৰা এনেবোৰ কথা লুকুৱাই থকা অনুচিত। আস্থা আৰু বিশ্বাস জীৱনত ডাঙৰ বস্তু। দ্বিতীয়তে- যদি নকওঁ আৰু পিছত কাণত পৰে তেতিয়া !! ... আৰু যদি কওঁ- কি বুলি ক'ম আৰু কি বুলিয়েই বা কৈফিয়ৎ দিম!! 'তুমি ইমান বিশ্বাসঘাতকতা কিয় কৰিলা' বুলি যদি সোধে, মই তেতিয়া কি ৰিপ্লাই দিম!

'ৰিপ্লাইটো মেইল কৰিলেনে ছাৰ?' হঠাৎ প্ৰশ্নটো শুনি উচপ খাই নিজৰ অলক্ষিতে মুখৰ পৰা ওলাই গ'ল- 'কি ৰিপ্লাই'... দেখিলোঁ মোৰ জুনিয়ৰ এজন মোৰ কক্ষলৈ সোমাই আহি মোলৈ আচৰিত ধৰণে চাই মোক বুজাবলৈ চেষ্টা কৰিলে যে দিল্লীৰ পৰা অহা মেইলখনৰ ৰিপ্লাই আৰ্জেণ্টলি লাঞ্চ টাইমৰ আগতে কৰিব লাগে। লেপটপটোত মেইলখন উলিয়াই লৈ লৰালৰিকৈ ৰিপ্লাইটো টাইপ কৰি পঠাই দিলোঁ আৰু জুনিয়ৰ কেইজনক দৰকাৰী নিৰ্দ্দেশ দি ক'লোঁ যে মোৰ গাটো ভাল নহয় বাবে ঘৰলৈ যাম আৰু জৰুৰী কিবা থাকিলে মোক ফোন কৰিব পাৰে। পিয়নটোৱে কেণ্টিনৰ পৰা লাঞ্চ লৈ আনিছিল, নেখালোঁ।

গাড়ীখন পাৰ্কিঙৰ পৰা উলিয়াই আনি মেইন ৰোডত উঠি চিটিবাছ ষ্টেণ্ডটো পোৱাৰ লগে লগে কাষৰ চিটটোলৈ চকু গ'ল, শৰীৰটো ৰোমাঞ্চিত হৈ পৰিল। এৰা, এই চিটি বাছ ষ্টেণ্ডটোতেই সিদিনা মই তেওঁক দেখি উঠাই লৈছিলোঁ। তেওঁ উঠিব খোজা নাছিল, মইহে জোৰকৈয়ে কৈছিলোঁ- 'আপুনি মোৰ চুবুৰীয়া, চিনাকি মানুহ, মোৰ ঘৰলৈ যোৱা ৰাস্তাতে আপুনি নামিব যেতিয়া মোৰ একো অসুবিধা নহয়, আহক।' সেইদিনা যদি মই তেওঁক জোৰ নকৰিলোঁহেঁতেন, ভাল আছিল।

তেওঁ বিদিশা... আমাৰ ওচৰৰে এটা এপাৰ্টমেণ্টত অকলে থাকে। নিজে ভাল পাই বিয়া কৰোৱা মানুহজনৰ বদ চৰিত্ৰ আৰু মদপী স্বভাৱৰ বাবে অশান্তি হোৱাত বিবাহ বিচ্ছেদ কৰিব লগা হ'ল। এতিয়া চৰকাৰী চাকৰি এটা কৰি একমাত্ৰ পুতেকক বোৰ্ডিং স্কুলত পঢ়ুৱাইছে। বিদিশাই বৰ পৰিশ্ৰম কৰে। চৰকাৰী চাকৰি কৰাৰ উপৰিও নিজে ঘৰতে আনৰ কাপোৰ-কানি চিলোৱা, মহিলাৰ কাপোৰৰ দহি বটা, ফল্‌চ লগোৱা আদি কাম কৰে। মই এইবোৰ কথা শ্ৰীমতীৰ পৰা জানিছিলোঁ, আমাৰ ঘৰলৈ আহি এওঁৰ লগত কথা পাতি থাকোঁতে লগ পাইছোঁ বহুবাৰ। এঘণ্টীয়া ৰাস্তাত গাড়ী চলাই ময়েই তেওঁৰ জীৱনৰ বিভিন্ন কথা সুধি গৈছিলোঁ... তেৰোঁ খোলা মনেৰে আৰু আৱেগেৰে নিজৰ কথা কৈ গৈছিল। এনেকৈ কেতিয়া তেওঁৰ প্ৰতি মোৰ সহানুভূতি আৰু আপোন ভাব জাগিছিল নেজানো, কিন্তু যেতিয়া তেওঁলোকৰ এপাৰ্টমেণ্টত নমোৱাৰ সময় হ'ল, মোৰ মুখেৰে অনায়াসে ওলাই আহিল- 'বিদিশা, তুমিতো জানাই বাইদেৱেৰা পৰহি মাকৰ ঘৰলৈ গ'ল এসপ্তাহৰ বাবে, গতিকে তুমি যদি ভিনদেৱেৰাক চাহ একাপ খাবলৈ জোৰ কৰা, মই কিন্তু মানা নকৰোঁ।' বিদিশাৰ হাঁহিটোত সন্ধিয়াৰ জোনটো ম্লান হৈ পৰিছিল। তাই আগবাঢ়িছিল। মই গাড়ীৰ দুৱাৰখন জপোৱাৰ আগতে কিবা ভাবি সেইদিনা দুপৰীয়া অফিচতে বেপাৰীজনে দি যোৱা আৰু মই শ্ৰীমতীৰ সমাগত জন্মদিনত উপহাৰ দিম বুলি কিনি থোৱা শাৰীখনৰ টোপোলাটো হাতত ল'লোঁ।

সৱ ঠিকেই আছিল... বিদিশাই লৰালৰিকৈ ভাজি অনা পকোৰা কেইটাৰ সৈতে চাহকাপ আৰু আমাৰ আন্তৰিকতাৰে ভৰা কথা-বতৰা কিছু দীঘলীয়াই হৈছিল। বিদায় লোৱাৰ আগতে মই শাৰীৰ পেকেটটো বিদিশাক দি ক'লোঁ- 'আজি অফিচতে শাৰী এখন কিনিছিলোঁ, তোমালৈ মোৰ এইখন মৰমৰ উপহাৰ বুলি গ্ৰহণ কৰাঁ।' বিদিশাই খুউব আপত্তি কৰিছিল যদিও মই জোৰ কৰাত মানি লোৱা যেন লগাত মই তাইৰ হাতত প্ৰায় গুঁজি দিলোঁ। কি হ'ল মোৰ মনত নাই, কিন্তু এটা সময়ত বিদিশাই নিজৰ হাতখন মোৰ হাতৰ পৰা এৰুৱাই ক'লে-'আপোনাৰ পত্নীক মই নিজৰ বাইদেউৰ দৰে শ্ৰদ্ধা কৰোঁ, তেখেতৰ প্ৰেৰণাতে মই এনেকৈ অকলে জীয়াই থাকিবলৈ সাহস আৰু মনোবল পাইছোঁ, মই তেওঁক বিশ্বাসঘাটকতা কৰিব নোৱাৰোঁ ভিনদেউ।' দুৱাৰখন খুলি মই নিঃশব্দে ওলাই আহিছিলোঁ।

পাৰ্কিঙত গাড়ীখন বন্ধ কৰি নিজৰ ফ্লেটলৈ আগবাঢ়োঁতে মোৰ নিজৰ ভৰি দুখন দাঙিবলৈ কষ্ট

হৈছিল। অফিচতে ফোন কৰি শ্ৰীমতীয়ে এঘাৰ বজাতে মাকৰ ঘৰৰ পৰা আহি পোৱা বুলি ইতিমধ্যে জনাইছে। আজি তেওঁৰ জন্মদিন, ছোৱালী দুজনীয়ে ফোন কৰি মাকক শুভেচ্ছা জনোৱা বুলি খুউব উল্লাসেৰে এওঁ মোক ফোনতে জনাইছে। এতিয়া মই কোনসতে এওঁৰ মুখামুখি হওঁ... জন্মদিনত উপহাৰ দিবলৈতো একো নানিলোঁ। সন্ধিয়া ৰেষ্টোৰেণ্টতে গৈ একেলগে ডিনাৰ খাম। কিন্তু কওঁ নে নকওঁ। ডিনাৰ খাওঁতে ক'ম, নহয় ৰাতি শোৱাৰ আগতে ক'ম, জন্মদিনৰ দিনা আঘাত পাব, কাইলৈ পুৱা ক'ম...

ভাবি ভাবি আহি কলিং বেলটো টিপি দিওঁতে হোৱা শব্দত সচেতন হৈ শ্ৰীমতীয়ে দুৱাৰ খোলালৈ অপেক্ষা কৰিলোঁ। শ্ৰীমতীয়ে দুৱাৰ খুলি গহীনাই 'আহিলা' বুলি কওঁতে আচৰিত হৈ ভিতৰ সোমাই দেখোঁ তাতকৈ হেজাৰগুণ বেছি আশ্চৰ্য্য আমাৰ চোফাত বহি আছে - বিদিশা। কোবাকুবিকৈ হাতৰ এটাচিটো থ'বলৈ মোৰ ৰুমত সোমাই বিছনাত বহি পৰিলোঁ। বাথৰুমত কিছু বেছি সময় ল'লোঁ। ড্ৰয়িং ৰুমৰ পৰা শ্ৰীমতীয়ে চাহ খাবলৈ চিঞৰিলে, নেখাওঁ বুলি ক'ব খুজি ৰৈ গ'লোঁ আৰু ফাঁচিকাঠত ওলমোৱাৰ আগতে জেলত নিজৰ কুঠৰীৰ পৰা এখোজ দুখোজকৈ আগবাঢ়ি যোৱা কয়দীটোৰ দৰে ড্ৰয়িং ৰুমলৈ আগবাঢ়িলোঁ।

'য'তে বাঘৰ ভয় ত'তে ৰাতি হয়'- মই হিতাহিত জ্ঞানশূন্য মানুহৰ দৰে গৈ যিখন চোফাত বহিলোঁ সেইখন বিদিশাৰ মুখামুখি। মই নিজৰ কুৰ্তাটোৰ বুটাম ঠিক কৰাত ব্যস্ত হ'লোঁ।

'তুমি শাৰী ইমান ধুনীয়া পছন্দ কৰিব পাৰা বুলিতো মই আগতে জনা নাছিলোঁ'- শ্ৰীমতীৰ মাত যেন দূৰৰ পৰা ভাহি আহিল - 'মৃত্যুৰ আগতে তোমাৰ শেষ ইচ্ছা কি কোৱাঁ'। ভিতৰি জ্বৰে ঘমা মোৰ মুখেদি মাত্ৰ ওলাই আহিল - 'মানে?'... 'মানে, আপুনি বাইদেউৰ বাৰ্থডেত চাৰপ্ৰাইজ দিবলৈ কিনি আনি মোক যে ফল্‌চ লগাবলৈ শাৰীখন দিছিল, সেইখন আনি মই বাইদেউক দেখুৱালোঁ, বাইদেউৰ খুউব পছন্দ হৈছে।' বিদিশাৰ শেষ শব্দকেইটা শ্ৰীমতীয়ে আওৱালে-'খুউব পছন্দ হৈছে... থেঙ্ক ইউ।'

●●●

# অসমীয়া ভাষাৰ সংকট

**মদন চন্দ্ৰ ডেকা**

যোৱা কেইবাটাও দশক বিশেষকৈ যোৱাটো শতিকাৰ নব্বৈ দশকৰ পৰা সচেতন অসমীয়া নাগৰিকসকলে অসমীয়া ভাষাৰ সংকট ঘনীভূত বুলি অনুভৱ কৰাৰ লগতে চিন্তা-চৰ্চ্চা আলোচনা-বিলোচনা কৰি আহিছে। অসমীয়া সাহিত্য জগতৰ পুৰোধা ব্যক্তিসকলৰ লগতে অসমৰ বৌদ্ধিক সমাজখনক নেতৃত্ব দিয়া গৰিষ্ঠসংখ্যকৰ চিন্তন-মননত অসমীয়া ভাষাৰ সংকট এক গভীৰ সংকট হিচাপে ধৰা দিছে। বিভিন্ন

কাকত-আলোচনীত এই সংকটৰ ভয়াবহতা আৰু পৰিত্ৰাণৰ পথ সম্পৰ্কীয় লেখা প্ৰকাশ পাইছে। বহু বৈঠক, আলোচনা চক্ৰ পাতি সংকটৰ গৰাহৰ পৰা অসমীয়া ভাষাক উদ্ধাৰ কৰিবলৈ প্ৰয়াস কৰা হৈছে।

ক'ত আৰম্ভ হৈছিল? অসমীয়া ভাষাৰ সংকট ক'ত কেতিয়া আৰম্ভ হৈছিল?

ঠিকেইতো আছিল। ঠিকেই চলি আছিল। অন্ততঃ আমি তেনেকৈয়ে ভাবিছিলোঁ।

কিন্তু ক'ৰবাত আৰম্ভ হৈছিল গৰাখহনীয়া। অসমৰ বাহিৰলৈ চাকৰি কৰিবলৈ গৈ শিক্ষিত, উচ্চ শিক্ষিত লোকসকলে প্ৰথমে পৰিয়াল ঘৰত অৰ্থাৎ অসমত থৈ গৈছিল। ছমাহে বছৰেকে ঘৰলৈ আহিছিল। যেনেকৈ আহে সৈনিকসকল। তেওঁলোকৰ ল'ৰা-ছোৱালী গাঁৱৰ বা চহৰৰ স্কুল-কলেজত পঢ়ি ডাঙৰ দীঘল হ'ল, জীৱন-ক্ষেত্ৰত আগবাঢ়ি গ'ল। ক'তো কোনো আসুবিধা নাই। ডনবস্ক', চেইণ্ট মেৰিজ আদি কেইখনমান ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপিত হৈছিল যদিও তাত পঢ়ুওৱাৰ বা পঢ়াৰ সাধাৰণ আগ্ৰহ অস্বাভাৱিক নাছিল।

এই যে ৰাজ্যৰ বাহিৰলৈ বা দেশৰ বাহিৰতো পদস্থাপনা লৈ অসমীয়া মানুহবিলাক আৰু তেওঁলোকৰ পৰিয়ালবিলাক প্ৰব্ৰজন কৰিবলৈ আৰম্ভ কৰিলে, প্ৰয়োজনৰ খাতিৰতে তেওঁলোকৰ ল'ৰা-ছোৱালী অসমীয়া নিশিকাকৈ বা অসমীয়া শিকাৰ পৰা বঞ্চিত হৈ ৰ'ল। অসমৰ বাহিৰত কৰ্ম্ম সংস্থাপন পোৱা লোকসকলে ল'ৰা-ছোৱালী কেন্দ্ৰীয় বিদ্যালয় বা নবোদয় বিদ্যালয়ত বাধ্য হৈ পঢ়ুৱাবলৈ লোৱা কথাটো মানি ল'ব পৰা যায়।

কিন্তু আমি অসমতে থাকি, কৰ্ম্মক্ষেত্ৰ হিচাপে অসমকে বাছি লৈ উঠিও অসমীয়া ভাষাৰ বিদ্যালয়ক নেওচা দিলোঁ, এলাগী কৰি ৰাখিলোঁ।

অসম আন্দোলনৰ অব্যৱহিত পৰৱৰ্ত্তী সময়ছোৱাত অন্য এক আন্দোলন আমিয়েই প্ৰত্যক্ষ কৰিলোঁ। এই আন্দোলন চহৰৰ পথে-উপপথে গাঁৱে-ভূঞে ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপন কৰাৰ। কাঠফুলাৰ দৰে গঢ়ি উঠিল ইংৰাজী মাধ্যমৰ বিদ্যালয় আৰু ৰঘুমলাৰ দৰে ঢাকি ধৰিলে অসমীয়া ভাষা। মধ্যবিত্ত, নিম্ন মধ্যবিত্ত অসমীয়া সমাজত আৰম্ভ হ'ল ল'ৰা-ছোৱালীক নতুনকৈ গঢ় লৈ উঠা এইবিলাক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত নামভৰ্ত্তি কৰোৱাৰ সৰ্ব্বনশীয়া প্ৰতিযোগিতা। এই সকলোবোৰ আমাৰ চকুৰ সন্মুখতে ঘটিছিল।

সমাজপতিসকলে, বৌদ্ধিক নেতৃত্বৰ ধ্বজাবাহীসকলে, মুখাফুটা সাহিত্যিকসকলে সভাই-বৈঠকে বক্তৃতা দিয়েই, কাকত-আলোচনীত চিন্তাগধুৰ প্ৰবন্ধ লিখিয়েই দায়িত্ব সামৰিলে। কাৰো চৰিত্ৰ হনন নকৰাকৈ কওঁ, বহু বুদ্ধিজীৱী-সাহিত্যিকে, যিয়ে নিজকে ভাষা-সাহিত্যৰ কাণ্ডাৰী বুলি দাবী কৰে, তেওঁলোকেও নিজৰ সতি-সন্ততি অসমীয়া মাধ্যমৰ বিদ্যালয়লৈ নপঠোৱা হ'ল। অসম সাহিত্য সভাই মাজে সময়ে সভা সমিতি পাতে। মাজে সময়ে দোকানৰ নামফলক অসমীয়া ভাষাত লিখাৰ আহ্বান-

দাবী জনায়।

এইখিনিতে চৰকাৰী প্ৰচেষ্টাৰ কথা আলোচনা কৰাটো ভাল হ'ব। চৰকাৰৰ শিক্ষানীতি সদায় শিক্ষাবিদসকলেই প্ৰস্তুত কৰি আহিছে। সাধাৰণভাৱে তাত আপত্তি কৰিবলগীয়া নাই যদিও নিজকে শিক্ষাবিদ হিচাপে জাহিৰ কৰা লোকৰ অৰ্ন্তভুক্তিয়ে তেনে (গঠিত) সমিতিবিলাকৰ গ্ৰহণযোগ্যতা সম্পৰ্কে প্ৰশ্নৰ অৱতাৰণা কৰে। দ্বিতীয়তে শিক্ষক নিযুক্তিৰ কথা উনুকিয়াব পাৰি। যোৱা শতিকাৰ নব্বৈ আৰু শেষৰটো দশক আৰু এই শতিকাৰ আৰম্ভণিৰ দশকটো এই ক্ষেত্ৰত সম্পূৰ্ণ দোষদুষ্ট আছিল বুলি ক'ব পৰা যায়।

এনেকুৱা বহুত কাৰণতে অসমীয়া মাধ্যমৰ বিদ্যালয় অসমীয়া মানুহৰ বাবেই এলাগী হৈ পৰিল।

এতিয়া কথাটো হ'ল আগতে গুটি নে আগতে গছ - ৰ সেই চিৰন্তন প্ৰশ্ন। অসমীয়া মানুহৰ অনীহাৰ বাবে অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহ দুৰৱস্থাৰ সন্মুখীন হৈছে নে অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ দুৰৱস্থাৰ বাবে অসমীয়া মানুহে অসমীয়া মাধ্যম পৰিত্যাগ কৰিছে।

আমি এই মুহূৰ্ত্তত এই বিতৰ্কৰ সমাধান সূত্ৰ উলিওৱাত আগ্ৰহী নহওঁ। কিন্তু এটি বিনম্ৰ অনুৰোধ জনাইছোঁ যাতে আমাৰ এই মঞ্চৰ পৰা এটা আহ্বান, এটা মেচেজ সমাজলৈ যায় অসমীয়া ভাষাৰ চৰ্চাৰ বাবে।

আমাৰ মঞ্চৰ পৰা ইতিমধ্যে সাহিত্য চৰ্চাৰ পৰিৱেশ সৃষ্টি কৰা হৈছে। হওকচোন, এনেকুৱা ক্ষুদ্ৰ প্ৰচেষ্টাৰ আঁত ধৰিয়েই আমি মহৎ সিদ্ধি লাভৰ দিশত আগবাঢ়োঁ।

●●●

# নদী, নাৰী  আৰু বাগ্‌দেৱী বন্দনা

## শিকলি

### কস্তুৰী নিভা গগৈ

আমি নাৰী
ভৰিত শিকলি পিন্ধিয়েই জন্ম হলোঁ
আজিও পিন্ধিয়েই আছোঁ
পিন্ধিয়েইচোন ভালপোৱা হলোঁ
নিজকচোন শৈশৱতে এৰি থৈ আহিলোঁ
সন্তানৰ মাজতেই নিজৰ শৈশৱ কৈশোৰ যৌৱন
ঘূৰাই পালোঁ
স্বামীগৃহলৈ গৈ মাতৃগৃহও
পাহৰিয়েই গলোঁ
পাহৰিওচোন ভালপোৱা হ'লোঁ
মাতৃগৃহ পিতৃভিঠাত
বৌজনীক মা মা যেন লগা হ'ল
ভাইবোৱাৰীজনীক ভনীযেন লগা হ'ল
জেশাহু, ননদ, দেওৰ
বৰজনা/ ভাইশহুৰ
অতিকৈ আপোন হৈ গ'ল

আই পিতা সকলো
স্বৰ্গগামী হ'ল
ভাগিন, ভতিজা
সন্তানৰ স্নেহৰ শিকলিৰে
বান্ধ খাই ৰলোঁ
বন্ধনেই ভালপোৱা হ'লোঁ
শিকলিডালেই সঁচাকৈয়ে আপোন হৈ গ'ল
সকলোৰে ভালপোৱা কামবোৰ কৰিহে
ভালপোৱা হ'লোঁ
নিজৰ বাবে নিজেই সময় উলিয়াব পৰা হলোঁ
সময়ৰ লগে লগে
মানসিক দৃঢ়তাৰে
আগবাঢ়িব জনা হ'লোঁ
আমনি কাক কয় বুজিয়েই নোপোৱা হলোঁ
সংসাৰৰ মায়াজালে
ছানি ধৰিলে চৌপাশে
ইতিবাচক কথাবোৰহে ভাল লগা হ'ল
নেতিবাচক কথাৰ পৰা দূৰতে বিদূৰ হোৱাই মঙ্গল
শৃঙ্খলিত হ'লোঁ কথাবাৰ্ত্তা কামে-কাজে
সঁচাকৈয়ে শিকলিডালহেচোন ভাল পোৱা হ'লোঁ

# এখন নৈৰ আত্মকথা

**ৰুমিমা দাস**

নৈখন এতিয়া অন্তঃসত্বা
হেঙুলীয়া হৈ পৰা বেলিটো
নৈখনে যেতিয়াই সাবটি লয়
মাতৃত্বৰ গৌৰৱত মতলীয়া হৈ উঠে
নৈখনৰ বোৱতী সুঁতিবোৰ।
এক নিবিড় আৱেশত
উথলি উঠে মাতৃৰ হৃদয়
ঢৌৰ তৰঙ্গত ডুবি ডুবিও
নিঃশেষ নহয় বুকুৰে বুকুৰে বৈ
অহা দুখ
নৈপৰীয়া বতাহজাকে
পুলকিত কৰে মাতৃৰ হৃদয়
উতনুৱা ধুমুহা জাকৰ
তীব্ৰ আকাংক্ষাত
নীৰৱতাত লুকাই যাব খোজে
এখন শূন্য হৃদয়
পূৰ্ণতাৰ ছবিখন কঠিন আৱেষ্টনীত
দুখৰ মাজতো সুখৰ ৰেখা
ভাল লাগে জীৱন বুৰঞ্জী কঢ়িওৱা
নৈখনক।

# মোৰ বাগ্‌দেৱী আই

**পংকজ কুমাৰ নেওগ**

"সৰস্বতী, সৰস্বতী, কণ্ঠে গোলাপী,
ভোগে গোলাপী,
লোকে বোলে সৰস্বতী আমি বোলো আই,
যিখিনি পাহৰোঁ দিবা সোঁৱৰাই"।
হাতে খড়ি লোৱা দিনৰ পৰা আইয়ে
শিকাইছিল প্ৰাৰ্থনা,
'বোপাই পঢ়া কিবা পাহৰিলে
সদায় সুঁৱৰিবি বীণাপাণি আইক, ভয় নকৰিবি
একো' ;
সেই প্ৰাৰ্থনাৰ ধূপৰ গোন্ধ
মোৰ এতিয়াও ৰন্ধ্ৰে, ৰন্ধ্ৰে,
পঢ়া-শুনা শেষ হ'ল তাহানিতে,
কৰ্ম্ম জীৱনৰো সমাপ্তি সমাসন্ন আজি,
কিন্তু ল'ৰালিৰ প্ৰাৰ্থনাৰ সুবাসে
এতিয়াও ৰাখে মোৰ আত্মাক বুৰাই !
কৰ্ম্মক্ষেত্ৰত প্ৰত্যহ মোৰ আঙুলিয়ে
ডেস্কটপটো 'অন' কৰাৰ লগে লগে,
হৃদয়ে আজিও যেন শৈশৱৰ এফাকি
অজানিতে গুণগুণায় ...
"সৰস্বতী, সৰস্বতী, কণ্ঠে গোলাপী"!!!

# ভাল কাম এটা কৰা যেন লাগিল ...

ডাঃ জগদীশ বসুমতাৰী

কালি এজাক ধুমুহাই আমাৰ কেম্পাচত তাণ্ডৱ চলাই গ'ল। মোৰ কোঠাৰ দুখন খিড়িকীৰ গ্লাচ ভাঙি তচনচ। বৰষুণৰ পানী সোমাই আহি পয়মাল। কোনোমতে বিছনাখন আৰু কিছু আচবাব চুকলৈ টানি নি ১২-৩০ মান বজাত বিছনাত পৰিছোঁ। ... চকুত টোপনি নাই..., শিলচৰ মেডিকেল কলেজত এজন কৰ'না ৰোগী ICU ত সংকটজনক অৱস্থাত সোমাইছে... মই আমাৰ ICU ৰ দায়িত্বত আছোঁ। প্ৰস্তুত হৈছোঁ যদিও সমস্যা বহুত... টোপনি আহে কেনেকৈ?

বেবেৰিবাং কথাবোৰ ভাবি থাকোঁতেই হঠাতে মনত পৰিল কুকুৰ এজনীৰ কথা। ডেৰ সপ্তাহমান আগতে তাই পাঁচটা পোৱালি দিছে। তাৰে এটা মৰিল। আমাৰ ওচৰৰে টিনৰ চালিৰ গুদাম ঘৰ এটাৰ চুকত পোৱালিৰে সৈতে মাক থাকে। মই তিনি বেলা মাকক খোৱা দিওঁ। তাহাঁতৰ কথা হঠাতে মনত পৰাত মনটো দুশ্চিন্তাত চিৰিং কৰি গ'ল। লৰালৰিকৈ বিছনাৰ পৰা উঠি সিহঁত আশ্ৰয় লৈ থকা ঘৰটোলৈ লৰি গ'লোঁ। তেতিয়া নিশা ১ বাজিছে। ঘৰটোৰ অৱস্থা দেখি ভয়ত মোৰ জীউ উৰি গ'ল। ধুমুহাই চালৰ টিন উৰুৱাই লৈ গৈছে, দুই এখন ভাগি পৰিছে। মই কোনোমতে ঘৰটোত সোমাই মোবাইলৰ পোহৰত ধ্বংসস্তুপৰ মাজত বৰষুণৰ পানীত তিতি থৰথৰাই কঁপি থকা পোৱালিকেইটাক দেখি আৰু ৰ'ব নোৱাৰিলোঁ। ঢ়মলৈ লৰি আহি জোতাযোৰ পিন্ধি লৈ হাতত এটা কাৰ্টুন লৈ আকৌ গুদাম পালোঁগৈ। কোনোমতে আবৰ্জ্জনাবোৰ আঁতৰাই এহাতেৰে মোবাইলৰ টৰ্চ ধৰি আনখন হাতেৰে পোৱালিবোৰ এটা এটাকৈ কাৰ্টুনত ভৰালোঁ। মাকজনীয়ে অস্থিৰভাৱে মোৰ কাম চাই আছে। অৱশেষত আটাইকেইটাক ভৰাই কাৰ্টুনটো দাঙি থিয় হ'বলৈ লওঁতেই তিতা টিঙত ভৰি পিছল খাই পৰিবলৈ লৈছিলোঁ, কিন্তু reflex ভাল বাবেই হয়তো নপৰিলোঁ। এইবাৰ পোৱালিকেইটাক লৈ আহি আমাৰ কোৱাৰ্টাৰৰ চিৰিৰ তলৰ সুৰক্ষিত চুক এটাত পোৱালি কেইটাক মেলি দিলোঁ। মাকক বিস্কুট খাবলৈ দিলোঁ। এইখিনি কৰি ঢ়মলৈ উঠি আহিলোঁ। তেতিয়া নিশা ২ বাজিছিল।

ৰাতিপুৱা শুই উঠিয়েই পোৱালিকেইটাক চাবলৈ তললৈ নামি গ'লোঁ। সিহঁতে খেলি আছিল। এই দৃশ্য দেখি মোৰ আনন্দত চকু পানীয়েই ওলাই গ'ল ... আৰু সৰু এটা কাম কৰিলোঁ... ভগা গ্লাচৰ টুকুৰা সিঁচৰিত হৈ আমাৰ সন্মুখৰ ৰাস্তাটো খোজ কঢ়াৰ বাবে অনুপযুক্ত হৈছিল... সেইখিনিও চাফা কৰি দিলোঁ।

আজি আমাৰ পবিত্ৰ GOOD FRIDAY মোৰ সকলো সহপাঠী আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে প্ৰাৰ্থনা কৰিছোঁ। দয়ালু প্ৰভুৱে তোমালোকৰ মঙ্গল কৰক।

নাহোঁ নাহোঁ বুলি বসন্ত আহিল, ব'হাগো আহিল...
পিছে মনৰ বসন্ত মনতে থাকিল, বিহু উদ্‌যাপন কৰা নহ'ল

# আকৌ আহিব ব'হাগ

**পঙ্কজ কুমাৰ নেওগ**

এইবাৰ বিহুতলি ইমান উৰুঙা কিয় ?
কিয় বাৰু উঠা নাই উছ্‌বৰ ৰোল ?
ক'তনো লুকাল বাৰু দপদপ জুইকুৰা
উন্মনা ব'হাগৰ ?
সকলোতে দেখোঁচোন,
মৰিশালিৰ হিম চেঁচা নিজম নিতাল;
বসন্তৰ সুৰদি গীত কুলি কেতেকীৰ,
স্তব্ধ কিয়নো আজি ?
তগৰ-নাহৰো চোন কলিতে জঁয় পৰি ৰ'ল,
ঢুলীয়াৰ ঢোলৰ ছেও
পেঁপা আৰু গগনাৰ টিহিঁটি টিহিঁটি সুৰ,
বাৰে বাৰে থমকি ৰয়;
লাহতী বিহুৱতীও চোন নাচোনৰ পাকত
বাৰে বাৰে খায় উজুটি !
আহোঁ নাহোঁকৈ অহা ন-ব'হাগৰ ন-বৰষুণ জাকে,
ন ৰিহা-মেখেলাৰে কিয় জানো সজাব পৰা নাই আজি
লাজুকী ধৰণীক ?
আশাৰ বাৰতা লৈ ব'হাগী আকাশত
মেঘেও পাহৰে মাৰিব ঢোলত চাপৰ !
পৃথিৱীৰ অসুখৰ এই বিপন্ন ঘড়ীত
প্ৰকৃতিয়ে চকুলো টোকে আজি ক্ষণে ক্ষণে,
ব'হাগ আহিল যদিও ৰং নাই আজি
মৃত্যুৰ কিৰিলি মাথোঁ আহে উটি-ভাহি !
এটি বছৰৰ বাবে, মাথোঁ এটি বছৰৰ বাবে
আহাঁ আজি বসন্ত উৎসৱ আমি দিওঁ বিসৰ্জ্জন,
আত্মাৰ আদেশ মানি জনকল্যাণৰ হকে
স্বাস্থ্য নিৰাপদে ৰখাৰ লওঁ আমি পণ।
জুৰুলি হৈ ব'হাগৰ ন-বৰষুণত,
পুনু হ'ব অহাবেলি বসন্তৰ আগমন;
আকৌ আহিব ব'হাগ তগৰৰ সুবাসত
মিঠা, মতলীয়া কৰা সুৰ এটা হৈ !
ঢোল, পেঁপা, গগনাৰে,
ঢুলীয়া, নাচনীৰে
মহাজীৱনৰ মেলা হ'ব
মোৰ বিহুতলিখন !

# আহিব ব'হাগ

**ৰত্নকান্ত শৰ্ম্মা**

খুলি দিলোঁ খিড়িকী দুৱাৰ
শুনিলোঁ ফুল আৰু পখিলাৰ হাঁহি
সোমাই আহিল এজাক মৃদু বতাহ
গালে মুখে চুমা দিলেহি সানি

জোনাকে ধুৱাইছে ধৰা
পিছে জোনৰ যে মন মৰহা
আজি কিছুদিন লিখা নাই কোনেও
জোন আৰু জোনাকৰ বাবে কোনো কবিতা

আকাশৰো মুখ ওন্দোলোৱা
দেখা যে নাই কাৰো পদূলিত
কোনো প্ৰেমিক যুগল
সিঁচি দিবলৈ একাঁজলি নীলা

সময় বৰ নিষ্ঠুৰ নিশকতীয়া
খিড়িকীৰে চালোঁ জুমি জুমি
খৰ খোজে কোন সেইজনী
চকুত বিজুলী চাৱনি
শুনা নুশুনাকৈ কৈ গ'ল
ব'হাগ অহা নহাৰ কথা !

ব'হাগ কিয় নাহিব
অহা বাটে আহিব ব'হাগ
কপৌ ফুল খোপাত গুঁজি
ৰ'দে ধোৱা বাটেৰে
আহিব ব'হাগ
হয়তো নাথাকিব ৰভা মঞ্চ
নাথাকিব গাভৰুৰ জাক একেলগে
বিৰিণাবনত বিহুৱা ডেকাই
অকলে বজাব পেঁপা
দূৰে দূৰে ঢুলীয়াই বজাব ঢোল
দূৰৰ আঁহতৰ তলত
নাচনীয়ে অকলেই নাচিব নাচ
দূৰে দূৰে হ'ব হিয়া দিয়া নিয়া
মৰমবোৰ মনে মনে আহি
মনতেই থাকিব লুকাই

এইবেলি নিদিলেও নাই
চেনেহীয়ে ফুলাম গামোচা
বজাৰ সমাৰ নহ'ল
অহাবেলিহে ময়ো দিম মুগাৰ মেখেলা
নাই অভিমান
চেনেহীয়ে পঠাব হেনো খোলা হেংদাং

সূৰুযেও ধৰিছে ৰণছালি
বতাহে ঘূৰাইছে ঘৰ্ ঘৰ্ ৰথৰ চকা
লুইতো উঠিছে ওফন্দি
শৰাইঘাটত হওক আকৌ এখন ৰণ
ঢোলৰ মাৰিৰে খেদি পঠিয়াম
নষ্ট মহামাৰী
লুইতৰ বুকুতে হ'ব শেষ সমাধি।

# অমোঘ মন্ত্ৰ

### কস্তুৰী নিভা গগৈ

কুলি কেতেকীয়ে ইনালে বিনালে
নাহৰ কপৌ ফুলিলে
ন-পানী বাঢ়িবৰ হ'ল
সৰুদৈচিলা বৰদৈচিলাও
মাকৰ ঘৰলৈ ঢাপলি মেলিলে
এইবাৰ ঢোলত চাপৰ নপৰিল
পেঁপা গগনাও নাবাজিল
নাচনীৰ গাত নুঠিল দেওধনী
শিল্পীৰ আখৰা নচলিল
বিহুতলি উকা হৈ ৰ'ল
ৰঙালীৰ বতৰ এইবেলি
তলাবন্ধৰ বতৰ
গৃহবন্দিত্বৰ বতৰ
পৃথিৱী যে এতিয়া নৰিয়াপাটীত
কৰ'না ভাইৰাছে কঢ়িয়াই আনিছে
দুঃসম্বাদ বৰ
এইবাৰ বিহু নাপাতিলোৱেই বা
কঁকাল ভাঙি এপাক নানাচিলোয়ে বা
ঘূৰি ব'হাগ আহিবই
নিৰাশ হ'বৰ সকাম নাই
হতাশ হোৱাৰো প্ৰয়োজন নাই
এতিয়া মাথোঁ গৃহবন্দী হৈ ৰোৱা
ধৈৰ্য্য ধৰি বাট চোৱা
কৰ'নাৰ বাবে এয়ে যুদ্ধ
এয়ে যুদ্ধজয়ৰ অমোঘ মন্ত্ৰ।।

# চিৰসেউজ মন

### জোনা মহন্ত

বসন্তৰ আগমনত
কুলিৰ সুৰদি গীতৰ লহৰত
পুলকিত মোৰ দেহ মন
ন ন কোমল কুঁহিপাতে
মৃদু পৱনৰ স'তে খেলি
কাণে কাণে গুণগুণাই কয়...
শুনিছানে কেতিয়াবা
তোমাৰ জীৱনৰ হেৰাই যোৱা
যৌৱনৰ ছন্দ সেই গীতৰ লহৰত ?
জীৱনৰ আদবাটত
অনুভৱ কৰাচোন...
মন অশান্ত কৰা
চিৰন্তন প্ৰেমৰ
এটি মিঠা অনুভুতি...
ব'হাগ আহিলে মনৰ মাজতো
ফুলে কপৌ ফুল
প্ৰকৃতিৰ বিনন্দীয়া
চৌদিশৰ সেউজী ৰঙে
আলোড়িত কৰি তোলে হৃদয়
চিৰসেউজীয়া স্মৃতিৰ আলোড়ন।

## পৃথিৱীৰ অসুখ...

অতিমাৰী কৰ'নাই গ্ৰাস কৰিছে চহৰৰ পিছত চহৰ, ৰাজ্যৰ পিছত ৰাজ্য, দেশৰ পিছত দেশ। সমগ্ৰ পৃথিৱী স্তব্ধ হৈ পৰিছে। গৃহবন্দী হৈ মানুহে কটাবলগীয়া হৈছে সময়। কিন্তু সময় জানো অবাবত পাৰ হৈ যাবলৈ দিয়া যায়?

সৃষ্টিশীলতা যে অনিৰুদ্ধ তাৰেই প্ৰতিফলন এই ফচল...

# ইতিহাস সাক্ষী হৈ ৰ'ব

**ফাইজুৰ ৰহমান**

ইতিহাস সাক্ষী হৈ ৰ'ব
যেতিয়া ধৰিত্ৰী স্তব্ধ হৈ গৈছিল,
যেতিয়া ৰাজপথ জনশূন্য আৰু
জনজীৱন বিপন্ন হৈছিল
দোকান পোহাৰ বন্ধ হৈ গৈছিল।
আগতে লোকে লোকাৰণ্য হৈ থকা
শ্বপিং মলবোৰ যেতিয়া নিস্তব্ধ হৈ আছিল।

ইতিহাস সাক্ষী হৈ ৰ'ব,
যেতিয়া শিক্ষানুষ্ঠানবোৰ বন্ধ হৈ গৈছিল,
ছাত্ৰ-ছাত্ৰীবোৰ নিজৰ ঘৰৰ ভিতৰতে
যেতিয়া আবদ্ধ হৈ আছিল,
চৰকাৰী বেচৰকাৰী কাৰ্য্যালয়বোৰ যেতিয়া
নিষ্ক্ৰিয় হৈ নিমাত নিতাল হৈ পৰি আছিল
সকলো কৰ্ম্মচাৰী যেতিয়া নিষ্কৰ্মা হৈ গৈছিল।

ইতিহাস সাক্ষী হৈ ৰ'ব,
মন্দিৰ, মছজিদ, গীৰ্জ্জা আদি
প্ৰাৰ্থনা কৰা ঠাইবোৰত যেতিয়া
নাছিল কোনো মানুহৰ সমাৱেশ
আল্লা, ভগৱান, ঈশ্বৰ, যীশু যেতিয়া
প্ৰতিঘৰ মানুহৰ ঘৰত সোমাই আছিল।

ইতিহাস সাক্ষী হৈ ৰ'ব,
চিকিৎসালয়বোৰ যেতিয়া ৰোগাক্ৰান্ত
মানুহেৰে ভৰি পৰিছিল
ডাক্তৰকে আদি কৰি সকলোবোৰ
চিকিৎসা কৰ্ম্মী যেতিয়া অহৰ্নিশে
চিকিৎসা সেৱাত ব্ৰতী হৈ আছিল।

ইতিহাস সাক্ষী হৈ ৰ'ব,
শ শ মৰাশৰ সৎকাৰ কৰাৰ বাবে
যেতিয়া ঠাই নোহোৱা হৈছিল।
ইমান দিনে ল'ৰা-ছোৱালীৰে
ৰজনজনাই থকা ঘৰখন
যেতিয়া মৰিশালিৰ দৰে পৰি আছিল।

ইতিহাস সাক্ষী হৈ ৰ'ব,
আকাশত উৰি ফুৰা উৰাজাহাজবোৰ
যেতিয়া বিমান বন্দৰৰ ভূমিত
জাক জাক মৃত বগলীৰ দেহৰ দৰে
নিথৰ হৈ পৰি আছিল,
গাড়ী মটৰবোৰ যেতিয়া ৰাস্তাৰ ওপৰত
অচল হৈ পৰি আছিল,
ৰেলবোৰ যেতিয়া চলিব পৰা নাছিল।

ইতিহাস সাক্ষী হৈ ৰ'ব,
কৰ'না ভাইৰাছৰ দৰে ভয়ানক
মহামাৰীৰ মহাপ্ৰলয়ৰ পৰা
নিজক, পৰিয়ালক, দেশক, জনগণক,
বিশ্ববাসীক ৰক্ষা কৰিবলৈ যেতিয়া
প্ৰত্যেকে নিজকে গৃহবন্দী কৰি ৰাখিছিল।
ইতিহাস সাক্ষী হৈ ৰ'ব।

# কৰ'না ভাইৰাছৰ তাণ্ডৱত

### তপোধন দাস

গুৰু ভকত মানি চলিবি বোপাই
কলিৰ শেষত কল্কি আহিব মেলেচবোৰ বধিব
'নগৰ সাগৰ হ'ব সাগৰ নগৰ হ'ব'
দহৰ অহিত চিন্তি মেলেচ নহ'বি

কল্কি দেখাত কেনেকুৱা আই
আকাৰ নাই বোপাই নিৰাকাৰ হৰি অৱতাৰ
'যুঁজ বাগৰ বেমাৰ ব্যাধি সেয়ে কল্কি'
লোভেই পাপ 'পাপীয়েই মেলেচ'

আইৰ কথা পাহৰি মেলেচ হ'লোঁ
খেনোক যাঁচিলোঁ 'খেনোক দেখি দুৱাৰ মাৰিলোঁ'
মোৰ ঘৰ মোৰ বাৰী মোৰ ল'ৰা মোৰ তিৰী
লোভ মোহ নেৰিলোঁ নিজলেহে চালোঁ

কল্কি এতিয়া দুৱাৰদলিত
খোলোঁ বা নোখোলোঁ দুৱাৰ
কল্কি ৰোধা শকতি শলখাৰ নাই
ব্যাধিৰ ঔষধে কলিত নুকুলায়
চৰণত লিখা আছে মৰণৰ ঠাই
চুচৰি বাগৰি জীৱ তালৈ যায়।

# লক ডাউন

### ৰঞ্জনা দত্ত

হাতৰ মুঠিত এমুঠি সময়
নিজৰ বাবে।
অদ্ভুত নিস্তব্ধতাৰ মাজত
দেৱাল ঘড়ীৰ টিক্ টিক্ শব্দ
নিশাৰ কুকুৰ জাকেও যেন
ভুকিবলৈ পাহৰি হৈছে।
কিবা লিখোঁ বুলিলেই জানো
লিখিব পাৰি?
আস্তীৰ্ণ কৰ'নাই পিষ্ট কৰিছে
মোৰ মন মগজু...
মনতে সজাই লোৱা
ধুনীয়া শব্দৰ ক'লাজখনতো
সিহঁতৰ অৱক্ষেপণ!
মোৰ ধুনীয়া নীলা
চিয়াঁহী বোৰো দেখোঁ কৰাল বান্ধিলে
কেনেকৈ লিখোঁ বাৰু?

# কোৱাৰেণ্টাইন

**কস্তুৰী নিভা গগৈ**

সকলোৰে পৰা নিলগত
নিজক ৰাখা নিলগত
সমাজৰ পৰা
পা-পৰিয়ালৰ পৰা
বন্ধু বান্ধৱৰ পৰা
জনসমাগমৰ পৰা
ক'ৰ্ট কাছাৰী কাৰ্য্যালয়ৰ পৰা,
মন্দিৰ মছজিদ গীৰ্জ্জাৰ দুৱাৰ বন্ধ
বিবাহ জন্মদিন উৎসৱ পাৰ্ব্বণ বৰ্জ্জন
কেৱল
চিকিৎসালয়ৰ দুৱাৰ খোলা
অহৰ্নিশে ব্যস্ত চিকিৎসক চিকিৎসাকৰ্ম্মী সকল
কুশলে থাকক সাহসেৰে যুঁজক তেওঁলোকে
ৰোগাক্ৰান্তসকলৰো আশু আৰোগ্য হওক
আবালবৃদ্ধৱনিতা সকলো কুশলে থাকক
কৰ'না ভাইৰাছ প্ৰতিৰোধ কৰিবলৈ সকলোবোৰ
সক্ষম হওক
প্ৰয়োজন হলে এঘড়ী যুঁজিবলৈ
সাজু হওক সকলোৱে।

# তোমাৰ বাবে ঃ তোমালোকৰ বাবে

**(কৰ'নাৰে যুদ্ধত ব্ৰতী সকলোৰে বাবে)**

**মদন চন্দ্ৰ ডেকা**

খন্তেক ৰ'বা
তিলক আঁকি দিওঁ
যুঁজখন দীঘলীয়া হ'ল;

এখন্তেক ৰ'বা
টঙালিখন বৈ অঁতাইছোঁ এথোন
অদেখা শত্ৰুৰ ৰণছালি ৰুধিবলৈ
কঁকালৰ বল আচল কথা।

যুঁজখন দীঘলীয়া হ'ল !
যুঁজখন দীঘলীয়া হ'ল !!

তোমালোক অজাতশত্ৰু
তোমালোক সকলোৰে হিয়াৰ আমঠু
নয়নৰ মণি;

ক'লা ফোঁট দিয়া নহ'ল
কুদৃষ্টিৰ পৰা আঁতৰত থাকিবা
কৌশলী যুঁজ যুঁজিবা
নিজকো বচাবা দহকো বচাবা।

আঁজলি ভৰাই শুভেচ্ছাৰ ফুলৰেণু
প্ৰাৰ্থনা নামাজেৰে
দেশৰ জনতা আছে বৈ
বিজয় মুকুট শিৰত পিন্ধি
তোমালোক উভতি অহাৰ পথলৈ চাই।

# শব্দৰ কৱিতা

জোনা মহন্ত

আতঙ্ক
মৃত্যুৰ বিভীষিকা
স্তব্ধ জীৱনৰ গতি
নিস্তব্ধ
চৌদিশ নিমাওমাও
অনিশ্চয়তা সংশয়
অন্তৰত
হাহাকাৰ
আৰ্ত্তনাদ ভোকাতুৰৰ
শব্দ
পক্ষীৰ কলৰৱ
আৰু মই ...
এটি আশা

# শাশ্বত

বিৰাজ জ্যোতি গোস্বামী

ধ্বংসৰ মাজত উৰিছে
মানৱীয়তাৰ পতাকা
জাগিছে মানৱীয় মূল্যবোধ
প্ৰকৃতিৰ তাণ্ডৱে সকলোকে বুজাই দিলে
জীৱন জীয়াই থকাৰ বাবে
আত্মশুদ্ধিৰে আত্মতুষ্টিৰে
আঙুলিয়াই দিলে
আত্মম্ভৰিতাত দগমগাই থকা
আমিবোৰৰ প্ৰাচুৰ্য্য আৰু
প্ৰতাপৰ দিগন্ত কিমান সৰু
জীৱনটো এক ৰেচৰ ঘোঁৰা নহয়
এক শাশ্বত প্ৰেমৰ ফল্গুধাৰা।

# প্ৰত্যাহ্বান

**ৰুমিমা দাস**

চ'তৰ বাকৰিত নিষ্প্ৰভ বিহুৱান
কিনো উপহাৰ দিম
নতুন সাজেৰে প্ৰকৃতিক আদৰিম
বতাহত হালিছে, বতাহত নাচিছে
আমাৰ বৰদৈচিলাজনীক ওফৰাই
কৰ'না আহিছে
উন্মাদ গতিবেগ, ধ্বংসৰ মনোবৃত্তি
আসন্ন বিপদ
সমাগত বিপৰ্য্যয়
চকুৰ পচাৰতে
সমগ্ৰ পৃথিৱী কৰিছেহি তচনচ
অনাহকতে ঠেলি দিছে
টিলটিলকৈ মৃত্যুৰ গৰাহত
নিজৰ বৰদৈচিলাজনীক এলাগী কৰি
কোননো কৰ'না ধ্বংসকাৰিণী?
গৃহবন্দী কৰি
আপোনৰ পৰা আপোনজনক
কৰিলেহি পৃথক
সচেতন ৰাইজ সাৰধান হোৱাৰ সময়
নিদিওঁ আশ্ৰয় বহিৰাগতক
মাৰ বান্ধি যুঁজ দিবলৈ পণ আমাৰ
ওফৰাবলৈ কৰ'না
এয়া প্ৰতিশ্ৰুতি।

# সন্মুখৰ সৈনিক

(Covid- 19 ৰ duty লৈ ওলোৱা সমূহ চিকিৎসক, নাৰ্চ আৰু চিকিৎসা কৰ্ম্মীৰ নামত)

**কঙ্কন শৰ্ম্মা**

যুঁজলৈ ওলালোঁ আই
কৱচ কাপোৰ দিয়া
কপালত তিলক আঁকি দিয়া।

হেংদাং থলোঁ তোমাৰ কাষত
শত্ৰু ইয়াতো থাকিব পায়

নিজকে বচাবাঁ আই
পৰিয়াল বচাবাঁ
এতিয়াৰ যুঁজ
নেদেখা-নুবুজা!

সপ্তাহ যুঁজি আই
এপযেক জিৰণি লৈ
পুনৰ যুঁজিম এফেৰি
হ'বই হ'বই জয়।

এতিয়া সকলো ভিতৰত থাকাঁ
দূৰত্ব বজাই ৰাখাঁ
সুৰক্ষিত ৰাখাঁ জীৱন।

মই ওলালোঁ যুঁজলৈ
শপত লৈছিলোঁ তাহানিতে
কেতিয়াও পিছুৱাই নাহোঁ
উভতি আহোঁনে
নাজানো আই
সন্মুখৰ সৈনিক মই !!

# মোৰ ছাঁটোৰ সন্ধানত

## পংকজ কুমাৰ নেওগ

মোৰ ছাঁটোৱে এদিন এটা প্ৰস্তাৱ দিছিল
মোৰ নিঃসঙ্গতাৰ সাৰথি হৈ
ওৰেবাট সহচৰ হোৱাৰ;
মোৰ ছাঁটোৱে এদিন এটা প্ৰস্তাৱ আনিছিল
মোৰ সুখৰ অমলিন হাঁহি আৰু দুখৰ
কান্দোনৰ ভাৰ সমভাগে ভগাই লোৱাৰ;
এটি ভ্ৰূকুটিৰে অহঙ্কাৰে মোৰ
পদাঘাত কৰিছিল বাৰাম্বাৰ সেই আকুল আহ্বান
"স-সাগৰা এই বিশাল জগত মোৰ সুহৃদ,
ময়েই ক্ৰান্তদৰ্শী বিশ্বপ্ৰবাহৰ,
নাই মোৰ কোনো নিঃসঙ্গতা"
পৃথিৱীৰ অসুখৰ এই বিপন্ন ঘড়ীত
চৌপাশে নামি অহা অমানিশা এন্ধাৰজাকত,
হঠাতে আজি যেন মই এজন নিঃসঙ্গ নাবিক;
নিৰ্লজ্জ স্বাৰ্থপৰ হৈ পাহৰণিত ডুব যোৱা
মোৰ ছাঁটোৰ সন্ধানত এতিয়া মই পুনৰ উদ্বাউল,
এৰা, ছাঁটোৰ সৈতে অন্তৰৰ আলাপ কৰা
ক'তদিন যে পাৰ হৈ গ'ল!

# আহাঁ সলনি কৰোঁ

## শৰৎ বৰকাকতি

এতিয়া সন্মুখত
মৃত্যুৰ তড়িত তাণ্ডৱ
নৃত্যৰ তালে তালে
জীৱন থৰথৰ
মনৰ পদুম পাতত।
অফুৰন্ত সময়

পিছ পেলাই দৌৰাৰ
হেৰাল অভিলাষ
নিঃসঙ্গতাই দিয়ে
নিজক নিজে
জুমি চোৱাৰ অৱকাশ
সঁচাই জীৱশ্ৰেষ্ঠ নে মানৱ
নে প্ৰগতিৰ নামত
ধৰণীক লুটি খোৱা
এচাম স্বাৰ্থপৰ!

আহাঁ সলনি কৰোঁ
সভ্যতাৰ সংজ্ঞা
বিশ্বৰ নিয়ম মানি
মহাজীৱনৰ সুৰ শুনি
সলাওঁ জীৱনধাৰা
ভোগৰ আহিলা আৰু
নাই প্ৰয়োজন
বিজ্ঞানে কৰক
জ্ঞানৰ অন্বেষণ
বিলাওক বাণী
প্ৰেম আৰু সুন্দৰৰ।

# আক্ষেপ নাই

**কঙ্কন শৰ্ম্মা**

ভয়, শঙ্কা, গোমা পৰিৱেশ কেউদিশে। বহুদিন গাড়ী মটৰ চলা নাই। দোকান পোহাৰ সকলো বন্ধ। মানুহবোৰ ঘৰৰ ভিতৰত সোমাই আছে। চুবুৰিটোত সকলোৱে আড্ডা মৰা পাণদোকানৰ সন্মুখৰ গছৰ পিঠিৰে বনোৱা বেঞ্চবোৰ খালি। গৰমৰ সময়ত জিৰণি লবলৈ বুলি তিনিআলিৰ গছজোপাৰ তলত ফলা বাঁহেৰে ওখকৈ বনোৱা আড্ডামৰা থলিও খালি। শুকান পাতবোৰ সিঁচৰিত হৈ আছে অ'ত ত'ত। মাজে মাজে দূৰে দূৰে মানুহ কিছুমানে দৈনন্দিন খোৱা বস্তু আনিবলৈ গেলামালৰ দোকানলৈ যায়। উদ্বিগ্ন মন। চকু মুখত নাই কোনো আনন্দৰ চিহ্ন। ডেকা বুঢ়া সকলো নিশ্চুপ। কি যে এক দুৰ্য্যোগৰ সময়! তাৰ মাজতেই কিন্তু অজয় কলিতাই বেচ আনন্দেৰে, হাঁহি মুখেৰে সুহুৰিয়াই সুহুৰিয়াই ইফালে সিফালে গৈ আছে। সকলো অবাক। কাযেৰে কোনোবা পাৰ হৈ গ'লে বেচ ৰসিকতাৰে মাত এষাৰ দিয়ে। এনেহেন দিনত ইমান আনন্দ? সকলোৱে আচহুৱা লাগে। অজয়ৰ এই পৰিৱৰ্ত্তনৰ কাৰণ কি? সৌ সিদিনালৈ সি মন মাৰি, জুপুকা লাগি ঘূৰি ফুৰিছিল। ভাল কথা ক'লেও এৰি চলিছিল। ঘৰত অজয় আৰু ঘৈণীয়েক, ছোৱালীজনী বিয়া দিছে দূৰলৈ। ল'ৰাজন বাহিৰত থাকে। চাকৰিৰ তাগিদাত ঘনাই আহ-যাহ কৰিব নোৱাৰে। বহুতে সেই লৈ অজয়ক হনা-খোচা কথা নোকোৱা নহয়। সময়ত ল'ৰা-ছোৱালী কাষত নেথাকিলে কেনে লাগে সেই কথা অজয়ক বাদ দি অইনে বুজিব কেনেকৈ? আগতেই ভাল আছিল পো-নাতি লগতেই আছিল; সময়ত মুখাগ্নি পৰ্য্যন্ত কৰিব পাৰিছিল। এতিয়া লাহে লাহে এবাৰ যি ওলাই গ'ল, গ'ল আৰু! আশাবোৰ কেৱল বুকুত পুহি ৰখা একো একোটা বেদনাৰ ভঁড়াল!

আজিও অজয়ে হাঁহি মুখেৰে ইজন সিজনক মাত লগাই দোকানলৈ বুলি ওলাল। কথাটো মনোজে লক্ষ্য কৰি আছিল। উৎকণ্ঠা ৰাখিব নোৱাৰি সি সুধি পেলালে- ইমাননো ফূৰ্ত্তি কেলৈ? দেশত দুৰ্দ্দিন। খোৱালোৱাৰ নাটনি।

বিশেষ নৰৈ অজয়ে মাত্ৰ কৈ গ'ল- মোৰ দৌৰাদৌৰি; দেশত এই অৱস্থা হোৱাই মই বেয়া পোৱা নাই। মনোজে কথাটো একদম বুজি নাপালে। এই সময়ত এনেকুৱা দুৰ্দ্দিন হোৱা বাবে সি ভাল পাইছে? নানান কথাই তাৰ মূৰত জুমুৰি দি ধৰিলে। আগৰ দৰে কথাটো আলচ কৰিবলৈও কোনো নাই। কাৰো ওচৰলৈ যাব নোৱাৰি। কাৰ ঘৰত কি চলি আছে জনাৰো উপায় নাই। নিজা নিজা ঘৰবোৰত ডাং মাৰি থোৱা আছে। মনৰ শঙ্কাই দকৈ শিপাই যোৱাত মনোজে সন্ধিয়া গঢ়ি যোৱাৰ পিছত মনে মনে ওলাল অজয়ৰ ঘৰলৈ। গেটত ডাং দি থোৱা নাই। চোতালত ভৰি থৈ ভিতৰলৈ উমান দি গম পালে ভিতৰৰ

হাঁহি ফূৰ্ত্তি। এখোজ দুখোজকৈ আগুৱাই বাৰাণ্ডাত দেখিলে এটি মাটিৰ চৌকা। খৰিৰ জুইৰ ওপৰৰ সাঁজটোত কিবা ৰন্ধা বঢ়াৰ আয়োজন। কাহ এটা মাৰি বাৰাণ্ডাত ভৰি থওঁতেই অজয় ওলাই আহিল।

'আৰে কোন? মনোজ? আহ আহ, বহ।'

অজয়ৰ মুখখন বেচ উজ্জ্বল। 'বুজিছানে এইকেইদিন গেছ শেষ হৈছে, গতিকে আগৰ দৰে চৌকাটো বনাই লৈছোঁ। আটাইকেইটাই এইকেইদিন যি মিলিছে তাকে খাইছোঁ। নানান কথা। সৰুকালৰ কথা। স্কুলত পঢ়োৱা দিনৰ কথা। পথাৰলৈ যোৱা, খেতিলৈ যোৱা, জলকীয়া ৰোৱা, ফুলনি পতা বিভিন্ন কথা! লাৰু-পিঠা বিধে বিধে বনোৱা কথা। যেন কথাৰ শেষ নাই...। মহামাৰী হওঁ নহওঁতে মোৰ ল'ৰাটোৱে কিবা সন্দেহ কৰি ঘৰলৈ উভতি আহিলে। তাৰ পিছতেই লকডাউন। সিও ওলাব পৰা নাই। ইমান দিনে তাক লগ পোৱা নাই, এতিয়া নেৰানেপেৰাকৈ দিনে ৰাতিয়ে পাইছোঁ। গাত গা লগাই শুব পাৰিছোঁ। শুদাই নিকাই দুসাঁজ খাইছোঁ। পুৰণি নতুন কথা পাতি পাতি আমি টিভি চাবলৈকে সময় পোৱা নাই। বাহিৰত যি হয় হওক। মই কিন্তু ভাল পাইছোঁ। এতিয়া সি মোক মুখাগ্নি কৰিব নাপালেও মোৰ আক্ষেপ নাই !!!'

●●●

# লক-ডাউনৰ ফেঁহুজালি

**শৰৎ বৰকাকতি**

আজি পুৱা ৪ মান বজাতে সাৰ পালোঁ। যোৱা তিনি নিশা মোৰ বাওঁভৰিত হোৱা অসহ্য বিষত শুব পৰা নাছিলোঁ, কালি হোমিওপেথি ঔষধ খাই বিষটো প্ৰায় নায়েই বাবে বোধকৰোঁ টোপনি ভাল হৈছিল।

লকডাউনৰ যোৱা দুসপ্তাহ আমাৰ গাঁৱৰ ঘৰত কেৱল মই আৰু পৰিবাৰ তৃষ্ণাই ২৪/৭ একেলগে, একেটা ঘৰত থকাৰ জীৱনৰ অদ্ভূত অভিজ্ঞতা; টিভিত আৰু ৱাটচআপত কোভিড-১৯ ৰ প্ৰলয়ৰ খবৰ, এডাল বিযাক্ত সাপ দেখি 'গাৰে যেন এতিয়াই বগাই আহিব'ৰ দৰে ভয়; মানৱ জীৱনৰ ভৱিষ্যতৰ বিষয়ে গভীৰ আশংকা - সেয়াই মন প্ৰাণ অধিকৃত কৰি ৰাখিছিল। তাৰ মাজতে পুৱা যোগাভ্যাস, শাস্ত্ৰীয় সঙ্গীতৰ কণ্ঠসাধনা, পুৱাই সৰা আমলখি বোটলা, গীটাৰ বজোৱা, কোৰ মাৰি বাৰী চাফা কৰা, লেপটপ, ৱাটচআপ বা ফোনেৰে অফিচৰ কাম কাজ অৱশ্যে চলি আছিল।

বন্ধু-বান্ধৱ, পৰিয়ালৰ লোক আৰু প্ৰতিদিনে গুৱাহাটী আৰু দিল্লীত থকা দুয়ো কন্যাৰ লগত

ফোনৰ আলাপ দৈনন্দিন অভ্যাসত পৰিণত হৈছিল। গীত লিখাৰ চেষ্টা কৰিছিলোঁ, কিন্তু নিৰাশাৰে কি সৃষ্টি কৰিম, কি দিম, নৈৰাশ্যৰ মাজত, এসপ্তাহ আগতে অস্থিৰ মনে হঠাতে যেন এটা দৈৱবাণী শুনিলে- 'Suffering is optional not circumstantial, even in the worst possible situation, someone can take responsibility and make a difference. কিবা এটা হ'ল মনত। দিল্লীৰ, গুৱাহাটীৰ সমমৰ্ম্মী বন্ধু, মোৰ সৈতে সামাজিক কাম কৰা সহকৰ্ম্মী বহু কেইজনৰ লগত বহুসময় ফোনত কথা পাতিলোঁ, মোৰ কন্যাৰ লগতো। হঠাতে টিভি, ৱাটচআপ, ইউটিউবত কৰা অভিজ্ঞতা শ্বেয়াৰ, ন-চিন্তা বা সৃষ্টিশীল ভিডিঅ' বোৰে ধূসৰ ঘনাকাশত যেন নতুন আশাৰ ৰং সিঁচিবলৈ ধৰিলে।

গীত লিখিবলৈ ক'ৰবাৰ পৰা নতুন প্ৰেৰণা আহিল, লিখিলোঁ। ৱাটচআপত নতুন চিন্তাৰ, ধ্বংসৰ মাজত ভৱিষ্যৎ সৃষ্টিৰ পোহৰ বিচাৰি পোষ্ট কৰা মেচেজৰ প্ৰেৰণকৰ্ত্তা অসমৰ কেইবাজনো যুৱক, যুৱতীৰ সৈতে কথা পাতিলোঁ। কালি বহুদিনৰ পিছত পাপনৰ লগত ফোনেৰে আগতে নপতা বহু বিষয়ৰ অৱতাৰণা হ'ল আৰু এজন চেলিব্ৰেটিৰ জাকজমকতাৰ আঁৰত থকা জীৱনৰ সহজাত বিচাৰি ফুৰাৰ হাবিয়াস আৰু সংকল্পৰ বিষয়ে জানি আশ্বস্ত হ'লোঁ। সামাজিক কামৰ সহযোগী ডাঙৰ কন্যাৰ লগত ফোনেৰে আৰু পৰিবাৰৰ লগত মুখামুখিকৈ মন টৌৱাই থকা কথাবোৰ আলোচনা কৰিলোঁ।

নিশা শোৱাৰ আগতে ভীষণ ধুমুহা আহিছিল। ওৰেনিশা হয়তো বৰষুণ দি আছিল। এন্ধাৰতে সাৰ পাই ম'বাইলত চালোঁ ৪ বাজিছে.. মনলৈ কোনো প্ৰস্তাৱনা নোহোৱাকৈ, নভবাকৈ এটা ইংৰাজী শব্দ আহিল, BASICS। পৰিবাৰৰ যাতে টোপনি নেভাগে সেই চেষ্টা কৰি লাহে লাহে ম'বাইলৰ স্ক্ৰীণত ভাবি ভাবি BASICS শব্দটোৰ এটা Abbreviation তৈয়াৰ কৰিলোঁ। যোৱা সপ্তাহটোৰ বিভিন্ন চিন্তাৰ আউলবোৰ যেন ইংৰাজীৰ ৬টা বৰ্ণৰ পাকবোৰৰ মাজেদিয়েই খোল খাই আহিবলৈ ধৰিলে। শুই থাকিব আৰু নোৱাৰিলোঁ, উইণ্ডচিটাৰটো গাত মেৰিয়াই, টৰ্চটো লৈ বাহিৰলৈ ওলাই গ'লোঁ।

বাহিৰত জোনটো দেখাত বেলিটোৰ দৰেই হৈ জলফাই গছজোপাত ওলমি আছিল। পদূলিলৈকে নিশাৰ ধুমুহাৰ অত্যাচাৰত বিধ্বস্ত তামোল, নাৰিকলৰ ঢকুৱা আৰু সৰাপাত...

লাহে লাহে পোহৰ হ'ল। তৃষ্ণা হাতত খৰাহি এটা লৈ ওলাই আহিল। কাষচোতালত দুয়ো মিলি সৰি পৰা আমলখিবোৰ বুটলিবলৈ আৰম্ভ কৰিলোঁ। তৃষ্ণাই ক'লে - আজি বজাৰৰ পৰা পাচলি অনাৰ কথা আছিল যে, নেলাগে দিয়া। ইমানবোৰ আমলখিৰে দুসাঁজৰ বাবে বঢ়িয়াকৈ তৰকাৰি হৈ যাব, ওচৰচুবুৰীয়া দুয়োঘৰক দিয়াৰ পিছতো..। মই হাঁহি লাহেকৈ ক'লোঁ 'এৰা সেয়াইতো BASICS....

(BASICS ৰ বিষয়ে পিছে পৰেও কম)

# MEMORANDUM OF ASSOCIATION

(Registration under Societies Registration Act XXI of 1860)

1. **Name of the society** : ALUMNI ASSOCIATION FOR SOCIAL TRANSFORMATION AND HARMONY IN ASSAM (AASTHA): COTTONIAN PU 1975-77

2. **Address of the office of the Society**: FLAT NO. 5C THE LEGACY, F.A.AHMED ROAD, DARANDHA SIXMILE, GUWAHATI – 781007, DIST– KAMRUP (METRO), ASSAM.

3. **The Objectives for which the Society has been established:**

i. The Association offers regular get-together of the Cotton PU 1975-77 batch Alumni, those who are settled in various parts of India and abroad, and facilitates various ways of communication and coordination amongst them and organizes an annual reunion to keep the bond of fellowship and friendship intact.

ii. To organize cultural and literary meets amongst the Alumni.

iii. To provide effective facilities to the members of the society and to develop, maintain and improve friendly relationship amongst members of the society.

iv. To help solving any issue faced by members in day to day life.

v. To publish the literary/musical works of the alumni for preserving them for posterity.

vi. To organize seminars/workshops/conferences with various stakeholders to intellectually discuss and deliberate on various socio-cultural-economic-educational issues which are important for the betterment of the Assamese society and Assam as a whole.

vii. To undertake academic, social, cultural, philanthropic activities for the benefit of the society.

viii. To initiate and take up developmental projects for on-ground intervention at micro-level with cluster-based approach by channelizing Government/Non-

Government development schemes/missions/programs.

ix. To collaborate with organizations with similar objectives or organizations which are engaged in similar intellectual/developmental activities for furtherance and acceleration of the activities taken up by the Association.

**4. The name, address and designations of the present members of the Executive Committee:**

| Sl No | Name | Address | Occupation | Designation |
|---|---|---|---|---|
| 1 | Dr Santanu Kr Baishya | H# 18, Santipath, Navin Nagar, R G Barua Road, Guwahati 781024 | Govt Service | President |
| 2 | Pankaj Kr Barua | Flat # 3G, The Terraces, Jayanagar, Tripura Road, Beltola, Guwahati 781028 | Retd Public Sector Servant | Vice President |
| 3 | Kasturi Niva Gogoi | 8th Floor, GUNA APARTMENT, Lakhimi Nagar, Hatigaon Road, Guwahati 781038 | Govt Service | Vice President |
| 4 | Col. Md. Lutfur Rahman | H# 14, BT College West Byelane, Lachit Nagar, Guwahati 781 007 | Army Officer(Retd) | General Secretary |
| 5 | Sarat Bakakaty | M 57 B, 2nd Floor, Malviya Nagar, New Delhi 110017 | Engg Consultant | Member i/c Socio-cultural events |
| 6 | Dr Biraj Jyoti Goswami | H# 62, 2nd By lane, Ajanta Path, Survey, Beltola, Guwahati 781028 | Private Medical Practitioner | Member i/c Literary etc. events |
| 7 | Dr Nirmal Kr Beriya | KAMALDEEP BUILDING, Bijlimill lane, East Manipuri Basti, Ulubari, Guwahati 781 007 | Govt Medical Practitioner | Treasurer |
| 8 | Jona Mahanta | H# 9 Senduri Ali, Palash Path (Near Disha Apartments), R G Barua Road, Guwahati 781 024 | Govt Service | Member |

| | | | | |
|---|---|---|---|---|
| 9 | Faizur Rahman | H# 21, Citizen Lane, 2nd byelane of F A Ahmed Nagar (LHS), Six Mile, Panjabari Road, Khanapara, Guwahati 781022 | Retd Govt Servant | Member |
| 10 | Topodhan Das | 4B, Madhumati Apartment, Survey, Beltola Road, Guwahati 781 028 | Retd Govt Servant | Member |
| 11 | Rumima Das | Flat no 103, M B Enclave, F C Road, Uzan Bazar, Guwahati 781001 | Govt Service | Member |
| 12 | Ratul Barua | H# 11, Rupkonwar Path, Beltola Tiniali, Guwahati 781028 | Retd Govt Servant | Member |
| 13 | Dr Shantanu Barua | H# 18, Santipath, Navin Nagar, R G Barua Road, Guwahati 781024 | Private Medical Practitioner | Member |
| 14 | Purnendu Sarma | H#13, Hengrabari, Forestgate, Namghar Path, Dispur, Guwahati 781006 | Govt Service | Member |
| 15 | Jayanta Chowdhury | H# 44, Danish Road, Panbazar, Guwahati 781 001 | Business | Member |

**5. We the undersigned are desirous of forming a Society in pursuance of this Memorandum of Association**

| Sl No | Signature in full | Address | Occupation | Designation | Witness |
|---|---|---|---|---|---|
| 1 | Dr Santanu Kr Baishya | H# 18, Santipath, Navin Nagar, R G Barua Road, Guwahati 781024 | Govt Service | President | *The Witness must be either Local DC, ADC, SDO(S) or Circle Officer along with his full name & Office seal* |
| 2 | Pankaj Kr Barua | Flat # 3G, The | Retd Public | | |

| | | | | |
|---|---|---|---|---|
| | | Terraces, Jayanagar, Tripura Road, Beltola, Guwahati 781028 | Sector Servant | Vice President |
| 3 | Kasturi Niva Gogoi | 8th Floor, GUNA APARTMENT, Lakhimi Nagar, Hatigaon Road, Guwahati 781038 | Govt Service | Vice President |
| 4 | Col.Md Lutfur Rahman | H# 14, BT College West Bye lane, Lachit Nagar, Guwahati 781 007 | Army Officer (Retd) | General Secretary |
| 5 | Sarat Bakakaty | M 57 B, 2nd Floor, Malviya Nagar, New Delhi 110017 | Engg Consultant | Member i/c Socio-cultural events |
| 6 | Dr Biraj Jyoti Goswami | H# 62, 2nd By lane, Ajanta Path, Survey, Beltola, Guwahati - 781028 | Private Medical Practitioner | Member i/c Literary etc. events |
| 7 | Dr Nirmal Kr Beriya | KAMALDEEP BUILDING, Bijlimill lane, East Manipuri Basti, Ulubari, Guwahati 781 007 | Govt Medical Practitioner | Treasurer |
| 8 | Jona Mahanta | H# 9 Senduri Ali, Palash Path (Near Disha Apartments), R G Barua Road, Guwahati 781 024 | Govt Service | Member |
| 9 | Faizur Rahman | H# 21, Citizen Lane, 2nd bye lane of F A Ahmed Nagar (LHS), Six Mile, Panjabari Road, Khanapara, Guwahati 781022 | Retd Govt Servant | Member |

| | | | | |
|---|---|---|---|---|
| 10 | Topodhan Das | 4B, Madhumati Apartment, Survey, Beltola Road, Guwahati 781 028 | Retd Govt Servant | Member |
| 11 | Rumima Das | Flat no 103, M B Enclave, FC Road, Uzan Bazar, Guwahati 781001 | Govt Service | Member |
| 12 | Ratul Barua | H# 11, Rupkonwar Path, Beltola Tiniali, Guwahati 781028 | Retd Govt Servant | Member |
| 13 | Dr Shantanu Barua | H# 18, Santipath, Navin Nagar, R G Barua Road, Guwahati 781024 | Medical Practitioner | Member |
| 14 | Purnendu Sarma | H#13, Hengrabari, Forestgate, Namghar Path, Dispur, Guwahati 781006 | Govt Service | Member |
| 15 | Jayanta Chowdhury | H# 44, Danish Road, Panbazar, Guwahati 781 001 | Business | Member |

Date of Establishment : 01.09.2019

**RULES & REGULATIONS**

1. **Name of the society** : ALUMNI ASSOCIATION FOR SOCIAL TRANSFORMATION AND HARMONY IN ASSAM (AASTHA):

   (An Association of COTTONIANS PU 1975-77 BATCH)

2. **Address of the office of the Society**: FLAT NO. 5C THE LEGACY, F.A.AHMED ROAD, DARANDHA

SIXMILE, GUWAHATI – 781007,
DIST– KAMRUP (METRO), ASSAM.

**3. Area of operation:** Area of operation of this society will be confined within the Union of India

**4. Vision of the Society:** To build the Association as a cohesive, socially responsible reliable forum of intellectuals that delivers by harnessing their collective experiences for the betterment of the Society and create a legacy.

**Aims and Objectives of the Society:**

The objectives for which the Society has been established are:-

i. The Association offers regular get-together of the Cotton PU 1975-77 batch Alumni, those who are settled in various parts of India and abroad, and facilitates various ways of communication and coordination amongst them and organizes an annual reunion to keep the bond of fellowship and friendship intact.

ii. To organize cultural and literary meets amongst the Alumni.

iii. To provide effective facilities to the members of the society and to develop, maintain and improve friendly relationship amongst members of the society.

iv. To help solving any issue faced by members in day to day life.

v. To publish the literary/musical works of the alumni for preserving them for posterity.

vi. To organize seminars/workshops/conferences with various stakeholders to intellectually discuss and deliberate on various socio-cultural-economic-educational issues which are important for the betterment of the Assamese society and Assam as a whole.

vii. To undertake academic, social, cultural, philanthropic activities for the benefit of the society.

viii. To initiate and take up developmental projects for on-ground intervention at micro-level with cluster-based approach by channelizing Government/Non-Government developments schemes/missions/programs.

ix. To collaborate with organizations with similar objectives or organizations which are engaged in similar intellectual/developmental activities for furtherance and acceleration of the activities taken up by the Association.

**5. Membership:**

(I) The Society offers membership to all alumni who joined Cotton College as the PU classes in 1975 whether in Science or Arts stream. The Society also offers membership to those who joined the college in PU classes in the year 1976 as 2nd year students.

(II) All Alumni will be enrolled as Life Members only. Members will pay Rs 2000/-.as onetime subscription for Life Membership.

(III) Rights and Privileges of the Members:

a) To vote, if present at a General Body Meeting.

b) Serve as office bearer of Executive Committee Member of Society.

c) No member shall be entitled a return of his subscription, donation or gift to the Society nor shall any transfer of his interests in the Society be binding on the Society.

**6. Financial Management of the Society:**

i. **Fund Collection:**

Membership admission fees, annual subscription of members and donations and contributions from members/well-wishers of the Society.

ii. **Fund control and Management:**

The fund of the Society shall be spent on the activities of the Society and shall be under control and management of the Executive Committee of the Society. The Executive Committee shall approve the expenditure from the fund of the Society.

iii. **Operation of the Fund:**

The Society shall open a Bank Account in a Nationalised bank and it will be operated jointly by the President, General Secretary and Treasurer with the minimum of two operators.

**7. Procedure for General Meeting**

A general body meeting shall be held at least once a year and if required, it may be held twice or more often as may be approved by President of the Society. The General Secretary, after approval by the President of the Society, shall call such general body meeting by serving at least seven days prior notice.

**8. Quorum of the General Body Meeting**

One third of the total members of the organization must be present in the General Meeting to form the Quorum of the General Meeting.

**9. Election Procedure Of The Executive Committee**

The Executive Committee members of the society shall be selected/elected by the General Body in the Annual General Body meeting or in a extraordinary General Body meeting and they will hold office till the formation of new Executive Body.

**10. Short Description of the Executive Body:**

i. Total elected members either by voice votes, general consensus, or secret ballot system must be 15(fifteen). They will include the President, two Vice Presidents, a General Secretary, a Treasurer, a Cultural Secretary, a Social Work Secretary and eight other Executive Members.

ii. The President, the General Secretary and other office bearers of the Executive Committee may be appointed by election/selection in General Body meeting.

**Sec 1: Duties of the President**

(a) The President shall convene and preside over the General Body meeting.

(b) The President shall officially represent the Society whenever required.

(c) The President will not cast his vote but in case of equality, he is entitled to cast his casting vote.

(d) In his absence, one of the Vice- President will preside over the General Meeting, as per direction and indication of the President.

**Sec 2: Duties of the Vice President**

In absence or in capacitance of the President, Vice President No 1 shall enjoy all powers of President.

**Sec 3: Duties of the General Secretary:**

(a) The General Secretary shall prepare and organize the meeting convened by the President.

(b) The General Secretary shall be custodian of the proceedings and other records of the Society.

(c) The General Secretary shall maintain contact and correspondence with the members.

(d) The General Secretary is responsible to the Executing Committee.

**11. The Tenure of the Executive Body**

i. The tenure of the Executive Committee shall be 2(two) years.

ii. The Executive Committee will appoint all other office bearers except President and General Secretary.

iii. The Executive Committee shall appoint Sub-committees, if required to take charge of certain activities within the areas of operation of the Organization.

**12. Procedure for Re-Election of the Executive Committee**

i. When a vacancy of the membership of the Executive Committee occurs, President shall call for a General Body meeting and elect one member to fill up the post.

ii. For malpractices detrimental to the interest of the organisation, a member may be replaced by the procedure mentioned at above.

iii. In case of death, or resignation of the President or General Secretary, the vacant post should be filled within one month by the General Body.

iv. The President/General Secretary can be removed, dismissed or warned by the General Body if he is found to be involved in corrupt practices which are harmful to the organization and/or detrimental to the entire society at large. In such cases an emergent meeting may be called by two third majorities of Executive Committee to take appropriate action against the President.

v. The President may call a General body meeting at any time.

**13. Procedure for the Meeting of the Executive Committee**

i. Any agenda or proposal shall be passed by a majority of votes of the members of the Executive Body.

ii. The Executive Committee meeting shall be held four times in a year. Emergent sitting of the body can also be held at the instance of the President.

iii. The President and General Secretary shall prepare agenda of each proposed meeting before hand and shall notify to the members one week prior scheduled meeting.

**14. Quorum of the Executive Committee Meeting**

i. One half of the total members of the Executive Committee shall form the quorum of the Executive Committee.

ii. The President may ask for explanation for continuous absence of members in three Executive Committee meetings.

**15. Expulsion of Undesirable Members**

i. An active member or an Executive Committee member should be of good conduct, free from corruption, malpractices and criminal activities. In case a member is found to be of evil character detrimental to society, the General Body by a resolution shall expel such person from the organization.

ii. When an Executive Committee member is found to be undesirable to continue in the Executive Committee, he or she may be removed by a resolution in the General Body of the Society.

iii. All subscription, deposited amount of such members shall remain forfeited to the Society.

**16. Auditor**

The Executive Committee will appoint a qualified auditor and the auditor shall submit its audited statement once a year. It will be presented to the General Body for approval after a due perusal by the Executive Committee. The term of the auditor is 3 (three) years.

**17. Legal Procedure**

According to the provisions laid down in section 06 of the Societies Registration Act 1860, the organization may sue, or may be sued in the name of President or General Secretary of the Society.

**18. Dissolution**

If necessary, the organization may dissolve, after a resolution of the General Body. Properties remaining after dissolution may be handed over according to the provisions laid down in section 13 and 14 of the Societies Registration Act XXI of 1960.

**19. Amendment and review**

This memorandum may be amended or reviewed at any time by through a resolution of the General Body of the Association.

**Certified to be a true copy of the Rules and Regulations of**

ALUMNI ASSOCIATIONFOR SOCIAL TRANSFORMATION AND HARMONY IN ASSAM (AASTHA) COTTONIANS PU 1975-77

**Signature of Three Executive Members:**

| Sl No | Name | Designation | Signature | Attested by |
|---|---|---|---|---|
| 1 | Dr Santanu Kr Baishya | Govt Service | | |
| 2 | Col Md Lutfur Rahman | Army Officer (retd) | | |
| 3 | Dr Nirmal Kr Beriya | Govt Medical Practitioner | | |

কৈশোৰ-যৌৱনৰ দোমোজাত অযুত সপোন বুকুত লৈ হেঁপাহৰ বিদ্যামন্দিৰ 'কটন কলেজ'ত ১৯৭৫ চনত আমি নামভৰ্ত্তি কৰিছিলোঁ। সময় ইমান সৰহীয়া নাছিল যে আমি প্ৰত্যেকে প্ৰত্যেকক চিনি পাম, জানিম। আৰু সকলোকে চিনি পোৱাৰ আগতেই ১৯৭৭ চনত প্ৰাক্-বিশ্ববিদ্যালয় চূড়ান্ত পৰীক্ষা দি প্ৰায়ভাগে আমি এৰা-এৰি হ'লোঁ। একেলগে অনাৰ্চ পঢ়া, একেলগে মেডিকেলত পঢ়া অথবা একেলগে ইঞ্জিনিয়াৰিং পঢ়া একাংশক বাদ দিলে গৰিষ্ঠ সংখ্যকে কাকো কোনেও চিনি নোপোৱাকৈ আৰু চিনি পালেও লগ নোপোৱাকৈ জীৱনৰ প্ৰায় চল্লিশটা বছৰ পাৰ কৰিলোঁ।

বহুত হেৰাই গ'ল জীৱন নদীৰ চাকনৈয়াত, বহুতে অকালতে জীৱনৰ মোহ এৰি নেদেখা দেশলৈ গতি কৰিলে। তাৰ মাজতো অন্তৰ্লীন ফল্গুধাৰা হৈ বৈ থাকিল চেনেহৰ-বন্ধুত্বৰ এনাজৰী। প্ৰথমে ঘনিষ্ঠ মহল লগ হোৱাৰ পিছত আড্ডাৰ ক্ষেত্ৰ বহল হ'ল। পুনৰ্মিলন সমাৰোহ পতা হ'ল আৰু ১৯৭৫-৭৭ বৰ্ষৰ প্ৰাক্তন কটনিয়ানৰ সচাঁ অৰ্থত পুনৰ্মিলন হ'ল।

পৰম উছাহেৰে আমি বন্ধুত্বৰ অনিৰ্ব্বচনীয় সুখ উপভোগ কৰি থাকোঁতে উপলব্ধি কৰিলোঁ যে, আমাৰ সহপাঠী বন্ধুসকলৰ ছবি তথা নাম-ঠিকনাৰ এখন ডাইৰেক্টৰী থকাটো অতীৱ প্ৰয়োজনীয়। বিশেষকৈ জীৱনৰ ষাঠিটা বছৰ অতিক্ৰম কৰাৰ পিছত স্মৃতিভ্ৰংশ নোহোৱাকৈ আমাক বচাই ৰখাত এই ডাইৰেক্টৰীখন প্ৰভূত পৰিমাণে সহায়ক হ'ব বুলি আমাৰ ধাৰণা।